


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত


জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩৪৬ ■ গুৱাহাটী ■ সোমবাৰ, ২৫ জুলাই, ২০২২, ৮ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 346 Dainandin Barta ■ Guwahati, Monday ■ 25 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only

**ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীৰামনাথ ক'বিন্দৰ ৰাষ্ট্ৰবাসীলৈ বিদায় বাৰ্তা**

নতুন দিল্লী, ২৪ জুলাই ২০২২

## মই বহুতো ব্যতিক্ৰমী প্ৰতিভাক সাক্ষাৎ কৰাৰ সুযোগ পাইছিলোঁ

মৰমৰ দেশবাসীসকল,
নমস্কাৰ!

১. আজিৰ পৰা পাঁচ বছৰ পূৰ্বে আপোনালোক সকলোৱে মোৰ ওপৰত অপৰিসীম বিশ্বাস ৰাখি আপোনালোকৰ নিৰ্বাচিত জনপ্ৰতিনিধিৰ জৰিয়তে মোক ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত কৰিছিল। আজি মোৰ কাৰ্যকাল সমাপ্ত হৈছে। এই উপলক্ষে, মই আপোনালোক সকলোৰে সৈতে কেইটামান কথা ভাগ-বতৰা কৰিব বিচাৰোঁ।

২. সৰ্বপ্ৰথমে, মই আপোনালোক সকলো দেশবাসী আৰু আপোনাৰ জনপ্ৰতিনিধিসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সমগ্ৰ দেশ ভ্ৰমণৰ সময়ত মই নাগৰিকসকলৰ সৈতে হোৱা বাৰ্তালাপ আৰু সম্পৰ্কৰ দ্বাৰা নিৰন্তৰে অনুপ্ৰাণিত হৈছিলোঁ। সৰু সৰু গাঁৱত বাস কৰা আমাৰ কৃষক আৰু শ্ৰমিক ভাই-ভনীসকল, নতুন প্ৰজন্মৰ জীৱন অনুপ্ৰাণিত কৰা আমাৰ শিক্ষকসকল, আমাৰ ঐতিহ্য সমৃদ্ধ কৰা শিল্পীসকল, আমাৰ দেশৰ বিভিন্ন পৰিধি অধ্যয়ন কৰা পণ্ডিতসকল, দেশৰ সমৃদ্ধি বৃদ্ধি কৰা ■ ৭ পৃষ্ঠাত



অসম যুৱ অলিম্পিক-২০২২ৰ যোগ প্ৰতিযোগিতাত প্ৰতিযোগীৰ যোগ প্ৰদৰ্শন, দেওবাৰে

# দ্ৰৌপদী মুৰ্মু

## জনজাতিৰ সবলীকৰণৰ দিশত মোদীৰ সংকল্পৰ প্ৰতীক

■ অমিত শ্বাহ
গৃহ মন্ত্ৰী, ভাৰত চৰকাৰ

ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে দ্ৰৌপদী মুৰ্মু ডাঙৰীয়ানী নিৰ্বাচিত হোৱাটো ভাৰতীয় গণতন্ত্ৰৰ এক ঐতিহাসিক মুহূৰ্ত। ওড়িশাৰ এক অতি দৰিদ্ৰ জনজাতীয় পৃষ্ঠভূমিৰ মাজৰ পৰা, তাকো অতিশয় পিছপৰা চাওতালী সম্প্ৰদায়ৰ পৰা দেশৰ সৰ্বোচ্চ সাংবিধানিক পদবীলৈ এই উল্লেখ্য যাত্ৰা তেওঁৰ সংগ্ৰাম, সাহস আৰু দৃঢ়তাৰ প্ৰতিফলন। দেশৰ প্ৰথম নাগৰিক হিচাপে তেওঁৰ এই উত্তৰণ সমগ্ৰ দেশৰ বাবে বিশেষকৈ জনজাতীয় সমাজৰ বাবে অতি আনন্দ আৰু সন্তুষ্টিৰ বিষয়। এই সৰ্বোচ্চ পদত এগৰাকী জনজাতীয় মহিলা অধিষ্ঠিত হোৱাটোলৈ ৰাষ্ট্ৰই অপেক্ষা কৰিবলগীয়া হ'ল সাতটা দশক। মুৰ্মু ডাঙৰীয়ানীৰ এই নিৰ্বাচন চিহ্নিত হৈছে



প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীৰ নেতৃত্বত আমাৰ গণতন্ত্ৰ আৰু সংবিধানৰ আন এক বিজয় গাথা হিচাপে।

জনজাতিসকলে দেশৰ জনসংখ্যাৰ ৯ শতাংশক প্ৰতিনিধিত্ব কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামত এই সম্প্ৰদায়ৰ অমূল্য ত্যাগ আৰু অবিস্মৰণীয় অৱদান আছে। কিন্তু পৰিতাপৰ বিষয় হ'ল ■ ৮ পৃষ্ঠাত

## ৰাজধানী দিল্লী আহি পালেহি মাংকী পক্স

**দেশত আক্ৰান্তৰ সংখ্যা ৪জনলৈ বৃদ্ধি**

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৪ জুলাই ঃ অৱশেষত দেশৰ ৰাজধানী চহৰ নতুন দিল্লী আহি পালেহি ■ ৮ পৃষ্ঠাত







## ঘগ্ৰাপাৰত থানাৰ সন্মুখত মোনাৰ ভিতৰত শিশু উদ্ধাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৪ জুলাই ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ পৰা প্ৰায় ৫০০ মিটাৰ আঁতৰত ৩১নং ৰাষ্ট্ৰীয় ঘাই পথৰ বাঘমাৰাৰ এখন পকী দলঙৰ কাষত এটি প্ৰায় ৫ মহীয়া ল'ৰা শিশু উদ্ধাৰ হোৱা এক ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে আজি আবেলি ৩.২০ মান বজাত ঘগ্ৰাপাৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক নাছিৰুৰ ৰহমানে উক্ত স্থানত এখন মোনাৰ ভিতৰত কিবা প্ৰত্যক্ষ কৰি ঘগ্ৰাপাৰ থানাত খবৰ দিয়ে। লগে লগে ঘটনাস্থলীত ঘগ্ৰাপাৰ আৰক্ষীৰ উপ-পৰিদৰ্শক ভনিতা ■ ৮ পৃষ্ঠাত

### বিশ্ব এথলেটিক্‌ছ

# ভাৰতৰ নীৰজ চোপ্ৰাৰ ৰূপ






১৯ বছৰৰ অপেক্ষাৰ পাছত বিশ্ব এথলেটিক্‌ছ চেম্পিয়নশ্বিপত ভাৰতীয় এথলিটৰ পদক লাভ

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৪ জুলাই ঃ টকিঅ' অলিম্পিকত সোণ লাভ কৰি ইতিহাস ৰচনা কৰা ভাৰতীয় এথলীট নীৰজ চোপ্ৰাই আজি চলিত বিশ্ব এথলেটিক্‌ছ চেম্পিয়নশ্বিপত ■ ৮ পৃষ্ঠাত

## অধ্যক্ষবিহীন মহাবিদ্যালয় স্থবিৰ হৈছে শিক্ষাৰ মান

ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰ আসনক লৈ সৃষ্টি হোৱা অন্তৰ্কন্দলে আদালতৰ মজিয়া পালেগৈ ঃ ন্যায়ালয়ৰ সিদ্ধান্তলৈ অপেক্ষা সচেতন মহল

দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৪ জুলাই ঃ অসমৰে এখন আগশাৰীৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ধেমাজি বাণিজ্য মহাবিদ্যালয়। যিখন মহাবিদ্যালয়ে সকলো দিশতে ৰাজ্যখনৰ ভিতৰতে সুনাম আঁজুৰি আনিবলৈ সক্ষম হয়। তেনে এখন মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰ চকীখনক লৈ সৃষ্টি হোৱা অন্তৰ্কন্দল চূড়ান্ত পৰ্যায়ত ■ ৮ পৃষ্ঠাত



## নায়কৰ ঘৰত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী তেলী

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৪ জুলাই ঃ লেপেটকটাৰ বৰ লাইনস্থিত মইনা নায়কৰ ঘৰত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আজি উপস্থিত হয়। মন্ত্ৰীগৰাকী সৈতে ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিত পেগু, আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ আৰু শ্ৰম আয়ুক্ত উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ১৯ জুলাইত দুৰ্ঘটনাটো সংঘটিত হোৱা ফেক্টৰীটো পৰিদৰ্শন কৰে। ডিব্ৰুগড় জিলাৰ দণ্ডাধিকাৰীৰ জৰিয়তে অধিক তদন্ত কৰিব বুলিও জনায়। অতি সোনকালে মইনা নায়কৰ দুৰ্ঘটনাৰ বাবে ■ ৮ পৃষ্ঠাত

দৃষ্টিৰ আঁৰত থকা লেখকক অনুপ্ৰেৰণা যোগালেহে ভাষা জননীৰ উদ্দেশ্য সফল হ'ব— অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ উদ্বোধনী অনুষ্ঠানত সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুন

## সাহিত্য সভাৰ অধিৱেশন দীঘলীয়া হ'লেই সাহিত্যৰ বিকাশ নহয়, ই উৎসৱতহে পৰিণত হৈছে

দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৪ জুলাই ঃ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ ষষ্ঠ কাৰ্যনিৰ্বাহক সভাখন আজি ঐতিহাসিক শিৱসাগৰ বৰপুখুৰীপাৰস্থিত যুৱ দল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে সভাপতি ড° কুলধৰ শইকীয়াই। স্মৃতি তৰ্পণ কৰে সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱী আৰু প্ৰধান ■ ৮ পৃষ্ঠাত

## অসমৰ বিদ্যুৎ অবৈধভাৱে মেঘালয় ৰাজ্যত যোগান দিয়াত স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিক্ৰিয়া

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৪ জুলাই ঃ ধুবুৰী জিলাৰ মৈৰাকুছিৰ স্থানীয় ৰাইজে বিদ্যুৎ সংযোগক লৈ জাঙুৰ খাই উঠিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি লক্ষীপুৰ বিদ্যুৎ উপ-সমণ্ডলৰ অধীনস্থ আইৰকাটা ফিটাৰৰ ঠিকাদাৰ ৰবিয়াল হুছেইন আইৰকাটা ■ ৮ পৃষ্ঠাত

## কলিয়াবৰ মহকুমা আৰক্ষী বিষয়াই চলোৱা অভিযানত জব্দ ৪০টা চোৰাং গৰু

■ চোৰাং গৰু ছিণ্ডিকেটৰ ঘাটিত পৰিণত হৈছে যোৰহাট
■ যোৰহাট আৰক্ষীৰ নিৰ্লিপ্ততাৰ সুযোগ লৈ নিতৌ সৰবৰাহ হৈছে চোৰাং গৰু

**বিগত তিনি মাহত উজনি অসমৰ পৰা অহা ৬৪১টা চোৰাং গৰু, ৩৬খন বাহন জব্দ কৰাৰ লগতে চোৰাং গৰু সৰবৰাহৰ লগত জড়িত ৫০জন লোকক আটক**

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৪ জুলাই ঃ যোৰহাট আৰক্ষীৰ নিস্ক্ৰিয়তাৰ সুযোগ লৈ চোৰাং গৰু সৰবৰাহকাৰীয়ে অবাধে বাংলাদেশ সীমান্তলৈ অবৈধভাৱে চালান দিছে গৰু। শেহতীয়াকৈ কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃন্ময় দাসে চলোৱা অভিযানত জব্দ হৈছে ৪০টা চোৰাং গৰু। এএছ-০১ বি চি-১৯৪৩ নম্বৰৰ এখন কণ্টেইনাৰ কঢ়িওৱা ট্ৰাকৰ পৰা আৰক্ষীয়ে জব্দ কৰিছে চোৰাং গৰুসমূহ। জানিব পৰা মতে, আজি পুৱা কলিয়াবৰৰ মহকুমা আৰক্ষী বিষয়াগৰাকীয়ে ৪খন ট্ৰাকত যোৰহাট আৰু দেৰগাঁৱৰ মাজৰ ■ ৮ পৃষ্ঠাত



নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান পৰিদৰ্শন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

**দদৰা আৰু শিঙিমাৰী পঞ্চায়তৰ ৰাইজে ল'লে সিদ্ধান্ত**

## যুদ্ধক্ষেত্ৰ এলেকাত ৰাইজে সাজিব আলাবৈ ৰণৰ স্মৃতিসৌধ

দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱালকুছি, ২৪ জুলাই ঃ শৰাইঘাট জাৰ্ণেলিষ্ট ফৰামৰ অনন্য প্ৰচেষ্টাত ঐতিহাসিক আলাবৈ ৰণৰ ঐতিহ্য সংৰক্ষণৰ বাবে চৰকাৰে আগবাঢ়ি অহাৰ সময়তেই দদৰা আৰু শিঙিমাৰী পঞ্চায়তৰ বৃহত্তৰ এলেকাৰ ৰাইজে আলাবৈ ৰণত প্ৰাণ আহুতি দিয়া দহ হাজাৰ অসমীয়া বীৰৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ আলাবৈ ■ ৮ পৃষ্ঠাত



তামাবাহাট প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

## প্ৰসূতিৰ পৰা উৎকোচ লৈ ৰঙাঘৰৰ আলহী হ'ল এগৰাকী নাৰ্ছ

দৈনন্দিন বাৰ্তাৰ সেৱা, তামাবাহাট, ২৪ জুলাই ঃ ধুবুৰী জিলা স্বাস্থ্য বিভাগৰ অধীনস্থ তামাবাহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত প্ৰসূতিৰ পৰা উৎকোচ লৈ ৰঙাঘৰৰ আলহী হ'ল এগৰাকী কৰ্তব্যৰত নাৰ্ছ। ঘটনাৰ বিৱৰণী মতে যোৱা ১৩ জুলাইৰ দিনা তামাবাহাটৰ নিচেই কাষত থকা তামাচাবাগান গাঁৱৰ ছবিৰা খাতুন নামৰ এগৰাকী গৰ্ভৱতী মহিলা চিকিৎসালয়লৈ যায় আৰু তাতে জন্ম ■ ৮ পৃষ্ঠাত

## পালে জামিন, আকৌ গ্ৰেপ্তাৰ ৰাণা প'গাগক

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৪ জুলাই ঃ অ'এনজিচিত চাকৰি কৰাৰ ভুৱা পৰিচয়েৰে বিভিন্নজনক ঠিকা আৱণ্টন দিয়াৰ নামত লাখ লাখ টকা সংগ্ৰহ কৰি প্ৰৱঞ্চনাৰ জাল মেলা ৰাণা প'গাগে আজি নগাঁও সদৰ থানাত তথা গোচৰত জামিন লাভ কৰিলেও মুকলি আকাশৰ তললৈ আহিবলৈ নাপালে। প্ৰৱঞ্চক ৰাণা প'গাগক নগাঁও সদৰ ■ ৮ পৃষ্ঠাত

## অসমীয়া সাহিত্যত 'বহুৰূপী'ৰ ৰূপ লৈ 'বিচ্ছুৰিত প্ৰেমৰ বৰ্ণালী' বিলাই ৭৫ত ৰহস্য সম্ৰাট



**অসমৰ জনপ্ৰিয় ৰহস্য সাহিত্যৰ অদ্বিতীয় সাহিত্যিক ৰঞ্জু হাজৰিকাৰ আজি ৭৫ সংখ্যক জন্ম দিৱস**

দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৪ জুলাই ঃ সাহিত্য জগতৰ এক বিৰামহীন যাত্ৰাৰে 'বহুৰূপী'ৰ পৰা 'বিচ্ছুৰিত প্ৰেমৰ বৰ্ণালী'লৈকে বিস্ময়কৰ প্ৰতিভাৰে ৭৫০খনতকৈয়ো অধিক অসমীয়া গ্ৰন্থ ৰচনাৰ এক বৰ্ণিল ইতিহাসৰ স্বাক্ষৰ বহনকাৰী ৰহস্য সাহিত্যিকগৰাকীৰ আজি ৭৫ সংখ্যক জন্ম দিৱস। আজি কলিয়াবৰৰ চুবুৰীস্থিত গ্ৰীন আছিয়ানা বেলেফেৱাৰ ফাউণ্ডেচনৰ আড়ম্বৰপূৰ্ণ আয়োজন। আজি পুৱাতে গ্ৰীন আছিয়ানা বেলেফেৱাৰ ফাউণ্ডেচনে এদিনীয়াকৈ কলিয়াবৰৰ চুবুৰীস্থিত গ্ৰীন আছিয়ানা পেলেচত অনুষ্ঠিত অনুষ্ঠানত প্ৰথমতে মাংগলিক পূজা-অৰ্চনাৰে দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভণি ঘটে। পতাকা ■ ৮ পৃষ্ঠাত




## পুনৰ চলিব ১০০ বছৰ পুৰণি ঐতিহ্যমণ্ডিত নেৰাল-মাথেৰান মিনি পুতলা ৰে'ল



দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৪ জুলাই ঃ প্ৰায় এক শতিকাৰো অধিক পুৰণি, মুম্বাইৰ ওচৰৰ মাথেৰান পাহাৰীয়া ষ্টেচনত আইকনিক মিনি পুতলা ৰে'লখনে ২০২০ চনৰ শেষৰ ফালে ৰে'ল সেৱা পুনৰ আৰম্ভ কৰাৰ সম্ভাৱনা আছে। ধাৰাসাৰ বৰষুণৰ ফলত হোৱা নেৰো গজ ৰে'ল পথৰ ব্যাপক ক্ষতি হোৱাৰ পিছত মিনি খেলনা ৰে'লৰ সেৱা স্থগিত ৰখা হৈছিল। প্ৰায় ৫ কোটি টকাৰ ব্যয়ৰে ৰে'লপথ চলোৱাৰ বাবে ৰে'ল পথ পুনৰ সাজু কৰি তোলা হৈছে। সুৰক্ষামূলক ব্যৱস্থাসমূহ অধিক ভালদৰে কৰি লোৱা বাবে আগৰ সময়ৰ তুলনাত এই ৰে'লেৰে ভ্ৰমণ কৰাটো অধিক সুৰক্ষিত আৰু আৰামদায়ক হ'ব। মুষলধাৰ বৰষুণ আৰু ভূমিস্খলনৰ বাবে ২০ কিলোমিটাৰ দীঘল নেৰাল-মাথেৰান ■ ৮ পৃষ্ঠাত

# সফলতাৰে সামৰণি পৰিল চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিনামূলীয়া পাঠদান শিবিৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২৪ জুলাই ঃ** বিগত বছৰবোৰৰ দৰে এই বৰ্ষটো গৰম বন্ধৰ সময়ছোৱাত চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অভিজ্ঞ শিক্ষকৰ দ্বাৰা চিলাপথাৰ ৰেছিডেন্সিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গ্ৰীষ্মকালীন বিনামূলীয়া এক পাঠদান শিবিৰৰ আয়োজন কৰিছিল। কেৱল দশম শ্ৰেণীৰ বাবে আয়োজন কৰা এই বিনামূলীয়া পাঠদান শিবিৰত ছাত্ৰ-ছাত্ৰীসকললৈ সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান, ইংৰাজী আৰু অসমীয়া বিষয়ৰ পাঠদান আগবঢ়োৱা হয়। যোৱা ৩ জুলাই পৰা আৰম্ভ হোৱা এই বিনামূলীয়া পাঠদান শিবিৰত ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ শিক্ষাৰ লগতে ব্যক্তিত্ব বিকাশ আৰু সমাজ-সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰত চিলাপথাৰ অঞ্চলৰ বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞসকলৰ উপস্থিতিত বহুকেইটা আলোচনা-চক্ৰও অনুষ্ঠিত হয়। বিশেষকৈ পাঠ্যক্ৰমৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অনাগত দিনত কেনেকৈ আগবাঢ়ি যাব... ব্যক্তিত্ব বিকাশ কেনেকৈ হ'ব...আদি বিভিন্ন বিষয়ৰ ওপৰত সমল ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত হোৱাকৈ গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। অসমীয়া আৰু ইংৰাজীৰ দুয়োটা ভাষাতে হোৱা পাঠদানত ইংৰাজী, গণিত আৰু বিজ্ঞান বিষয় সামৰি লোৱা হৈছিল। আজি এই বিনামূলীয়া পাঠদান শিবিৰৰ সফলতাৰে সামৰণি সমাপ্তি হয়। চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিক্ৰমজিৎ গগৈৰ সভাপতিত্বে অনুষ্ঠিত মুকলি সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক পাপলু গগৈয়ে। সভাত পাঠদানত অংশগ্ৰহণ কৰা শিক্ষকসকলক আঞ্চলিক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অনাগত দিনত কেনেদৰে আগবাঢ়ি যাব লাগে তাৰ ওপৰত আভাস দাঙি ধৰে অভিজ্ঞ শিক্ষকসকলে। অনুষ্ঠানটিত উপস্থিত থাকে ধেমাজি জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি দেৱ কলিতা, মুখ্য সাংগঠনিক সম্পাদক দেৱেন ডেকা আৰু ধেমাজি মহকুমা ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ গগৈ।



# মাজুলীৰ অতিকৈ প্ৰাচীন কমলাবাৰী হৰিমন্দিৰত বাৰ্ষিক বৰসবাহ

## 'অশ্বত্থামাৰ দৰ্পচূৰ্ণ' ভাওনা পৰিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৪ জুলাই ঃ** মাজুলী কমলাবাৰীস্থিত অতিকৈ প্ৰাচীন কমলাবাৰী হৰিমন্দিৰত গত বৰ্ষসমূহৰ দৰে এইবৰ্ষতো বাৰ্ষিক নাম ভাওনা ভাগি আজি পালন কৰা হয়। কমলাবাৰীৰ আঞ্চলিক ৰাইজ, ব্যৱসায়ী সন্থা আৰু আইসকলৰ সহযোগত মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত বৰসবাহৰ কাৰ্যসূচী কালি পুৱা নিত্য-নৈমিত্তিক নাম-প্ৰসংগৰে আৰম্ভ হয়। শ্ৰীশ্ৰীবেলেসিদ্ধিয়া সত্ৰৰ সত্ৰাধিকাৰ নন্দদুলাল গোস্বামী প্ৰমুখ্যে সমগ্ৰ মাজুলীৰ ভকত-বৈষ্ণৱসকল উপস্থিত থাকি ভক্ত-বৈষ্ণৱৰ মিলন ক্ষেত্ৰত পৰিণত কৰা বৰসবাহভাগিত হৰিনামৰ অমিয়া মাধুৰীয়ে সমগ্ৰ অঞ্চলটো বিধৌত কৰে। নামৰ অন্তত এসময়ত হৰিমন্দিৰৰ বায়নৰ লগতে হৰি মন্দিৰটিৰ সমস্ত কাম-কাজ পৰিচালনাৰ লগত ওতপ্ৰোতভাৱে জড়িত কমলাবাৰী অঞ্চলৰ জ্যেষ্ঠ ব্যক্তি বুপ শইকীয়াক মন্দিৰ পৰিচালনা সমিতিয়ে সম্বৰ্ধনা জনায়। ইয়াৰ পিছতে সমস্ত অঞ্চলটোৰ লগতে সমগ্ৰ মানৱ সমাজৰ মাজত শান্তি-সম্প্ৰীতি অটুট থকাৰ লগতে মাৰি-মৰক, দুৰ্যোগ আদিৰ পৰা সকলো নিৰাপদে থকাৰ কামনাৰে আশীৰ্বাদ প্ৰদান কৰি মাহ-প্ৰসাদ, পকামিঠৈ বিতৰণ কৰি সভক্তিৰে ভক্ত-বৈষ্ণৱসকলক বিদায় দিয়ে। নিশালৈ বৃহত্তৰ অঞ্চলটোৰ শিশু-কিশোৰসকলে 'অশ্বত্থামাৰ দৰ্পচূৰ্ণ' নামৰ ভাওনাভাগি পৰিৱেশন কৰি দৰ্শক ৰাইজৰ বিপুল সমাদৰ লাভ কৰে।

# ওদালগুৰিত শিক্ষা-মালাৰ সফল পৰিসমাপ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৪ জুলাই ঃ** ওদালগুৰিৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন হেল্পিং হেণ্ডছ ছ'চাইটীৰ উদ্যোগত বিগত ১৭ জুলাইৰ পৰা ২৩ জুলাইলৈকে সপ্তাহজোৰা কাৰ্যসূচীৰে চলা শিক্ষা-মালা শীৰ্ষক শৈক্ষিক সপ্তাহৰ আজি সফল পৰিসমাপ্তি ঘটে। শৈক্ষিক সপ্তাহৰ অন্তিম দিনটোত অভিভাৱক সজাগতা সভাৰ কাৰ্যসূচী হাতত লোৱা হয়। উক্ত সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে ওদালগুৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপস্থিত থাকে অঞ্চলটোৰ বিশিষ্ট শিক্ষক দিলীপ দত্ত, নৰহৰি পাঠক, মোহন চেত্ৰী, মন্টু কলিতা, অনুপ শৰ্মাকে আদি কৰি আৰু কে'বাজনো শিক্ষক-শিক্ষয়িত্ৰী। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি স্বৰ্গীয় জীৱনগীতা দেৱী বজগাঁইৰ সোঁৱৰণত তেওঁৰ পৰিয়ালৰ আৰু সংগঠনটোৰ তৰফৰ পৰা সদ্য ঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ওদালগুৰি অঞ্চলটোৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰী ক্ৰমান্বয়ে আটলাণ্টা



উপাধ্যক্ষ টংকবাহাদুৰ গৌতম চেত্ৰী লগতে আমন্ত্ৰিত সমল ব্যক্তি ৰূপে উপস্থিত থাকে যোৰহাটৰ চিকেবি মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° জয়ন্ত পাঠক, যোৰহাটৰ সংবাদ মাধ্যম বিশেষজ্ঞ আভা ভৰালী আৰু গুৱাহাটীৰ বিশিষ্ট লেখিকা তথা শিক্ষয়িত্ৰী পুষ্পাঞ্জলি শিৱম শৰ্মা। প্ৰতিজন আমন্ত্ৰিত অতিথিয়ে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশত অভিভাৱকৰ ভূমিকাৰ তাৎপৰ্য সম্পৰ্কে বিষদভাৱে আলোচনা কৰে। উপস্থিত থাকে এছব'ফ'ৰ্ড একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ৰাহুল দেৱব্ৰহ্ম আৰু প্ৰীমিয়াৰ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ বিদ্যুৎ ৰঞ্জন কলিতা প্ৰমুখ্যে সমূহ শিক্ষক-শিক্ষয়িত্ৰী। উপস্থিত থাকে অনুষ্ঠানটি আয়োজিত কৰাত হেল্পিং হেণ্ডছ ছ'চাইটী, ওদালগুৰিক সহযোগিতা আগবঢ়োৱা ইমানুৱেল কোচিং একাডেমীৰ স্বত্বাধিকাৰীদ্বয় সুমন্ত বাৰ্মা আৰু ৰজত চেত্ৰী। দিনটোৰ দ্বিতীয় কাৰ্যসূচী মতে ওদালগুৰি অঞ্চলৰ শিক্ষাগুৰুসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিত হাজৰিকা আৰু প্ৰতিমা শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। তৃতীয় কাৰ্যসূচী মতে সাত দিনজোৰা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজিত হোৱা বিভিন্ন প্ৰতিযোগিতা অৰ্থাৎ তৰ্ক প্ৰতিযোগিতা, চিত্ৰাংকণ প্ৰতিযোগিতা, গল্প কোৱা প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা, থিতাতে লিখা কবিতা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণ কৰা হয়। সকলো প্ৰতিযোগিতাৰ ফলাফলৰ ভিত্তিত প্ৰীমিয়াৰ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ছাত্ৰী পপিতৰা ডেকাক 'ষ্টুডেন্ট অৱ দ্য উইক' ৰূপে চয়ন কৰা হয়। সমগ্ৰ অনুষ্ঠানটি সূচাৰুৰূপে পৰিচালনা কৰে সংগঠনটোৰ প্ৰতিষ্ঠাপক তথা মুখ্য উপদেষ্টা লক্ষ্মণ উপাধ্যায়ে। ইতিমধ্যে ওদালগুৰি জিলা প্ৰশাসন আৰু অসমৰ বিভিন্ন প্ৰান্তৰ বুদ্ধিজীৱী আৰু সমাজকৰ্মীসকলে হেল্পিং হেণ্ডছ ছ'চাইটী, ওদালগুৰিৰ এই পদক্ষেপৰ শলাগ লৈছে।

# দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ 'দৰঙী শিৰোমণি' বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৪ জুলাই ঃ** দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰতিষ্ঠা দিৱসটি ২২ জুলাইত দিনজোৰা কাৰ্যসূচীৰে সংঘৰ স্থায়ী কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হৈ যায়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰদৰ্শন কৰা হয় দৰঙী আপুৰুগীয়া লোক-কৃষ্টিসমূহ। চাৰিগৰাকী লোকশিল্পীলৈ এই বঁটা। অনুষ্ঠানত জিলাখনত চাৰিগৰাকীকৈ লোক-কৃষ্টি সাধক তথা শিল্পীলৈ আগবঢ়োৱা হয় দৰঙী শিৰোমণি বঁটা। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সংঘৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক নীলকান্ত চহৰীয়াই। ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে মুকলি কৰা কৃষ্টি প্ৰদৰ্শন অনুষ্ঠানত মুখপত্ৰ 'দৰঙী' উন্মোচন কৰে জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন মালাকাৰ, আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়, জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভবেন বৰ্মন আদি কৰি বিশিষ্ট ব্যক্তি আৰু দৰং- ওদালগুৰিৰ তিনি শতাধিক লোকশিল্পীৰ উপস্থিতিত প্ৰদান কৰা হয় 'দৰঙী শিৰোমণি বঁটা'। লোকশিল্পী কোমল চন্দ্ৰ নাথ, ইদ্ৰিছ আলী, দুলু বড়ো, ধনমালা দেৱীলৈ আগবঢ়োৱা হয় এই বঁটা।

### অসম চাহ নিগমৰ বাগিচা চলাবলৈ অপাৰগ ৰাজ্য চৰকাৰ

# ১২খন চাহ বাগিচা লীজত দিয়াৰ কুচকাৱাজ, প্ৰতিক্ৰিয়া চাহ শ্ৰমিক মুক্তি সংগ্ৰাম সমিতিৰ

**দৈনন্দিন বাৰ্তা, ৰঙামাটি, ২৪ জুলাই ঃ** ৰাজ্য চৰকাৰে অসম চাহ নিগমৰ অধীনত থকা বাগিচাসমূহ ব্যক্তিগতকৰণ কৰিবলৈ ইতিমধ্যে সাজু হৈছে। ৰাজ্য চৰকাৰে লীজত দিব খোজা অসম চাহ নিগমৰ ১২খন চাহ বাগিচাৰ ভিতৰত আছে গোলাঘাটৰ ৰঙামাটি, মিছামৰা, নেঘেৰিটিং চাহ বাগিচা। বাগিচাসমূহ লীজত দিয়াৰ পৰিৱৰ্তে পুনৰুজ্জীৱিত কৰিবলৈ ৰাজ্য চৰকাৰলৈ আহ্বান চাহ শ্ৰমিক মুক্তি সংগ্ৰাম সমিতিৰ। একপ্ৰকাৰ অৰ্থনৈতিকভাৱে জুৰুলা অৱস্থাৰ কথা মুকলিকৈ প্ৰকাশ নকৰিলে শেহতীয়াকৈ লোৱা ৰাজ্য চৰকাৰৰ সিদ্ধান্তসমূহে তাকে প্ৰমাণ কৰিছে। ব্যক্তিগতকৰণৰ বিৰোধিতাৰে চাহ শ্ৰমিক মুক্তি সংগ্ৰাম সমিতি গোলাঘাট জিলাৰ উপ-সভাপতি হাচিদ আহমেদে সংবাদ মাধ্যমৰ আগত মত ব্যক্ত কৰি কয় যে অসম চাহ নিগমৰ বাগিচা চলাবলৈ অপাৰগ ৰাজ্য চৰকাৰ। ইতিমধ্যে বণিয়াক লীজত দিবলৈ ৰাজ্য চৰকাৰে সময়সীমা বান্ধি দিছে ২৫ জুলাই। অসম চাহ নিগমৰ নিবিদা মতে নেঘেৰিটিং চাহ বাগিচা ফেক্টৰী মিছামৰা, ৰঙামাটিৰ মূল্য ৯ কোটি ৫০ লাখ। উল্লেখ্য, ১২খন চাহ বাগিচা লীজত দিব খোজা বাগিচাকেইখনৰ কৰ্মচাৰীক চৰকাৰ তথা নিগমে দিবলৈ আছে ৫০০ কোটিৰো অধিক ধন। বাগিচাসমূহ লীজত দিয়াৰ পৰিৱৰ্তে পুনৰুজ্জীৱিত কৰাৰ ক্ষেত্ৰতহে গুৰুত্ব দিবলৈ আহ্বান জনাইছে চাহ শ্ৰমিক মুক্তি সংগ্ৰাম সমিতিয়ে।

### বঙাইগাঁৱত সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ সাধাৰণ সভা

# ১৫ আগষ্টৰ আগতে দাবীসমূহ নিষ্পত্তি নকৰিলে গণতান্ত্ৰিক পন্থাৰে আন্দোলনৰ চিন্তা-চৰ্চা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৪ জুলাই ঃ** সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ এখন সাধাৰণ সভা শনিবাৰে বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ বঙাইগাঁও জিলা সমিতিৰ সহযোগত অনুষ্ঠিত সভাত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশন অহা ২৬ আৰু ২৭ নৱেম্বৰত বঙাইগাঁও জিলাত অনুষ্ঠিত কৰাৰ বিষয়ত বিশদ আলোচনা কৰি এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ সভাপতি গোপীনাথ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত বঙাইগাঁও জিলাৰ উপায়ুক্ত নৰদীপ পাঠকক সভাপতি, নিশিৰঞ্জন দাসক কাৰ্যকৰী সভাপতি আৰু নন্দলাল বৰ্মনক সম্পাদক হিচাপে লৈ মুঠ ৯খন উপ-সমিতিসহ এখন পূৰ্ণাংগ আদৰণী সমিতি গঠন কৰা হয়। উল্লেখ্য যে ইয়াৰ পিছতে বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষতে সন্থাৰ কৰ্ণধাৰ সমিতিৰ এখন জৰুৰী বৈঠকো অনুষ্ঠিত হয়। সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ দীৰ্ঘদিনীয়া ন্যায্য দাবীসমূহ অসম চৰকাৰে নিষ্পত্তি কৰাৰ কোনোধৰণৰ সদিচ্ছা প্ৰকাশ নকৰাত সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে। লগতে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগ আৰু বিত্ত বিভাগে উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ ন্যায্য প্ৰাপ্তিৰ ক্ষেত্ৰত কৰি অহা চক্ৰান্ত তথা অৱহেলাৰ বাবেও অসন্তুষ্টি প্ৰকাশ কৰে। সভাই লগতে বিষয়টো সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰীক ব্যক্তিগত হস্তক্ষেপৰ বাবে আহ্বান জনায় আৰু অহা ১৫ আগষ্টৰ আগতে সন্থাৰ দাবীসমূহ নিষ্পত্তি কৰিবলৈ দাবী জনায়। অন্যথা সন্থাই অনিচ্ছা সত্ত্বেও গণতান্ত্ৰিক পন্থাৰে আন্দোলনৰ কাৰ্যসূচী ল'বলৈ বাধ্য হ'ব বুলি সংগঠনটোৰ সভাপতি গোপীনাথ দত্ত আৰু সাধাৰণ সম্পাদক ৰঞ্জন ৰাইডঙীয়াই এক প্ৰেছ বিবৃতিত উল্লেখ কৰিছে।

### কামৰূপৰ শিঙিমাৰীত নাৰী নিৰ্যাতন

# বিবাহৰ দুমাহ পিছতে স্বামী গৃহ ত্যাগ কৰি মাতৃগৃহত আশ্ৰয় এগৰাকী ন-বোৱাৰীৰ

## ৫ লাখ টকাৰ যৌতুক বিচাৰি পত্নীৰ ওপৰত স্বামী নৃপেন দাসৰ অত্যাচাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৪ জুলাইঃ** ৰাজ্যত নাৰী নিৰ্যাতনৰ ঘটনা নতুন কথা নহয় ।এইবাৰ সংঘটিত হৈছে কামৰূপৰ শিঙিমাৰীত এগৰাকী ন - বোৱাৰী নিগ্ৰহৰ ঘটনা। শৰীৰৰ মাহ-হালধিৰ গোন্ধ মাৰ নৌযাওঁতেই যৌতুক বিচাৰি অকথ্য নিৰ্যাতন এগৰাকী ন-বোৱাৰীক। অভিযোগ অনুসৰি, কামৰূপৰ শিঙিমাৰীত এগৰাকী ন-বোৱাৰীক স্বামী পৰিয়ালে যৌতুক বিচৰাত দাবী কৰা যৌতুক দিবলৈ অসমৰ্থ হোৱাত বিয়াৰ ১০ দিনৰ পিছতেই স্বামী নৃপেন দাস আৰু পৰিয়ালৰ অত্যাচাৰ সন্মুখীন হ'বলগীয়াত পৰে বোৱাৰীগৰাকী। সংগীতা দাস নামৰ এই গৰাকী যুৱতীক চলিত বৰ্ষৰে ২ মে' অৰ্থাৎ দুমাহ পূৰ্বে সামাজিক ৰীতি-নিয়ম অনুসৰি বিবাহৰ বন্ধোনত যুগ্মজীৱনৰ পাতনি মেলিছিল শিঙিমাৰীৰ নৃপেন দাস নামৰ যুৱকজনৰ লগত। বোৱাৰী সংগীতা দাসৰ অভিযোগ অনুসৰি বিয়া হৈ যোৱাৰ ১০ দিনৰ পিছৰে পৰা স্বামী নৃপেন দাস আৰু স্বামীৰ পৰিয়ালে যৌতুক বিচাৰি ন-বোৱাৰীগৰাকীৰ মাৰধৰ কৰাৰ লগতে শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলায়। আনকি পিতৃগৃহৰ লগত যোগাযোগ বিচ্ছিন্ন কৰাৰ বাবেই ম'বাইলটো ভাঙি পেলাই পাষণ্ড স্বামীয়ে। প্ৰথমে ৫০ হাজাৰ টকা, ফ্ৰীজ আৰু ইনভাৰ্টাৰ দাবী কৰিছিল স্বামী পৰিয়ালে। সেই দাবীৰ বিপৰীতে বোৱাৰীগৰাকীৰ পৰিয়ালে স্বামীক আদায় দিছিল ৫০ হাজাৰ টকা। অতি দুখীয়া পৰিয়ালটোৱে নিজৰ জীয়াৰীৰ পৰিয়ালটো সুখেৰে থাকক বুলি আশা কৰি বিভিন্ন উৎসৰ পৰা ঋণ লৈ জোঁৱায়েকৰ হাতত দিছিল নগদ ৫০ হাজাৰ টকা। ৫০ হাজাৰ টকা দিয়াৰ পিছত আকৌ পাষণ্ড স্বামীক নতুন ঘৰ বনোৱা আৰু ট্ৰেক্টৰ ক্ৰয় কৰাৰ বাবে পত্নীক হেঁচা দিয়ে ৫ লাখ টকাৰ যৌতুক। ৫ লাখ টকা দিয়াৰ বাবে আমান্তি হোৱাত পুনৰ সংগীতাৰ ওপৰত স্বামী নৃপেন দাস আৰু তেওঁৰ পৰিয়ালে চলাই মাৰধৰৰ লগতে অকথ্য নিৰ্যাতন। অৱশেষত স্বামীৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি সংগীতাই স্বামী গৃহ ত্যাগ কৰি আশ্ৰয় লৈছেহি মাতৃগৃহত। স্বামীৰ অত্যাচাৰত যথেষ্ট পৰিমাণে আঘাত পোৱা সংগীতা এতিয়া চিকিৎসাধীন। ইতিমধ্যে বিষয়টো সন্দৰ্ভত দদৰা আৰক্ষী চকীত স্বামী নৃপেন দাস আৰু তেওঁৰ মাতৃৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে সংগীতাই। এতিয়া ন্যায় বিচাৰি মাতৃগৃহত চকুলু মচিছে সংগীতাই। ন-বোৱাৰী সংগীতাক উচিত বিচাৰ দিয়াৰ বাবে ৰাইজে দাবী জনাইছে ।

# আজিৰ পৰা বন্ধ হ'ব এল পি জি পৰিবহণ সেৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাওঁ, ২৪ জুলাই ঃ** নৰ্থ-ইষ্ট পেক্‌ড এলপিজি ট্ৰেন্সপ'ৰ্টাৰ এছ'চিয়েচনে ২৫ জুলাইৰ ৰাতিপুৱা ৫ বজাৰ পৰা অনিৰ্দিষ্ট কাললৈ চিলিণ্ডাৰ পৰিবহণ সেৱাৰ পৰা বিৰত থাকিব। এক বিবৃতিত এই কথা প্ৰকাশ কৰি সংস্থাটোৱে জানিবলৈ দিয়ে যে ২০১১ চনৰ পৰা যিখন নিবিদা আইঅ'চিএলে আহ্বান কৰিছিল, সেই নিৰিখতেই ২০১৮ লৈ বিল আদায় দি আহিছিল যদিও ২০১৮ত আহ্বান কৰা নিবিদাত নিৰিখ বৃদ্ধি কৰাৰ পৰিৱৰ্তে বাহাল থকা নিৰিখতকৈ ২৫ শতাংশ নিম্নগামী কৰে, এই ক্ষেত্ৰত আইঅ'চিএল কৰ্তৃপক্ষৰ সৈতে তথা অসম চৰকাৰৰ তদানীন্তন মন্ত্ৰী ফণীভূষণ চৌধুৰী আৰু বৰ্তমানৰ মন্ত্ৰী ৰঞ্জিত দাসৰ লগত আলোচনাত বহিছিল, তৎসত্ত্বেও কোনো ফলাফল নোলোৱাত, দাবী কৰা সমস্যাসমূহৰ সমাধান নকৰাকৈ পুনৰ ২০২২ চনত নিবিদা আহ্বান কৰে। এনে অসুবিধা আৰু মতানৈক্যৰ প্ৰতি লক্ষ্য ৰাখিয়েই এলপিজি পৰিবহণ সংস্থাটোৱে কঠোৰ সিদ্ধান্ত ল'বলৈ বাধ্য হয়। সংস্থাটোৱে অভিযোগ কৰে যে আইঅ'চিএল কৰ্তৃপক্ষই মইমতালিৰে সংস্থাটোক হাতে নামাৰি ভাতে মৰা পদ্ধতিৰে ক্ষেত্ৰখনৰ পৰা আঁতৰাই বহিৰাগত ব্যৱসায়ীক ৰঙা দলিছা পাৰি দিব বিচাৰিছে। উল্লেখ্য যে একপক্ষীয় স্বাৰ্থ সিদ্ধিৰ বাবে আইঅ'চিএল কৰ্তৃপক্ষই এজেঞ্চী আৰু পৰিবহণকাৰীসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰি সুবিধা গ্ৰহণ কৰাৰ দিশে অগ্ৰসৰ হৈছে। সেয়ে বন্ধৰ প্ৰতি এজেঞ্চী সংস্থাৰ সঁহাৰি কামনা কৰিছে। এই সংক্ৰান্তত টোলগেট, আৰ টি কে এম, আদি ধন অনাদায় কৰি ৰাখি অন্যায়মূলকভাৱে নিবিদা আহ্বান কৰাক লৈ অসুবিধাত ভুগিছে সংস্থাটোৱে। আইঅ'চিএল কৰ্তৃপক্ষৰ এনে বঞ্চনাৰ প্ৰতিবাদত এই বন্ধৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। বন্ধৰ সময়ছোৱাত ৰাইজৰ অসুবিধাৰ প্ৰতি আমি সহানুভূতিশীল যদিও পৰিস্থিতিৰ বাধ্যত এনে পদক্ষেপ লোৱাৰ বাবে আমি নৰ্থ-ইষ্ট পেক্‌ড এলপিজি ট্ৰেন্সপ'ৰ্টাৰ এছ'চিয়েচন ৰাইজৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

# ধুবুৰীত বৰ্ষাকালীন শস্য শালিধানৰ কৃষি পদ্ধতিৰ কৰ্মশালা আৰু শিবিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা ধুবুৰী, ২৪ জুলাই ঃ** আই টি চি মিলন সুনেৰাকল মাষ্টাৰ ট্ৰেইনাৰ ৰিফ্ৰেচাৰ ট্ৰেইনিং কাম ৱৰ্কছপ বৰ্ষাকালীন শস্য শালিধানৰ কৃষি পদ্ধতিৰ ওপৰত কৃষি বিষয়াসকলৰ এটি কৰ্মশালা অনুষ্ঠান শনিবাৰে অনুষ্ঠিত হৈ যায়। উক্ত কৰ্মশালা অনুষ্ঠানটি উদ্বোধন আৰু বন্তি প্ৰজ্বলন কৰে ধুবুৰী জিলা কৃষি বিষয়া মৃগেন স্বৰ্গীয়াৰী আৰু উদ্দেশ্য ব্যাখ্যা কৰে আৰজিভিএনৰ ধুবুৰী জিলা সমন্বয়ক মোস্তফা জাহিদুল আলমে। সভাত ধুবুৰী জিলা কৃষি বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত মহকুমা কৃষি বিষয়াসকল, কৃষি উন্নয়ন বিষয়াসকল, কৃষি পৰিদৰ্শকসকল, কৃষি সম্প্ৰসাৰণ বিষয়াসকল, চিএছএছ আত্মা আৰু এপাৰ্টৰ ডিএছএছ চি,ডিএমএছচি আৰু এটিএমসকলে অংশগ্ৰহণ কৰে। বৰ্ষাকালীন শস্য শালিধানৰ বিজ্ঞানভিত্তিক পদ্ধতি সম্পৰ্কে প্ৰজেক্টৰৰ সহায়ত প্ৰশিক্ষণ দিয়ে শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়ৰ সহকাৰী প্ৰবক্তা ড° পাৰভেজ আহমেদে। উক্ত কৰ্মশালাত পল্লৱী দেৱী, এগ্ৰীকালচাৰিষ্টসহ আৰজিভিএনৰ বহু বিষয়া-কৰ্মচাৰী উপস্থিত আছিল বুলি মহকুমা কৃষি বিষয়া নিৰ্মল ঘোষে জনায়।

# সাংবাদিক প্ৰবীণ কুমাৰ দাসৰ পিতৃৰ বিয়োগ ঃ দল-সংগঠনৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৪ জুলাই ঃ** শুৱালকুছি সাংবাদিক সন্থাৰ উপ-সভাপতি তথা আমাৰ অসম কাকতৰ শুৱালকুছিৰ সাংবাদিক প্ৰবীণ কুমাৰ দাসৰ পিতৃ মহেশ চন্দ্ৰ দাসৰ ২১ জুলাইত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। পশ্চিম শুৱালকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত কলেজ ৰোড নিৱাসী তথা অৱসৰপ্ৰাপ্ত স্বাস্থ্য কৰ্মীগৰাকী যোৱা ১৬ জুলাইত হৃদপিণ্ডৰ ক্ৰিয়া বন্ধ হোৱাত জিএমচিএইচত চিকিৎসা গ্ৰহণ কৰি আছিল। শুকুৰবাৰে নিশা তেওঁ চিকিৎসাধীন অৱস্থাতে মৃত্যুক আঁকোৱালি লয়। মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অনেক গুণমুগ্ধই তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা জনায়। অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ কৰ্মচাৰী মহেশ চন্দ্ৰ দাসে ২০০৩ চনত শুৱালকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। চলিত ব'হাগ বিহুত জ্যেষ্ঠ নাগৰিকৰ বঁটা লাভ কৰা ধৰ্মপ্ৰাণ ব্যক্তিগৰাকীৰ মৃত্যুত শুৱালকুছি সাংবাদিক সন্থা, অগ্ৰগামী যুৱ মঞ্চ, বিজেপিৰ শুৱালকুছি মণ্ডল কমিটী, কামৰূপ জিলা সাংবাদিক সন্থা, পুখুৰীপাৰা তুলীয়া ৰাইজ গয়ৰহ আদি দল-সংগঠনে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। তেওঁ পুখুৰীপাৰা তুলীয়া ৰাইজ গয়ৰহ, ঈশ্বৰ শ্ৰীশ্ৰী ন-ভাটীসত্ৰৰ একান্ত ভকত হৈ এক শৰণ হৰিনাম ধৰ্মৰ সেৱক আছিল। মৃত্যুৰ সময়ত তেওঁ ইহ সংসাৰত পত্নীৰ সৈতে সাংবাদিক পুত্ৰসহ তিনি পুত্ৰ-বোৱাৰী জী-জোঁৱাই, নাতি-নাতিনীৰ উপৰি অনেক গুণমুগ্ধক এৰি যায়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ।

# বানপানী আৰু গ্ৰীষ্মকালীন বন্ধত এমাহ ধৰি বন্ধ হৈ থকা স্কুলত হাজোৰ পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ছেনিটাইজড, চাফাই অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৪ জুলাই ঃ** সমগ্ৰ অসমৰ লগতে হাজোৰ পশ্চিম বংশৰ মৌজাৰ ভালেমান অঞ্চল বানপানীৰ কবলত পৰাৰ পিছত বহুত দিন ধৰি স্কুল বন্ধ হৈ আছিল। এফালে বানপানীৰ পিছত অসম চৰকাৰৰ শিক্ষা বিভাগৰ শিক্ষা নীতিৰ আধাৰত যোৱা ২৫ জুনৰ পৰা বিদ্যালয়সমূহত গ্ৰীষ্মকালীন বন্ধ চলি আছে। তাৰ মাজতে জিলাৰ স্কুল পৰিদৰ্শক, বিষয়াই বিদ্যালয়সমূহত গ্ৰীষ্মকালীন বন্ধত ১০ দিনীয়াকৈ পাঠদান কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে যদিও বানে গৰকা বহুতো বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী আহিব পৰা নাই। ইফালে, শিক্ষা বিভাগে অহা ২৫ জুলাইৰ পৰা গ্ৰীষ্মকালীন বন্ধ সমাপ্ত কৰি পাঠদান পুনৰ আৰম্ভ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে। এমাহ ধৰি বন্ধ হৈ থকা বিদ্যালয়বোৰত পাঠদান আৰম্ভ হোৱাৰ আগমুহূৰ্তত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই ক্ৰমে -সৰু লাহ বালিকা প্ৰাথমিক বিদ্যালয়, হালোগাঁও মজলীয়া প্ৰাথমিক বিদ্যালয়, বামুন্দী বুনিয়াদী প্ৰাথমিক বিদ্যালয়, বামুন্দী হাইস্কুল, ধাৰেশ্বৰী প্ৰাথমিক বিদ্যালয়লৈ গৈ চাফাই অভিযান চলাই আৰু হাতে হাতে স্প্ৰে' মেচিন লৈ ছেনিটাইজড কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। ছাত্ৰ সন্থাৰ এনে পদক্ষেপক অঞ্চলটোৰ সচেতন ৰাইজে শলাগ লোৱাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে। এই কাৰ্যসূচীত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা উপস্থিত থাকি ছাত্ৰ সন্থাই বিদ্যালয়সমূহক মন্দিৰ জ্ঞান কৰি আহিছে বুলি উল্লেখ কৰি ছাত্ৰ সন্থা সদায়েই ছাত্ৰ-ছাত্ৰীৰ ওপৰত দায়বদ্ধ হৈ কাম কৰি আহিছে আৰু ভৱিষ্যতেও কৰি যাব বুলি মন্তব্য কৰে। এই কাৰ্যসূচীত উপস্থিত আছিল পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি দাস, সাধাৰণ সম্পাদক ৰুবুল কলিতা, উপদেষ্টা মানৱ ঠাকুৰীয়া, দেৱাশিস শৰ্মা, সুদীপ্ত মেধি, হীৰকজ্যোতি মেধি, মানসপ্ৰতিম শৰ্মা, বিজয় কুমাৰ দাস, ৰাজীৱ নাথ, বিশ্বজিত ঠাকুৰীয়া, হীৰক কলিতাৰ লগতে ভালেকেইজন আছু কৰ্মী উপস্থিত থাকে।



# অৱসৰপ্ৰাপ্ত নাৰ্ছৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৪ জুলাই ঃ** নগাঁৱৰ পাথৰি চাৰিআলি নিৱাসী, অৱসৰপ্ৰাপ্ত নাৰ্ছ বিনু শইকীয়াৰ (৬৭) শুকুৰবাৰে নিশা মৃত্যু হয়। বিয়লি বিনু শইকীয়া হঠাৎ অসুস্থ হৈ পৰাত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। অঞ্চলটোৰ বিভিন্ন সামাজিক-সাংস্কৃতিক কাম-কাজৰ লগত জড়িত নাৰ্ছগৰাকী এসময়ত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাংগঠনিক কাম-কাজত সহযোগিতা আগ বঢ়াইছিল। নাৰ্ছগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে নাৰ্ছগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত পুত্ৰ, কন্যা, জী-জোঁৱাইসহ বহু আত্মীয় স্বজনক ইহ সংসাৰত এৰি যায়।

### বিধায়ক শশীকান্ত দাসৰ তাৎক্ষণিক পদক্ষেপ

# ধুমুহাত পথৰ ওপৰত উভালি পৰা প্ৰকাণ্ড গছ নিজা প্ৰচেষ্টাত কাটি পথ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২৪ জুলাই ঃ** কালি নিশা অহা এজাক প্ৰচণ্ড বতাহ-ধুমুহাৰ লগতে মুষলধাৰ বৰষুণে নগাঁও জিলাৰ বহুকেইটা অঞ্চলত বিস্তৰ ক্ষতি কৰে। বিশেষকৈ জিলাখনৰ ডিমৌ চাৰিআলি আৰু ৰাইদঙীয়া সংযোগী পথৰ ওপৰত বহুকেইজোপা প্ৰকাণ্ড প্ৰকাণ্ড গছ ভাগি পৰাৰ ফলত উক্ত পথটি সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰাৰ লগতে যাতায়াতত ব্যাঘাত জন্মে । সেই কথা ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে খবৰ পোৱাৰ মাত্ৰকে বিধায়কৰ একান্ত প্ৰচেষ্টাত গছ কটা কেইজনমান লোকক ততাতৈয়াকৈ মাতি আনি লগতে ৰাইজৰ লগত নিজে উপস্থিত থাকি পথটিত পৰি থকা প্ৰকাণ্ড প্ৰকাণ্ড গছ সমূহ কাটি তাৎক্ষণিকভাৱে পথটি ৰাইজৰ বাবে মুকলি কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। বিধায়ক শশীকান্ত দাসৰ এনে তাৎক্ষণিক পদক্ষেপৰ বাবে বিধায়কজনৰ মহানুভৱতাক ৰাইজে শলাগ লোৱাৰ উপৰি ৰাইজক তাৎক্ষণিক বিপদৰ পৰা ৰক্ষা কৰাত তেওঁক আবদ্ধ লোকসকলে ধন্যবাদ জনাইছে।



## ৰাশিফলত আজিৰ দিনটো

**৮ শাওণ, সোমবাৰ, ২৫ জুলাই, ১৪২৯ ভাস্কৰাব্দ**

**তিথি ঃ কৃষ্ণা দ্বাদশী, নক্ষত্ৰ ঃ মৃগশিৰা ঃ বৃষ ৰাশি**

**সূৰ্যোদয়- ৪-৪৮-৩২ সূৰ্যাস্ত- ৬-১২-২১**



■ **মেষ** ঃ আত্মীয়জন কাষতে ■ **বৃষ** ঃ সামাজিক ব্যস্ততা ■ **মিথুন** ঃ উৎসৱত যোগদান ■ **কৰ্কট** ঃ আনৰ সহায় ■ **সিংহ** ঃ ব্যৱসায়ত শুভ ■ **কন্যা** ঃ গৃহ অশান্তি ■ **তুলা** ঃ ৰাজহুৱা সন্মান ■ **বৃশ্চিক** ঃ ছোৱালীৰ আনন্দ ■ **ধনু** ঃ সন্তান সুখ ■ **মকৰ** ঃ কৃতকাৰ্যতা ■ **কুম্ভ** ঃ উদৰ পীড়া ■ **মীন** ঃ অযথা ব্যয়।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২৫ জুলাই, ২০২২ ■ সোমবাৰ ■ ৮ শাওণ, ১৯৪৪ শক


## ৰঙাপৰা সমষ্টিত বিত্তমন্ত্ৰী অজন্তা নেওগৰ বানবিধ্বস্ত অঞ্চল আৰু অংগনবাদী কেন্দ্ৰ পৰিদৰ্শন



**দৈনন্দিন বাৰ্তা সেৱা, ৰঙাপৰা, ২৪ জুলাই ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধানসভা সমষ্টি তথা চাৰিদুৱাৰ ৰাজহ চক্ৰৰ এলেকাত জৰাসৰ আৰু মানশিৰি নৈৰ বাঢ়নি পানীয়ে বিধস্ত কৰা অঞ্চলসমূহ আৰু অংগনৱাড়ী কেন্দ্ৰ আজি পৰিদৰ্শন কৰে অসম চৰকাৰৰ বিত্ত আৰু সমাজ কল্যাণমন্ত্ৰী অজন্ত নেওগে। প্ৰথমতে মন্ত্ৰীগৰাকীয়ে বানে বিধ্বস্ত কৰা বালিপৰাৰ বামগাঁও, পাকবিল, বামগাঁও চাহ বাগিচাৰ লগতে ৰঙাপৰা বিধানসভা সমষ্টিত বানপানীয়ে অংগনৱাড়ী কেন্দ্ৰ আৰু ক্ষতিগ্ৰস্ত দৰিদ্ৰ গঞাৰ বাসগৃহ পৰিদৰ্শন কৰি ক্ষয় ক্ষতিৰ বুজ লয়। বানপানীত ক্ষতিগ্ৰস্ত লোকসকলে যাতে উপযুক্ত ক্ষতিপূৰণ শীঘ্ৰে লাভ কৰে তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে সদৰী কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অৰ্পণ কৰা দায়িত্ব অনুসৰি আজি ৰঙাপাৰা সমষ্টিৰ অন্তৰ্গত বানবিধ্বস্ত অঞ্চল তথা অংগনৱাড়ী কেন্দ্ৰসমূহ পৰিদৰ্শন কৰাৰ লগতে ভুক্তভোগী ৰাইজৰ সৈতে ম'ত বিনিময় কৰি শেহতীয়া স্থিতিৰ বুজ লয়। ক্ষতিগ্ৰস্ত কোনো লোক যাতে সাহায্য লাভৰ পৰা বঞ্চিত হ'বলগীয়া নহয়, তাৰ বাবে পুনৰীক্ষণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবলৈ বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে মন্ত্ৰী অজন্তা নেওগে ৰঙাপৰা হাতীবাৰী চাহ বাগিচাত নিৰ্মাণ হোৱা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু নাহৰণি চাহ বাগিচাত নিৰ্মাণ হোৱা আদৰ্শ হাইস্কুলখন পৰিদৰ্শন কৰে। আজি পৰিদৰ্শনৰ সময়ত স্থানীয় বিধায়ক কৃষ্ণ কমল তাঁতী, নাৰী আৰু শিশু বিকাশ বিভাগৰ সচিব পাৰ্থপ্ৰতিম মজুমদাৰৰ লগতে জিলা উপায়ুক্ত দেব কুমাৰ মিশ্ৰ উপস্থিত থাকে।

### দৰং জিলাৰ শেহতীয়া বানপানীত ক্ষতিগ্ৰস্ত গৃহৰ তালিকাৰ পুনৰীক্ষণৰ বাবে পুনৰীক্ষণ গোট গঠন

## পুনৰীক্ষণৰ কাম অতি ভালদৰে কৰাৰ বাবে গোটসমূহক জিলাৰ অভিভাৱক মন্ত্ৰীৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৪ জুলাই ঃ** দৰং জিলাৰ শেহতীয়া বানপানীত আংশিক তথা সম্পূৰ্ণকৈ ক্ষতিগ্ৰস্ত হোৱা গৃহৰ তালিকাৰ ভিত্তিত ইয়াৰ যথাৰ্থতাৰ পুনৰীক্ষণৰ বাবে পুনৰীক্ষণ গোটসমূহে ক্ষতিগ্ৰস্ত গাঁওসমূহৰ তালিকাভুক্ত ক্ষতিগ্ৰস্ত গৃহৰ ২০ শতাংশ পুনৰীক্ষণ কৰিবৰ বাবে তৎপৰ হৈছে ।এই উপলক্ষে আজি জিলাৰ অভিভাৱক মন্ত্ৰী তথা বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা পুনৰীক্ষণ গোট গঠন কৰা হয়। উল্লেখ্য যে বান ক্ষতিগ্ৰস্ত গৃহৰ ক্ষয়-ক্ষতিৰ পুনৰীক্ষণৰ বাবে অন্য জিলাৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা গঠিত গোটৰ দ্বাৰা পুনৰীক্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই গোটসমূহে দৰং জিলাৰ সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত দলগাঁও, মঙলদৈ, পাথৰিঘাট আৰু ছিপাঝাৰ ৰাজহ চক্ৰৰ অধীনৰ গাঁওসমূহলৈ গৈ ইতিমধ্যে ৩টা পৰ্যায়ত পৰীক্ষা কৰি জিলা দুৰ্যোগ প্ৰাধিকৰণৰ বৈঠকত নীতিগতভাৱে অনুমোদন জনোৱা ২০ শতাংশ গৃহৰ থিতাতে (random) পুনৰীক্ষণ (cross-verification) কৰিব। জিলাখনৰ ভিলেজ লেভেল লেণ্ড কনজাৰভেচন এণ্ড ডিজেষ্টাৰ মেনেজমেণ্ট কমিটীয়ে (VLCDMC)বানত ক্ষতিগ্ৰস্ত গৃহৰ তালিকা প্ৰস্তুত কৰাৰ পিছত চাৰ্কল লেভেল টাস্ক ফ'ৰ্চৰ অনুমোদন তথা পুনৰীক্ষণৰ পিছত জিলা দুৰ্যোগ প্ৰাধিকৰণৰ ক্ৰমাগত ৩খন বৈঠকত ক্ষতিগ্ৰস্ত গৃহৰ তালিকাত নীতিগত অনুমোদনৰ পিছত ক্ষতিগ্ৰস্ত গাঁৰৰ এখন বিদ্যালয়ত এই তালিকা আঁৰি দিয়াৰ উপৰি ওজৰ-আপত্তি দাখিলৰ ব্যাৱস্থা কৰা হৈছিল। ইয়াৰ পিছতে চক্ৰ বিষয়া তথা দণ্ডাধীশ পৰ্যায়ৰ বিষয়াই কেঁচা গৃহ ক্ষতিগ্ৰস্তৰ ১ শতাংশ আৰু সম্পূৰ্ণ ক্ষতিগ্ৰস্ত গৃহসমূহৰ সম্পূৰ্ণ পুনৰীক্ষণ কৰিছে। এতিয়া চতুৰ্থ পৰ্যায়ত অন্য জিলাৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা গঠিত গোটসমূহে ইয়াৰ পুনৰীক্ষণ (cross-verification) কৰিব যাতে কোনো এগৰাকী প্ৰকৃত গৃহ ক্ষতিগ্ৰস্ত এই তালিকাৰ পৰা বাদ নপৰে আৰু কোনো এগৰাকী বিনা ক্ষতিগ্ৰস্তৰ নাম যাতে এই তালিকাত অন্তৰ্ভুত নহয়। আজি অনুষ্ঠিত এই বৈঠকত জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই এনে পুনৰীক্ষণ গোটসমূহৰ দ্বাৰা কৰিবলগীয়া কাম-কাজৰ সবিশেষ সামৰি বক্তব্য প্ৰদান কৰে। বৈঠকত অংশগ্ৰহণ কৰি জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কোনো এগৰাকী প্ৰকৃত বানত গৃহ ক্ষতিগ্ৰস্তৰ নাম যাতে তালিকাৰ পৰা বাদ নপৰে আৰু অনা ক্ষতিগ্ৰস্ত কোনো এগৰাকীৰ নাম যাতে অন্তৰ্ভুক্ত নহয় সেইটো নিশ্চিত কৰিবলৈ দিছে। সেয়েহে পুনৰীক্ষণ গোটসমূহে এই কামখিনি অতি নিষ্ঠাৰে কৰিব লাগিব বুলি তেওঁ কয়। আজিৰ বৈঠকত জিলাখনৰ আৰক্ষী অধীক্ষক, অতিৰিক্ত উপায়ুক্তসকলৰ লগতে বিভিন্ন ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল আৰু বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

### চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত বন্ধন বেংকৰ শক্তিশালী বিকাশ

## মুঠ ব্যৱসায় বৃদ্ধি হৈ ১৮,৯,৭০৭ কোটি টকাত উপনীত হৈছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৪ জুলাই ঃ** যোৱা শুক্ৰবাৰে বন্ধন বেংকে ২০২২-২০২৩ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকৰ বিত্তীয় ফলাফল ঘোষণা কৰিছে । যোৱা বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকৰ তুলনাত চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত বন্ধন বেংকৰ মুঠ ব্যৱসায় বৃদ্ধি হৈ ১৮,৯,৭০৭ কোটি টকা হৈছেগৈ। বেংকৰ জমাৰ পৰিমাণ যোৱা বছৰৰ প্ৰথম ত্ৰৈমাসিকৰ তুলনাত চলতি বছৰৰ প্ৰথম ত্ৰৈমাসিকত ২০ শতাংশ বৃদ্ধি হৈ ৭৩,০৫৭ কোটি টকা হৈছেগৈ। বন্ধন বেংকৰ মুঠ প্ৰদত্ত ঋণৰ পৰিমাণ হ'ল ৯৬,৬৫০ কোটি টকা। সমগ্ৰ ভাৰতবৰ্ষত বন্ধন বেংকে ৫,৬৪০ টা বেংকিং আউটলেট আৰু শাখাৰ যোগেদি ২.৬৯ কোটি গ্ৰাহকক পৰিসেৱা প্ৰদান কৰি আহিছে। বৰ্তমান উক্ত শাখাবিলাকত গ্ৰাহকক সেৱা প্ৰদান কৰা কৰ্মচাৰীৰ সংখ্যা ৬১,২৪৭জন। দেশৰ সকলো শ্ৰেণীৰ মানুহক নিৰন্তৰ সেৱা আগবঢ়োৱাৰ উদ্দেশ্য আগত ৰাখি বন্ধন বেংকে চলিত বিত্তীয় বৰ্ষত সমগ্ৰ দেশত ৫০০ টা নতুন শাখা খোলাৰ বাবে ইতিমধ্যে পৰিকল্পনা হাতত লৈছে। বেংকৰ বিত্তীয় ফলাফল সন্দৰ্ভত বন্ধন বেংকৰ পৰিচালন সঞ্চালক আৰু কাৰ্যবাহী বিষয়া চন্দ্ৰশেখৰ ঘোষে কয় 'চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিটা মাহ বেংকৰ বাবে খুবেই ভাল আছিল। যোৱা বছৰৰ এই সময়ৰ তুলনাত বন্ধন বেংকৰ ব্যৱসায় আশাপ্ৰদ ধৰণে ভাল হৈছে। আমাৰ বিতৰণ-প্ৰোডা প'ৰ্টফলিও বৃদ্ধিৰ লগে লগে সকলো দেশবাসীক বেংকিং পৰিসেৱা দিবলৈ আমি সমৰ্থ হৈছোঁ। আমি কোটি কোটি দেশবাসীৰ বিশ্বাস অৰ্জন কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ আৰু তেওঁলোকৰ সেৱাত আমি সদায়ে নিয়োজিত থাকিম।

## গুৱাহাটীৰ হাতীগাঁৱত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন

### দৰং জিলাত কেন্দ্ৰীয় অধিৱেশন, দিল্লীত ধৰ্ণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৪ জুলাই ঃ** অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ চমুকৈ এ এছ এছ পিৰ কেন্দ্ৰীয় বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি গুৱাহাটীৰ হাতীগাঁও ড° বি আৰ আম্বেদকাৰ মহাবিদ্যালয়ত কেন্দ্ৰীয় সভাপতি আব্দুল আজিজৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা আইনী কোষৰ মুখ্য আহ্বায়ক আব্দুল ৰহমান শিকদাৰ, কাৰ্যকৰী সভাপতি মোকাদ্দেছ আলী, সাধাৰণ সম্পাদক আব্দুল ৰেজ্জাক, উপদেষ্টা লিয়াকত আলী খানসহ অসমৰ বিভিন্ন জিলাৰ গুৱাহাটী মহানগৰ, দৰং, বিশ্বনাথ চাৰিআলি, শোণিতপুৰ, লখিমপুৰ, নগাঁও, বৰপেটা, গোৱালপাৰা, ছাউথ বৰপেটা, মৰিগাঁও, বিলাসীপাৰা, ধুবুৰী, চিৰাং আদি জিলাৰ পৰা প্ৰায় শতাধিক নেতা-কৰ্মী উপস্থিত থাকে। সভাত আইনী কোষৰ মুখ্য আহ্বায়ক আব্দুল ৰহমান শিকদাৰে প্ৰতিখন জিলাতেই আইনী কোষ গঠন কৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী, ডি-ভোটাৰ আদি বিষয়ত জিলাই জিলাই ছেমিনাৰ, কৰ্মশালা অনুষ্ঠিত কৰি মানুহক সচেতন কৰাৰ পৰামৰ্শ দিয়ে ।অসমৰ জ্বলন্ত সমস্যা যেনে মূল্যবৃদ্ধি, বানাক্ৰান্তক চৰকাৰে পৰ্যাপ্ত সাহায্য দিয়া, বিদেশী, ডি ভোটাৰ সমস্যা মোকাবিলা কৰা আৰু জিলাই জিলাই উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ, চৰকাৰৰ বৈষম্যমূলক বুলড'জাৰ ন্যায় বন্ধ কৰা আদি বিষয়ত কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে। বিভিন্ন সমস্যা সমাধানৰ উদ্দেশ্যে পৰিষদৰ এটি সঁজাতী দলে দিল্লীত গৈ বিভিন্ন মন্ত্ৰীক স্মাৰক-পত্ৰ দিয়াৰো প্ৰস্তাৱ লয়। সমাজত প্ৰচলিত ধঁপাত, গুট্‌খা, ড্ৰাগ্‌ছ, জুৱা, বাল্যবিবাহ আদিৰ বিৰুদ্ধে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সকলো জিলা সমিতিৰ নেতা-কৰ্মীসকলে থিয় দিয়াৰ সিদ্ধান্ত লয়। সভাত এ এছ এছ পিৰ প্ৰতিষ্ঠাপক সভাপতি মৰহুম নজিৰ উদ্দিন আহমেদৰ স্মৃতিচাৰণ সভাখন গোৱালপাৰা জিলাত আৰু কেন্দ্ৰীয় দ্বি-বাৰ্ষিক অধিৱেশনখন দৰঙত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। সভাত কেন্দ্ৰীয় উপদেষ্টা আব্দুছ চামাদ, সাধাৰণ সম্পাদক মোৱাজ্জেম হুছেইন আৰু উপ-সভাপতি শ্বেখ চাদিক আহমেদৰ পদত্যাগ সম্পৰ্কে আলোচনা কৰি তেওঁলোকৰ পদত্যাগ গ্ৰহণ নকৰি তেওঁলোকৰ সমাজৰ প্ৰতি থকা অৰিহণাক শলাগ লৈ তেওঁলোকক পুনৰ সংগঠনৰ কামত সক্ৰিয় সহযোগিতাৰ আহ্বান কৰি প্ৰস্তাৱ লয়।

### নাওপোটা-দুৰদুৰীয়াত বিজেপিৰ পঞ্চায়ত দখলৰ ৰণডংকা

## সংখ্যালঘু জনসাধাৰণৰ বাবে বিজেপিয়েহে কৰিছে জনকল্যাণমূলক উন্নয়নী কাম ঃ বাহাৰুল ইছলাম

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৪ জুলাই ঃ** ৰাজ্যৰ সংখ্যালঘু জনসাধাৰণে বিগত সময়ত বছৰৰ পিছত বছৰ ধৰি অৱহেলিত হৈ থকাৰ পাছত ৰাজ্যত বিজেপি চৰকাৰ গঠন হোৱাৰ পিছৰে পৰা এইসকল অৱহেলিত লোকৰ উন্নতি আৰু উন্নয়নৰ কাৰণে বিশেষভাবে পদক্ষেপ গ্ৰহণ কৰি আগুৱাই লৈ যোৱাৰ বাবে অহৰহভাৱে কাম কৰি আছে। যাৰ বাবে সংখ্যালঘু ৰাইজে আজি চৰকাৰখনে লোৱা পদক্ষেপক আদৰণি জনাইছে। এই বক্তব্য দৰঙৰ ছিপাঝাৰৰ পাথৰিঘাট মণ্ডল বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি বাহাৰুল ইছলামৰ। আজি পাথৰিঘাটৰ নাওপোটা-দুৰদুৰীয়া গাঁৱত সংখ্যালঘু বুথ কমিটী গঠনৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা এক সভাত নেতাগৰাকীয়ে বক্তব্য আগবঢ়ায় আৰু কয় যে, এতিয়া আৰু অসমত কংগ্ৰেছ নাই সেয়ে কংগ্ৰেছ বুলি হাত সাবটি বহি থকাৰো প্ৰয়োজন নাই। পৰিৱৰ্তনময় সময়ৰ লগত মিলি যাবলৈ বিজেপি দললৈ আহিবলৈ সকলোকে মুকলিভাৱে আহ্বান জনাই আগন্তুক পঞ্চায়ত নিৰ্বাচনত ৱাৰ্ড মেম্বাৰৰ পৰা সকলোবোৰ পঞ্চায়ত সদস্য বিজেপিৰ পৰা জয়ী কৰোৱাবলৈও আহ্বান জনায়। ৰাইজে বিজেপিক ভোট দি শক্তিশালী কৰিলেহে ৰাইজৰ উন্নয়ন কাম হ'ব বুলিও বক্তব্যত উল্লেখ কৰে। স্থানীয় বুথ কমিটীৰ সভাপতি নাৰায়ণ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উদ্দেশ্যে ব্যাখ্যা কৰি পাথৰিঘাট মণ্ডল সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক মিণ্টু ৰাছিম ৰাজ্জাকে সংখ্যালঘু ৰাইজক বিজেপি চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ সংখ্যালঘু লোকসকলে মুকলিভাৱে ওলাই আহি আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আগন্তুক সময়ত সংখ্যালঘু লোকসকলে বিজেপিৰ লগত থাকি পঞ্চায়ত প্ৰতিনিধিকে ধৰি সকলোতে বিজেপি দলক সহায় কৰাৰ বাবে আশা প্ৰকাশ কৰে। জিলা সংখ্যালঘু মৰ্চাৰ সদস্য ছহিদুল হকে চৰকাৰৰ সকলো আঁচনিৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। সভাত ৰাইজৰ হৈ কেইবাগৰাকীও সংখ্যালঘু লোকে বক্তব্য আগবঢ়ায়। দুই শতাধিক সংখ্যালঘু লোক উপস্থিত থকা সভাত পাথৰিঘাট মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ সম্পাদক আবুবকৰ ছিদ্দিকে ধৰি ভালেকেইগৰাকী নেতা-কৰ্মী উপস্থিত আছিল। উল্লেখ্য যে সভাত গৰিষ্ঠসংখ্যক মহিলা উপস্থিত থকাটো আছিল লক্ষণীয়। ৬০গৰাকী কংগ্ৰেছ কৰ্মী-সমৰ্থকে বিজেপিৰ দলৰ প্ৰতি আকৃষ্ট হৈ দলটোত যোগদান কৰাত পাথৰিঘাট মণ্ডল বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক মিণ্টু ৰাছিম ৰাজ্জাকে সকলোকে দললৈ আদৰণি জনায়। আনহাতে, একেদিনাই ইয়াৰ বাঘমাৰাতো সংখ্যালঘু মৰ্চাৰ বুথ কমিটী গঠনৰ সভাখন অনুষ্ঠিত হয় বুলি জানিব পৰা গৈছে।




## ডিব্ৰুগড়ত জাতীয়তাবাদী মহিলা পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৪ জুলাই ঃ** জাতীয়তাবাদী মহিলা পৰিষদ, অসম তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আজি ডিব্ৰুগড় সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন প্ৰাংগণত অনুষ্ঠিত হয়। আৰম্ভণিতেই তামিলনাডুৰ জীয়ৰী অসমৰ বোৱাৰী নামঘোষা পুথিখন তামিল ভাষালৈ অনুবাদ, আমাৰ জাতীয় সংগীত টি তামিল ভাষালৈ অনুবাদ কৰাৰ লগতে বিষ্ণু ৰাভা সংগীত, ড° ভূপেন হাজৰিকাৰ গীত তামিল ভাষালৈ অনুবাদ কৰা জ্যোতি চিত্ৰবন ফ্লিম ইনষ্টিটিউটৰ প্ৰাক্তন প্ৰবক্তা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ মেগা ছিৰিয়েলৰ প্ৰযোজক মায়া চেঞ্জী দাসৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা কবি সন্মিলনৰ সভাপতিত্ব কৰে জাতীয়তাবাদী মহিলা পৰিষদৰ অসমৰ সভানেত্ৰী, সমাজ সংগঠক, কবি-লেখিকা ৰ'জলীন গগৈয়ে। কানৈ মহাবিদ্যালয়ৰ ভূ-তত্ত্ব বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা, প্ৰকৃতি প্ৰেমী, সাহিত্যিক, সমালোচক ড° ভাৰতী দত্তৰ সঞ্চালনাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সাহিত্যিক পেন্সনাৰ, কৃতী শিক্ষয়িত্ৰী গৌৰী শইকীয়া, বৰপথাৰ শাখা সাহিত্য সভাৰ উপ-সভানেত্ৰী ৰাজকুমাৰী গগৈ, অনুৰাগ কাব্যগোষ্ঠীৰ সঞ্চালক বিজু শৰ্মা, সৰ্বভাৰতীয় মহিলা কবি সন্মিলনৰ উপদেষ্টা ক্ষীৰদা দেৱী, কবি-সাহিত্যিক ৰেহেনা বানুৰ লগতে আৰু বিশিষ্ট অতিথিসকল। মহিলা খোল বিশাৰদ, সংবাদকৰ্মী গীতালি মহন্তই আঁত ধৰা অনুষ্ঠানটিত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ প্ৰতিষ্ঠাপক উদয়ন গগৈ, সম্পাদক ৰাতুল গগৈৰ উপস্থতিত আদৰণী ভাষণ প্ৰদান কৰে ডিব্ৰুগড় জিলা সমিতিৰ সভানেত্ৰী সুৰজিতা গগৈ সন্দিকৈয়ে। অৰ্ধশতাধিক কবিৰ কবিতা পাঠ অনুষ্ঠানটিত কবিতা পাঠ কৰা কবিসকলৰ কবিতাৰ সুন্দৰ সঞ্চালনাৰে কবিসকলক উৎসাহমূলক মন্তব্য প্ৰদান কৰে ড° ভাৰতী দত্তই। শেষত সভানেত্ৰীৰ মন্তব্যৰ লগতে শলাগ জ্ঞাপনেৰে সভা ভংগ ঘোষণা কৰে।

## শ্ৰীৰামপুৰত শিলচৰগামী কণ্টেইনাৰৰ পৰা সাত লক্ষাধিক টকাৰ ফেন্সিডাইল জব্দ ঃ চালকক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৪ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰত আজি আৰক্ষীয়ে গোপন সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত এখন কনটেইনাৰ আটক কৰে আৰু কনটেইনাৰ খনৰ পৰা ৩৬ কাটুন নিষিদ্ধঘোষিত কাহৰ ঔষধ জব্দ কৰাৰ লগতে ৰাজস্থানৰ বাসিন্দা ট্ৰাক চালক ৰাজেশ কুমাৰ (৩৫)ক আটক কৰে। গুজৰাটৰ আহমেদাবাদৰ পৰা কৃষিত ব্যৱহৃত বিভিন্ন কীটনাশক দৰৱ আৰু অন্যান্য মূল্যৱান সামগ্ৰীৰ ভিতৰত ৩৬ কাটুন অসমত নিষিদ্ধ ফেন্সিডাইল কফ্ চিৰাপ বোজাই কৰি কনটেইনাৰখন শিলচৰ অভিমুখে গৈ আছিল। আৰ জে-১৮ জি বি ১৯৫০ নম্বৰৰ গাড়ীখন শ্ৰীৰামপুৰ তালাচী চকী পাৰ হৈ ওচৰতে এটা তেল ডিপোৰ ওচৰত ৰৈ থকা সময়ত আৰক্ষীয়ে কনটেইনাৰখন আটক কৰি শিমুলটাপু আৰক্ষী চকীলৈ আনি তালাচী চলোৱাত কনটেইনাৰখনৰ পৰা ফেন্সিডাইলখিনি উদ্ধাৰ হয়। জব্দকৃত কাহৰ দৰবখিনিৰ বজাৰ মূল্য সাত লক্ষাধিক টকা হ'ব বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।



## ৰঙিয়া মহকুমা সহকাৰী সমবায় পঞ্জীয়কৰ কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপন বিধায়ক ভৱেশ কলিতাৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৪ জুলাই ঃ** অসম চৰকাৰৰ সমবায় বিভাগৰ দ্বাৰা ৰঙিয়া পৌৰ সভাৰ অন্তৰ্গত ৩নং ৱাৰ্ডত ১ কোটি ৬৩ লাখ ১৭ হাজাৰ টকা ব্যয়ৰে নতুনকৈ নিৰ্মাণ হ'বলগীয়া ৰঙিয়া মহকুমা সহকাৰী সমবায় পঞ্জীয়ন কাৰ্যালয়ৰ শুভাৰম্ভ কৰা হয়। কাৰ্যালয়টো ৬ মাহৰ ভিতৰত নিৰ্মাণ কৰি উলিয়াবলৈ বিভাগীয় কৰ্তৃপক্ষক ৰাজহুৱাভাৱে নিৰ্দেশ দিয়াৰ উপৰি সমবায় ভৱনটো নিৰ্মাণ হৈ উঠিলে ৰাইজৰ যথেষ্ট উপকাৰ হ'ব বুলি জনাই বিজেপিৰ ৰাজ্যিক সভাপতি তথা স্থানীয় বিধায়ক ভৱেশ কলিতাই। আনহাতে, ৰঙিয়াৰ ৩নং ৱাৰ্ডৰ গ্ৰাম স্বৰাজ পৰিষদৰ স্বেচ্ছাসেৱী অনুষ্ঠানত উপস্থিত হৈ স্থানীয় শিপিনীসকলে প্ৰস্তুত কৰা বিভিন্ন বস্ত্ৰ পৰ্যবেক্ষণ কৰে বিধায়ক কলিতাই। লগতে স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি গ্ৰাম স্বৰাজ পৰিষদ অনুষ্ঠানটোক ভাৰত চৰকাৰে নিৰ্বাচিত কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশত ৯ খনকৈ খাদী শাৰী প্ৰস্তুত কৰি দিল্লীত অনুষ্ঠিত হ'বলগীয়া এক বিশেষ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত প্ৰদৰ্শন কৰা হ'ব বুলিও জনায়। সেয়েহে আজি কলিতাই শিপিনীসকলৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে তাঁতশালত প্ৰস্তুত হৈ থকা খাদী শাৰীকেইখন সময় মতে পূৰ্ণ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে।

## ছিপাঝাৰত বানাক্ৰান্তৰ মাজত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু ভেকচিন প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২৪ জুলাই ঃ** দৰং জিলাৰ ছিপাঝাৰৰ অন্যতম বেচৰকাৰী সংস্থা SOCIETY FOR UTSAAH PRODUCTION [UTSAAH] হে দৰঙৰ কিছু ঠাইত এইবেলি বানাক্ৰান্তৰ মাজত থিয় দি সাহায্য প্ৰদান কৰাৰ উপৰি, ছিপাঝাৰৰ স'লপাম গাঁৱত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰৰ লগতে ক'ভিড ভেকচিন প্ৰদানৰ কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য, এইবাৰ প্ৰলয়ংকৰী বানত গাঁওখন সম্পূৰ্ণকৈ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বান কমাৰ পিছতে নানা ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। তেনে পৰিপ্ৰেক্ষিতত ছিপাঝাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত ৰূপায়িত হোৱা শিবিৰটোত ১৫গৰাকী সহযোগীৰ সৈতে উপস্থিত থাকে ডাঃ সত্যব্ৰত হাজৰিকা। তেওঁৰ নেতৃত্বত প্ৰায় ৪০গৰাকী লোকক ভেকচিন প্ৰদান কৰাৰ সমান্তৰালভাৱে গাঁওখনৰ ভালেসংখ্যক লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। স'লপাম প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত স্বাস্থ্য পৰীক্ষা শিবিৰটোত 'উৎসাহ'ৰ লগতে উদ্যোক্তাৰ ভূমিকা লয় স'লপাম মনোমিলন সংঘই।




**Name Correction**

I FARHIN RAHMAN, D/O- Hafizur Rahman, Vill- Baghmara, P.O&P.S- Ghograpar, Dist-Nalbari have declared before the Notary Public Rangia On Dated- 28/03/2022 that myself Farhin Rahman @ Syeda Farhin Rahman is one & same person & also My Father Hafizur Rahman @ Syed Hafizur Rahman is one & same person.

## বঢ়মপুৰত সদৌ অসম দৃষ্টিহীন কৰ্মচাৰী পৰিষদৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৪ জুলাই ঃ** সদৌ অসম দৃষ্টিহীন কৰ্মচাৰী পৰিষদৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন কালিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে নগাঁও জিলাৰ বঢ়মপুৰস্থিত শ্ৰীমন্ত শংকৰ মিছন অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায় । প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি কালি পুৱা অধিৱেশনৰ শিবিৰ মুকলি কৰে শ্ৰীমন্ত শংকৰ মিছন অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী গুণ বৰাই। ইয়াৰ পিছতে প্ৰতিনিধিসকলৰ পৰিচয় পৰ্ব আৰু এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। নিশালৈ পৰিষদৰ প্ৰাক্তন সম্পাদক নুৰ মহম্মদে বাৰ্ষিক প্ৰতিবেদন পাঠ কৰাৰ পাছত পৰিষদৰ পুৰণি সমিতিখন ভঙ্গ কৰি নতুনকৈ পুনৰবাৰ দিলীপ দাসক সভাপতি আৰু দক্ষ দাসক সম্পাদক হিচাপে লৈ এখন ৩৩জনীয়া পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। দ্বিতীয় দিনা অৰ্থাৎ আজি পুৱা বিদ্যালয়ৰ প্ৰাংগণত পতাকা উত্তোলন কৰে পৰিষদৰ সভাপতি দিলীপ দাসে আৰু শ্বহীদ তৰ্পণ কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক নৰেন্দ্ৰ নাথ তামুলী আৰু টিকেন্দ্ৰ নাথ খাটনিয়াৰে। বিদ্যালয়খনৰ শিক্ষয়িত্ৰী অময়া বৰাই বৰগীত পৰিৱেশন কৰাৰ পাছতেই বিদ্যালয়ৰ শিক্ষক দিবেন বৰাই মুকলি সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰে।




মুকলি সভাত সভাপতিত্ব কৰে সদৌ অসম দৃষ্টিহীন কৰ্মচাৰী পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি দিলীপ দাসে । পৰিষদৰ প্ৰাক্তন সম্পাদক নুৰ মহম্মদে উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাখনত সভাপতি দিলীপ দাসে দৃষ্টিহীন কৰ্মচাৰীসকলৰ বৃত্তি কৰৰ ৰেহাইৰ লগতে বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰে। লগতে তেওঁ অধ্যয়নৰত দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত থকা সমস্যাসমূহ দূৰ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে বুলি উল্লেখ কৰে। বিশেষকৈ দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যাতে গণিত, বিজ্ঞান আৰু হিন্দী বিষয়ৰ পাঠ্যপুথিসমূহ সহজতে উপলব্ধ কৰি ব্ৰেইল পদ্ধতিত যুগুত কৰাৰ ব্যৱস্থা কৰিবলৈ পৰিষদে চৰকাৰক আহ্বান জনায় ।সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক দয়াৰাম কলিতাই ভাষণ প্ৰসংগত দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যা সম্পৰ্কে আৰু শিক্ষণীয় দিশৰ ওপৰত পৰিষদক অৱগত কৰে । মুকলি সভাৰ পিছতেই বিদ্যালয়ৰ শিক্ষক দিবেন বৰাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত শিক্ষা সমল ব্যক্তি দুৰ্লভ পৱন বৰুৱা , লেখক উজ্জ্বল জ্যোতি দাস , বঢ়মপুৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য বিউটী নেওগ, অন্ধ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নৱজ্যোতি নাথ, প্ৰাক্তন শিক্ষক বাবুল চন্দ্ৰ গায়ন, অৱসৰপ্ৰাপ্ত শিক্ষক দয়াৰাম কলিতাকে ধৰি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলকো সন্থাৰ ফালৰ পৰা এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত সদৌ শেষত বিদ্যালয়খনৰ শিক্ষয়িত্ৰী আচিয়া বেগমৰ কবিতা আবৃত্তি পৰিৱেশনেৰে নৱনিৰ্বাচিত সভাপতি-সম্পাদক আৰু সমবেত ৰাইজৰ একাষাৰেৰে সভা ভংগ কৰা হয়।

**NEMCARE Group of Institutions**
ESTD : 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam

**ADMISSION OPEN FOR 2022-23**

OUR COURSES
- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

দৈনন্দিন বাৰ্তা — জাতি, মাটি আৰু দেশৰ সেৱাত

সম্পাদকীয়

২৫ জুলাই ■ ২০২২ ■ ৮ শাওণ

# বান আৰু খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা শীঘ্ৰে লওক

বানপানী আৰু খহনীয়াই ৰাজ্যখনত যি আতংকৰ সৃষ্টি কৰিছে সেই কথা কাৰো অবিদিত নহয়। ৰাজ্যখনৰ উপনৈবোৰৰ বাঢ়নী পানীয়ে নৈৰ দুয়োপাৰৰ কৃষিজীৱী, মৎস্যজীৱী হাজাৰ হাজাৰ লোকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নোহোৱা কৰি পেলাইছে। বছৰ বছৰ ধৰি উক্ত অঞ্চলবোৰত ৰাইজে কৰি অহা খেতি, মৎস্য উৎপাদনৰ ক্ষেত্ৰসমূহ বাৰিষা নৈৰ খহনীয়া আৰু বাঢ়নী পানীয়ে ধ্বংস কৰি আহিছে। চৰকাৰ তথা ৰাইজ অৱগত যদিও কোনো এখন চৰকাৰে ৰাইজৰ দুখ-দুৰ্দশাৰ কথা নাভাবিলে। অথচ এই অঞ্চলবোৰৰ আশী শতাংশই কৃষি তথা মৎস্য জীৱিকাৰ ওপৰত নিৰ্ভৰশীল। প্ৰতি বছৰে নৈৰ দুয়োপাৰে থকা পৰিয়ালে সমূহ পানীত বুৰ গৈ থাকি আৰ্থিকভাৱে জুৰুলা হৈ পৰে। শেহতীয়া বানত সেইবোৰ ঠাইৰ বহু লোকৰ ঘৰবাৰী, খেতিপথাৰ, পুখুৰী আদি ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। আনকি বহু লোকৰ ঘৰবাৰী নদীত জাহ গৈছে। তৎসত্ত্বেও বিপদসংকুল পৰিৱেশত বসবাস কৰি আছে বানপানীত বিধ্বস্ত অঞ্চলৰ ৰাইজে। নৈৰ বাঢ়নী পানীয়ে বছৰ বছৰ ধৰি তাণ্ডৱ চলাই ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ বাসিন্দাসকলৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নোহোৱা কৰি আহিছে। এই জ্বলন্ত সমস্যাসমূহ সমাধান কৰাৰ দাবীত জিলা প্ৰশাসন, জলসম্পদ বিভাগ তথা অসম চৰকাৰ-কেন্দ্ৰীয় চৰকাৰক দাবী জনোৱাৰ লগতে স্মাৰক-পত্ৰও প্ৰদান কৰি অহা হৈছে। এইক্ষেত্ৰত অৱশ্যে বিভাগীয় মন্ত্ৰী পীযূষ হাজৰিকা ৰাজ্যখনৰ বানাক্ৰান্ত অঞ্চলবোৰ পৰিদৰ্শন কৰি অঞ্চলবোৰত নদীয়ে সৃষ্টি কৰা বানপানী আৰু খহনীয়া পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পৰিদৰ্শনৰ সময়ত জলসম্পদ বিভাগ আৰু জিলা প্ৰশাসনক সেইবোৰ স্থানত স্থায়ী মথাউৰি নিৰ্মাণৰ প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। আনকি কাছাৰ জিলাৰ ভাৰত-বাংলা দেশ সীমান্তৰে বৈ যোৱা কুশিয়াৰা নদীয়ে বিভিন্ন স্থানত সৃষ্টি কৰা খহনীয়া পৰিদৰ্শন কৰি খহনীয়াৰ স্থায়ী সমাধান সন্দৰ্ভত জলসম্পদ বিভাগৰ বিষয়াক প্ৰয়োজন সাপেক্ষে এই স্থানত গাৰ্ডৱাল দিয়াৰ নিৰ্দেশ দিয়ে। আনকি বিভিন্ন অঞ্চলত নদীৰ কাষৰীয়া অঞ্চলত নদীয়ে ক্ষতিগ্ৰস্ত কৰা পথ পৰিদৰ্শন কৰে আৰু তাত সৃষ্টি কৰা মথাউৰিৰ খহনীয়া প্ৰতিৰোধী ব্যৱস্থাসমূহ বিভাগক সোনকালে ল'বলৈ নিৰ্দেশ দিয়ে। ক্ষতিগ্ৰস্ত অঞ্চলৰ লোকসকলক শৈক্ষিক, আৰ্থ-সামাজিক আদি দিশত আগুৱাই নিবলৈ চৰকাৰখনে অহৰহ চেষ্টা চলাই অহাৰ কথাও উল্লেখ কৰে। লগতে সকলো শ্ৰেণীৰ লোকৰ উন্নয়নৰ বিভিন্ন জলকল্যাণমূলক আঁচনি গ্ৰহণৰ কথা উল্লেখ কৰে। চৰকাৰখনৰ এনে তৎপৰতাত নৈৰ পাৰত বসবাস কৰা সকলো শ্ৰেণীৰ লোকৰ খহনীয়া প্ৰতিৰোধৰ আঁচনি আদৰণীয়। প্ৰতি বছৰে বান আৰু খহনীয়াই অঞ্চলৰ ৰাইজৰ বাবে বৃহৎ সমস্যা হৈ পৰাৰ বাবে বৃহৎ সমস্যাৰ সৃষ্টি হোৱাৰ লগতে অঞ্চলবোৰৰ ৰাইজে বিস্তৰ ক্ষয়ক্ষতিৰ সন্মুখীন হৈ আহিছে। নদীৰ খহনীয়াৰোধী বান্ধ নিৰ্মাণত চৰকাৰে অতি জৰুৰীভাৱে গুৰুত্ব আৰোপ কৰিলেহে ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা অক্ষুণ্ণ হৈ ৰ'ব। ৰাইজেও চৰকাৰে তাৎক্ষণিকভাৱে মথাউৰি, পথ তথা বান্ধ নিৰ্মাণ কৰাৰ আশা কৰিছে। তেতিয়াহে বৃহত্তৰ কৃষি ভূমি বান আৰু খহনীয়াৰ কৱলত আৰু দুৰ্দশাৰ পৰা ৰক্ষা পৰিব।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### বিনামূলীয়া সুবিধা বনাম উৎপাদনমুখী প্ৰকল্প

বৰ্তমান সময়ত অভাৱনীয় ৰূপত বৃদ্ধি পোৱা কৰ-কাটল আৰু মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাক বাৰুকৈয়ে কোঙা কৰি পেলাইছে। ঔষধ, শাক-পাচলি, তেল বা অন্যান্য নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ বজাৰত জুই চাই দাম আৰু ৰাস্তা-ঘাত, বেংকৰ বিত্তীয় লেনদেনকে আদি কৰি প্ৰায় সকলো ক্ষেত্ৰতে অত্যধিক মাত্ৰাত আৰোপ কৰা বিভিন্ন কৰ-কাটলে জনসাধাৰণৰ জীৱন দুৰ্বিষহ কৰি তুলিছে।

আজিকালি নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ সততে পৰিলক্ষিত হোৱা এখন প্ৰতিচ্ছবি হ'ল- পাচলি বজাৰত বজাৰৰ মোনাটো লৈ ইমূৰৰ পৰা সিমূৰ কৰি অৱশেষত দুবিধমান পাচলি আধা কেজি বা এপোৱাকৈ কিনি ঘৰমূৱা হয়। কিয় এনে অৱস্থা হয় জানেনে ? যোৱা বছৰলৈকে ২০ টকীয়া কেজি দৰৰ জিকা, ভোল, কুন্দুলী এতিয়া অতি কমেও ৬০ টকা, ৪০টকীয়া কেজিৰ বিলাহী ১০০ টকা হ'লগৈ। পৰিৱৰ্তন বিচাৰি আদৰি লোৱা নতুন চৰকাৰৰ শাসন কালত ২০১৪ চনৰ এটি ১৪.২ কেজিৰ এলপিজি চিলিণ্ডাৰৰ দাম ৪১৪ টকাৰ পৰা বাঢ়ি গৈ আজিৰ দিনত প্ৰায় ১,১০০ টকা হ'লগৈ, ৬৫-৭০টকীয়া পেট্ৰলৰ দামেও ১০০ টকাৰ ওচৰে-পাঁজৰে স্থিতি ল'লৈগৈ। চৰকাৰী আঁচনিৰ নামত কেইটামান টকা আৰু বিনামূলীয়া কেইকেজিমান চাউল প্ৰদান কৰি দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ সজালত মানুহবোৰ ইমানেই কৰ্মবিমুখ হৈ পৰিল যে আহোমৰ দিনৰ ধোদসকলেও কিজানি বৰ্তমান জীয়াই থকা হ'লে লাজ পালেহেঁতেন। কিয়নো তেওঁলোকে তেতিয়াৰ দিনতে ধোদৰ আলিৰ দৰে এটা দীঘল ৰাস্তা বান্ধি উলিওৱাৰ লগতে জয়সাগৰ পুখুৰী, শিৱসাগৰ পুখুৰী, যোৰহাটৰ ভোগদৈ নদী খান্দি তেওঁলোকৰ কৰ্মপটুতাৰ চিন ৰাখি গৈছে। চৰকাৰী আৱাস যোজনাৰ নামত ঘৰ, খেতিৰ মাতি নথকাও কিছু লোকক খেতি কৰিবলৈ ২০০০কৈ টকা দিয়াৰ যোগেদি হিতাধিকাৰী সৃষ্টি কৰাহে হৈছে, উন্নয়ন কিন্তু প্ৰকৃততে হোৱা নাই। দুটামান ৰাস্তা-ঘাট বনালেই ৰাজ্যৰ প্ৰকৃত উন্নয়ন হোৱা বুলি মানি ল'ব নোৱাৰি। কৰ্মবিমুখ হোৱাৰ ফলত বিনামূলীয়াকৈ লাভ কৰা ৰন্ধন গেছৰ চিলিণ্ডাৰবোৰ বহুতেই বিক্ৰী কৰি দাইল-তেল কিনি খালে। চৰকাৰী ধনৰ শৰাধ পাতি এনেদৰে ৰাজ্য চলাবলৈ কিমান দিনলৈ অসম চৰকাৰ সমৰ্থ হ'ব ? লোন লৈ ৰাজ্য চলাওঁতে এতিয়া ৰাজ্য চৰকাৰৰ ঋণৰ পৰিমাণ ১ লাখ ১০ হাজাৰ কোটি পালেগৈ। আনকি অসমত নতুনকৈ জন্ম লোৱা এটি শিশুৰ মূৰৰ ওপৰতো ধাৰৰ বোজা হৈছেগৈ ৩৬,০০০ টকা। এনেদৰে ৰাজ্য চলিবলৈ হ'লে এদিন অসমৰো যে শ্ৰীলংকা-ছোমালিয়াৰ দৰে দুৰ্ভিক্ষৰ অৱস্থা নহ'ব তাৰ কি ঠিক ? শাসকীয় দলে হিতাধিকাৰীৰ সৃষ্টি কৰিছে কৰক, তাত কোনো আপত্তি নাথাকিলহেঁতেন যদিহে খৰচ কৰা চৰকাৰী ধনৰ দ্বাৰা ৰাইজৰ নিজা নতুন নতুন উপাৰ্জনৰ পথো ওলাল হয়। উপাৰ্জনমুখী প্ৰকল্পৰ দ্বাৰা ৰাইজ উপাৰ্জনক্ষম হোৱা হ'লে চৰকাৰেও প্ৰত্যেক মাহে মাহে তেওঁলোকক বিনামূলীয়া চাউল দিয়াৰ প্ৰয়োজনীয়তা নাথাকিলহেঁতেন বা তেওঁলোকে নিজে গেছৰ চিলিণ্ডাৰ কিনিবলৈ সমৰ্থ হোৱাৰ লগতে নিজাকৈ ঘৰো বনাই ল'ব পাৰিলহেঁতেন। তেতিয়া চৰকাৰেও ৰাহি হোৱা চৰকাৰী ধন নতুন নতুন উন্নয়নমূলক কামত খটাব পাৰিলহেঁতেন আৰু বছৰি বছৰি চৰকাৰৰ হাজাৰ হাজাৰ হিচাবত ধাৰৰ বোজা নাবাঢ়িলহেঁতেন। শ্ৰীলংকাৰ দৰে পৰিস্থিতি অহাৰ আগয়েই চৰকাৰেও কথাবোৰ ভালদৰে গমি-পিতি চোৱাৰ সময় আহি পৰিছে। চৰকাৰী ধনৰ উচিত ব্যৱহাৰেৰে কৃষিকৰ্মৰ প্ৰকৃত উন্নতি সাধন কৰক, পশুপালনৰ নতুন নতুন পদ্ধতি উদ্ভাৱন কৰি প্ৰৱৰ্তন কৰক, বিভিন্ন ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলক, যাৰ দ্বাৰা মানুহৰ সংস্থাপন বৃদ্ধিৰ লগে লগে অসমে অৰ্থনৈতিকভাৱেও এটা সৱল স্থিতি লাভ কৰিব। নতুবা ৰাজ্য চৰকাৰৰ ধাৰৰ বোজা দিনক দিনে বৃদ্ধি পোৱাৰ লগে লগে জীয়াতু ভুগিব লাগিব সমাজৰ মধ্যবিত্ত শ্ৰেণীটোৱেহে। কিয়নো বিভিন্ন কৰৰ মাধমাৰ পৰে তেওঁলোকৰ মূৰৰ ওপৰতহে পৰে। শাসনত থকা সময়চোৱাত জন-প্ৰতিনিধিসকলেও গপতে গংগাটোপ হৈ নাথাকি ৰাইজৰ দুখ-দুৰ্দশা অনুভৱ কৰি কিছু সৌজন্যবোধ দেখুৱাব পাৰিলে ভাল হয়। কিয়নো সময় সদায় একেদৰে নাযায়। নহ'লে ডিঙিত পিঁয়াজৰ মালা পিন্ধা, গৰুগাড়ীত গেছৰ চিলিণ্ডাৰ কঢ়িওৱা, কান্ধত যুঁৱলি লৈ ৰাস্তাত নাঙলেৰে হাল বোৱা আদিৰ দৰে নৃত্য-নাটিকা কৰাৰ দিনো পুনৰ ঘূৰি আহিব পাৰে।

■ পংকজ ভৰালী
*ফোন ঃ ৭০০২৫-৫৪০৫৭*

*◆◆◆ ভাৰতৰ স্বাধীনতাৰ সময়ত দেশ বিভাজনৰ সূত্ৰপাত কেনেকৈ হ'ল? মুছলিম লীগৰ নেতৃত্বত নে আন কাৰোবাৰ হেঁচাঁত? তেতিয়াৰ ভাৰতৰ জাতীয় কংগ্ৰেছৰ লগত বিসম্বাদ কাৰ আছিল? নেতাজীৰ দল, জনসংঘ, আৰ এছ এছ, কমিউনিষ্টসকলৰ কাৰ্যকলাপ কেনে ধৰণৰ আছিল? কমিউনিষ্ট পাৰ্টীৰ লগত কংগ্ৰেছৰ সম্পৰ্ক নাই যদিও ভাৰতৰ স্বাধীনতাৰ লগত ব্ৰিটিছৰ বিৰুদ্ধেও যুঁজ দিছিল কমিউনিষ্টসকলে। ১৯২৫ চনত (কোনো কোনোৰ মতে ১৯২০) ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ জন্ম হৈছিল। ১৯২৫ চনতে ভাৰতৰ আৰ এছ এছৰো জন্ম হৈছিল◆◆◆*

প্ৰসংগ ঃ INDIA RUBBER STAMP

# ৰাষ্ট্ৰপতি, ৰাজ্যপাল আৰু প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী



■ বিমান শইকীয়া

ভাৰতৰ আকৃতি-প্ৰকৃতি চাই দেশখনক উপ-মহাদেশ বুলি অভিহিত কৰা হয়। জনসংখ্যাৰ ফালৰ পৰাও বৰ্তমান চীনৰ পিছতে ভাৰতৰ স্থান পৰিচিত। কাজেই ভাৰতৰ প্ৰতি পৃথিৱীৰ সকলো দেশৰে চকু নিবদ্ধ। প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰতো ভাৰত পৃথিৱীৰ অন্যতম চহকী ৰাষ্ট্ৰ। স্বাধীনতাৰ সময়ত যিখন ভাৰত সেইখন ভাৰত আমি পৃথিৱীৰ মানচিত্ৰত নাপাম। সকলো দিশতে অভাৱনীয় পৰিস্থিতিৰ মাজেদিয়েই হ'লেও ব্যাপক পৰিৱৰ্তন হৈছে। পৃথিৱীৰ জলমণ্ডল, বায়ুমণ্ডল, স্থলমণ্ডল ইত্যাদি সকলোতে দুই ধৰণৰ পৰিৱৰ্তন সাধন হৈছে। প্ৰাকৃতিক পৰিঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিৱৰ্তন আৰু মানৱ সৃষ্ট পৰিৱৰ্তন। পৃথিৱীৰ ধনী দেশবিলাকেই পাৰিপাৰ্শ্বিক অৱস্থাৰ অনাকাংক্ষিত পৰিৱৰ্তন চলিছে। কাজেই মানুহৰ জীৱন-জীৱিকাৰ উৎকৰ্ষ সাধন কৰা পৰিমণ্ডল এটা আমাৰ দেশ তথা জাতিৰ বাবে এতিয়া বৰ লাগতিয়াল। কিন্তু এই পৰিমণ্ডল ৰচনাত বাধাৰ সৃষ্টি কৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে উন্নত দেশবিলাকে। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰা পৰিৱেশ-পৰিস্থিতিক ধ্বংস কৰি মানৱ জাতিৰ অকাল মৃত্যুৰ বাতাবৰণ সৃষ্টি কৰাত তেওঁলোকেই সৰ্বাধিক বৰঙণি যোগাইছে। বিজ্ঞান-প্ৰযুক্তিৰ উন্নতিৰ দোহাই দি প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি পৃথিৱীৰ ৰজা হ'বলৈ ধাৱমান প্ৰতিযোগিতাই মানুহক অমানুহ কৰিছে। সমাজৰ সুন্দৰ পৰিৱেশক আপচু কৰিছে তেওঁলোকেই। আমিবোৰ তৃতীয় বিশ্বৰ দেশবিলাক নিকিনা গোলামৰ দৰে সিহঁতৰ ওচৰত সকলো সম্পদ বন্ধকত দি তেওঁলোকৰ কৃপাত চলি আছো, এনে ধৰণৰ এটা বাতাবৰণ দেখিছো বা ৰাইজেও দেখিছে। ভাৰতৰ স্বাধীনতাৰ সময়ত দেশ বিভাজনৰ সূত্ৰপাত কেনেকৈ হ'ল? মুছলিম লীগৰ নেতৃত্বত নে আন কাৰোবাৰ হেঁচাত? তেতিয়াৰ ভাৰতৰ জাতীয় কংগ্ৰেছৰ লগত বিসম্বাদ কাৰ আছিল? নেতাজীৰ দল, জনসংঘ, আৰ এছ এছ, কমিউনিষ্ট সকলৰ কাৰ্যকলাপ কেনে ধৰণৰ আছিল? কমিউনিষ্ট পাৰ্টীৰ লগত কংগ্ৰেছৰ সম্পৰ্ক নাই যদিও ভাৰতৰ স্বাধীনতাৰ লগত ব্ৰিটিছৰ বিৰুদ্ধেও যুঁজ দিছিল কমিউনিষ্টসকলে। ১৯২৫ চনত (কোনো কোনোৰ মতে ১৯২০) ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ জন্ম হৈছিল। ১৯২৫ চনতে ভাৰতৰ আৰ এছ এছৰ জন্মও হৈছিল। আৰ এছ এছ কিন্তু ৰাজনৈতিক দল নাছিল। এওঁলোকৰ ৰাজনৈতিক সংগঠন ভাৰতীয় জন সংঘৰ জন্ম হৈছিল ১৯৫১ চনত। আৰ এছ এছৰ বিৰুদ্ধে এটা অভিযোগ আছে স্বাধীনতাৰ সময়ত ব্ৰিটিছৰ পক্ষত আছিল। আৰ এছ এছৰ জন্মদাতা আছিল- কেশৱ বালিৰাম হেডগেয়ৱাৰ। আনহাতে, ভাৰতীয় জনসংঘৰ জন্মদাতা আছিল- শ্যামাপ্ৰসাদ মুখাৰ্জী। হিন্দুত্ববাদৰ পৃষ্ঠপোষকতা কৰা হিন্দুত্ববাদী সোঁপন্থী সংগঠন আৰ এছ এছৰ নীতি। তেওঁলোকৰ মতে হিন্দু ধৰ্ম নহয়, সংস্কৃতি।! মোগলসকলৰ অৰ্থাৎ মুছলমানৰ বিৰোধিতা কৰাৰ কাৰণেই ৰাণী ভিক্টোৰিয়া অথবা ঔপনিৱেশিক ব্ৰিটিছসকল ভাল। কাজেই ব্ৰিটিছৰ পক্ষত আছিল আৰ এছ এছকে ধৰি হিন্দুত্ববাদী দল-সংগঠনবিলাক। হিন্দু মহাসভা, হিন্দু সেনা, আৰ এছ এছ, একেই আছিল। ১৯১৫ চনতে হিন্দু মহাসভাৰ জন্ম হৈছিল। এই হিন্দু মহাসভাৰ পৰাই ১৯২৫ চনত আৰ এছ এছৰ জন্ম হৈছিল। কাজেই তেওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্য একেই, কিন্তু আৰ এছ এছৰ আদৰ্শ কিছু কঠোৰ অনুশীলন। ভাৰতৰ জাতীয় কংগ্ৰেছৰ লগত অথবা ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত আৰ এছ এছৰ লগত কংগ্ৰেছৰ সম্পৰ্ক মধুৰ নাছিল। কাৰণ কংগ্ৰেছৰ আদৰ্শত হিন্দু-মুছলমানৰ বৈষম্যমূলক নীতি নাছিল। কিন্তু আৰ এছ এছে ধৰ্মনিৰপেক্ষতাৰ নামত মুছলমানৰ জাতীয়তাবাদৰ স্থান ভাৰতৰ মাটিত (হিন্দুস্থানত) দিব নিবিচাৰে। হ'লেও ব্যক্তিগতভাৱে কেশৱ বালিৰাম হেডগেয়ৱাৰেও স্বাধীনতা আন্দোলনত সহযোগ কৰা বুলি জনা যায়। শ্যামা প্ৰসাদ মুখাৰ্জীয়ে জৱাহৰলাল নেহৰুৰ অন্তৰ্বৰ্তীকালীন চৰকাৰত মন্ত্ৰীপদ লৈছিল। কিন্তু কাশ্মীৰৰ ৩৭০ অনুচ্ছেদৰ বিৰোধিতা কৰি তেওঁ মন্ত্ৰীপদ ত্যাগ কৰিছিল। আৰ এছ এছৰ ৰাজনৈতিক সংগঠন ভাৰতীয় জনসংঘ বুলি আগতেই উল্লেখ কৰা হৈছে। তেনেস্থলত সাম্প্ৰতিক ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটত জনসংঘৰ পিছত নতুন নামকৰণ হোৱা তেওঁলোকৰ ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টীৰ (বি জে পি) ১৯৮০ চনৰ ৬ এপ্ৰিলত জন্ম হৈছিল। ইয়াৰ কিছু ৰাজনৈতিক কাৰণ আছে।

আমাৰ আলোচনাৰ অন্যতম বিষয় এটা ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু ৰাজ্যপাল, মুখ্যমন্ত্ৰী। এই প্ৰসংগটোৰ মূল কাৰণ হ'ল ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰধানমন্ত্ৰীৰ টেবুলত থকা ফুলদানি নেকি? অৰ্থাৎ ভাৰতৰ ৰাষ্ট্ৰপতি ৰাবাৰ ষ্টাম্প নেকি? ৰাজ্যপালৰ ক্ষেত্ৰতো একেটাই। ভাৰতৰ সংবিধানৰ মতে প্ৰধানমন্ত্ৰী চৰকাৰৰ মুৰব্বী আৰু ৰাষ্ট্ৰপতি দেশৰ মুৰব্বী। ৰাষ্ট্ৰপতিক দিহা-পৰামৰ্শ দিবলৈ প্ৰধানমন্ত্ৰীকে ধৰি এখন কেবিনেট, এখন মন্ত্ৰীসভা থাকিব। সংবিধান প্ৰণেতাসকলে এই বিষয়টোৰ ওপৰত চিন্তা-চৰ্চা নকৰা নহয়। কিন্তু তেওঁলোকৰ সিদ্ধান্তত ভাৰতৰ ৰাষ্ট্ৰপতি কাৰ্যপালিকাৰ মুৰব্বী যদিও প্ৰধানমন্ত্ৰীহে প্ৰকৃত কাৰ্যপালিকাৰ ক্ষমতা উপভোগ কৰিব পাৰে। কাজেই ৰাষ্ট্ৰপতিক নামমাত্ৰ মুৰব্বীহে বুলি অভিহিত কৰা হয়। ৰাষ্ট্ৰপতিজনৰ ব্যক্তিত্ব আৰু দক্ষতাৰ ওপৰত মন্ত্ৰীসভাখন কেতিয়বা ৰাষ্ট্ৰপতিক সন্মান জনাই তেওঁৰ কথা মানিব পাৰে, কিন্তু দায়বদ্ধ সাংবিধানিকভাৱে নহয়। বিত্তীয় বিলখন ৰাষ্ট্ৰপতিয়ে ৰখায়ো থ'ব নোৱাৰে বা সংসদলৈ বিবেচনাৰ বাবেও পঠোৱাৰ উপায় নাই। অন্যান্য বিলবিলাক দুবাৰ চৰকাৰৰ পুনৰ বিবেচনাৰ বাবে সংসদলৈ ঘূৰাই পঠাব পাৰে কিন্তু তৃতীয়বাৰ ৰাষ্ট্ৰপতিয়ে চহী নকৰিলেও বিলখন আইন হ'ব। কাজেই ৰাষ্ট্ৰপতিৰ ভূমিকা ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাত মুখ্য নহয়, গৌণহে। সেই কাৰণেই সংবিধান প্ৰণেতা কমিটীৰ সদস্য কে টি শ্বাহে ৰাষ্ট্ৰপতি পদটোৰ প্ৰসংগত সমালোচনা আগবঢ়াইছিল। ভাৰতৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত বিশ্লেষণ কৰিলে সৌজন্যৰ প্ৰশ্নৰ অৱতাৰণা হয়। এতিয়া পঞ্চদশ ৰাষ্ট্ৰপতি নিৰ্বাচনত এনে বহু প্ৰশ্নৰ অৱতাৰণা হৈছে। সংবিধানৰ সুৰক্ষাৰ কথা, গণতান্ত্ৰিক মূল্যবোধক ৰক্ষাৰ কথা ইত্যাদিৰ প্ৰশ্নৰ উত্তৰ কিন্তু ভাৰতৰ জনসাধাৰণৰ অধিকাংশই পোৱা নাই। সময়ত নিশ্চই সকলো খোলোচা হ'ব।

# বিশ্বৰ বৃহত্তম গণতন্ত্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচন

■ ৰঞ্জন চৌধুৰী


ৰাষ্ট্ৰীয় ৰাজনীতিত প্ৰথমবাৰৰ বাবে ১৯৭৭ চনত ফ্ৰণ্ট বা জোঁটৰ আৰম্ভণি হৈছিল। '৯০ৰ দশকত ৰাজনৈতিক মতাদৰ্শৰ বিপৰীত স্থানত অৱস্থান কৰাসকলৰ মাজতে ফ্ৰণ্ট গঠনৰ উজান উঠিছিল। তাৰে ভিতৰত 'তৃতীয় ফ্ৰণ্ট' শব্দটো আমাৰ সকলোৰে বাবে চিৰপৰিচিত। বহু বছৰ ধৰি এই শব্দটো ভাৰতীয় ৰাজনীতিত শুনি আহিছো, এইখিনিতে স্পষ্টকৈ ক'ব লাগিব যে বিজেপি বা কংগ্ৰেছ এই দুই দলক বাদ দি অন্যান্য অ-বিজেপি আৰু অ-কংগ্ৰেছী দলবোৰক একেলগে লৈ ফ্ৰণ্ট গঠিত হ'ল কেন্দ্ৰত চৰকাৰ গঠন কৰা অসম্ভৱ। প্ৰয়াত অমৰ সিংহই এবাৰ 'তৃতীয় ফ্ৰণ্ট'ৰ সলনি চতুৰ্থ ফ্ৰণ্টৰ শব্দটো আনিছিল। তেওঁ কৈছিল মুলায়েম সিংহ যাদৱ আৰু বাঁও দলবোৰক লৈ চতুৰ্থ ফ্ৰণ্ট গঠন কৰিব লাগে, য'ত তৃণমূল কংগ্ৰেছ আৰু আন কিছু আঞ্চলিক দলক বাদ দিয়া হ'ব কিন্তু সেই চতুৰ্থ ফ্ৰণ্ট নামৰ বায়বিয় বস্তুটো জন্ম লোৱাৰ মুহূৰ্ততে মৃত্যুবৰণ কৰিছিল। বৰ্তমানৰ ভোট কৌশলী প্ৰশান্ত কিশোৰে কৈছে, বিজেপিক দিল্লীৰ সিংহাসনৰ পৰা নমাই আনিবলৈ হ'লে কোনো তৃতীয় ফ্ৰণ্ট নহয়, দৰকাৰ হ'ব প্ৰথম ফ্ৰণ্ট নাইবা দ্বিতীয় ফ্ৰণ্ট অৰ্থাৎ মোদীবিৰোধী সকলো দল মিলিত হৈ যি ফ্ৰণ্ট গঠন কৰিব সেয়াই হ'ব দ্বিতীয় ফ্ৰণ্ট। এই কথাষাৰে ভাৰতীয় ৰাজনীতিত বহুল তাৎপৰ্য বহন কৰে ই এক গুৰুত্বপূৰ্ণ চাবি-কাঠি যাৰ সহায়েৰে বহু বন্ধ হৈ পৰা তলা খোল খুৱাব পাৰি। নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বিজেপি দল আৰু তেওঁৰ সহযোগী দলক লৈ তৈয়াৰ হৈছে প্ৰথম ফ্ৰণ্ট, যেনেকৈ এসময়ৰ কংগ্ৰেছৰ নেতৃত্বত আছিল প্ৰথম ফ্ৰণ্ট। তেতিয়া বিজেপি আছিল দ্বিতীয় দল। আজি বিজেপিৰ বিৰুদ্ধে ঠিক দ্বিতীয় দলটো কি? নিৰ্ণয় কৰা বৰ কঠিন। কাৰণ হ'ল কংগ্ৰেছ দলৰ দুৰ্বল স্থিতি তথাপি এই দলটোৱেই সৰ্বভাৰতীয় প্ৰেক্ষাপটত প্ৰধান বিৰোধী দল। অ-বিজেপি, অ-কংগ্ৰেছী আৰু প্ৰতিটো আঞ্চলিক দলৰ নেতাই এয়া বুজিবলৈ অক্ষম তেনে নহয়। মমতা বেনাৰ্জীয়ে কেতিয়াও নকয় যে তেওঁ কংগ্ৰেছক বাদ দি চলিব কিন্তু কংগ্ৰেছৰ বাবে তৃণমূলৰ লগত আসনক লৈ নিৰন্তৰ কলহ চলিয়েই থাকিব, যাৰ বাবে দ্বিতীয় ফ্ৰণ্ট গঠন হোৱা বৰ কঠিন। এটা সময়ত চিপিএম আৰু মমতা বেনাৰ্জীৰ তীব্ৰ বিৰোধিতাৰ বাবেই কংগ্ৰেছ এৰি এনডিএত চামিল হ'ব লগা হৈছিল, কিয়নো তেতিয়া কংগ্ৰেছ-চিপিএমৰ বিৰোধ বহু দূৰৰ কথা দেশত এক অসম্ভৱ মিত্ৰতাৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। ৰাজীৱ গান্ধী প্ৰধানমন্ত্ৰী হোৱাৰ পাছত প্ৰথমে মমতা বেনাৰ্জীক যুৱ কংগ্ৰেছৰ সভানেত্ৰী কৰি চিপিএমৰ বিৰুদ্ধে যুঁজিবলৈ চেষ্টা কৰাইছিল। এতিয়া ২০২১-২২ৰ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত বিধানসভাৰ নিৰ্বাচন আৰু উপ-নিৰ্বাচনসমূহৰ ফলাফলে ২০২২ৰ ১৮ জুলাইৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধী দলৰ প্ৰাৰ্থীক জিকাই অনাটো অসম্ভৱ নাছিল কাৰণ ৰাষ্ট্ৰপতি নিৰ্বাচনত একমাত্ৰ বিধায়ক, সাংসদৰ ভোটৰ জৰিয়তে হয় আৰু সমীক্ষাত প্ৰকাশ পাইছিল যে এনডিএ দুই শতাংশ ভোটত পিছুৱাই আছিল। ভাৰতীয় ৰাজনৈতিক দলসমূহে সংসদীয় গণতন্ত্ৰত বিশ্বাসী কিন্তু বিজেপি দল এই ব্যৱস্থাক কাৰ্যকৰী কৰাত যিমান পৰিপক্ক ইয়াৰ লগত তুলনা কৰিলে বিৰোধী দলত স্থিতি দুৰ্বল। আমি ২০১৪ চনৰ নিৰ্বাচনৰ সময়ৰে পৰাই লক্ষ্য কৰি আহিছো- 'কা' আন্দোলনেই হওক নাইবা কৃষক আন্দোলন যিমানেই তীব্ৰ ৰূপ ধাৰণ নকৰক কিয় ভোটৰ বাকচত কিন্তু বিজেপিৰ পক্ষত যায়। একমাত্ৰ পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনৰ ফলাফলত ব্যতিক্ৰম দেখা গৈছিল। বিজেপি দলে নিৰ্বাচনী যুঁজত এক যন্ত্ৰৰ দৰে কাম কৰা দেখা যায়, যাৰ ফলস্বৰূপে বহু বাধা নেওচি এটাৰ পাছত এটা নিৰ্বাচনত জয়লাভ কৰি আহিছে। ২০২২ৰ উত্তৰ প্ৰদেশৰ বিধানসভা নিৰ্বাচন আছিল ২০২৪ৰ লোকসভা নিৰ্বাচন বিজেপিৰ বাবে ছেমি ফাইনেল। তৎসত্ত্বেও প্ৰশান্ত কিশোৰ কৈছে যে উক্ত লোকসভা নিৰ্বাচনত বিৰোধীয়ে কংগ্ৰেছৰ যোগেদি জয়লাভ কৰাৰ সম্ভাৱনা আছে কিন্তু ভাগ্যৰ পৰিহাস যে এইজন প্ৰশান্ত কিশোৰৰ লগতো কংগ্ৰেছ তিষ্ঠি থাকিব নোৱাৰিলে। উত্তৰ প্ৰদেশত বিৰোধীয়ে মুখ থেকেচা খোৱাৰ পাছত ৰাহুল গান্ধী যেন নিষ্ক্ৰিয় হৈ পৰিল। আনফালে, দেখা গ'ল উত্তৰ প্ৰদেশ জয় কৰি মোদী ডাঙৰীয়া তৎপৰ হৈ মিছন গুজৰাট আৰম্ভ কৰি দিলে। যিহেতু ২০২২ৰ শেষত গুজৰাটৰ লগতে আন কেইবাটাও ৰাজ্যত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব লগা আছে। এতিয়া কথা হ'ল ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধী দলৰ প্ৰাৰ্থী যশৱন্ত সিন্‌হা জিকিলেহেঁতেন, তেনে ক্ষেত্ৰত ২০২৪ ৰ লোকসভা নিৰ্বাচনত বিৰোধীয়ে ভালফল দেখুৱাব পাৰিলে হয়। গতিকে বিৰোধীয়ে এতিয়া কোনো প্ৰকাৰেই দিল্লী দখল কৰিব নোৱাৰিব। ইমান দিনে আমি শুনি আহিছিলো যে মোদী হ্যায় তো সৱ মুচকিল হ্যায়। এই কথাৰ সত্যতাও ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফলে পুনৰ এবাৰ প্ৰমাণ কৰি দিছে। কিয়নো বিজেপিয়ে চবকা সাথ চবকা বিকাশ আৰু চবকা বিশ্বাস পোৱাৰ বাবেই প্ৰথমবাৰৰ বাবে এগৰাকী জনজাতি মহিলা প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক তুলি ধৰিছিল। যেতিয়া দুৰ্নীতিগ্ৰস্ত বিৰোধী দলৰ নেতাসকলে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে মাত মাতিবলৈ লয় তেতিয়াই দেখা যায় চিবিআই, ইডিৰ দ্বাৰা এইসকল নেতাক নাকী লগোৱাৰ ব্যৱস্থা কৰি লয়। শেহতীয়াকৈ শিৱসেনা, কংগ্ৰেছ আৰু এনচিপিৰ মিত্ৰতাৰে গঠিত মহাৰাষ্ট্ৰৰ চৰকাৰক ছলে-বলে-কৌশলেৰে ছত্ৰভংগ কৰিও পেলাইছিল আৰু সেই সময়ত মুৰ্মুৰ জয়লাভ এশ শতাংশই নিশ্চিত কৰি লৈছিল। এইখিনিতে উল্লেখনীয় যে কেৱল বিৰোধী দলেই নহয় এনডিএৰ এচাম সাংসদ-বিধায়কে যশৱন্ত সিন্‌হাক ভোট দিয়াৰ কথাও ভাবিছিল বা ভোট দিয়াৰ যি সম্ভাৱনা আছিল সেয়াও জনজাতীয় মহিলা প্ৰাৰ্থীৰ নাম ঘোষণা কৰি অসম্ভৱ কৰি পেলাইছিল। উদ্ধৱ ঠাকৰেৰ লগত যিকেইজন বিধায়ক আছিল সেইসকলেও উক্ত প্ৰাৰ্থীকে ভোট দিছিল। সেয়ে মোদী ডাঙৰীয়াৰ নেতৃত্বত ২০২৪ৰ লোকসভা নিৰ্বাচন জিকা এশ শতাংশ আৰু ২০২৯ৰ বাবেই ৯৯ শতাংশ নিশ্চিত। ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰাত সংঘ পৰিয়ালৰ পছন্দৰ প্ৰাৰ্থী আছিল বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি ভেংকেয়া নাইডু। যদিও মোদী-শ্বাহৰ Social Engineeringত পৰিপক্কতাৰ বাবে ২০২৪-২৯ৰ পথ মসৃণ কৰি ল'বলৈ দ্ৰৌপদী মুৰ্মুক প্ৰাৰ্থী হিচাপে নিৰ্বাচিত কৰা হৈছিল। তদুপৰি ভাৰতবৰ্ষত জনসংখ্যাৰ ১০ শতাংশ আদিবাসী। ইয়াৰ বাহিৰেও ভিন ভিন ৰাজ্যত হ'বলগীয়া নিৰ্বাচনত আদিবাসীৰ সংখ্যা ১০-৩০ শতাংশলৈকে আছে আৰু সেই বাবে এওঁলোকে দূৰলৈ চিন্তা কৰি এক তীৰেৰে দুই চিকাৰৰ ব্যৱস্থা কৰি লৈছিল। যোৱা আঠ বছৰে মোদী ডাঙৰীয়াৰ ই এক অন্যতম 'মাষ্টাৰ ষ্ট্ৰোক' বুলি ক'ব পাৰো। ৰাহুল গান্ধীয়ে বিচাৰে যে জনসাধাৰণৰ মন-মগজুত আৰএছএছ আৰু বিজেপিৰ মতাদৰ্শৰ বিৰুদ্ধে বিৰূপ মনোভাব গঢ় লৈ উঠক কিন্তু বাস্তৱ ছবিখন ওলোটা। কাৰণ তেওঁ হৈছে ঢাল-তৰোৱাল নোহোৱা নিধিৰাম চৰ্দাৰ। আজি এনে এক পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ মূলতেই হৈছে ৰাহুল গান্ধীয়ে কংগ্ৰেছত সৱল ভূমিকা পালন কৰিব পৰা নাই। স্বাভাৱিকতেই যিকেইজন এতিয়াও কংগ্ৰেছত তিষ্ঠি আছে সেইসকলেও বিজেপিলৈ গুচি যাব, কিয়নো এওঁলোকৰ বাবে ক্ষমতাবিহীন ৰাজনীতি, চকীবিহীন জীৱন ধাৰণ কৰাৰ মানসিকতা নাই। মোদী ডাঙৰীয়াই বিৰোধীয়ে কৰা প্ৰতিটো ভুলৰ সঠিক ব্যৱহাৰ কৰাত সক্ষম। ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী যশৱন্ত সিন্‌হাৰ প্ৰস্তাৱক আছিল মমতা বেনাৰ্জী কিন্তু এক জুলাই ২০২২ত তেঁৱেই মন্তব্য দিছিল যে এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ কথা আগতে জনা হ'লে নিজে বেলেগ চিন্তা কৰিহেঁতেন। যশৱন্ত সিন্‌হা এজন অভিজ্ঞ ৰাজনীতিবিদ, মমতা বেনাৰ্জীৰ এনে মন্তব্যৰ পাছত নিজকে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ পৰা স-সন্মানে আঁতৰাই নিয়া উচিত আছিল। দ্ৰৌপদী মুৰ্মুকে ধৰি এনডিএৰ নেতাসকলে ৰাষ্ট্ৰপতি নিৰ্বাচনত সহায়-সহযোগিতাৰ বাবে প্ৰতিজন বিৰোধীৰ লগত যিদৰে সংযোগ স্থাপন কৰিছিল সেই অনুপাতে যশৱন্ত সিন্‌হা বা বিৰোধী পক্ষই তেনে আগভাগ লোৱা পৰিলক্ষিত হোৱা নাছিল। তদুপৰি বিৰোধী দলৰ নেতাৰ সুকীয়া ৰাজনীতিও আছে, লগতে তেখেতসকলৰ ব্যক্তিগত ক্ষমতাৰ প্ৰতিও লোভ। যশৱন্ত সিন্‌হা ডাঙৰীয়াই কৈছিল, যদি বিৰোধী দলৰ দহ নম্বৰ প্ৰাৰ্থী হিচাপেও তেওঁক মনোনীত কৰা হয় তেনেস্থলতো তেওঁ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব কাৰণ তেওঁ সংবিধান ৰক্ষাৰ লগতে নীতি-আদৰ্শৰ যুঁজতহে অৱতীৰ্ণ হৈছে আৰু মোদী ডাঙৰীয়াৰ নীতি-আদৰ্শক তেওঁ পছন্দ নকৰে, দ্ৰৌপদী মুৰ্মুৰ দৰে ৰাবাৰ ষ্টাম্প ৰাষ্ট্ৰপতি হ'বও নোখোজে। অৱশ্যে তেখেতে জানে যে দেশ স্বাধীন হোৱাৰ পাছত সংবিধানখন এশবাৰতকৈ অধিকবাৰ সংশোধন কৰা হৈছে। তেওঁ চিএবি কাৰ্যকৰী হ'বলৈ দিয়া নহ'ব বুলিও মন্তব্য দিছিল, যি নেকি হাস্যকৰ। ঝাড়খণ্ড মুক্তি মৰ্চাৰ হেমন্ত সুৰেণ আৰু কংগ্ৰেছৰ জোঁটবন্ধনৰ চৰকাৰ চলি আছে, কিন্তু ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ষেত্ৰত হেমন্ত সুৰেণৰ ৰাজনৈতিক স্থিতি হ'ল এনডিএৰ প্ৰাৰ্থীৰ পক্ষত, কিয়নো হেমন্ত সুৰেণৰ ৰাজনীতিয়েই হ'ল আদিবাসী। যেতিয়া প্ৰয়াত প্ৰণৱ মুখাৰ্জী ডাঙৰীয়াক ইউপিএৰ ফালৰ পৰা ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থী মনোনীত কৰিছিল তেতিয়া মমতা বেনাৰ্জীয়েও প্ৰণৱ মুখাৰ্জীক সমৰ্থন আগবঢ়াইছিল, কাৰণ প্ৰণৱ বাবু আছিল পশ্চিমবংগৰ মানুহ। পশ্চিমবংগত প্ৰায় ৭-১০খন জিলাত আদিবাসীৰ প্ৰভাৱ বেছি, সেয়ে মমতা বেনাৰ্জীয়ে আদিবাসীৰ বিৰুদ্ধে গৈ কোনো কাৰ্য নকৰাই স্বাভাৱিক। টি এন ছেছান মুখ্য নিৰ্বাচনী আয়ুক্ত হোৱাৰ পূৰ্বে এই পদৰ ক্ষমতাৰ বিষয়ে ভাৰতৰ সৰহভাগ ভোটাৰে গম পোৱা নাছিল, তেখেতেই প্ৰথমবাৰৰ বাবে আমাক এই পদৰ ক্ষমতা কিমান বুজাই দিছিল, কাৰণ তেঁৱেই বিভিন্ন ৰাজনৈতিক দলক কিছু পৰিমাণে হ'লেও নাকী লগাবলৈ সক্ষম হৈছিল। ১৯৯৭ চনত টি এন ছেছানে ৰাষ্ট্ৰপতি নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল আৰু ভোট পাইছিল ৫০,৬৩১টা আৰু কে আৰ নাৰায়ণনে ৯,৫৬,২৯০টা ভোট পাই জয়লাভ কৰিছিল। ইয়াৰ পৰা আমি বুজিব পাৰো যে ভাৰতবৰ্ষৰ সৰহভাগ দলৰ বিধায়ক-সাংসদে তেওঁৰ দৰে (টি এন ছেছান) ব্যক্তিক ৰাষ্ট্ৰপতি হোৱাটো নিবিচাৰে। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময়ছোৱাত যি ধৰণৰ ৰাজনৈতিক সমীকৰণৰ প্ৰয়োজন আছিল মোদী ডাঙৰীয়াৰ নেতৃত্বত সেয়া সু-পৰিকল্পিতভাৱেই পৰিসমাপ্তি ঘটিল। যশৱন্ত সিন্‌হা, মোদীবিৰোধী হোৱাটোৱেই ৰাষ্ট্ৰপতিৰ পদৰ প্ৰাৰ্থী হোৱাৰ একমাত্ৰ ৰাজনৈতিক উপাদন হ'ব নোৱাৰে। ১৯৬৯ চনত ভি ভি গিৰিক ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰাৰ সময়ত বাঁওদলবিলাক প্ৰাসংগিক আছিল কিন্তু আজিৰ দিনত সেইসকলৰ অৱস্থা সৰ্বজনজ্ঞাত। গতিকে কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে পূৰ্বে যিদৰে ৰাজনৈতিক পাশা খেল খেলিছিল সেই নিয়মেৰে বৰ্তমান ৰাজনৈতিক খেলখন চলাই নিব বিচাৰিলে ৰাজনীতিৰ পথাৰখনত তিষ্ঠি থকা অসম্ভৱ। অসমকে ধৰি বিভিন্ন ৰাজ্যৰ বিৰোধীৰ ক্ৰছ ভোটিঙে পুনৰবাৰ তেওঁলোকৰ চৰিত্ৰ উদঙালে।

*ফোন ঃ ৯৪৩৫৩-৩৫০৭৭*

# জুবিন গাৰ্গৰ দৰে প্ৰতিগৰাকী নাগৰিকে সুবিধা পাইছে নে?

■ ভাস্কৰজ্যোতি কুটুম

অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তথা যুৱ-প্ৰজন্মৰ হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ কেইদিনমান আগতে ডিব্ৰুগড়ত বাথৰুমত পৰি যোৱাৰ ফলত মূৰত আঘাত পোৱাত ডিব্ৰুগড়ৰ সঞ্জীৱনী চিকিৎসালয়ত চিকিৎসাধীন হৈছিল। সঞ্জীৱনী চিকিৎসালয়ত ভৰ্তি হোৱা বুলি জ্ঞাত হোৱাৰ লগে লগে জিলাৰ প্ৰশাসনিক বিষয়াৰ লগতে অসমৰ মুখ্যমন্ত্ৰীলৈ তেওঁৰ চিকিৎসাৰ কাৰণে আগবাঢ়ি আহিল। তদুপৰি তেওঁৰ উন্নত চিকিৎসাৰ কাৰণে পৰৱৰ্তী সময়ত গুৱাহাটীস্থিত আয়ুৰসুন্দ্ৰা চিকিৎসালয়লৈ এয়াৰ এম্বুলেঞ্চেৰে ডিব্ৰুগড়ৰ পৰা গুৱাহাটী বিমানবন্দৰলৈ অনাৰ উপৰি বিশেষকৈ এম্বুলেঞ্চেৰে চিকিৎসালয়লৈ আনি আয়ুৰসুন্দ্ৰা হাস্পতালত ভৰ্তি কৰা দেখিবলৈ পালোঁ। কাৰণ তেওঁ চৰকাৰৰ লগতে সমগ্ৰ অসমৰ কাৰণে বিশেষ ব্যক্তি। সেয়ে জুবিন গাৰ্গক এইখিনি ব্যৱস্থা কৰি দিবলৈ চৰকাৰৰ বাধ্যতামূলক। কিন্তু এই সকলো সা- সুবিধা সৰ্বসাধাৰণ লোকৰ কাৰণে প্ৰযোজ্য নে ? আমি সাধাৰণতে সাধাৰণ লোকৰ কাৰণে এনেকুৱা সুবিধা কৰি দিয়া দেখিবলৈ নাপাওঁ। কিয়নো সৰ্বসাধাৰণ নাগৰিক মাত্ৰ এটা ভোটাৰ। তেওঁক কেৱল মাত্ৰ নিৰ্বাচনৰ সময়তে ব্যৱহাৰ কৰা হয়। কাৰণ তেওঁক নানান প্ৰলোভনেৰে প্ৰলোভিত কৰিব পাৰে। সেয়ে তেওঁৰ লগতে তেওঁৰ পৰিয়ালৰ ভোটকেইটা আদায় কৰিব পাৰে। সেয়ে তেওঁক কেৱল মাত্ৰ নিৰ্বাচনৰ সময়তে ব্যৱহাৰ কৰে বুলি আমি গণ্য কৰিব পাৰোঁ। ততোকৈ এজন দুখীয়া সাধাৰণ দৰিদ্ৰ লোকৰ বাবে অধিক হ'ব নোৱাৰে। সেয়ে তেওঁ কাৰণে নাথাকে কোনো সময়ত চৰকাৰী এম্বুলেঞ্চৰ সুবিধা, নাপায় সুচলভাৱে যাতায়াতৰ ব্যৱস্থা, নাই আধুনিক শিক্ষা গ্ৰহণৰ স্থান। ইয়াৰ জ্বলন্ত উদাহৰণস্বৰূপে আমি পৃথিৱীৰ বৃহত্তম নদী দ্বীপ মাজুলীৰ কথাকে উল্লেখ কৰিব পাৰোঁ। কিয়নো তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিনতে বিগত ৮ ছেপ্টেম্বৰ ২০১৬ চনতে ঘোষণা কৰা জিলাখনত এতিয়াও নাই সম্পূৰ্ণ জিলাৰ বিভিন্ন চৰকাৰী সা-সুবিধা। জিলাখনত নাই কোনো উপযুক্ত চিকিৎসা সেৱা। কিন্তু উন্নয়নৰ নামত ঠিকাদাৰৰ পকেট গৰম কৰিবলৈ চিকিৎসাৰ নামত নিৰ্মাণ হ'ল বৃহৎ বৃহৎ অট্টালিকাৰ, কিন্তু পৰ্যাপ্ত পৰিমাণৰ চিকিৎসক নাই । সেয়ে জিলাখনৰ দুখীয়া-দৰিদ্ৰ লোকে চিকিৎসাৰ অভাৱৰ কাৰণে চিকিৎসালয়তে মৃত্যুমুখত পৰিছে । যাৰ ফলত সত্ৰ নগৰী জিলাখনত মৃত্যুৰ সংখ্যা বৃদ্ধি হৈছে বুলি ক'ব পাৰি। তদুপৰি জিলাখনত যাতায়াতৰ নাই বিশেষ ব্যৱস্থা। কিয়নো একমাত্ৰ যোগাযোগ পথ হিচাপে যোৰহাট-মাজুলী সংযোগী ফেৰী সেৱা ব্যৱস্থা। মাজুলী-যোৰহাট সংযোগী ফেৰী সেৱাটো ব্যাপক অনিয়ম দেখিবলৈ পাওঁ। মাজুলীবাসীৰ বাবে যাতায়াতৰ অন্যতম প্ৰধান পথ। কিন্তু যাতায়াতৰ নামত সাধাৰণ ৰাইজৰ পৰা আয়ৰ নামত কোটি টকা কৰি নিৰ্বাচনৰ সময়ত সাধাৰণ লোকক আকৰ্ষিত কৰিবলৈ সুবিধা কৰি দিয়া ফেৰীসমূহো নিৰ্বাচনৰ পিছত পুনৰ বিকল হোৱা দেখিবলৈ পাওঁ। যাৰ ফলত ৰাইজৰ আয়ৰে ক্ৰয় কৰা জাহাজ, ফেৰী বৰ্তমানো বালিচৰতে ন্যস্ত হোৱা পৰিলক্ষিত হৈছে। তদুপৰি মাজুলীৰ দৰে অসমৰ বহুতো ঠাইৰ সৰ্বসাধাৰণৰ ৰাইজে এতিয়াও উন্নয়ন আৰু সা-সুবিধা আদিৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে বুলি ক'ব পাৰি। ইয়াৰ মূল দায়ী বুলি ক'বলৈ গ'লে আমি স্থানীয় বিধায়ক আৰু সাংসদসকলৰ কথা উল্লেখ কৰিব পাৰোঁ। কিয়নো সাধাৰণ ৰাইজে বহু আশাৰে নিজৰ বিধায়ক, সাংসদগৰাকীক নিৰ্বাচিত কৰি সংসদৰ মজিয়ালৈ পঠিওৱা হয়। তেওঁলোকৰ দায়িত্ব সাধাৰণ ৰাইজৰ জ্বলন্ত সমস্যা সমাধান আৰু নিৰাপত্তা দিয়া। সেয়ে এজন প্ৰতিনিধিৰ পৰা সাধাৰণ ৰাইজৰ সমস্যাৰ ওপৰত সংসদত মাত মাতি স্থানীয় জ্বলন্ত সমস্যাসমূহ সমাধান কৰা। কিন্তু নিৰ্বাচিত হোৱাৰ পাছত



কোনো এজন বিধায়ক, সাংসদে সৰ্বসাধাৰণ ৰাইজৰ বাবে তেওঁলোকৰ জ্বলন্ত সমস্যাৰ কথা এবাৰো ভাবিবলৈ সময় নোহোৱা হয়। কিয়নো এজন দুখীয়া-দৰিদ্ৰ লোক মাত্ৰ এটা ভোটাৰ। সেয়ে তেওঁক কেৱল নিৰ্বাচনৰ সময়ত নানান ধৰণৰ প্ৰলোভনেৰে প্ৰলোভিত কৰি নিৰ্বাচনত এজন ভোটাৰ হিচাপে ব্যৱহাৰ কৰে। যাৰ ফলত এজন দৰিদ্ৰ লোকৰ কাৰণে এজন প্ৰতিনিধিয়েই নিৰ্বাচিত হোৱাৰ পিছত বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজন বোধ নকৰে বুলি গণ্য কৰিব পাৰোঁ। সেয়ে এজন দুখীয়া-দৰিদ্ৰ লোকক জুবিন গাৰ্গৰ দৰে এয়াৰ এম্বুলেঞ্চৰ ব্যৱস্থা কৰাটো দূৰৈৰ কথা, সময়ত এম্বুলেঞ্চ পোৱাটো সম্ভৱপৰ নহয়। ইয়াৰ পৰিৱৰ্তে তেওঁলোকক সময়ে সময়ে প্ৰৱঞ্চনাহে কৰি আছে বুলি ক'ব পাৰোঁ। এই কাৰণে প্ৰায় সৰ্বসাধাৰণ দুখীয়া-দৰিদ্ৰ লোক একবিংশ শতিকাত জন্ম হৈ উন্নত চিকিৎসাৰ অভাৱত মৃত্যুমুখত পৰিব লগা হৈছে।

*ফোন ঃ ৬০০৫০-১২৫৮১*

# তেজপুৰ চহৰক মহীয়ান কৰা বৰেণ্য মনীষী বিষ্ণুপ্ৰসাদ ৰাভাৰ সৃষ্টি-ৰাজি বিজ্ঞানসন্মতভাৱে সংৰক্ষণ নোহোৱাত নিচিহ্ন হোৱাৰ পথত

### ঐতিহ্য সুৰক্ষা সমিতিৰ সংবাদ মেলত অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৪ জুলাই ঃ** তেজপুৰ চহৰক মহীয়ান কৰা বৰেণ্য মনীষী বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ সৃষ্টিৰাজি বিজ্ঞানসন্মতভাৱে সংৰক্ষণ নোহোৱাত যে নিশ্চিহ্ন হোৱাৰ পথত গতি কৰিছে। সেই বিষয়ক লক্ষ্য কৰি ঐতিহ্য সুৰক্ষা সমিতিয়ে জিলা মধ্য ইংৰাজী শিক্ষক সন্থা ভৱনত এক সংবাদ মেল অনুষ্ঠিত কৰে। এই সংবাদ মেলত সমিতিৰ বিষয়ববীয়াসকলে বিভিন্ন দাবী তথা প্ৰশ্নৰ অৱতাৰণা কৰে। অনবদ্য সৃষ্টিৰাজিৰে তেজপুৰক চহকী কৰি থৈ যোৱা গুৰুজনাৰ দ্বিতীয় সংস্কৰণ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মৃত্যুৰ ৫৪ বছৰ পিছতো চৰকাৰী পৃষ্ঠ পোষকতাত বিজ্ঞানসন্মতভাৱে সংৰক্ষণ নোহোৱাত বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদকৰ দায়িত্বত থকা প্ৰয়াত কাৰ্তিক হাজৰিকাদেৱে ২০১০ চনতে অসম চৰকাৰলৈ ১০ খনৰো অধিক চিঠি লাভ কৰিছিল যদিও কাৰ্যত কোনো সুফল দেখা নগ'ল। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা কলাক্ষেত্ৰখনক উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তুলি ৰাজনৈতিকভাৱে ভাগ ভাগ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক সাংস্কৃতিৰ মাধ্যমেৰে একগোট কৰি আকৌ এখন বৰ অসম গঢ়ি ৰাভাদেৱৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ এক নিৰবিচ্ছিন্ন প্ৰয়াস কৰাৰ মানসেৰে আঠটিকৈ আৰ্থসামাজিক আঁচনিৰ প্ৰস্তাৱ গ্ৰহণ কৰি এখন স্মাৰক-পত্ৰ দাখিল কৰা হয়। ইয়াৰ পিছতে ২০২০ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কলাগুৰুজনাৰ কলাক্ষেত্ৰ নিৰ্মাণৰ বাবে ভূমি নিৰ্বাচনৰ দায়িত্ব অৰ্পণ কৰাত ২০২০ চনৰ ২০ ছেপ্টেম্বৰত ডেইৰী ফাৰ্মৰ নামত আবণ্টিত ৪ বিঘা ৩ লেচা ভূমি নিৰ্বাচন কৰি স্থায়ী ফলক থিয় কৰাৰ ওপৰি উক্ত ভূমিৰ চৌহদত কলাগুৰুজনাৰ আবক্ষ মূৰ্তি নিৰ্মাণ কৰা হয়। লগতে সাম্প্ৰতিক সময়ত উক্ত স্থানৰ অৰ্থাৎ ডেয়ৰী ফাৰ্মৰ কলাগুৰু জনাৰ আবক্ষ মূৰ্তিৰ চৌপাশৰ যি পৰিৱেশ সেই পৰিৱেশ সৃষ্টি হ'ব দিয়া নহ'ব, আৰু পৌৰসভাৰ আবৰ্জনা পেলোৱা গাড়ীসমূহ ৰাখি আবক্ষ মূৰ্তিৰ চৌপাশৰ যি পৰিৱেশ কদৰ্য ময় কৰিব দিয়া নহ'ব। আৰু উক্ত স্থানত মাদক দ্ৰব্য সেৱন কৰি বটলসমূহ মূৰ্তিৰ তলত থৈ যোৱা নিকৃষ্ট কাণ্ডৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি ঐতিহ্য সুৰক্ষা সমিতিৰ সভাপতিগৰাকীয়ে এইবুলি উল্লেখ কৰিছে।



## বকোত বৰ্ণাঢ্য সাংস্কৃতিক মঞ্চৰ উদ্যোগত আৰু বকো সংগীত মহাবিদ্যালয়ৰ সহযোগত ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৪ জুলাই ঃ** শিল্পী সৃষ্টিৰ লক্ষ্য আৰু সাংস্কৃতিক মঞ্চ জীয়াই ৰখাৰ স্বাৰ্থত একাশে সংস্কৃতিবান লোকক প্ৰচেষ্টাত বকোত গঠন হোৱা বৰ্ণাঢ্য সাংস্কৃতিক মঞ্চৰ উদ্যোগত আয়োজন কৰা হৈছে ভাৰতৰত্ন সংগীতৰ কৰ্মশালা। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কালজয়ী গীতৰ কৰ্মশালাখনত বৃহত্তৰ অঞ্চলটোৰ বহুসংখ্যক উদীয়মান যুৱ শিল্পীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত ভূপেন্দ্ৰ সংগীতৰ ওপৰত প্ৰশিক্ষণ দিবলৈ সমল ব্যক্তি হিচাপে উপস্থিত থাকে আকাশবাণী গুৱাহাটীৰ অনাতাঁৰ শিল্পী ডেভেদ কলিতা। ইফালে, বৰ্ণাঢ্য সাংস্কৃতিক মঞ্চৰ সভাপতি জয়ন্তৰ অধিকাৰী আৰু সম্পাদক অমৰ কুমাৰ মজুমদাৰে জনোৱা মতে বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ তথা জ্যেষ্ঠ শিল্পী নগেন কলিতা আৰু সম্পাদক দীপক তামুলীৰ তৎপৰতাত আয়োজন কৰা ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালাখন এক সুশৃংখল পৰিৱেশত অনুষ্ঠিত হৈছে। যোৱা ২১ জুলাইৰ পৰা আয়োজন কৰা কৰ্মশালাখনৰ সামৰণী অনুষ্ঠান। আজি সামৰণী অনুষ্ঠানত উপস্থিত থাকে বাদ্যযন্ত্ৰী শিল্পী ধীৰাজ মহন্ত, সংগীত শিক্ষক নাৰ্জী চৌধুৰীকে ধৰি বহুসংখ্যক বিশিষ্ট শিল্পী। অনুষ্ঠানত ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে উদীয়মান শিল্পী বেলশ্ৰী কলিতা আৰু ডেভিড তামুলীয়ে। কৰ্মশালাত অংশগ্ৰহণ কৰা শিল্পী তথা প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত গীত-মাত কথাৰ সমাহাৰ ঘটে।

### মুকালমুৱাত আৰক্ষীক ছেল্যুট জনতাৰ!

# সাহসিকতাৰে গভীৰ পানীত ডুবি চোৰাং সামগ্ৰী উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২৪ জুলাই ঃ** বোকাজানত অটোচালকক প্ৰহাৰকে ধৰি অসম আৰক্ষীৰ একাংশ আৰক্ষীৰ কাৰুকাৰ্যক লৈ সামাজিক মাধ্যমত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ থকাৰ সময়তে মুকালমুৱা আৰক্ষীয়ে দেখুৱাইছে আৰক্ষীৰ দায়বদ্ধতা আৰু দক্ষতা। সম্প্ৰতি মুকালমুৱা আৰক্ষীৰ কৰ্মস্পৃহা জনসাধাৰণৰ মাজত বিশেষভাৱে চৰ্চা লাভ কৰিছে। নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষীয়ে দুৰ্দান্ত সাহসিকতাৰে অভিযান চলাই বুজন পৰিমাণৰ চোৰাং সামগ্ৰী উদ্ধাৰ কৰি জনসাধাৰণৰ মাজত চৰ্চিত হৈ পৰিছে। পানীভৰ্তি পুখুৰীত শ্বাসৰুদ্ধকৰ অভিযান চলাই চোৰাং সামগ্ৰী উদ্ধাৰ কৰি আৰক্ষী মহলত চৰ্চিত হৈ ৰাইজৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে মুকালমুৱা আৰক্ষীয়ে । আৰক্ষী থানাখনৰ অধীনস্থ ২নং কেকানকুছি গাঁৱৰ এটি পানীভৰ্তি পুখুৰীত আৰক্ষীয়ে এই অভিযান চলাই বিভিন্ন চোৰাং সামগ্ৰী উদ্ধাৰ কৰে। মুকালমুৱা আৰক্ষী থানাৰ উপ-পৰিদৰ্শক ৰাহুল উল্লাহৰ নেতৃত্বত আৰক্ষীৰ দল এটিয়ে গভীৰ পানীত ডুবি ডুবি দুচকীয়া বাহন, চাৰিচকীয়া বাহনৰ সা-সামগ্ৰী, বৈদ্যুতিক সা-সামগ্ৰীসহ বিভিন্ন চুৰি সামগ্ৰী উদ্ধাৰ কৰে। উপ-পৰিদৰ্শক মনোজ দাস, গৃহৰক্ষী জোৱান মোস্তাফা আলীয়ে পানীভৰ্তি পুখুৰীত ডুবি পানীৰ তলৰ পৰা উদ্ধাৰ কৰিছে বুজন পৰিমাণৰ চুৰি সামগ্ৰী। মহিলা আৰক্ষী বিষয়া ৰুমী ঠাকুৰীয়াৰ সাহসিক তৎপৰতাৰ বাবেই চুৰি সামগ্ৰীখিনি পুখুৰীৰ পৰা উদ্ধাৰ কৰে আৰক্ষীৰ দলটিয়ে। উল্লেখ্য যে ২নং কেকানকুছিৰ ভগা-ছিগা সামগ্ৰীৰ ব্যৱসায়ী নজেম আলীয়ে বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰীখিনি পানীভৰ্তি পুখুৰীত লুকুৱাই ৰাখিছিল। মুকালমুৱা আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত আজি ব্যৱসায়ী নজেম আলীক আটক কৰি সামগ্ৰীখিনি উদ্ধাৰ কৰে। সম্প্ৰতি ধৃত ডেম্প' ব্যৱসায়ী নজেম আলীৰ বিৰুদ্ধ গোচৰ ৰুজু কৰি চুৰি সামগ্ৰীখিনি সঠিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। ইপিনে, মুকালমুৱা আৰক্ষী থানাৰ উপ-পৰিদৰ্শক ক্ৰমে—মনোজ দাস, ৰুমী ঠাকুৰীয়া, গৃহৰক্ষী জোৱান মোস্তাফা আলীৰ সাহসিকতা আৰু উদ্ধাৰ অভিযানৰ নেতৃত্ব বহনকাৰী ৰাহুল উল্লাহৰ তৎপৰতাৰ ভিডিঅ' সামাজিক মাধ্যমত বহুলভাৱে প্ৰচাৰ হোৱাত ব্যাপক চৰ্চা লাভ কৰিছে মুকালমুৱা আৰক্ষীয়ে।



## বিটিচি চৰকাৰৰ আঁচনি অনছাই বিথাংখি বিতৰণ, দুখীয়া ব্যৱসায়ীক চেক বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৪ জুলাই ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত বিটিচি খালিংদুৱাৰ সমষ্টিত প্ৰমোদ বড়ো নেতৃত্বাধীন চৰকাৰৰ আঁচনি অনছাই বিথাংখি সাহায্য বিতৰণৰ চেক ২২ জুলাইত প্ৰদান কৰা হয়। দুখীয়া শ্ৰেণীৰ বেপাৰীসকলক বেপাৰ-বাণিজ্য কৰিবৰ বাবে অনছাই বিথাংখিৰ দ্বাৰা সাহায্য প্ৰদান কৰে খালিংদুৱাৰ সমষ্টিত। শুকুৰবাৰে খালিংদুৱাৰ বিটিচি সমষ্টিৰ ৰতনপুৰ ভিচিডিচি কাৰ্যালয় প্ৰাংগণত অনছাই বিথাংখিৰ সাহায্য প্ৰদানৰ এখন সভা অনুষ্ঠিত হৈ যায়। মুখ্য অতিথিৰূপে খালিংদুৱাৰ সমষ্টিৰ এমচিএলএ দিলীপ কুমাৰ বড়োৱে মুঠ ১৫৯জন হিতাধীকাৰীক ৫,০০০ টকাকৈ চেক বিতৰণ কৰে। অনছাই বিথাংখিৰ সন্দৰ্ভত এমচিএলএ দিলীপ কুমাৰ বড়োৱে আঁচনি বিথাংখিৰ বিষয়ে ৰাইজক অৱগত কৰে। যিসকল হিতাধীকাৰীয়ে আঁচনিৰ চেক পাব সেইসকলক সঠিক কামত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। সভাত হিতাধীকাৰীৰ লগতে ইউপিপিএলৰ কৰ্মকৰ্তা, ভিচিডিচিৰ অধ্যক্ষসকলে অংশগ্ৰহণ কৰে।

## নিজ পকোৱাৰ ত্ৰিনয়ন নাট্য গোষ্ঠীৰ প্ৰশংসনীয় পদক্ষেপ

### মেট্ৰিকত ডিষ্টিংচনপ্ৰাপ্তক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৪ জুলাই ঃ** পশ্চিম নলবাৰী অঞ্চলৰ নিজ পকোৱাৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'ত্ৰিনয়ন নাট্যগোষ্ঠী'ৰ উদ্যোগত যোৱা ২০ জুলাইত এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয়। এই উপলক্ষে পকোৱা হাইস্কুল প্ৰাংগণত অনুষ্ঠিত এক অনুষ্ঠানত মিলন হাইস্কুল, পানীগাঁও পৰীক্ষা কেন্দ্ৰৰ পৰা ডিষ্টিংচন লাভ কৰা পাঁচগৰাকী কীৰ্তিমানক ত্ৰিনয়ন নাট্যগোষ্ঠীৰ তৰফৰ পৰা ফুলাম গামোচা, জাপি আৰু অভিনন্দন-পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অভিনন্দিত কৃতী শিক্ষাৰ্থীকেইজন হৈছে- পকোৱা হাইস্কুলৰ মানসপ্ৰতিম চৌধুৰী, ধৃতিস্মান দত্ত, জুমন ডেকা, জ্যোতিৰ্ময় দত্ত আৰু বিষ্ণুজ্যোতি জাতীয় বিদ্যালয়ৰ হীৰামণি চৌধুৰী। পকোৱা হাইস্কুলৰ প্ৰধান শিক্ষক মইনুৰ হুছেইনৰ পৌৰোহিত্যত অনুষ্ঠিত আৰু ত্ৰিনয়ন নাট্যগোষ্ঠীৰ বিষয় সম্পাদক ৰমেন কুমাৰ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত শিক্ষক উমেশ চন্দ্ৰ দত্ত, পকোৱা হাইস্কুলৰ শিক্ষক দীপক বৰ্মন, পকোৱা হাইস্কুলৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি বেণেশ্বৰ বিকাশ দত্ত, নিজ পকোৱাৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ প্ৰিয়ম কুমাৰ চাগ্ৰাৱলী, সমাজসেৱী গুৰুচৰণ ডেকা, যুৱ কবি নিতুল কুমাৰ দত্তই প্ৰাসংগিক বক্তব্য আগবঢ়ায়।

## বাক্সাৰ শালবাৰীত বানপীড়িতৰ মাজত গুৱাহাটীৰ আয়ুৰছুন্দ্ৰা ছুপাৰ স্পেচিয়েলিটী হাস্পতালৰ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৪ জুলাই ঃ** বাক্সা জিলাৰ মহকুমা সদৰ শালবাৰীৰ ইউপিপিএলৰ জিলা সমিতিৰ কাৰ্যালয়ত ইউপিপিএলৰ শালবাৰী ব্লক সমিতিৰ আৰু বিটিআৰৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীৰ উদ্যোগত গুৱাহাটীৰ আয়ুৰছুন্দ্ৰা ছুপাৰ স্পেচিয়েলিটী হাস্পতালৰ চিকিৎসকৰ দলৰ দ্বাৰা আজি শালবাৰীত বানাক্ৰান্ত ৰাইজৰ বাবে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আৰম্ভণিতে উদ্বোধন কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা সঞ্জয় কুমাৰ মেধিয়ে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ক্ৰমে- বড়ো কছাৰী স্বায়ত্ত শাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য মহীপাল বড়ো, শালবাৰীৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, শালবাৰী মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ বিউটী বসুমতাৰী, মিৰ্জাৰ ডায়েটৰ অধ্যাপক ড° হিমালীনি বেজবৰুৱাই, শালবাৰী জিলা ইউপিপিএলৰ সভাপতি বিখন গয়াৰীয়ে। উল্লেখ্য যে গুৱাহাটীৰ আয়ুৰছুন্দ্ৰা ছুপাৰ স্পেচিয়েলিটী হাস্পতালৰ অধীক্ষক ডাঃ প্ৰণৱ বৰুৱা, চিকিৎসক ডাঃ মুছতাফা আহমেদ, ডাঃ সুশীল বৰ্মন, ডাঃ মৃদুল দাস, সাউদৰভিঠা চিকিৎসালয়ৰ চিকিৎসক ডাঃ চাইফুদ্দিন আহমেদ, শালবাৰীৰ চিকিৎসালয়ৰ চিকিৎসক ডাঃ উদ্দীপ্ত তালুকদাৰৰ লগতে কে'বাগৰাকীও চিকিৎসা কৰ্মীয়ে বৃহত্তৰ শালবাৰী অঞ্চলৰ তিনি শতাধিক ৰোগীক বিনামূলীয়াকৈ চিকিৎসা সেৱা তথা স্বাস্থ্য পৰীক্ষা কৰে। স্বাস্থ্য পৰীক্ষা শিবিৰত ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ইচিজি, উচ্চ ৰক্তচাপ পৰীক্ষা, ছুগাৰ পৰীক্ষাও কৰা হয়। লগতে বিনামূলীয়াকৈ ঔষধো প্ৰদান কৰে ৰোগীসকলক। তদুপৰি বহুকেইগৰাকী লোকক ক'ভিডৰ তৃতীয় পালি ভেকচিন অৰ্থাৎ প্ৰিকিউচন দোজ দিয়ে শালবাৰী আদৰ্শ চিকিৎসালয় কৰ্তৃপক্ষই।

# হেমন্ত কুমাৰ বৰুৱা স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত ৯ দিনীয়াকৈ অনুষ্ঠিত আঁত ধৰা (এংকৰিং) কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৪ জুলাই ঃ** তেজপুৰবাসীৰ মৰমৰ, বহুমুখী প্ৰতিভাধৰ, অধ্যাপক, লেখক, তাৰ্কিক, সুবক্তা, অভিনেতা, গায়ক হেমন্ত কুমাৰ বৰুৱা স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত তেজপুৰৰ লগতে ৰাজ্যখনত প্ৰথমবাৰৰ বাবে যোৱা ১৫ জুলাইৰ পৰা ৯ দিনীয়াকৈ অনুষ্ঠিত "আঁত ধৰা (এংকৰিং) কৰ্মশালাৰ কালি সামৰণী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বীৰেন দাসে। তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতাব্দী ভৱনত অনুষ্ঠিত মই আঁত ধৰা সামৰণী অনুষ্ঠানটিত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণসংযোগ বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জয়া চক্ৰৱৰ্তী আৰু সন্মানীয় অতিথি ৰূপে অংশ গ্ৰহণ কৰে তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়াই। স্মৃতিৰক্ষা সমিতিৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰাৰ পৌৰোহিত্যত সামৰণী অনুষ্ঠানত কৰ্মশালাৰ সমল ব্যক্তিৰ মাজৰ উপস্থিত থকা দিলীপ কুমাৰ কাকতি, শান্তনু বৰুৱা, পংকজ বৰুৱা, পুলক কুমাৰ ডেকা আৰু মেৰুমিঠু কটকীক একোখনকৈ ধন্যবাদসূচক পত্ৰ প্ৰদান কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক মান পত্ৰও প্ৰদান কৰা হয়। অনুষ্ঠানটিত শলাগ জ্ঞাপন কৰে কৰ্মশালাখনৰ মূল সমন্বয়ক, জ্যেষ্ঠ সাংবাদিক ৰাজ কুমাৰ মহন্তই।

## ডিমৌৰ নহাটত ন-ভূঁই ৰোৱা কাৰ্যসূচী ৰূপায়ণ বিজেপিৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২২ জুলাই ঃ** বিজেপি শিৱসাগৰ জিলা মহিলা মৰ্চাৰ সৌজন্যত, নিতাই পানীদিহিং মণ্ডল আৰু নিতাই পানীদিহিং মণ্ডল মহিলা মৰ্চাৰ উদ্যোগত নহাট পঞ্চায়তৰ গড়ভগা পথাৰত ন-ভূঁই ৰোৱা এক অনুষ্ঠান ৰূপায়ণ কৰে। প্ৰায় চাৰি বিঘা মাটিত গৰু হাল আৰু টে'ৰে বোকা কৰাৰ পিছতে প্ৰায় অৰ্ধশতাধীক বিজেপি মহিলাই ভূঁই ৰোৱে। পুৱাৰ এই অনুষ্ঠানত বিশেষ ভাৱে উপস্থিত থাকি কাৰ্যকৰ্তা সকলক নাঙলৰ মুঠি হাতত লৈ উৎসাহিত কৰে থাওৱা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰী শিৱসাগৰ জিলা মহিলা মৰ্চা, ডিমৌ নগৰ মণ্ডল,যুৱ মৰ্চা আৰু কাৰ্যকৰ্তা সকলে বৰ্তমান গাম্য সমাজৰ পৰা হেৰাই যোৱা কৃষক ৰাইজৰ ন-ভূঁইত ভাগ লয়।

# অসমৰ অন্যতম সামাজিক,সাংস্কৃতিক অনুষ্ঠান 'প্ৰজ্ঞা ফাউণ্ডেচন'ৰ উত্তৰ কামৰূপ জিলাৰ সমিতি গঠন



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৪ জুলাইঃ** কামৰূপ জিলাৰ অন্তৰ্গত ৰঙিয়াস্থিত হৰদত্ত-বীৰদত্ত ভৱনৰ প্ৰেক্ষাগৃহত আজি অসমৰ এক অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান 'প্ৰজ্ঞা ফাউণ্ডেচন'ৰ উত্তৰ কামৰূপ জিলাৰ সমিতি গঠন কৰা হয়। অনুষ্ঠানটিত অসম মহিলা আয়োগৰ সদস্যা, বিশিষ্ট কণ্ঠশিল্পী তথা প্ৰজ্ঞা ফাউণ্ডেচন, উত্তৰ কামৰূপ জিলাৰ প্ৰভাৰী ববিতা শৰ্মা, কামৰূপ জিলাৰ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সংঘচালক নীতিশ শৰ্মা, কাৰ্যবাহী দিগন্ত দাস, প্ৰবীণ মেধিকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত সভাতে প্ৰজ্ঞা ফাউণ্ডেচন, উত্তৰ কামৰূপ জিলাই আগন্তুক দিনত ল'বলগীয়া কাৰ্যক্ৰমৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। সভাত সৰ্বসন্মতিক্ৰমে নীতিশ শৰ্মাক মুখ্য উপদেষ্টা, সদৌ অসম দেৱালয় সংঘৰ সম্পাদক তথা গোপেশ্বৰ দেৱালয়ৰ দলৈ মনোজ কুমাৰ শৰ্মা, বিশিষ্ট শিক্ষাবিদ ৰজত চন্দ্ৰ ভৰালী, শুৱালকুছিৰ হাটী সত্ৰৰ সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত, বিশিষ্ট সমাজকৰ্মী পৰমেশ ঠাকুৰীয়াক উপদেষ্টা হিচাপে হিচাপে লৈ, অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক ড° বিচিত্ৰ কলিতাক সভাপতি, বি বৰুৱা কলেজৰ ছাত্ৰ একতা সভাৰ সভাপতি বিশ্বজিৎ শৰ্মাক সাধাৰণ সম্পাদক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অতিথি অধ্যাপক ড° প্ৰণৱজ্যোতি কলিতাক কোষাধ্যক্ষ্যৰ দায়িত্ব প্ৰদান কৰা হয়। চন্দন কুমাৰ আৰু শিৱ প্ৰসাদ শৰ্মাক সংবাদ মাধ্যম আনহাতে অন্যন্যা বৰদলৈ, বিকাশ দাস আৰু ৰাকেশ শৰ্মাক সামাজিক মাধ্যমৰ দায়িত্ব দিয়াৰ লগতে ভালেকেইজন বিশিষ্ট গণ্য মান্য ব্যক্তি আৰু শিক্ষাৰ্থীক সমিতিখনত সদস্য হিচাপে ৰাখি এখন শক্তিশালী সমিতি গঠন কৰে। অনুষ্ঠানটোৰ আঁত ধৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ কামৰূপ জিলাৰ সহঃ কাৰ্যবাহী প্ৰভাত নাথ আৰু বসন্ত কলিতাই।

## মাহমৰা সমষ্টিৰ লাকুৱাত পথৰ দুৰৱস্থা, ৰাইজৰ ক্ষোভ

**দৈনন্দিন বাৰ্তাৰ সেৱা , বকতা, ২৪ জুলাই ঃ** মন্ত্ৰী যোগেন মহনৰ মাহমৰা সমষ্টিত বাটপথৰ সমস্যাই জীয়াতু ভুগাইছে সমষ্টিবাসীক। লাকুৱা আৰু নিজখালৈঘোগুৱা বাসী ৰাইজৰ প্ৰবল দাবীত দিচাং নৈৰ উৰিয়া পাৰঘাটত কংগ্ৰেছ চৰকাৰৰ দিনত এখন পকী দলং নিৰ্মাণ কৰা হৈছিল ।এতিয়া এই দলঙৰ সংযোগী পথটোত অ'এনজিচিৰ লগতে অসংখ্য ট্ৰাক, ডাম্পাৰ আদি চলাচল কৰাত পথটো বিধ্বস্ত হৈ লঘু বাহনৰ উপৰি চাইকেল এখনো যাব নোৱাৰা অৱস্থা হ'ল। ইয়াৰ ফলত বিশেষভাৱে চৰাইদেউ, লাকুৱা, মথুৰাপুৰ আদি অঞ্চলৰ লোকে যাতায়াতৰ ক্ষেত্ৰত সমস্যাত ভুগিছে। উল্লেখ্য, অঞ্চলটোৰ দিচাং নৈৰ ওপৰত থকা দলংসমূহৰ ম্যাদ উকলি যোৱা বাবে প্ৰশাসনে মাত্ৰ ৬ টন ওজনৰ যানবাহনৰহে চলাচলত অনুমতি দিয়াত বিকল্প একমাত্ৰ সংযোগী পথ হিচাপে এই পথটো ব্যৱহৃত হোৱাত সমস্যাত ভুগিছে। সমষ্টিবাসীৰাইজ, দল- সংগঠনে উক্ত পথটো শীঘ্ৰে নিৰ্মাণ কৰিবলৈ কৰ্তৃপক্ষক আহ্বান জনাইছে ।

## নাজিৰা চাৰিআলিত ভয়ংকৰ দুৰ্ঘটনা সংকটজনক অৱস্থাত মাতৃ-পুত্ৰক চিকিৎসালয়ত ভৰ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৪ জুলাই ঃ** শুকুৰবাৰে পুৱা প্ৰায় ৯.৩০ বজাত নাজিৰা চাৰিআলিত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ন - মাটিৰ ফালৰ পৰা শিমলুগুৰি অভিমুখে অহা এএছ ০৩ বি চি ৬৭৭৫ নম্বৰৰ বলেৰ' পিক আপ বাহনখনে আন এটা দিশৰ পৰা অ'এনজিচি কেন্দ্ৰীয় বিদ্যালয়লৈ অহা এএছ ০৪ জে ২৬০৯ নম্বৰৰ এখন স্কুটী মহটিয়াই নিয়াত স্কুটীখনৰ চালক আৰু বহি যোৱা মহিলাগৰাকী গুৰুতৰভাৱে আহত হয়। সংকজনক অৱস্থাত স্কুটীখনত অহা কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ আৰু মাতৃক নাজিৰা নগৰৰ চৰকাৰী সাহায্যপ্ৰাপ্ত চিকিৎসালয়লৈ নিয়া হয় যদিও দুয়োকে ততাতৈয়াকৈ জয়সাগৰস্থ শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। গুৰুতৰভাৱে আহত ছাত্ৰজনৰ শান্তনু গগৈ মাতৃৰ গায়িত্ৰী গগৈৰ ঘৰ নাজিৰা আমোলাপট্টীত বুলি জানিব পৰা গৈছে।

# ধুবুৰীত উপস্থিত হ'ল ভাৰতীয় মজদুৰ সংঘৰ ৰাজ্যিক সাধাৰণ সম্পাদক নৱ কুমাৰ গগৈ

### উপস্থিত হৈ ২১ জনীয়া এখন নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৪ জুলাই ঃ** ভাৰতীয় মজদুৰ সংঘৰ ৰাজ্যিক সমিতিৰ নিৰ্দেশত পোন প্ৰথমবাৰৰ বাবে ধুবুৰীত উপস্থিত হৈ ২১ জনীয়া এখন সমিতি গঠন কৰিলে ৰাজ্যিক সাধাৰণ সম্পাদক নব কুমাৰ গগৈ। ধুবুৰী জিলাত ২১ জনীয়া সমিতিৰ ভিতৰত সাহানুৰ ইছলামক সভাপতি আৰু তৌফিক আহমেদক সম্পাদক হিচাপে নিৰ্বাচিত কৰি ২১ জনীয়া এখন ধুবুৰী জিলা ভাৰতীয় মজদুৰ সংঘৰ সমিতি গঠন হয় । ৰাজ্যিক সাধাৰণ সম্পাদক নব কুমাৰ গগৈৰ মন্তব্যত উল্লেখ কৰি কয় ভাৰতীয় মজদুৰ সংঘৰ বিগত ১৯৫৫ চনত জন্ম হৈছিল আৰু তেতিয়াৰ পৰাই ভাৰতীয় মজদুৰ সংঘই ৰাষ্ট্ৰীয়হীত উদ্যোগীক আৰু শ্ৰমিকৰ হৈতে কাম কৰি আছে লগতে কয় যে আগন্তুক দিনতো ধুবুৰীৰ সকলো শ্ৰমিকৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি বহু কাম কৰি যাব বুলি উল্লেখ কৰে নব কুমাৰ গগৈয়ে।



# পদক্ষেপ মাজুলীৰ জিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, উজনি মাজুলী, ২৪ জুলাই ঃ** মাজুলীৰ সাহিত্য-সংস্কৃতিৰ অন্যতম সামাজিক অনুষ্ঠান 'পদক্ষেপ, মাজুলীৰ' নতুন জিলা সমিতিখন গঠন কৰা হয় । সেই অনুসৰি পদক্ষেপ, মাজুলীৰ এখন ৰাজহুৱা সভাত সকলোৱে সৰ্ব সন্মতিক্ৰমে কবি-সাহিত্যিক-সংগঠক জয়ন্ত হাজৰিকাক সভাপতি, জাতীয়তাবাদী নেতা পদুমসিং ৰাজপুতক উপ-সভাপতি, কবি-সাংবাদিক ৰজনীকান্ত বৰদলৈক সাধাৰণ সম্পাদক, প্ৰকাশ দত্ত আৰু মানস ভৰদ্বাজক সহকাৰী যুটীয়া সম্পাদকৰূপে মনোনীত কৰা হয়। প্ৰাক্তন সভাপতি, উপ-সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে লক্ষ্মীকান্ত পেগু, প্ৰবীণ কুমাৰ দত্ত আৰু কুলেন্দ্ৰ নাথ ডেকাক মুখ্য উপদেষ্টা হিচাপে মনোনীত কৰা হয়। এই সভাতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নেতা, সংগঠক যুগল হাজৰিকা আৰু বিশিষ্ট প্ৰকৃতিপ্ৰেমী সত্যেন লাহনদেৰকো উপদেষ্টা হিচাপে মনোনীত কৰা হয়। ইয়াৰ অন্যান্য বিষয়ববীয়াসকলৰ অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত নতুন সমিতিখনক এক্তিয়াৰ দিয়া হয়। পদক্ষেপ মাজুলী' (সাংসামা)য়ে বিগত পাঁচটা বছৰে মাজুলীত ডেৰ শতাধিক গৃহ পুথিভঁৰাল স্থাপন কৰাৰ লগতে বক্তৃতানুষ্ঠান, 'ঘৰে ঘৰে বন্তি' অনুষ্ঠানেৰে চলন্ত পুথিভঁৰালৰ যোগেদি এক সুস্থ গ্ৰন্থ আন্দোলনৰ বাতাবৰণ গঢ়ি তুলিছিল। অনুষ্ঠানটোৰ সভাপতি লক্ষীকান্ত পেগু, উপ-সভাপতি ভদ্ৰকান্ত গগৈ, কাৰ্যকৰী সভাপতি প্ৰবীণ দত্ত আৰু সম্পাদক কুলেন্দ্ৰ নাথ ডেকাৰ বলিষ্ঠ নেতৃত্বৰে আগবঢ়া অনুষ্ঠাটোৱে মাজুলীত গ্ৰন্থ আন্দোলনৰ এটা নিৰ্মল বাতাবৰণ সৃষ্টি কৰি আহিছে । জোনাকী ছমহীয়াআটী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সভাখনিত উপস্থিত প্ৰতিজন বিশিষ্ট ব্যক্তিয়ে এটি বিশেষ কথা উল্লেখ কৰে যে পদক্ষেপ, মাজুলীৰ যোগেদি সম্ভৱস্থলত মাজুলীৰ প্ৰতিঘৰতে একোটা গৃহ পুথিভঁৰাল স্থাপন হওক। মাজুলীখন সমৃদ্ধ হওক।

## ৰজত কমল বঁটাপ্ৰাপক কামপুৰৰ দীপ ভূঞাঁলৈ শুভেচ্ছা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৪ জুলাই ঃ** শ্ৰেষ্ঠ পাৰিপাৰ্শ্বিক ছবিৰ শিতানত কামপুৰৰ দীপ ভূঞাৰ পৰিচালিত ছবি 'মানাহ আৰু মানুহ'য়ে 'ৰজত কমল বঁটা' লাভ কৰা খবৰে কামপুৰৰ সংস্কৃতিপ্ৰেমী ৰাইজক উৎফুল্ল কৰি তুলিছে। কামপুৰৰ অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে কামপুৰ প্ৰিন্ট মিডিয়া এছ'চিয়েচনে পৰিচালক দীপ ভূঞালৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এছ'চিয়েচনৰ সভাপতি সভাৰাম মজুমদাৰ, সম্পাদক সমৰেন্দ্ৰ নাৰায়ণ বৰা, উপদেষ্টা নীলকমল শইকীয়া আৰু নলিনী বৰঠাকুৰে পৰিচালক ভূঞাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে কামপুৰৰ বাবে অতি সুখৰ খবৰ বুলি মন্তব্য কৰে। কামপুৰ পাচনিজাৰ অঞ্চলৰ নিৱাসী তথা বৰ্তমান কৰ্মসূত্ৰে গুৱাহাটীত থকা দীপ ভূঞাই পূৰ্বতে কে'বাখনো তথ্যচিত্ৰ নিৰ্মাণ কৰি উচ্চ প্ৰশংসিত হৈছিল।

# অসম চৰকাৰে ১২খন চাহ বাগিচা লীজত দিব বিচৰা কাৰ্যত তীব্ৰ বিৰোধিতা ঃ আছাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়,২৪ জুলাই ঃ** বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে ক্ৰমাগতভাৱে আদিবাসীবিৰোধী সিদ্ধান্ত লৈ ৰাজ্যৰ লাখ লাখ আদিবাসী লোকক ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰসমূহৰ পৰা বিচ্ছিন্ন কৰি পৰিচয়বিহীন শৰণাৰ্থীলৈ ৰূপান্তৰিত কৰাৰ প্ৰক্ৰিয়া তৰান্বিত কৰি তুলা পৰিলক্ষিত হৈছে ।দুমাহমানৰ পূৰ্বে বৰাকৰ ডুলু বাগিচা চৰকাৰখনে গ্ৰীণফিল্ড এয়াৰপৰ্ট নিৰ্মাণৰ বাবে পুঁজিপতি বণিয়াক গতোৱা পিছত পুনৰ চৰকাৰখনে নিজৰ অধীনত থকা অসম চাহ নিগমৰ ১২খনকৈ চাহ বাগিচা ব্যক্তিগত খণ্ডক গতাই দি হাজাৰ হাজাৰ শ্ৰমিকৰ ভৱিষ্যৎ অন্ধকাৰত ঠেলি দিব বিচৰা কাৰ্যক সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ই তীব্ৰ নিন্দা কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। চৰকাৰী আৰু প্ৰশাসনিক সকলো ক্ষমতা থকা সত্ত্বেও ১২-১৫খন বাগিচা চলাব নোৱাৰা মন্ত্ৰী-আমোলাই যে ৰাজ্য চলাব নোৱাৰে, সেয়া দেখ দেখ প্ৰমাণিত হৈছে। কোৰোনাৰ লকডাউনৰ পাছত আৰ্থিক ৰূপে ভাঙি পৰা চাহ শ্ৰমিকক সকাহ দিয়াৰ সলনি বাগিচা লীজত দি চৰকাৰখনে নিজৰ অকৰ্মণ্যতাকে প্ৰমাণ কৰিছে বুলি সংগঠনটোৰ সাধাৰণ সম্পাদক দেবেন উৰাং আৰু প্ৰচাৰ সম্পাদক মহেশ ঘাটোৱাৰে কটাক্ষ কৰিছে। যেতিয়া চৰকাৰে পৰিচালনা কৰি থকা সময়তে উক্ত বাগিচাসমূহৰ শ্ৰমিকসকলে নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হ'ব লগা হৈছে, তেন্তে বহিৰাগত বণিয়াক লীজত দিয়াৰ পিছত কি অৱস্থা হ'ব এই কথা সকলোৱে উপলব্ধি কৰিব পাৰিছে। ১২খনকৈ অসম চৰকাৰৰ অধীনত থকা বাগিচা লীজত দিব বিচৰা সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই দাবী জনাইছে ।বহু চাহ বাগিচাৰ শ্ৰমিকসকলে বৰ্তমানে নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হ'ব লগা হৈছে যদিও শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণ আৰু তেওঁৰ চৰকাৰখনে বাগিচা বণিয়া গোষ্ঠীৰ হকে মাত মাতিব বা সিদ্ধান্তগ্ৰহণ কৰিব নোৱাৰাটো আছাই ধিক্কাৰ জনাইছে। বাগিচা লীজত দিয়া সিদ্ধান্ত শীঘ্ৰে প্ৰত্যাহাৰ নকৰিলে 'আছা'ই ইয়াৰ প্ৰতিবাদত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি নেতাদ্বয়ে সকীয়নি প্ৰদান কৰিছে।

## ধুৰুকা দাৰৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৪ জুলাই ঃ** মহুৰামুখ বংকুৱাল গাঁও নিৱাসী উজনি বংকুৱাল হৰি নামঘৰৰ একান্ত সেৱক ধুৰুকা দাৰ (৭৫) দীৰ্ঘদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ কালি নিজা বাসভৱনত মৃত্যু ঘটে। মৃত্যুৰ সময়ত পত্নী, দুজন পুত্ৰ আৰু বোৱাৰী, জীৰ লগতে নাতি-নাতিনী আৰু বহুতো আত্মীয় গুণমুগ্ধক ইহ সংসাৰত এৰি গৈছে। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ বন্যা বৈছে।

## ধুবুৰী ব্ৰহ্মপুত্ৰত অঘটন ডুবিল মালবাহী যন্ত্ৰচালিত নাও

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৪ জুলাই ঃ** ধুবুৰী পঞ্চুঘাটত প্ৰচণ্ড ধুমুহা আৰু বৃষ্টিৰ ফলত মালবাহী নাও ব্ৰহ্মপুত্ৰৰ বুকুত ডুব যায়। নাওখনত বিভিন্ন সামগ্ৰী লোড কৰি হাটসিংগিমাৰী অভিমুখে যোৱাৰ সময়ত প্ৰচণ্ড ধুমুহা-বৃষ্টিপাতৰ ফলত ব্ৰহ্মপুত্ৰৰ বুকুত ডুব যায়। নাওখনত প্ৰায় ৪০ লাখ টকাৰ বিভিন্ন সামগ্ৰী আছিল বুলি জানিবলৈ দিয়ে স্থানীয় ৰাইজে।

# দৃষ্টি প্ৰতিবন্ধীৰ সফলতাৰ ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকৰ কৰণীয়



■ গুণ বৰা

'প্ৰতিকূলতাই কোনো কোনো মানুহক প্ৰায় ভাঙি দিয়ে, আকৌ এচাম মানুহ আছে, যিসকলে প্ৰতিকূলতাই ভাঙি পেলোৱাটো জীৱনৰ প্ৰত্যাহ্বান বুলি গ্ৰহণ কৰে' -উইলিয়াম এ ৱাৰ্ড। প্ৰতিকূলতা জীৱন পথৰ হেঙাৰ নহয়, বৰঞ্চ ই জী উঠাৰ গোপন অস্ত্ৰ। আমাৰ সমাজত এনে বহু লোক আছে যি শাৰীৰিক প্ৰতিবন্ধকতাৰ দৰে বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰি নিজৰ জীৱন জীওৱাৰ লগতে আন বহুতৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস হিচাপে চিনাকি দিয়ে। তেওঁলোকৰ ভিতৰত জীৱনৰ প্ৰাৰম্ভিক অৱস্থাতে অথবা পৰৱৰ্তী সময়ত চাক্ষুষ শক্তি হেৰুৱায়ো মনৰ শক্তিৰে ঈশ্বৰসৃষ্ট প্ৰতিটো উপাদানক অনুভৱ কৰা এনে বহু লোক আছে, যি সাধাৰণ ব্যক্তিতকৈ বিশেষ, যাৰ আন্তৰিক দৃষ্টি আন বহুতকৈ পৃথক। এনে লোক জীৱন পথত কেতিয়াও থমকি নৰয়, যদিহে তেওঁলোক কৰ্মৰ প্ৰতি প্ৰবল একাগ্ৰতাৰ গৰাকী তথা গভীৰ আত্মবিশ্বাসী হয়। একাগ্ৰতা আৰু আত্মবিশ্বাসে দৃষ্টিহীনসকলক ক্ষেত্ৰত সফলতাৰ মন্ত্ৰ হিচাপে কাৰ্য কৰে। তেওঁলোকৰ মনোবল দৃঢ় কৰে তথা অসম্ভৱকো সম্ভৱ কৰি তোলে।

দৃষ্টিহীনসকলক আগুৱাই নিয়াৰ ক্ষেত্ৰত অভিভাৱক, শিক্ষাগুৰু, বিদ্যালয় তথা সমাজ ব্যৱস্থাৰ কৰণীয় বহুখিনি আছে। পিতৃ-মাতৃ তথা অভিভাৱকসকলে এটি শিশুৰ দৃষ্টিহীনতা সম্বন্ধে জ্ঞাত হোৱাৰ লগে লগে ডাক্তৰৰ সৈতে যোগাযোগ কৰিব লাগে। শিশুটিৰ প্ৰতি অৱজ্ঞা অথবা মানসিক অৱজ্ঞাসূচক ভোগাৰ বিপৰীতে শিশুটিক উৎসাহ আৰু অনুপ্ৰেৰণা যোগাব লাগে। দুচকুৰ শক্তিৰে নহ'লেও মনৰ শক্তিৰে পৃথিৱীখনক অনুভৱ কৰিব পৰাকৈ হে'পাহ জগাব লাগে। অভিভাৱকৰ লগতে সমাজৰো কৰণীয় বহুখিনি আছে। আমাৰ সমাজৰ মূল কৰণীয় হ'ল দৃষ্টিহীন শিশুৰ প্ৰতি অৱজ্ঞাসূচক মনোভাৱ বৰ্জন কৰা। ইয়াৰ বিপৰীতে তেওঁলোকক স্বাধীন তথা আত্মসন্মানবোধ কৰ্মস্পৃহা জগাই আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ বিদ্যালয়ৰ জৰিয়তে জ্ঞানচক্ষু প্ৰদান কৰিব লাগে। বিদ্যালয়ৰ শিক্ষাগুৰুসকলে দৃষ্টিহীন শিশুসকলৰ দুৰ্বলতাক শক্তি হিচাপে চিনাকি কৰোৱাই মানৱ সম্পদ হিচাপে গঢ় দিয়াৰ প্ৰয়াস কৰিব লাগে।

**দৃষ্টিহীন শিশুসকলৰ শিক্ষণ-শিকন পদ্ধতিঃ**

১। ব্ৰেইল পদ্ধতিঃ ১৮২৯ চনত লুই ব্ৰেইলে আৱিষ্কাৰ কৰা 'ব্ৰেইল পদ্ধতি' ছটা ফুটচিহ্নৰ সহায়ত লিখা হয়। ব্ৰেইল পদ্ধতি লিখনত ব্যৱহৃত কলমটোক 'ষ্টাইলাচ' বুলি কোৱা হয়। এই পদ্ধতিত বাঁওফালৰ পৰা সোঁফাললৈ লিখা হয়। বৈজ্ঞানিক সংকেত, মানচিত্ৰ, গণিত, সংগীতৰ স্বৰলিপি প্ৰভৃতি ব্ৰেইলৰ মাধ্যমেৰে প্ৰকাশ কৰা হয়।

২। শব্দ নিৰ্ভৰ পদ্ধতি ঃ দৃষ্টি প্ৰতিবন্ধী শিশুসকলৰ শ্ৰৱণেন্দ্ৰিয়ক কামত লগাবৰ কাৰণে শিক্ষাদানত যি পদ্ধতি ব্যৱহাৰ কৰা হয়, সেই পদ্ধতিক কোৱা হয় 'শব্দনিৰ্ভৰ পদ্ধতি'। যেনে- টকিং বুক, গ্ৰামোফোন, টেপ ৰেকৰ্ডাৰ আদি। বিশেষকৈ পাঠ্যসূচীৰ উপৰি বিশেষভাৱে তৈয়াৰ কৰা অডিঅ' ৰেকৰ্ডিঙৰ জৰিয়তে দৃষ্টিহীনসকলৰ শিক্ষাদানত বিশেষভাৱে ব্যৱহাৰ কৰা হয়।

৩। হাতৰ লেখা প্ৰশিক্ষণ পদ্ধতি ঃ প্ৰথমতে দৃষ্টিহীনসকলক হাতেৰে লিখাৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ বিশেষ প্ৰয়োজন। দৃষ্টিহীন দুই ধৰণৰ- ক) সম্পূৰ্ণ দৃষ্টিহীন, খ) আংশিক দৃষ্টিহীন।

৪। সক্ৰিয়তাভিত্তিক পদ্ধতি ঃ দৃষ্টিহীন শিশুসকলক দৈনন্দিন জীৱন-যাপনৰ কাৰণে উপযোগী কৰি তুলিবলৈ পৰিৱেশৰ বিভিন্ন উপাদানৰ লগত সংগতি ৰাখি চলিবলৈ কিছুমান পদ্ধতিৰ সহায়েৰে আগবঢ়াই নিয়া হয়। বিভিন্ন কাম-কাজত অংশগ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰি স্ব-অভিজ্ঞতা আহৰণৰ সুযোগ দিব লাগে।

৫। জ্ঞানেন্দ্ৰিয় প্ৰশিক্ষণ পদ্ধতি ঃ দৃষ্টিহীন শিশুসকলে চকুৰ বাদ দি অন্য ইন্দ্ৰিয়সমূহৰ জৰিয়তে ভিন্ন পাৰিবেশিক জ্ঞান অৰ্জন কৰে। দৰ্শন ইন্দ্ৰিয় নথকা হেতুকে বাকী ইন্দ্ৰিয়সমূহ কাৰ্যক্ষম কৰি তুলিবলৈ বিভিন্ন কৌশলৰ অৱতাৰণা কৰিবলগীয়া হয়।

(ক) স্পৰ্শ পৰিচয় ঃ স্পৰ্শ পদ্ধতিৰে বিভিন্ন বস্তুৰ সৈতে পৰিচিত কৰাবলৈ চেষ্টা কৰা হয়।

(খ) শব্দ শুনোৱা ঃ বিভিন্ন খেলনা, দ্ৰব্য-সামগ্ৰীৰ শব্দ শুনাই জ্ঞান দিবলৈ চেষ্টা কৰা হয়।

৬। অব্যাকাছ (Abyakas) ব্যৱহাৰৰ প্ৰশিক্ষণ ঃ অব্যাকাছ পদ্ধতিৰে দৃষ্টিহীনসকলক জ্যামিতিক যোগ, বিয়োগ, পূৰণ, হৰণ, শতাংশ, বৰ্গমূল আদিৰ শিক্ষা দিব পাৰি। হাতৰ আঙুলি চলনা কৰি অব্যাকাছ পদ্ধতিৰে শিক্ষা গ্ৰহণ কৰিব পাৰে।

৭। কম্পিউটাৰ পদ্ধতি ঃ পৃথিৱীৰ বিভিন্ন দেশৰ দৰে ভাৰতবৰ্ষতো বৰ্তমান কম্পিউটাৰৰ মাধ্যমেৰে দৃষ্টিহীনসকলক শিক্ষা দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

৮। অন্যান্য পদ্ধতি ঃ উপৰোক্ত পদ্ধতিসমূহৰ উপৰি আন বহু পদ্ধতি অৱলম্বন কৰি দৃষ্টিহীনসকলক কাৰ্যক্ষম কৰি তোলা হয়। যেনে- স্বাস্থ্য সম্পৰ্কে সচেতনতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে জ্ঞান দিয়া, নিজৰ দৈনন্দিন যাৱতীয় কাম-কাজসমূহ নিয়াৰিকৈ কৰা, ঘৰুৱা কাম-বন কৰা তথা চাফ-চিকুণকৈ ৰখা, সামাজিক আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি সম্পৰ্কে জ্ঞান দিয়া, সংগীতৰ জ্ঞান দিয়া, খেলা-ধূলা, ব্যায়াম, প্ৰাৰ্থনা আদিৰ জ্ঞান দিয়া ইত্যাদি।

দৃষ্টি প্ৰতিবন্ধী শিশুসকল বিভিন্ন সমস্যাৰ মুখামুখি হয়। সেই সমস্যাবোৰৰ সৈতে মানসিকভাৱে মোকাবিলা কৰিবলৈ তেওঁলোকক সাহস আৰু উৎসাহ যোগাব লাগে। তেওঁলোকো যে আন শিশুৰ দৰে একে সেই কথা তেওঁলোকক



উপলব্ধি কৰাৰ সুযোগ দিব লাগে। তেতে তেওঁলোক জীৱন পথত আগবাঢ়িব পাৰিব। দৃষ্টি প্ৰতিবন্ধী শিশুসকলৰ প্ৰত্যাহ্বান তথা সেই প্ৰত্যাহ্বানক দূৰ কৰাৰ উপায়সমূহ এনে ধৰণৰ—

১) যিহেতু দৃষ্টিহীন শিশুসকলে দেখা নাপায়, সেয়েহে যিকোনো পৰিৱেশত নিজকে প্ৰত্যক্ষভাৱে নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

২) দৃষ্টিহীন শিশুসকলক কেতিয়াবা পৰিয়াল তথা সমাজে ঘৃণা, অৱজ্ঞা অথবা নেতিবাচক মনোভাবেৰে চোৱা পৰিলক্ষিত হয়। সেয়েহে দৃষ্টিহীন শিশুসকলক শিক্ষাদান কৰোতে এইকেইটা দিশলৈ বিশেষ গুৰুত্ব দিব লাগে—

(ক) দৃষ্টিহীন শিশুসকলে যাতে পৰিৱেশৰ লগত নিজকে সহজে সমাযোজিত কৰিব পাৰে তাৰ প্ৰতি বিশেষ ধ্যান দিব লাগে।

(খ) শিশুৰ শাৰীৰিক বিকাশ, সঞ্চালনমূলক বিকাশ, দক্ষতাৰ বিকাশ, প্ৰাক্ষোভিক বিকাশ, মানসিক বিকাশ, ভাষাৰ বিকাশ প্ৰভৃতি যাতে যথাযথভাৱে ঘটে, সেই বিষয়ত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(গ) শিশুসকলক এনে শিক্ষা দিব লাগে যিয়ে মানসিকভাৱে প্ৰতিবন্ধকতা দূৰ কৰাত সহায় কৰাত সহায় কৰে।

(ঘ) এই শিক্ষাই যাতে শিশুক সমাজত উপযুক্ত আৰু মৰ্যাদাপূৰ্ণ ব্যক্তি হিচাপে চিনাকি দিয়ে।

(ঙ) শিশুৰ জ্ঞানমূলক দক্ষতাৰ বিকাশৰ জৰিয়তে যাতে উন্নত চিন্তা শক্তিৰ বিকাশ ঘটে, তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

(চ) এই শিক্ষাৰ জৰিয়তে শিশুক আত্মনিৰ্ভৰশীল আৰু আৰ্থিকভাৱে স্বয়ংসম্পূৰ্ণ কৰি তোলাত গুৰুত্ব দিব লাগে।

(ছ) এই শিক্ষাই ন্যায় আৰু আত্মোপলব্ধিত যাতে সহায় কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

জীৱন মানেই সংগ্ৰাম। এক ক্ষমাহীন, নিৰ্মম, অবিৰত সংগ্ৰাম। সহজ বুলি ভবা হয় যদিও জীৱন-সংগ্ৰাম ইমান সহজ নহয়। কঠোৰ যুদ্ধ দিবলগীয়া হয় মানুহে উন্নতিৰ শীৰ্ষত আৰোহণৰ উদ্দেশ্যে। মনোবল, ধৈৰ্য, সাহস, দৃঢ়তা, বুদ্ধিমত্তাই হ'ল ইয়াৰ সাৰথি। পিঠিত চপৰিয়াই কোনোবাই সঁচা মৰমৰ মাতেৰে শুনোৱা আশাৰ বাণীয়েই প্ৰেৰণা। দৃষ্টি প্ৰতিবন্ধী শিশুসকলক অনুপ্ৰেৰণা যোগাব লাগে অভিভাৱক, শিক্ষাগুৰু তথা সমাজে। এনে শিশুৰ হিত চিন্তক তথা শুভাকাংক্ষী হৈ জীৱন সংগ্ৰামত জয়ী হোৱাৰ মন্ত্ৰ আওৱোৱাত সহায় কৰিব লাগে। শিশুসকলক নিজৰ দুৰ্বলতাক সাহস হিচাপে লৈ সফলতাৰ দিশে অগ্ৰসৰ হ'বলৈ শিকাব লাগে। যি শিশুৱে বাল্যাৱস্থাৰ পৰাই একাগ্ৰতা আৰু প্ৰবল মনোবলেৰে নিজ কৰ্ম কৰি যায়, তেঁৱেই ভৱিষ্যতে এজন সু-নাগৰিক হিচাপে নিজৰ পৰিচয় গঢ়িব পাৰে।

***ফোন ঃ ৯১০১২-৪৬০৫২***

*(লেখিকা 'বঢ়মপুৰ শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী)*

# প্ৰয়াত লামী দত্ত বাইদেউৰ আত্মালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

■ তুলসী প্ৰসাদ বৰগোহাঁই

ফুলিল মালতি ফুলি সৰি গ'ল
বিলোৱা সৌৰভ মাত্ৰ জগতত ৰ'ল- বেজবৰুৱা

বিশ্ব চেতনাৰ এটি কণাই পৰিস্থিতি-পৰিৱেশ আৰু নৈমিত্তিক মাধ্যমক কৰি মৰ্ত্যলোক নামৰ এই পৃথিৱীত প্ৰাৰব্ধ শেষ নোহোৱালৈ থাকি গতি কৰে অব্যক্তৰ বুকুলৈ। এয়াই বাস্তৱ। সেয়ে সদ্‌গুৰুৰ সকীয়নি- 'If you forget that you are mortal, then you will live a very stupid life. If you constantly remember that you are mortal, you will walk gently and sensibly upon this planet' - অৰ্থাৎ মৃত্যুক যদি তুমি পাহৰি গৈছা তেনেহ'লে তুমি জড় বুদ্ধিৰে জীয়াই আছা, গতানুগতিক। প্ৰতিমুহূৰ্তত যদি মৃত্যুক স্মৰণৰ ৰাখি খোজ দিছা তেনেহ'লে তোমাৰ প্ৰতিটো খোজ ধীৰ ছন্দময় হ'ব। বাইদেৱেও জীৱনৰ ছন্দোময় সাৱধানী খোজত ছন্দ হেৰুওৱা আমি দেখা নাই। সেয়ে পো, জী, নাতি-নাতিনীৰে ভৰপূৰ এখন সংসাৰ এৰি থৈ জীৱন নাট সামৰিলে। এখন শান্তিৰ গৃহস্থাশ্ৰম। আড়ম্বৰহীন সাধাৰণ অথচ আদৰ্শৱান, শৃংখলাবদ্ধতাৰ নিদৰ্শনস্বৰূপ ঘৰ। আমি তাহানিতে ঘৰত সোমাবলৈ ইতস্ততঃ কৰিছিলো। তাৰ প্ৰভাৱ আমাৰ ওপৰতো পৰিছিল।

আজিৰ পৰা প্ৰায় ৬৫ বছৰমান আগৰ কথা। চেঙেলীয়া কালতে দেখিছিলো- ভৰযৌৱনা, প্ৰাণচঞ্চল অথচ ধীৰ বগীকৈ বাইদেউজনীক। সাজপাৰ আটোম-টোকাৰি, খাদী বস্ত্ৰ পৰিহিতা, কৰ্মচঞ্চল, সুগঢ়ী, বুদ্ধিমতী গাভৰু। অমায়িক ব্যৱহাৰ... তাৰ পাছত সাংসাৰিক জীৱন আৰম্ভ। তিনিটা পুত্ৰ, তিনিজনী কন্যাৰ মাতৃ। বহুত আৰ্থিক অনাটনৰ মাজতো কেউটি সন্তানতে সমাজত প্ৰতিষ্ঠিত কৰিলে। আমাৰ শিক্ষকতা কালৰ দিনতে কেউটি সন্তানৰ জৰিয়তে ঘনিষ্ঠতালৈ আহিছিলো। ওচৰৰ পৰাই দেখিছিলো। আমাৰো তিনিটা কন্যা সন্তান আৰু মাকক প্ৰাণদান দিয়া ধাই মাতৃ তেখেতেই আছিল। মোৰ অতি অসহায় সেই দিনবোৰত বাইদেউক অমূৰ্ত করুণাৰ মূৰ্তিমন্ত ৰূপত পাইছিলো। বহুত কঠিন সময় আছিল। আজিৰ দিনত কেৱল চিজাৰিয়ান টকা-পইচা... আৰু কত কি? কেনেকৈনো পাহৰো সেই মুহূৰ্তবোৰ। বিপদ কালৰ এষাৰি সাহসৰ মাত। ধৈৰ্য, সাহস, অভয় দিয়া কণ্ঠস্বৰবোৰ। দৰদী হৃদয়ৰ স্থানীয় নাইটিংগেল, অখ্যাত টেৰেছা, মোৰ বাবে...

তেখেতে ঈশ্বৰক ভক্তি কৰাৰ উপদেশ দিয়া নাছিল যদিও, দায়িত্ববোধত তৎপৰতা দেখুওৱা মাতৃত্বৰ উমাল উত্তাপে বহুতকে জীয়াই থকাৰ সুযোগ আৰু প্ৰেৰণা দিছিল। সেই উত্তাপেই কত শতজনক প্ৰাণ দিলে। আজি আমি ক'ব নোৱাৰো, কিন্তু এইটো অনুভৱ ব্যক্ত কৰিব পৰা এটা মাত্ৰ শব্দ, সেয়াই প্ৰেম, মানৱ প্ৰেম, দৰিদ্ৰ-আৰ্তজনৰ প্ৰতি থকা প্ৰেম। সেয়া স্বৰ্গীয় দৈৱিক শক্তিৰেই বল (হয়তো তেখেতেও নাজানিব পাৰে)। অকলে কোনো ডাঙৰ নাৰ্ছৰ সহায় নোলোৱাকৈ আত্মবিশ্বাস আৰু জ্ঞান-বুদ্ধি, ধৈৰ্য, সকলোবোৰকে শেষ বিন্দুলৈ প্ৰয়োগ কৰি অতি জটিল কাৰ্য সফলতাৰে সমাপন কৰিছিল। এইখিনি কথা মোৰ নিজা জীৱনত পোৱা কথা। সঁচাকৈ তেখেতে হয়তো নাজানে কিহৰ তাড়নাই এনে কাম কৰোৱাইছিল, সেয়া এক দিব্য প্ৰেমৰ তাড়না। প্ৰেম সঁচাই এক অনাবিল অনুভৱ, এক তাড়না। ফুলি সৰি গ'লেও সুগন্ধি ফুলৰ সৌৰভ বহুজনে পালে। হাজাৰ বছৰীয়া শিলাখণ্ডৰ আয়ুসতকৈ ক্ষন্তেকৰ বাবে হ'লেও বিলোৱা সৌৰভ কিমান যে ৰমণীয় আৰু বন্দনীয়ও। কথাবোৰ এই বাবেই ক'বলগীয়া হৈছে যে, আজিৰ বস্তুবাদী সভ্যতাৰ ভোগপৰায়ণ প্ৰচাৰ, সম্প্ৰচাৰৰ প্ৰচণ্ড সোঁতত মানুহৰ চেতনা মানে মানৱ চেতনা উটি গৈছে। ক'লৈ গৈছে কোনেও নাজানে। জানিলেও ক'বলৈ ভয়েই কৰো। প্ৰয়োজন আৰু অভাৱৰ মাজৰ সীমাৰেখাডাল আজিৰ সমাজ ব্যৱস্থাৰ শিক্ষাৰে শিক্ষিত, বহুতে মণিব নোৱাৰে। বাইদেউৰ সাংসাৰিক জীৱনৰ সফলতাৰ গোপন ৰহস্য যে ইয়াৰ মাজতেই আছিল বহুতে নুবুজে। শ্ৰেয় আৰু প্ৰেয় বিচাৰ কৰিব পৰা বিবেক-বুদ্ধিৰ বিষয়ে চৰ্চাও শুনিবলৈ খুব কম পোৱা যায়। বাহিৰৰ ৰংচঙীয়া দৃশ্যৰ পৰা মনটো আঁতৰাই আনি চিন্তা কৰাৰ অভ্যাসৰ শিক্ষা নোহোৱা হৈছে। সেয়ে প্ৰচাৰবিমুখ এইগৰাকী মাতৃৰ কৰ্মবোৰ মূল্যায়ন কৰিবলৈ বিচৰা মানুহ কমেই লগ পাইছো। তেখেতৰ কৰ্মবোৰৰ অন্তৰালত থকা ৰহস্যবোৰ প্ৰকাশ কৰিব জানিলেহে পাছৰ প্ৰজন্মই প্ৰেৰণা পাব। এনেবোৰ কথাকে চিন্তা কৰি দেখিছো যে বুদ্ধদেৱে তপস্যাৰ অন্তত চকু মেলি প্ৰথম দৰ্শনত দেখা পাইছিল। -মৈত্ৰী।

ভাবনাৰে ভৰপূৰ সৃষ্টি। অজ্ঞাত ঋষিৰ মুখৰ পৰাও ওলাইছিল-

মিত্ৰস্য মাং চক্ষুষা সৰ্বানি ভূতানি সমিক্ষন্তাম।
মিত্ৰস্য অহং চক্ষুষা সৰ্বানি ভূতানি সমিক্ষ।।

আমাৰ ফালে সমগ্ৰ বিশ্বই মিত্ৰতাৰ দৃষ্টিৰে চোৱাটো যদি বিচাৰো তেন্তে আমিও বিশ্বৰ ফালে মিত্ৰ ভাবনাৰেই চাব লাগিব। মিত্ৰ ভাবনা আমাৰ সকলোৰে আছে। কিন্তু শুই আছে। সাৰ পোৱাকৈ চিঞৰি জগাব লাগিব। তেখেতৰ ভিতৰৰ পৰাও এনে ভাবৰ প্ৰেৰণাই ক্ৰিয়াশীল হৈ কাম কৰোৱাইছিল। কথাবোৰ শুনিবলৈ আচহুৱা, তেনেইনগণ্য, সৰু যেন হ'লেও এইবোৰৰ প্ৰতি মনোযোগ দি চাব পৰাটো এটা বিশেষ গুণ... আৰু মহত্বপূৰ্ণ কথা। আদৰ্শ গৃহিনী হিচাপে তিনিটা ল'ৰা, তিনিজনী ছোৱালীয়ে ভৰপূৰ এখন ঘৰ সকলোকে উপযুক্ত শিক্ষাৰে শিক্ষিত কৰাৰ উপৰি ফল-ফুলেৰে ভৰা এখন সৰু বাৰী, গোহালিৰ গৰু-গাই আদিৰো তদাৰকী কৰিছিল। ঘৰৰ ভিতৰৰ আচবাব যি এপদ আছিল তাকো চাফ-চিকুণ কৰি যথাস্থানত ৰাখি শৃংখলাবোধৰ পৰিচয় দিছিল। এইবোৰতেই



আছে শিক্ষাৰ বহুত সমল, মাত্ৰ চাব জানিব লাগে। অন্তৰ্দৃষ্টিৰ দৰকাৰ। অমূৰ্ত ঈশ্বৰে আমাৰ পৰা একো দাবী নকৰে বাবে তেওঁক সকলোৱে ভাল পাব পাৰে। কিন্তু চুবুৰীয়াজনক ভাল পোৱাটো, বৰ্তমান নিচেই কাষতে থকাজনক ভাল পোৱাটো যে প্ৰত্যহবানমূলক। ভালপাওঁ বুলি ক'লেই নহ'ব - ভৰিব লাগিব। ভৰিবলৈ সাহস কৰিব লাগিব, আপোনাৰ পৰা বহু যত্ন, অৰুচিকৰ কষ্ট, আনকি জীৱনৰ মূল্যও ভৰিব লগা হ'ব পাৰে। এইবোৰ এজন সদ্‌গুৰুৰ কথা। Everyone can love God, as god dose not demand anything from you; But to love they neighhour, to love the on sitting next to you, right now costs life. It is a challange. It takes much courage to do this। বাইদেৱে নেদেখা ঈশ্বৰক কিমান ভাল পাইছিল আমাক কাহানিও কোৱা নাছিল। কিন্তু চুবুৰীয়াৰ প্ৰতি থকা দৰদৰ কথা শুনিছিলো, সেই প্ৰেমৰ উত্তাপ আমিও পাইছিলো। ঘটনাবোৰৰ বিৱৰণ দিলে দীঘলীয়া হ'ব, চমু, নিচেই চমু আভাস মাত্ৰ দোহাৰিছো।

বাইদেউৰ মৃত্যুৰ পাছৰে পৰা মনত বহু কথাই দোলা দি আছে। Life is to live to live is to relate... তেখেতৰ পৰিচিত এগৰাকী আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন মহিলা নাম বিমলা ঠক্কৰ। Life is to be related নামৰ বিদেশত দিয়া ভাষণৰ উক্তি। জীৱন মানে জীয়াই থকা। জন্তুৱেও জীয়াই থাকে। জন্তুৱে পৃথিৱীত খাই-বৈ প্ৰজন্ম ৰক্ষা কৰি বৰ্তিহে থাকে। সেইদৰে জীয়াই থকাৰ কথা তেখেতে কোৱা নাছিল। জীৱনৰ মহত্ত্ব সম্ভাৱনাখিনি বিকাশ কৰি জীয়াই থকাৰ কথাবোৰ ইয়াত আছে। তাক বিকাশৰ বাবে ভগৱানে সম্বল লগত দি পঠাইছে। বুজাপৰা, সহযোগিতা, সম্পৰ্কলৈ অহা সকলোৰে প্ৰতি আদৰ আদি সাধাৰণ গুণ কিছুমানক জীৱনৰ সম্বল হিচাপে লৈ সংসাৰত থকা দিনকেইটা জীয়াই থকাৰ মন্ত্ৰ। বাইদেউলৈ সেই সৎ সংগৰ পৰা এনেবোৰ মানৱীয় গুণ সংক্ৰমণ হৈছিল। হিংসা, অসহনশীলতা, ভণ্ডামি, ঠগ-প্ৰৱঞ্চনা আদি শিলাময় সংসাৰ পথত এই স্নেহজাতীয় lubricating oil স্বৰূপ গুণসমূহ নথকা হ'লে ৯৪টা বসন্ত পাৰ কৰিব নোৱাৰিলে হয়। এইদৰেই- বোলে কাৰ ঘৰৰ জীয়াৰী? কাৰ ঘৰৰ বোৱাৰী? দুয়োখন ঘৰৰ সন্মান ৰাখি আমালৈ নিদৰ্শন ৰাখি গ'ল। দুখন ঘৰৰ দুটা পৰিয়ালৰ মাজৰ মিত্ৰতাৰ নেদেখা এনাজৰীৰ বান্ধোন আজিও ছিগা নাই। কেতিয়াবা মাজৰাতি ডাৱৰীয়া অন্ধকাৰ, বিজুলী-ঢেৰেকণি, বৰষুণকো নেওচি প্ৰসৱ-যন্ত্ৰণাত চট্‌ফটাই থকা, সন্তানসম্ভৱা প্ৰসূতিৰ কাষলৈ দৌৰিছিল। নৱজাতকে তেখেতৰ হাতৰ অমৃত উত্তাপত নতুন পৃথিৱীৰ মুখ দেখিছিল। সন্তানৰ মাতৃয়েও জীৱন পাইছিল। বাইদেউৰ হাত যাদুকৰী আছিল, কোনোদিন বিফল হোৱা নাছিল। কথাবোৰ শুনিবলৈ একেই যেন লাগিলেও এনেবোৰ জীৱন-মৰণ জড়িত কৰ্মৰ বাবে ক'ৰপৰা প্ৰেৰণা পাইছিল? শুনাৰ লগে লগে সপ্ৰতীভ সঁহাৰি জনাই লগে লগে তৎপৰতাৰে গৈ কাম আৰম্ভ কৰা বাইদেউৰ উদ্দীপনাৰ উৎস কি? সেয়া কিহৰ তাড়নাই তেখেতক আবুক কৰিছিল। ধন, টকা-পইচা, সুনাম অৰ্জনৰ আকাংক্ষা নহয়, কেৱল কৰ্তব্যবোধৰ তাগিদাও নহয়, নিশ্চয় এক দৈৱিক অনুপ্ৰেৰণাৰ সঞ্চৰণ, হয়তো তেখেতেও নাজানে। ভগৱানে এনেবোৰ মাতৃৰ মাধ্যমেৰে সৃষ্টি প্ৰৱৰ্তাই আছে। এইসকল মাতৃয়েই ভগৱানৰ বিভূতি, কৰুণাৰ মূৰ্তিমন্ত বিভূতি।

বৰ্তমান ভোগসৰ্বস্ব, বস্তুবাদী জগতখনৰ লোকসকলৰ চেতনাত এইবোৰ কথা প্ৰতিফলিত হোৱাৰ অৱকাশেই নাই। কেতিয়াবা গুণতো দোষ দৰ্শন কৰাহে দেখা যায়। খ্ৰীঃ পূৰ্ব প্ৰথম, দ্বিতীয় শতিকাৰ ৰোমান লেখক, ইতিহাসবিদ টেচিতাচৰ উক্তি - Men are more ready to repay an injury, than a benifit, because gratefulness is a burden and revege is pleasure। মানুহে উপকাৰতকৈ প্ৰতিশোধ লোৱাৰ প্ৰতি বেছি আগ্ৰহী, কাৰণ কৃতজ্ঞতা এটা বোজা আৰু প্ৰতিশোধ এবিধ সন্তুষ্টি। সেহি দোষ যিটো গুণ, দোষ বুলি লেখে ... শ্ৰীমন্ত শংকৰদেৱ। অধমে কেৱল দোষ - মাধৱদেৱ আদি আমাৰ মহাপুৰুষসকলেও কৈ গৈছে। কোনোবাই নক'লেও উপকৃত হোৱাসকলৰ এজন হিচাপে (যদিও এয়া যথেষ্ট, পৰ্যায় নহয়), য'ত সামান্য দুটিমান শব্দৰে অনুভৱ ব্যক্ত কৰিবলৈ যত্ন কৰিলো। কৃতজ্ঞতাপূৰ্বক শ্ৰদ্ধাৰে সুঁৱৰি সুঁৱৰি আৱেগভৰা অসংলগ্ন শব্দৰে শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাহিৰে দুখময় সংসাৰৰ এই পাৰত থকাসকলৰ কৰিব পৰা যে একো নাই। কেৱল প্ৰাৰ্থনাহে আছে। গতিশীল জীৱাত্মাৰ নেদেখা পাৰৰ গতিত যেন প্ৰভু ভগৱন্ত সহায়ক হয় এয়াই প্ৰাৰ্থনা। জীৱৰ গতিশীলতাক সঁচা বুলি ঋষিসকলে, ত্ৰিকালদ্ৰষ্টাসকলে 'সত্যে প্ৰতিষ্ঠিত ধাৰণা ইতি 'শ্ৰদ্ধা' বুলি কোৱাৰ বাবে শ্ৰাদ্ধ নামৰ সংস্কাৰী অনুষ্ঠান পাতি প্ৰাৰ্থনা, প্ৰভুৰ প্ৰতি প্ৰাৰ্থনা জনাইছো, এই পাৰত থাকোতে লামী দত্ত নামৰ মানৱী সাজ এৰাৰ পাছত সিপাৰত যেন দৈৱিক সাজেৰে প্ৰভুৰ পোহৰৰ পথেৰে গৈ লগ পাৱকগৈ। প্ৰভুৰ চৰণত ভৰসা ৰাখি ইয়াকে প্ৰাৰ্থিলো। আমাৰ অপৰাধবোৰ যেন মাৰ্জনা কৰে।

***ফোন ঃ ৯৭০৭৭-২১৭৫৮***



# হেঁপাহৰ ফুলবোৰ

■ নীলাক্ষী বৰুৱা চৌধুৰী (আইনু)

তোমাৰ শত আঘাতৰ পিছতো...
তোমালৈ থকা হেঁপাহৰ ফুলবোৰ
নিতৌ ফুলি উঠে জকমকাই...
চৌদিশে আমোলমোলাই...
মই জানোঁ... মই বুজোঁ তোমাক...
এই যে... সকলো জানিও...
সকলো বুজিও...
তুমি যে মোক বুজাব খোজা...
মই একো দেখা নাই...
মই একোকে বুজা নাই...
নিৰ্বিকাৰ মানুহটো মই...
মই যে এনেকুৱাই...
জানানে... এই নিৰ্বিকাৰ মানুহটোৱে
মোক মোৰ পৰাই কাঢ়ি লৈ যায়...
আৰু তাৰ পিছত সি কয়...
মোৰ এতিয়া কথা পতাৰ অকণো মন নাই...
মুখত হাঁহি এটা পিন্ধি লৈ...
ভিতৰি ভিতৰি মৰহি যায় তাই...
ইমানৰ পিছতো...
তোমালৈ থকা হেঁপাহৰ ফুলবোৰ...
নিতৌ ফুলি উঠে জকমকাই...
চৌদিশে আমোলমোলাই...

# গুৰু দুজনৰ সৃষ্টি বৰগীত

■ সাগৰিকা কলিতা


বৰগীতৰ ভাষা, ৰচনা ৰীতি আৰু আধ্যাত্মিক তত্ত্বৰ গভীৰতালৈ লক্ষ্য কৰি বাণীকান্ত কাকতি, কালিৰাম মেধি আদি পণ্ডিতসকলে বৰগীতক Songs celestial, Noble numbers আদি আখ্যা দিছে। পণ্ডিতসকলৰ এই আখ্যা যথাৰ্থ হৈছে কিন্তু গুৰু দুজনাৰ পিছৰ কালৰ ৰচিত গীতসমূহত লক্ষ্য কৰিলে ভাষা, ৰচনা ৰীতি আৰু আধ্যাত্মিক তত্ত্বৰ মিল দেখা যায়। বৰগীত সাংসাৰিক জীৱনৰ সুখ-দুখৰ গীত নহয়, ঈশ্বৰৰ উপাসনাৰ গীত। উপাসনা গীতে মানুহৰ হৃদয় উদাৰ, পৱিত্ৰ আৰু বিশাল কৰি তোলে। মনত এক বিশেষ আনন্দ দিয়ে। পুৰুষোত্তম গোপাল আতা, ৰামচৰণ ঠাকুৰ, অনিৰুদ্ধ, যদুমণি আদি আতাসকলে লিখা গীতসমূহ এতিয়াও উপাসনাৰ গীতৰূপে গ্ৰহণ, ঠায়ে ঠায়ে ব্যৱহাৰ হৈছে যদিও সেয়া নিৰ্দিষ্ট সীমাৰ ভিতৰতহে। কিন্তু সকলো সংহতিৰ লোকে মহাপুৰুষ দুজনাৰ গীতসমূহ সমমৰ্যাদাৰে উপাসনা গীতৰূপে গ্ৰহণ কৰিছে। সেয়ে পিছৰ যুগত আতাসকলে লিখা গীতসমূহক বৰগীত বোলা নহয়। মহাপুৰুষ দুজনাৰ দ্বাৰা ব্ৰজাৱলী ভাষাত ৰচিত উচ্চ আধ্যাত্মিক আৰু দাৰ্শনিক ভাবৰ ৰাগযুক্ত গীতসমূহ পৃথক কৰি দেখুৱাবলৈ সেই গীতবোৰক বৰগীত বা শ্ৰেষ্ঠ গীতৰূপে আখ্যা দিয়া হৈছে।

যদিও শংকৰদেৱৰ ৩৪টা বৰগীতহে বৰ্তমান পোৱা গৈছে, কিন্তু তেওঁ বাৰ কুৰি গীত ৰচনা কৰিছিল বুলি চৰিত পুথিত পোৱা গৈছে। মহাপুৰুষ দুজনাৰ বৰগীতসমূহ আৰু নাটসমূহ ব্ৰজাৱলী ভাষাত ৰচিত। ই এটা কৃত্ৰিম সাহিত্যিক ভাষা। ইয়াৰ মূল ভেটি মৈথিলী ভাষা। বৰগীতসমূহত মুঠ পাঁচটা ভাষাত ৰচিত ব্ৰজাৱলী, মৈথিলী, হিন্দী, বঙালী আৰু অসমীয়া।


শংকৰদেৱৰ প্ৰাপ্ত বৰগীতসমূহৰ বেছি ভাগ প্ৰাৰ্থনাসুচক। সেইবোৰত ঘাইকৈ মানৱ জীৱনৰ হৰিভক্তিৰ কথা বৰ্ণনা কৰা হৈছে। দুয়োজনা মহাপুৰুষৰ গীতত কৃষ্ণ কথাই মুখ্য স্থান অধিকাৰ কৰিছে। মাধৱদেৱৰ বেছি ভাগ গীতেই শিশু কৃষ্ণৰ বাল্য জীৱনৰ নানা চিত্ৰ-বিচিত্ৰ কাহিনীৰে সমুজ্জ্বল। শংকৰদেৱৰ গীতত শান্ত ভক্তিৰ প্ৰধান্য দেখা যায়।

গুৰু দুয়োজনাৰ অনুপম সৃষ্টি বৰগীতসমূহ প্ৰতিজন অসমীয়াৰ হৃদয়ত বিৰাজমান।

***ফোন ঃ ৬০০৩১-৪০৬৯৯***



# বোকাময় পথাৰ আৰু মহাদেৱৰ প্ৰিয় মাহ শাওণ



■ গীতাশ্ৰী বৰা

বোকাময় পথাৰত কৃষকৰ আশাই এবুকু সপোন বিচাৰে শাওণ মাহতে। কঠীয়া সিঁচা হয় জেঠ মাহতে। কঠীয়াবোৰ ডাঙৰ হৈ তুলিব পৰা হ'লেই কৃষক তথা ৰোৱনীৰ ব্যস্ততা বাঢ়ে। প্ৰখৰ ৰ'দত বোকাময় পথাৰখন উত্তপ্ত হৈ পৰে। হাল বায় চহ কৰা পথাৰখনত ৰোৱনীয়ে বহু কষ্টৰে আশাৰ কঠীয়া ৰুই যায়। পেটৰ ভাত মুঠিৰ অভাৱ হ'লে জীয়াই থকাৰ বহু সমস্যা। বতৰে বিধি-পথালি দিলে কৃষকৰ মনবোৰ মৰহি যায়।

'ক্ৰৰ স্পৰ্শ ফেনিল উজ্জ্বল তৰংগ ৰাজি,
বুকুৰ সেউজ সপোনটোকে কাঢ়ি লৈ যায়'। ৰাম গগৈ।

শাওণৰ পথাৰখনতে নিহিত থাকে বহু আশা। খেতি ভাল হ'লে বহু অভাৱী কৃষকৰ মন পোহৰ হয়। বিক্ৰী কৰাৰ টকাকেইটা লৈ কিমান যে কল্পনা। বানপানীয়ে তচ্‌নচ্ কৰা পৰিয়ালৰ দুৰ্দশা কিমান যে ভয়ংকৰ। বানপানী শুকোৱাৰ পিছত খেতি কৰিবলৈ পানীৰ অভাৱ। কোনো অঞ্চলত আগতীয়াকৈ কৰা খেতি বানপানীয়ে শেষ কৰি থৈ যায়। কৃষি বিভাগে ঠায়ে ঠায়ে জলসিঞ্চনৰ ব্যৱস্থা কৰি তথা উন্নত জাতৰ বীজ যোগান ধৰি কৃষকক সহায় কৰে। অত্যাধুনিক পদ্ধতিৰ প্ৰয়োগ কৰি ধানখেতি আগৰ দিনৰ তুলনাত প্ৰচুৰ উৎপন্ন হোৱা দেখা যায়। আমাৰ দেশত ষষ্ঠ পৰিকল্পনাৰ সময়ৰে পৰা কৃষি ক্ষেত্ৰত অধিক গুৰুত্ব দি আহিছে।

শাওণৰ পথাৰত কিমান যে কাম। আলি দিয়া, হাবি-বন চিকুণাই হালবাই ভুঁই ৰোৱা, ট্ৰেক্টৰৰ পিছে পিছে হাল বাই থকাৰ সময়ত মাছ বিচৰা। কাৰোবাৰ জাকৈ-চালনিত মাছ উঠিলেই কিৰিলি। গৃহিনীসকলৰ ব্যস্ততাৰ অন্ত নাই শাওণ মাহত। পথাৰলৈ চাহ-জলপান দিয়া, কঠীয়া তোলা, ভুঁই ৰোৱা আদি। শাওণ মাহৰ বাবে পিঠাগুড়ি, কোমল চাউল আদি বিভিন্ন জলপান তৈয়াৰ কৰি ৰাখে গাঁৱৰ বোৱাৰীসকলে। ৰ'দে পোৱা দেহত ব্যস্ততাৰ অন্ত নোহোৱা শাওণ।

শাওণ মাহ বুলিলে শিৱক পূজা কৰা আৰু শিৱপুৰাণ পাঠ কৰা হয়। শ্ৰৱণা নক্ষত্ৰৰ সূৰ্য অৱস্থানৰ বাবে এই মাহৰ নাম শাওণ বুলি জনা যায়। শাওণ মাহত ভগৱান ভোলানাথক সন্তুষ্ট কৰিবলৈ শিৱ মন্দিৰত পূজা আৰু যজ্ঞ কৰা হয়। লোক-বিশ্বাস অনুসৰি চাকৰি বা ব্যৱসায়ত লাভৱান হোৱাৰ উদ্দেশ্যে শাওণ মাহত মাতৃ পাৰ্বতীক ৰূপৰ পায়েল আগবঢ়ায়। ধন সম্পৰ্কীয় সমস্যাৰ পৰা হাত সাৰিবলৈ শাওণ মাহৰ সোমবাৰে শিৱ আৰু পাৰ্বতী দেৱীলৈ ভোগ আগবঢ়ায়। বিবাহিত জীৱন সুখৰ হ'বলৈ তথা স্বামী-স্ত্ৰীৰ মাজত সম্পৰ্ক শক্তিশালী হ'বলৈ উভয়ে শাওণ মাহৰ সোমবাৰে শিৱ আৰু পাৰ্বতী দেৱীলৈ পঞ্চামৃত আগবঢ়ায়। কোনো ৰোগী বহু দিন ৰোগশয্যাত পৰি থাকিলে ৰোগৰ পৰা সকাহ পাবলৈ সৰিয়হ তেল শিৱ মন্দিৰলৈ আগবঢ়াব লাগে। আমি প্ৰায়ে জানো মহাদেৱ অলপতে সন্তুষ্ট হোৱা ভগৱান গতিকে বহু যুৱতীয়ে এই শাওণ মাহত ধূপ-চাকি, বেলপাত, গাখীৰ শিৱ লিংগত অৰ্পণ কৰিলে বাধা-বিঘিনিৰ পৰা পৰিত্ৰাণ পায়। বহু লোকে এই মাহত নিৰামিষ আহাৰ গ্ৰহণ কৰে। শিৱ ভক্তসকলে প্ৰতি সোমবাৰে ব্ৰত পালন কৰে। শাওণ মাহৰ আকৰ্ষণীয় এক যাত্ৰা হ'ল ব'ল ব'ম যাত্ৰা। ভক্তসকলে খোজকাঢ়ি নৈৰ পৰা পানী তুলি আনি শিৱ মন্দিৰৰ শিৱ লিংগত পানী ঢালে। গেৰুৱা ৰঙৰ বস্ত্ৰৰে ব'ল ব'মৰ ভক্তসকলে কান্ধত দুটি ঘটৰ দৰে পাত্ৰত পানী লৈ শিৱ মন্দিৰলৈ যোৱা যাত্ৰা বৰ আকৰ্ষণীয়। আজি-কালি ধৰ্মৰ নামতো আধুনিকতাই সকলোতে বিৰাজ কৰাৰ সময়ত শাওণ মাহৰ সোমবাৰে ব'ল ব'ম যাত্ৰাৰ কাণ-তাল মৰা সংগীতৰ সুৰে পুৱাতে টোপনি ভাঙে। মন কৰিবলগীয়া কথা যে ডি জে ব'ল ব'ম যাত্ৰা বুলি মানুহে বিদ্ৰূপৰ হাঁহি নামাৰে। তাৰ বাবে ভক্তসকল সজাগ হ'ব। শাওণ মাহৰ এই দিনকেইটাত মন স্থিৰ কৰিবলৈ তথা সুখ-শান্তিৰে জীয়াই ৰাখিবলৈ মহাদেৱৰ ওচৰত সেৱা জনাওঁ।

***ফোন ঃ ৯৩৬৫৪-৫২৫৬৬***

যুগ-যুগান্তৰ বসতিভূমি তুমি মোৰ, তিৱা সন্তান আমি আমখা আমলেৰা বিভিন্ন খেলৰ লোক। বসুমতী তুমিয়েই আই মোৰ। বিৰিখ বনৰে পূৰ্ণ বন-উপবন, পাহাৰ টিলাৰে দেখিবলৈ শুৱনি, সোণ-ৰূপৰ লেখীয়া মাটি মোৰ জন্ম-কৰ্মৰ থলী, অ' মোৰ তিৱা জাতিৰ অঞ্চল...

# তিৱা জাতীয় সংগীত 'অ আঙে তিৱা তচীমা'

■ **ড° বিদ্যুৎ বিকাশ সেনাপতি**
*সাধাৰণ সম্পাদক, তিৱা মাথনলাই তথ্রা*

বিভিন্ন দেশ তথা জাতিৰ নিজাজাতীয় সংগীত থকাৰ দৰে সৌভাগ্যৰ কথা যে তিৱা জাতিৰো এটা জাতীয় সংগীত আছে। তিৱা জাতিৰ চিৰনমস্য ব্যক্তি শ্ৰদ্ধাৰ ইদং আমচি ওৰফে ইন্দ্ৰছিং দেউৰীয়ে তিৱা জাতীয় সংগীতটো ৰচনা কৰি তিৱা জাতিক গৌৰৱান্বিত কৰিলে। এখন দেশ বা এটা জাতিৰ পতাকা, জাতীয় উছৱ, জাতীয় প্ৰতীক, জাতীয় সংগীত ইত্যাদিয়ে দেশ এখন বা জাতি এটাক স্বকীয় পৰিচয়ৰে, সগৌৰৱেৰে আৰু ঐক্যবদ্ধতাৰে জীয়াই থাকিবলৈ নিশ্চয় পূৰামাত্ৰাই সহায় কৰে। এই গুৰুত্ব উপলব্ধি কৰিয়েই ১৯৬৭ চনৰ লালুং দৰবাৰৰ জন্মদাতা সংগ্ৰামী পুৰুষ শ্ৰদ্ধাৰ ইন্দ্ৰছিং দেউৰীয়ে তিৱা জাতীয় সংগীতটো ৰচনা কৰি জাতিটোলৈ এক মহান অৱদান আগবঢ়াই গ'ল।

১৯৭০ চনৰ ১৫ জুলাইত তিৱা জাতিৰ বিভিন্ন সমস্যা সমাধানাৰ্থে তদানীন্তন অসমৰ ৰাজ্যপালৰ ওচৰত দাবী উত্থাপন কৰি প্ৰদান কৰা স্মাৰক-পত্ৰত দেউৰীদেৱে ইদং আমচি ছদ্ম নামেৰে জাতীয় সংগীতটো লিপিবদ্ধ কৰিছিল। জাতীয় সংগীতটো ৰচনা হোৱাৰ পিছৰে পৰা তিৱা জাতীয় অনুষ্ঠান-কাৰ্যসূচীসমূহত পৰিৱেশিত হৈছিল। জাতীয় আন্দোলনক গতিশীলতা প্ৰদানত গীতটোৱে অৰিহণা যোগাইছিল যদিও দুটা গায়নশৈলীৰে গীতটো প্ৰচলন হৈছিল। অৱশেষত তিৱা মাথনলাই তথ্রাই ২০১৮ চনৰ ১১ নৱেম্বৰত এই সন্দৰ্ভত মৰিগাঁও জিলাৰ নেলী বৰপায়ক স্কুলত এখন আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। উক্ত আলোচনা-চক্ৰত তিৱা জাতিৰ বৌদ্ধিক মহল, জাতীয় সংগঠনৰ নেতৃবৰ্গ আৰু তিৱা সংগীত, শিল্প-সংস্কৃতিৰ লগত জড়িত ব্যক্তিসকল উপস্থিত থাকে। এই সভাতে গীতটোৰ জন্মলগ্নৰ সুৰ আৰু গায়নশৈলীৰ বিষয়ে অভিজ্ঞসকলৰ সহযোগত পৰ্যালোচনা আৰু পৰিৱেশন কৰি স্থায়ী ৰূপ দিয়াৰ সিদ্ধান্তত উপনীত হয়। পৰৱৰ্তী সময়ত তিৱা মাথনলাই তথ্রা আৰু তিৱা সাংস্কৃতিক সমাজৰ উদ্যোগত গীতটো বাণীবদ্ধ কৰি ২০২০ চনৰ ২০ অক্টোবৰত ঐতিহাসিক জোঙাল বলহুগড়ত আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰা হয়।

'অ' আঙে তিৱা তচীমা।
    চাত্ থা লৱনে মাথি
    চাত্ থা দলৈনে ছং
চদঙা ৰাজানে চা
হাজনে হালামে তিৱা
    ফিৰি ফিৰিনে তুবলি
    ফিৰি ফিৰিনে খাবলি
আমখা আমলেৰা চ্যাচি চ্যিং তিৱা
    না আঁই পচমদা
পিৰুক দাৰুক ক্ৰমে চ্যমে
    মাখা থুমগা নিনা নিথাৱা।
    চ্যলমে খলমে ঠাই
    চনা লেখা হা
দৰমে খৰমে ঠাই
    ৰূফা লেখা হা
    অ' আঙে তিৱা তচিমা।'

গীতটোৰ অসমীয়া ভাবাৰ্থ হ'ল - অ' মোৰ তিৱা বা লালুং জাতীয় অঞ্চল। সাতোজন শাসক বিষয়া লৰ দলৈয়ৰ ভূমি অঞ্চল। আমি চদঙা ৰজাৰে সন্তান, পাহাৰ-ভৈয়ামৰ তিৱা। যুগ-যুগান্তৰ বসতিভূমি তুমি মোৰ, তিৱা সন্তান আমি আমখা আমলেৰা বিভিন্ন খেলৰ লোক। বসুমতী তুমিয়েই আই মোৰ। বিৰিখ বনৰে পূৰ্ণ বন-উপবন, পাহাৰ টিলাৰে দেখিবলৈ শুৱনি, সোণ-ৰূপৰ লেখীয়া মাটি মোৰ জন্ম-কৰ্মৰ থলী, অ' মোৰ তিৱা জাতিৰ অঞ্চল।



# মাথনলাই তথ্রাৰ সভাপতি আৰু সম্পাদকসকলৰ চমু পৰিচয়

■ **জনাৰ্দন পাটৰ মছৰং**
*মুখপত্ৰ সম্পাদক, তিৱা মাথনলাই তথ্রা*

তিৱা মাথনলাই তথ্রা (সাহিত্য সভা)ৰ প্ৰতিষ্ঠা হৈছিল ১৯৮১ চনৰ ২৫ জুলাইত। তিৱা ভাষাৰ দুৰ্যোগকালত এচাম ভাষাহিতৈষীৰ প্ৰচেষ্টাত ১৯৮০ চনৰ ১৫ নৱেম্বৰত জন্ম হোৱা 'তিৱা ভাষা উন্নয়ন সমিতি'ক মৰিগাঁও জিলাৰ শিলচাং মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত অভিৱৰ্তনৰ জৰিয়তে ১৯৮১ৰ ২৫ জুলাইত তিৱা মাথনলাই তথ্রা ৰূপে প্ৰতিষ্ঠা কৰা হৈছিল। তিৱা ভাষা চৰ্চাৰ আৰম্ভণি হৈছিল ৬০-৭০ দশকত। তিৱা জাতিৰ পিতৃস্বৰূপ ইন্দ্ৰছিং দেউৰী, চিংমন খলাৰ, ইউ ভি জচ, এম বলৱান ইত্যাদি সাহিত্যিকসকলৰ প্ৰচেষ্টাত তিৱা সাহিত্য চৰ্চা আগবাঢ়িছিল। যাক পৰৱৰ্তী সময়ত তিৱা মাথনলাই তথ্রাই নতুন মাত্ৰা প্ৰদান কৰিলে। নতুন নতুন সাহিত্যৰ সৃষ্টিত ইন্ধন যোগালে। এই লেখাৰ জৰিয়তে অতি চমুকৈ মাথনলাই তথ্রাৰ পদ অলংকৃত কৰা সভাপতি-সম্পাদকসকলৰ পৰিচয় দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

## সভাপতিসকল

■ **উদ্ধৱ চন্দ্ৰ সেনাপতিঃ** তথ্রাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত সেনাপতিদেৱৰ জন্ম ১৯৪৫ চনৰ ১ জানুৱাৰীত অবিভক্ত নগাঁও জিলাৰ মৰকলং গাঁৱত। পিতৃ নিজাম সেনাপতি আৰু মাতৃ কেৰেঙি সেনাপতি। প্ৰাৰম্ভিক শিক্ষাৰ পাছত পৰৱৰ্তী সময়ত কটন মহাবিদ্যালয় আৰু নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা ১৯৬৭ চনত স্নাতক ডিগ্ৰী লাভ কৰাত নেলী চৰকাৰী এম ই স্কুলত সহকাৰী শিক্ষক হিচাপে যোগদান কৰি ২০০২ চনত অৱসৰ গ্ৰহণ কৰিছিল। এগৰাকী সাহিত্যিক হোৱাৰ ওপৰিও তেওঁ আছিল শিক্ষাবিদ, সমাজ সংগঠক আৰু সাংস্কৃতিক কৰ্মী হিচাপে বহুতো সামাজিক, শৈক্ষিক অনুষ্ঠান গঢ়ি তুলিছিল। তেওঁ ১৯৮১ চনৰ শিলচাং অভিৱৰ্তনত প্ৰথমবাৰৰ বাবে আৰু ১৯৮৫ চনত এজাৰবাৰীত অনুষ্ঠিত তথ্রাৰ প্ৰথমখন অধিৱেশনত দ্বিতীয়বাৰৰ বাবে সভাপতিৰ পদ অলংকৃত কৰিছিল। তেওঁ বিভিন্ন বাতৰিকাকত, আলোচনীত লেখা-মেলাৰ যোগেদি তিৱা ভাষা-সংস্কৃতিৰ প্ৰসাৰত অৰিহণা যোগাইছিল। তেওঁ তিৱাসকলৰ প্ৰথমটো জাতীয় সংগঠন 'লালুং দৰবাৰ'ৰ সৈতেও জড়িত আছিল। তেওঁ ট্ৰাইবেল ৰিছাৰ্চ ইনষ্টিটিউট চেন্টাৰ আৰু অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সৈতে জড়িত আছিল। ২০১৩ চনৰ ১২ অক্টোবৰত আকস্মিক পথ দুৰ্ঘটনাত পতিত হৈ শেষ নিশ্বাস ত্যাগ কৰিছিল।

■ **তুলসী বৰদলৈ ঃ** দ্বিতীয়গৰাকী সভাপতি তুলসী বৰদলৈ দেৱৰ জন্ম ১৯৫৯ চনত কামৰূপ জিলাৰ ডিমৰীয়াৰ কুলাজাৰী গাঁৱত। পিতৃ প্ৰয়াত নামবৰ বৰদলৈ আৰু মাতৃ মানিকী বৰদলৈ। তেখেতে গুৱাহাটী আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। জাগীৰোড মহাবিদ্যালয়ত সহকাৰী অধ্যাপক ৰূপে যোগদান কৰি যোৱা ২০১৯ চনত উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। তেখেত তিৱা জাতীয় আন্দোলনৰ এগৰাকী সক্ৰিয় নেতা আছিল। এগৰাকী সাহিত্যিক হিচাপে বিভিন্ন আগশাৰীৰ আলোচনী, কাকতত লেখা মেলা কৰি আহিছে। তেওঁ ১৯৯৫ৰ জাগীৰোড, ১৯৯৭ৰ বাৰপুজীয়া আৰু ২০০২ চনৰ উলুকুঞ্চি অধিৱেশনত মুঠ তিনিটা কাৰ্যকালৰ বাবে সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বৰ্তমান তেওঁ তিৱা স্বায়ত্ত পৰিষদৰ উপাধ্যক্ষ হিচাপে কাৰ্যভাৰ পালন কৰি আছে।

■ **বলাইৰাম সেনাপতি ঃ** প্ৰয়াত বলাইৰাম সেনাপতিদেৱৰ জন্ম ১৯৩১ চনৰ ৩ মাৰ্চত নগাঁৱৰ বাৰপূজীয়াত। পিতৃ প্ৰয়াত বগাৰাম সেনাপতি আৰু মাতৃ প্ৰয়াত পদ্মেশ্বৰী সেনাপতি। নগাঁও গৱৰ্ণমেন্ট হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি কাৰ্বি আংলঙৰ বৰথল প্ৰথমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল যদিও ১৯৬৩ চনত চাকৰি ত্যাগ কৰি সাহিত্য চৰ্চাত ব্ৰতী হয়। ৬০ দশকত তেওঁ ৰামধেনু, আমাৰ প্ৰতিনিধি, সাদিনীয়া অসমীয়া, নৱযুগ কাকতত লিখা-মেলা কৰিছিল। ১৯৫৪ চনত তেওঁৰ প্ৰথমখন গীতৰ পুথি 'মুকুল' প্ৰকাশ কৰি উলিয়াইছিল। তেওঁৰ উল্লেখ্য গ্ৰন্থসমূহ 'পাঁচোৰজীয়া অঞ্চলৰ লালুঙৰ লোকগীতৰ ওপৰত সামান্য আলোকপাত', 'তিৱা সমাজ', 'অতীতৰ সন্ধানত' ইত্যাদি। নগাঁও অনাতাঁৰ কেন্দ্ৰত তেওঁৰ 'ফুলগুৰি ধেৱা' আৰু অন্য কে'বাখনো আলেখ্য প্ৰচাৰিত হৈছিল। তেওঁ ২০০০ চনৰ বাৰপূজীয়া অধিৱেশনত সভাপতিৰ পদ অলংকৃত কৰিছিল। ২০১১ চনত তেওঁ 'বকুল বন বঁটা' আৰু ২০১৩ চনত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বিশেষ বঁটা লাভ কৰিছিল। ২০১৪ চনৰ ১১ মে'ত তেখেতে ইহলীলা সম্বৰণ কৰিলে।

■ **গণেশ চন্দ্ৰ সেনাপতি ঃ** প্ৰয়াত সেনাপতিদেৱৰ জন্ম ১৯৪৩ চনত নগাঁৱৰ বাৰপূজীয়া অঞ্চলত। তেওঁৰ পিতৃ লিটাই সেনাপতি আৰু মাতৃ-বাটে সেনাপতি। তেওঁ নগাঁও মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পৰৱৰ্তী সময়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়, আৰু বাৰপূজীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৬৯ চনৰ পৰা সহকাৰী শিক্ষক হিচাপে যোগ দি ২০০৩ চনত তেওঁ অৱসৰগ্ৰহণ কৰে। সমাজ সংগঠক হিচাপে তেওঁ ১৯৭১ চনত গঠিত সদৌ অসম তিৱা (লালুং) যুৱ-ছাত্ৰ সন্মিলনৰ জন্ম কালত বলিষ্ঠ ভূমিকা লৈছিল আৰু সন্মিলনৰ মুখপত্ৰ 'ৰিংছাং'ৰ সম্পাদনা কৰিছিল। 'সেউজী পাহাৰৰ আঁৰে আঁৰে', 'তেতেলীয়া তিৱা ৰজাৰ বৰত উছৱ', 'ৰহাৰ ৰহিয়াল বৰুৱা আৰু পাঁচো ৰজা পোৱালি' আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। তেখেতে ২০০৪ চনত আমচৈত অনুষ্ঠিত তথ্রাৰ অধিৱেশনত সভাপতিৰ পদ অলংকৃত কৰিছিল। ২০০৬ চনৰ ২৯ ছেপ্টেম্বৰত শেষ নিশ্বাস ত্যাগ কৰিলে।

■ **মহেশ্বৰ পাতৰ ঃ** পাতৰ দেৱৰ জন্ম ১৯৫৮ চনত নগাঁৱৰ আমচৈ মাৰ্জং গাঁৱত। পিতৃ স্বৰ্গীয় ভকচিং পাতৰ আৰু মাতৃ স্বৰ্গীয় জোনাকী পাতৰ। নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা ১৯৮৩ চনত স্নাতক ডিগ্ৰী লাভ কৰি শিক্ষকতা বৃত্তিত জড়িত হয়। ২০১৮ চনৰ ৩১ মে'ত তেওঁ পশ্চিম কাৰ্বি আংলঙৰ আমৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা সহকাৰী প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। তেওঁ ১৯৮০ চনত খ্ৰীষ্টজ্যোতি মিচনৰ এগৰাকী ফাদাৰৰ সৈতে 'চনানে আৰচি' শীৰ্ষক তিৱা শিশু সাহিত্য পুথি সম্পাদনা কৰে। অসম আন্দোলনৰ সময়ত 'সাতভনী' আলোচনীখনৰ তিৱা শিতানৰ চোৱা চিতা কৰিছিল। সম্প্ৰতি বিভিন্ন আলোচনী, কাকতত লেখা-মেলা কৰি থকা পাতৰ দেৱৰ গ্ৰন্থসমূহ হৈছে 'মুহুৰি' (গীতৰ সংকলন) আৰু 'ফেৰা'। পাতৰদেৱে ১৯৯৫ চনত আৰু ২০০০ চনত তথ্রাৰ সাধাৰণ সম্পাদক হিচাপে আৰু ২০০৬-০৮ আৰু ২০০৮-১৩ চনলৈ দুটা কাৰ্যকাল সভাপতিৰ পদ অলংকৃত কৰিছিল।

■ **লালছিং মাদাৰ ঃ** মাদাৰ দেৱৰ জন্ম ১৯৬২ চনৰ ৩১ জানুৱাৰীত পশ্চিম কাৰ্বি আংলঙৰ উঠাংখুঞ্জি গাঁৱত। পিতৃ স্বৰ্গীয় উডবৰ মিথি আৰু মাতৃ স্বৰ্গীয় বাসন্তী মাদাৰ। আমগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি তেওঁ সমবায় সমিতিৰ চাকৰিত যোগদান কৰিছিল। কিন্তু চাকৰি ত্যাগ কৰি তেওঁ নিজকে সাংস্কৃতিক কৰ্মত নিয়োজিত কৰছিল। ১৯৮১ চনত অনাতাঁৰ শিল্পী হিচাপে স্বীকৃতি লাভ কৰা মাদাৰ দেৱে 'ৰামধেনুৰ সুৰ', 'অ চমদা', 'খাগদে মৰম', 'তিৱা মাথন' নামেৰে তিৱা গীতৰ এলবাম প্ৰস্তুত কৰি উলিয়াই। তেওঁ ২০১৩- ১৬, ২০১৬- ১৯ আৰু ২০১৯- ২২ লৈ তিনিটা কাৰ্যকালৰ বাবে তথ্রাৰ সভাপতিৰ পদ অলংকৃত কৰে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ 'পিখৰং' (গল্প পুথি), মাখানে চ্যেৰাণ, চ্যেৰাণ। তেখেতৰ কৰ্মৰাজিৰ বাবে ২০১০ চনত 'মুনলাইট বঁটা' আৰু 'বিষ্ণু জ্যোতি বঁটা লাভ কৰিছিল।

■ **দ্বিপেন্দ্ৰ নাথ বৰদলৈ ঃ** তথ্রাৰ বৰ্তমানৰ সভাপতি বৰদলৈ দেৱৰ জন্ম ১৯৪৭ চনৰ ২৩ ডিচেম্বৰত নগাঁওৰ বৰচিলাত। পিতৃ স্বৰ্গীয় সৰুনাথ বৰদলৈ আৰু মাতৃ স্বৰ্গীয় ৰফাদৈ বৰদলৈ। ১৯৭১ চনত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা তেওঁ বি এ আৰু ১৯৮২ চনত বি এড ডিগ্ৰী লাভ কৰা বৰদলৈ দেৱে ২০১৬ চনত শিলপুখুৰী মাধ্যমিক বিদ্যালয়ৰ পৰা সহকাৰী শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। ১৯৭৭ চনত তথ্রাৰ সৈতে জড়িত হৈ তথ্রা উপ-সভাপতি আৰু পৰৱৰ্তী সময়ত ২০২২ চনৰ বাৰপূজীয়া অধিৱেশনত তথ্রাৰ নতুন সভাপতি হিচাপে নিৰ্বাচিত হয়। বিভিন্ন আলোচনী, কাকতত লেখা-মেলা কৰা বৰদলৈদেৱৰ প্ৰকাশিত গ্ৰন্থ 'মেকদ তিৱা মাতখপ ফেৰা'।

## সাধাৰণ সম্পাদকসকল

■ **স্বাধীন বৰদলৈ ঃ** তথ্রাৰ প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত স্বাধীন বৰদলৈদেৱৰ জন্ম মৰিগাঁৱৰ জাগীৰোড নখোলা গাঁৱত। পিতৃ স্বৰ্গীয় চাকি বৰদলৈ আৰু মাতৃ স্বৰ্গীয় নোমাল বৰদলৈ। কটন মহাবিদ্যালয়ৰ পৰা দ্বাদশ উত্তীৰ্ণ হৈ জনস্বাস্থ্য বিভাগৰ চাকৰিত যোগদান কৰা বৰদলৈদেৱে চাকৰি ত্যাগ কৰি জাতীয় আন্দোলনত জড়িত হৈ পৰিছিল। ১৯৮০ চনৰ ১৫ নৱেম্বৰত জাগীৰোডৰ মাৰ্কাংকুছি প্ৰাথমিক বিদ্যালয়ত কেইজনমান ভাষা-সংস্কৃতি হিতৈষী যুৱকৰ প্ৰচেষ্টাত গঠন কৰা তিৱা ভাষা উন্নয়ন সমিতিক পৰৱৰ্তী সময়ত ১৯৮১ চনৰ ২৫ আৰু ২৬ জুলাইত শিলচাং অভিৱৰ্তনত তেওঁক প্ৰথমগৰাকী সম্পাদক হিচাপে নিৰ্বাচিত হয়। ২০১১ চনৰ ২৫ মাৰ্চত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

■ **নাৰায়ণ কুমাৰ ৰাড়কাকতি ঃ** ৰাড়কাকতিদেৱৰ জন্ম ১৯৪৫ চনৰ ১৯ আগষ্টত মৰিগাঁও জিলাৰ নেলীৰ পলাহগুৰি গাঁৱত। পিতৃ স্বৰ্গীয় পহসিং ৰাডুকাকতি আৰু মাতৃ স্বৰ্গীয়া চম্পাৱতী কাকতি। চেন্ট্ৰেল ধৰমতুল মতিৰাম বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰি জাতীয় আন্দোলনত নামিছিল। ১৯৯৫ চনত হোৱা লালুং চুক্তিৰ দ্বাৰা গঠিত তিৱা স্বায়ত্ত পৰিষদৰ প্ৰথমগৰাকী মুখ্য কাৰ্যবাহী সদস্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। বিভিন্ন আলোচনী, কাকতত লেখা- মেলা কৰা কাকতিদেৱৰ গ্ৰন্থসমূহ হৈছে 'ফুলগুৰি ধেৱা ঃ কৃষক বিদ্ৰোহ' শীৰ্ষক হাতপুথি আৰু 'তিৱা ৰাজ্যনে খৰং'। ১৯৮৫-৯০ চনলৈ তেওঁ তথ্রাৰ সাধাৰণ সম্পাদকৰ পদ অলংকৃত কৰিছিল। তেখেতৰ কৰ্মৰাজিৰ বাবে ২০০৭ চনত 'ড° আম্বেদকাৰ ডিষ্টিংগুইচ ছাৰ্ভিচ বঁটা', 'লুইট কোঁৱৰ ৰুদ্ৰ বৰুৱা বঁটা', 'অনুপ্ৰেৰণা বঁটা' লাভ কৰিবলৈ সক্ষম হৈছে। তেখেত এগৰাকী সাহিত্যিক পেঞ্চনাৰ।

■ **মুহিৰাম বৰদলৈ ঃ** স্বৰ্গীয় মুহিৰাম বৰদলৈদেৱৰ জন্ম ১৯৫১ চনত নগাঁও কঠীয়াতলী লালুং গাঁওত। পিতৃ স্বৰ্গীয় সুকুৰাম চমজল আৰু মাতৃ স্বৰ্গীয়া হেলাচি লাদুৰ। নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত অধ্যয়ন কৰি তেওঁ কঠীয়াতলী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। তিৱা সাহিত্যিক বৰদলৈদেৱে ১৯৭৫ চনত 'তিৱা মাতুলি' শীৰ্ষক তিৱা ব্যাকৰণ আৰু পৰৱৰ্তী সময়ত 'তি হানদ' নামেৰে সাধুকথাৰ পুথি প্ৰকাশ কৰি উলিয়ায়। ১৯৯০ চনত তেওঁ তিৱা মাথনলাই তথ্রাৰ তৃতীয়গৰাকী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয়। ২০০১ চনত তেখেতে শেষ নিশ্বাস ত্যাগ কৰে।

■ **ৰত্নকান্ত বৰদলৈ ঃ** প্ৰয়াত ৰত্নকান্ত বৰদলৈদেৱৰ জন্ম ১৯৬৪ চনত মৰিগাঁও জিলাৰ নিজ তেঁতেলীয়াৰ গড়কটাবড়িত। পিতৃ স্বৰ্গীয় শুক্ৰচিং বৰদলৈ আৰু মাতৃ স্বৰ্গীয় সুঞ্জো বৰদলৈ। ১৯৮৪ চনত আনন্দৰাম মহাবিদ্যালয়ৰ পৰা বিএ আৰু ১৯৮৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম এ ডিগ্ৰী লাভ কৰা বৰদলৈদেৱে শিক্ষকতা বৃত্তিত জড়িত হৈছিল। পৰৱৰ্তী সময়ত তিৱা জাতীয় সংগ্ৰামত নিয়োজিত বৰদলৈদেৱ ১৯৯৭ চনত তথ্রাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। ১৯৯৯ চনৰ ২৬ মে'ত শেষ নিশ্বাস ত্যাগ কৰে।

**মিঠাৰাম ডেকাদলৈ ঃ** ডেকাদলৈৰেৱৰ জন্ম ১৯৬৪ চনত নগাঁও জিলাৰ বাৰপূজীয়াত। পিতৃ স্বৰ্গীয় গবধৰ ডেকাদলৈ আৰু মাতৃ ফাৰকি ডেকাদলৈ। নগাঁও পলিটেকনিক কলেজৰ পৰা ১৯৮৮ চনত পলিটেকনিক ডিগ্ৰী লাভ কৰা ডেকাদলৈদেৱে জাতীয় সংগঠনত জড়িত হৈ পৰিছিল। তেওঁ তিৱা ৰাজনৈতিক দল এডিএছএফৰ পৰা ২০০০ চনত তিৱা স্বায়ত্ত পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। তিৱা মাথনলাই তথ্রাৰ সৈতে জড়িত হৈ ডেকাদলৈদেৱে ১৯৯৯ চনত ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালন কৰিছিল।

■ **ড° উফিং মাচলাই ঃ** মাচলাইদেৱৰ জন্ম ১৯৬৫ চনৰ ১৫ মে'ত পশ্চিম কাৰ্বি আংলঙৰ আমচাই পিনুং গাঁৱত। পিতৃ স্বৰ্গীয় পিতুচ মালাং আৰু মাতৃ স্বৰ্গীয়া চিচিলিয়া মাচলাই। মুম্বাইৰ নিৰ্মলা নিকেতন ইনষ্টিটিউট অৱ কলেজ অৱ ছ'চিয়েল ৱৰ্কৰ পৰা ১৯৮৯ত বিএছ ডব্লিউ ডিগ্ৰী লাভ কৰি অসমলৈ ঘূৰি আহে আৰু সদৌ তিৱা ছাত্ৰ সন্থাৰ সৈতে জড়িত হৈ পৰে। ২০০২ আৰু ২০০৪ চনত তেওঁ দুটা কাৰ্যকাল তিৱা মাথনলাই তথ্রাৰ সাধাৰণ সম্পাদকৰ পদ অলংকৃত কৰে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে 'তিৱা মাত চিগাইনা নাও', 'তিৱা মাতখপ চিগাইলাই', ' 'চাঙাৰ' আৰু শেহতীয়া 'আমচাই পিনুঙে খামৰে নেম'। কাৰ্বি আংলং স্বায়ত্তপৰিষদৰ কাৰ্যবাহী সদস্য হিচাপে কে'বাটাও কাৰ্যকালৰ দায়িত্ব লোৱা মাচলাইদেৱ বৰ্তমানো পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য।

■ **ৰবাৰ্ট লুম্ফে ঃ** লুম্ফেদেৱৰ জন্ম ১৯৬৪ চনৰ ১৫ আগষ্টত। পিতৃ স্বৰ্গীয় চৈ মাচলাই আৰু মাতৃ স্বৰ্গীয়া জচাই লুম্ফে। তেওঁ মেঘালয় শ্বিলঙত অধ্যয়ন কৰি সক্ৰিয়ভাৱে তিৱা জাতীয় আন্দোলনত জড়িত হৈ পৰিছিল। তেওঁ ২০০৬ আৰু ২০০৮-১৩ লৈ দুটা কাৰ্যকাল তিৱা মাথনলাই তথ্রাৰ সাধাৰণ সম্পাদকৰ পদ অলংকৃত কৰিছিল। তেওঁ তিৱা জাতীয় আন্দোলন সন্দৰ্ভত 'খুৰলুৱা নে ফৰ' নামেৰে সংকলন প্ৰকাশ কৰি উলিয়াইছিল।

■ **ড° বিদ্যুৎ বিকাশ সেনাপতি ঃ** সেনাপতিদেৱৰ জন্ম ১৯৭২ চনৰ ২৩ ডিচেম্বৰত নগাঁও জিলাৰ বাৰপূজীয়াত। পিতৃ তিৱা মাথনলাই তথ্রাৰ পূৰ্বৰ সভাপতি প্ৰয়াত গণেশ চন্দ্ৰ সেনাপতি আৰু মাতৃ দময়ন্তী সেনাপতি। ১৯৯৪ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত বি এ আৰু ১৯৯৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম এ ডিগ্ৰী লাভ কৰা সেনাপতি দেৱে ২০১৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। তেখেত বৰ্তমান চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে কৰ্মৰত থকাৰ সমান্তৰালকৈ সাহিত্য আৰু সংস্কৃতিক জগতখনৰ সৈতে জড়িত হৈ আছে। ১৯৯৪ চনৰ পৰা অঁনাতাৰ কেন্দ্ৰত গীত পৰিৱেশন কৰি অহা সেনাপতিদেৱে 'ৰিংচাং', 'পাতিঢোল' নামৰ এলবাম প্ৰস্তুত কৰাৰ লগতে তিৱা জনগোষ্ঠীৰ গদালবৰীয়া গীত আৰু ড° ভূপেন হাজৰিকাৰ কালজয়ী গীতসমূহ তিৱা অনুবাদ কৰি বাণীবদ্ধ কৰি আছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ 'তিৱা সমাজৰ এভুমুকি', তিৱা কবিতা সংকলন 'চ্যাফা', আৰু 'একুঁকি তিৱা গীত আৰু সাধুকথা'। ২০১৩ চনত প্ৰথমবাৰৰ বাবে তথ্রাৰ সাধাৰণ সম্পাদকৰ

তিৱা ভাষাৰ দুৰ্যোগকালত এচাম ভাষাহিতৈষীৰ প্ৰচেষ্টাত ১৯৮০ চনৰ ১৫ নৱেম্বৰত জন্ম হোৱা 'তিৱা ভাষা উন্নয়ন সমিতি'ক মৰিগাঁও জিলাৰ শিলচাং মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত অভিৱৰ্তনৰ জৰিয়তে ১৯৮১ৰ ২৫ জুলাইত তিৱা মাথনলাই তথ্রা ৰূপে প্ৰতিষ্ঠা কৰা হৈছিল। তিৱা ভাষা চৰ্চাৰ আৰম্ভণি হৈছিল ৬০-৭০ দশকত। তিৱা জাতিৰ পিতৃস্বৰূপ ইন্দ্ৰছিং দেউৰী, চিংমন খলাৰ, ইউ ভি জচ, এম বলৱান ইত্যাদি সাহিত্যিকসকলৰ প্ৰচেষ্টাত তিৱা সাহিত্য চৰ্চা আগবাঢ়িছিল। যাক পৰৱৰ্তী সময়ত তিৱা মাথনলাই তথ্রাই নতুন মাত্ৰা প্ৰদান কৰিলে। নতুন নতুন সাহিত্যৰ সৃষ্টিত ইন্ধন যোগালে

# মই বহুতো ব্যতিক্ৰমী প্ৰতিভাক সাক্ষাৎ কৰাৰ সুযোগ পাইছিলোঁ

*প্ৰথম পৃষ্ঠাৰ পৰা...* উদ্যোগীসকল, দেশবাসীলৈ সেৱা আগবঢ়োৱা চিকিৎসক আৰু নাৰ্ছ, ৰাষ্ট্ৰ নিৰ্মাণত নিয়োজিত বিজ্ঞানী আৰু অভিযন্তাসকল, দেশৰ ন্যায়িক ব্যৱস্থালৈ অৱদান আগবঢ়োৱা ন্যায়াধীশ আৰু অধিবক্তাসকল, প্ৰশাসন ব্যৱস্থা সুচাৰুৰূপে পৰিচালনা কৰা অসামৰিক কৰ্মচাৰীসকল, প্ৰতিটো শাখাক উন্নয়নৰ সৈতে সংযোজিত কৰাত সক্ৰিয় আমাৰ সমাজকৰ্মীসকল, ভাৰতীয় সমাজত আধ্যাত্মিকতাৰ প্ৰবাহ বৰ্তাই ৰখা সকলো সম্প্ৰদায়ৰ আচাৰ্য আৰু গুৰুসকল, আপোনালোক সকলোৱে আপোনালোকৰ কৰ্তব্য পালনত মোৰ সৈতে সহযোগিতা কৰিছে। চমুকৈ, মই সমাজৰ সকলো শ্ৰেণীৰ পৰা সম্পূৰ্ণ সমৰ্থন, সহযোগিতা আৰু আশীৰ্বাদ লাভ কৰিছোঁ।

৩. যি সময়ত মই আমাৰ সৈন্যবাহিনী, অৰ্ধসামৰিক বাহিনী আৰু আৰক্ষীৰ সাহসী জোৱানসকলক সাক্ষাৎ কৰিছিলো সেই সকলো মুহূৰ্ত মোৰ মনত বিশেষভাৱে খোদিত হৈ থাকিব। সেই সকলোবোৰত দেশপ্ৰেমৰ এক আশ্চৰ্যকৰ অনুভৱ আছে। মোৰ বিদেশ ভ্ৰমণৰ সময়ত যেতিয়াই মই প্ৰবাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিছিলো, প্ৰতি বাৰেই মই মাতৃভূমিৰ প্ৰতি তেওঁলোকৰ গভীৰ মৰম আৰু আন্তৰিকতা অনুভৱ কৰিছিলো। দেশৰ সৰ্বোচ্চ অসামৰিক বঁটা প্ৰদান অনুষ্ঠানৰ সময়ত মই বহুতো ব্যতিক্ৰমী প্ৰতিভাক সাক্ষাৎ কৰাৰ সুযোগ পাইছিলো। তেওঁলোক সকলোৱে সম্পূৰ্ণ নিষ্ঠা, অটল সমৰ্থন আৰু দৃঢ়তাৰে এখন উন্নত ভাৰত গঢ়ি তোলাত সক্ৰিয় হৈ পৰিছে।

৪. সেইদৰে অনেক দেশবাসীক লগ পোৱাৰ পিছত মোৰ মনত এই বিশ্বাসৰ উদয় হৈছে যে আমাৰ অনুগত নাগৰিকসকলেই হৈছে প্ৰকৃত ৰাষ্ট্ৰ নিৰ্মাতা। আৰু তেওঁলোক সকলোৱে ভাৰতক উন্নত কৰি তুলিবলৈ চেষ্টা কৰি আছে। আমাৰ মহান দেশৰ ভৱিষ্যৎ এনে সকলো নিষ্ঠাৱান দেশবাসীৰ হাতত সুৰক্ষিত।

**মৰমৰ দেশবাসীসকল,**

৫. এই অভিজ্ঞতাবোৰৰ মাজেৰে যাওঁতে মই প্ৰায়ে মোৰ শৈশৱৰ কথা মনলৈ আহে যে কিমান গুৰুত্বপূৰ্ণ ঐতিহাসিক ঘটনাই আমাৰ ব্যক্তিগত জীৱনক প্ৰভাৱিত কৰি আহিছে।

৬. যেতিয়া মোৰ সৰু গাঁওখনত, এটা সাধাৰণ শিশুৰ দৃষ্টিকোণৰ পৰা জীৱনটো বুজিবলৈ চেষ্টা কৰিছিলো তেতিয়া দেশখনে স্বাধীনতা লাভ কৰাৰ মাত্ৰ কেইটামান বছৰহে হৈছিল। দেশখন পুনৰ নিৰ্মাণ কৰাৰ বাবে জনসাধাৰণৰ মাজত এক নতুন উৎসাহৰ সৃষ্টি হৈছিল, তেওঁলোকৰ চকুত নতুন সপোন আছিল। মোৰ হৃদয় আৰু মনত এটা ক্ষীণ কল্পনাই বাস কৰিছিল যে এদিন ময়ো মোৰ দেশৰ সৃষ্টিত অংশগ্ৰহণ কৰিবলৈ সক্ষম হ'ব পাৰোঁ। কেঁচা ঘৰত বাস কৰা পৰিয়ালৰ মোৰ দৰে সাধাৰণ শিশুৰ বাবে, আমাৰ গণৰাজ্যৰ সৰ্বোচ্চ সাংবিধানিক পদৰ বিষয়ে কোনো ধাৰণা থকাটো কল্পনাৰ উৰ্ধ্বৰ আছিল। কিন্তু ভাৰতৰ গণতন্ত্ৰৰ শক্তি এয়াই যে ই প্ৰতিজন নাগৰিকৰ বাবে দেশৰ ভাগ্য গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ পথ মুকলি কৰি দিছে। কানপুৰ দেহাট জিলাৰ পাৰাউংখ গাঁৱৰ এটা অতি সাধাৰণ পৰিয়ালত ডাঙৰ-দীঘল হোৱা ৰামনাথ ক'বিন্দে আজি আপোনালোক সকলো দেশবাসীক সম্বোধন কৰি আছে, যাৰ বাবে মই আমাৰ দেশৰ জীৱন্ত গণতান্ত্ৰিক ব্যৱস্থাৰ শক্তিৰ ওচৰত কোটি কোটি প্ৰণাম জনাইছোঁ।

৭. যিহেতু মই মোৰ গাঁওখনৰ কথা উল্লেখ কৰিছো, মই এইটোও উল্লেখ কৰিব বিচাৰো যে ৰাষ্ট্ৰপতিৰ কাৰ্যকালত মোৰ জন্মভূমিলৈ যোৱা আৰু মোৰ কানপুৰ বিদ্যালয়ৰ প্ৰবীণ শিক্ষকসকলৰ চৰণ স্পৰ্শ কৰি তেওঁলোকৰ আশীৰ্বাদ লোৱাটো সদায় মোৰ জীৱনৰ আটাইতকৈ স্মৰণীয় মুহূৰ্তবোৰৰ ভিতৰত অন্যতম হৈ থাকিব। এই বছৰ প্ৰধানমন্ত্ৰীও মোৰ গাঁও পাৰাউংখলৈ আহিছিল আৰু মোৰ গাঁওখনৰ সন্মান বৃদ্ধি কৰিছিল। নিজৰ শিপাৰ সৈতে সংযুক্ত হৈ থকাটো ভাৰতীয় সংস্কৃতিৰ এটা বিশেষত্ব। মই যুৱ-প্ৰজন্মক তেওঁলোকৰ গাঁও বা চহৰ আৰু তেওঁলোকৰ বিদ্যালয় আৰু শিক্ষকসকলৰ সৈতে সংযুক্ত হৈ থকাৰ এই পৰম্পৰাটো আগবঢ়াই নিবলৈ অনুৰোধ কৰিম।

**মৰমৰ দেশবাসীসকল,**

৮. আজিকালি সকলো দেশবাসীয়ে 'আজাদী কা অমৃত মহোৎসৱ' উদ্‌যাপন কৰি আছে। অহা মাহত আমি সকলোৱে ভাৰতৰ স্বাধীনতাৰ ৭৫সংখ্যক বাৰ্ষিকী উদ্‌যাপন কৰিম। আমি ২৫ বছৰ ম্যাদৰ সেই 'অমৃত কাল'ত প্ৰৱেশ কৰিম যি স্বাধীনতাৰ শতবাৰ্ষিকী বৰ্ষত অৰ্থাৎ ২০৪৭ত সম্পূৰ্ণ হ'ব। এই বিশেষ ঐতিহাসিক বছৰবোৰ আমাৰ গণৰাজ্যৰ প্ৰগতিৰ পথত মাইলৰ খুঁটিৰ দৰে হ'ব। আমাৰ গণতন্ত্ৰৰ এই উন্নয়ন যাত্ৰা হৈছে দেশৰ সোণালী সম্ভাৱনা প্ৰক্ষেপিত কৰি বিশ্ব সম্প্ৰদায়ৰ বাবে এক উন্নত ভাৰত উপস্থাপন কৰাৰ এক যাত্ৰা।

৯. আধুনিক সময়ত, আমাৰ দেশৰ এই গৌৰৱময় যাত্ৰা ব্ৰিটিছ শাসনকালত জাতীয়তাবাদী অনুভূতি জাগৰণ আৰু স্বাধীনতা সংগ্ৰামৰ সৈতে আৰম্ভ হৈছিল। ঊনবিংশ শতিকাত সমগ্ৰ দেশতে দাসত্বৰ বিৰুদ্ধে বহুতো বিদ্ৰোহ হৈছিল। দেশবাসীৰ মাজত নতুন আশা জগাই তোলা এনে বিদ্ৰোহৰ বেছি ভাগ নায়কৰ নাম পাহৰি যোৱা হৈছিল। এতিয়া তেওঁলোকৰ বীৰত্বপূৰ্ণ কাহিনীবোৰ সন্মানৰ সৈতে স্মৰণ কৰা হৈছে। ঊনবিংশ আৰু বিংশ শতিকাৰ আৰম্ভণিৰ শেষৰ বৰ্ষবোৰত নতুন জন-সচেতনতা সঞ্চাৰিত হৈছিল আৰু স্বাধীনতা সংগ্ৰামৰ বহুতো ধাৰা প্ৰবাহিত হৈছিল।

১০. যেতিয়া গান্ধীজী ১৯১৫ চনত স্বদেশলৈ উভতি আহিছিল দেশত জাতীয়তাবাদৰ অনুভূতি প্ৰবল হৈ উঠিছিল। বিংশ শতিকাৰ আৰম্ভণিৰ দশকবোৰত আমাৰ দেশখনে বহুতো মহান লোক নায়কৰ উজ্জ্বল আকাশী-গংগাৰ পোহৰ লাভ কৰিছিল, যি বিশ্ব ইতিহাসত অতুলনীয়। এফালে আধুনিক যুগৰ 'ঋষি'ৰ দৰে গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰে দেশবাসীক আমাৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে পুনৰ সংযোগ কৰি আছিল। আনহাতে, বাবাচাহেব ভীমৰাও আম্বেদকাৰে সমতাৰ আদৰ্শক শক্তিশালীভাৱে উত্থাপন কৰিছিল, যাক অধিকাংশ উন্নত দেশত দেখা নগৈছিল। তিলক আৰু গোখলেৰ পৰা ভগৎ সিং আৰু নেতাজী সুভাষ চন্দ্ৰ বসুলৈকে, জৱাহৰলাল নেহৰু, চৰ্দাৰ পেটেল আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীৰ পৰা সৰোজিনী নাইডু আৰু কমলাদেৱী চট্টোপধ্যায়লৈকে- মানৱতাৰ ইতিহাসত কেৱল এটা লক্ষ্যক লৈ কেৱল ইমানবোৰ ব্যক্তিত্বৰ তৎপৰতা ক'তো দেখা পোৱা নাই।

১১. মোৰ মন-মগজুলৈ আৰু অনেক ব্যক্তিত্বৰ নাম আহিছে, কিন্তু মই ক'ব বিচাৰিছো যে স্বাধীন ভাৰতৰ বিভিন্ন দৃষ্টিভংগীসম্পন্ন বহুতো মহান নেতাই ভাৰতৰ স্বাধীনতাৰ বাবে ত্যাগ আৰু বলিদানৰ আশ্চৰ্যজনক উদাহৰণ দাঙি ধৰিছে। ইয়াত কোনো সন্দেহ নাই যে গান্ধীজীৰ পৰিৱৰ্তনশীল ধাৰণাই স্বাধীনতা সংগ্ৰামৰ ওপৰত সৰ্বাধিক প্ৰভাৱ পেলাইছিল আৰু সেই সময়ছোৱাত তেওঁ দেশবাসীৰ জীৱনধাৰাক এক নতুন দিশ প্ৰদান কৰিছিল।

**ভদ্ৰপুৰুষ তথা ভদ্ৰমহিলাসকল,**

১২. আমি আজি গণতন্ত্ৰৰ যি পথত আগবাঢ়িছো সেই পথ আমাৰ সংবিধান সভাই নিৰ্ধাৰণ কৰিছিল। সেই সভাত সমগ্ৰ দেশক প্ৰতিনিধিত্ব কৰা বহুতো বিশিষ্ট ব্যক্তিৰ ভিতৰত আছিল হংসাবেন মেহতা, দুৰ্গাবাই দেশমুখ, ৰাজকুমাৰী অমৃত কৌৰ আৰু সুচেতা কৃপলানি সহিতে আৰু ১৫গৰাকী মহিলা। সংবিধান সভাৰ সদস্যসকলৰ অমূল্য অৱদানেৰে প্ৰস্তুত কৰা ভাৰতৰ সংবিধান হৈছে আমাৰ প্ৰকাশ গৃহ আৰু ইয়াত সন্নিৱিষ্ট আদৰ্শবোৰ দীৰ্ঘদিন ধৰি ভাৰতীয় জীৱন-মূল্যবোধৰ অংশ হৈ আহিছে।

১৩. সংবিধান গৃহীত হোৱাৰ এদিন আগতে সংবিধান সভাত ড° আম্বেদকাৰে তেওঁৰ সামৰণী বিবৃতিত গণতন্ত্ৰৰ সামাজিক আৰু ৰাজনৈতিক মাত্ৰাৰ মাজৰ পাৰ্থক্য স্পষ্ট কৰিছিল। তেওঁ কৈছিল যে আমি কেৱল ৰাজনৈতিক গণতন্ত্ৰত সন্তুষ্ট হোৱা উচিত নহয়। মই তেওঁৰ বক্তব্য আপোনালোক সকলোৱে সৈতে ভাগ-বতৰা কৰিবলৈ ওলাইছো। তেওঁ কৈছিল, 'আমি আমাৰ ৰাজনৈতিক গণতন্ত্ৰকো সামাজিক গণতন্ত্ৰ হিচাপে গঢ়ি তোলা উচিত। ৰাজনৈতিক গণতন্ত্ৰ সামাজিক গণতন্ত্ৰৰ ওপৰত আধাৰিত নহ'লে জীয়াই থাকিব নোৱাৰে। সামাজিক গণতন্ত্ৰৰ অৰ্থ কি? ইয়াৰ অৰ্থ হৈছে জীৱনৰ পথ যি স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বক জীৱনৰ নীতি হিচাপে স্বীকৃতি দিয়ে। স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বৰ এই নীতিবোৰক এটা ত্ৰিমূৰ্তিৰ পৃথক অংশ হিচাপে প্ৰত্যক্ষ কৰা উচিত নহয়। এই ত্ৰিমূৰ্তিৰ প্ৰকৃত অৰ্থ হ'ল যে ত্ৰিমূৰ্তিৰ যিকোনো এটা অংশ আনটোৰ পৰা পৃথক কৰিলে গণতন্ত্ৰৰ প্ৰকৃত উদ্দেশ্য সমাপ্ত হয়।

**মৰমৰ দেশবাসীসকল,**

১৪. জীৱনৰ মূল্যবোধৰ এই ত্ৰিমূৰ্তি আদৰ্শ-সমৃদ্ধ, উদাৰ আৰু অনুপ্ৰেৰণাদায়ক। এই ত্ৰিমূৰ্তিক এক বিমূৰ্ত ধাৰণা বুলি ভবাটো ভুল হ'ব। কেৱল আধুনিকেই নহয়, আমাৰ প্ৰাচীন ইতিহাসো এই সত্যৰ সাক্ষী যে এই তিনিটা জীৱন-মূল্যবোধ হ'ল আমাৰ জীৱনৰ সত্য, সেইবোৰ প্ৰাপ্ত কৰিব পাৰি, আৰু দৰাচলতে, সেইবোৰ বিভিন্ন যুগত প্ৰাপ্ত কৰাও হৈছে। আমাৰ পূৰ্বপুৰুষ আৰু আমাৰ আধুনিক ৰাষ্ট্ৰ নিৰ্মাতাসকলে তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু সেৱাৰ মনোভাৱৰ জৰিয়তে ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বৰ আদৰ্শ অনুসৰণ কৰিছিল। আমি মাত্ৰ তেওঁলোকৰ পদাংক অনুসৰণ কৰিব লাগিব আৰু আগবাঢ়ি যাব লাগিব।

**মৰমৰ দেশবাসীসকল,**

১৫. প্ৰশ্ন উত্থাপিত হয় যে আজিৰ পৰিপ্ৰেক্ষিতত এজন সাধাৰণ নাগৰিকৰ বাবে এনে আদৰ্শৰ অৰ্থ কি? মই বিশ্বাস কৰোঁ যে সেই আদৰ্শবোৰৰ মূল লক্ষ্য হৈছে সাধাৰণ মানুহৰ বাবে সুখী জীৱনৰ পথ প্ৰশস্ত কৰা। ইয়াৰ বাবে, প্ৰথমতে সাধাৰণ লোকসকলৰ মৌলিক প্ৰয়োজনীয়তা পূৰণ কৰিব লাগিব। এতিয়া আৰু সম্পদৰ কোনো অভাৱ নাই। প্ৰতিটো পৰিয়ালৰ উন্নত আৱাসৰ সুবিধা থাকিব লাগে আৰু খোৱাপানী তথা বিদ্যুতৰ সুবিধা থাকিব লাগে— আমি এই দিশত কাম কৰি আছো। এই পৰিৱৰ্তন কেৱল উন্নয়ন আৰু সু-শাসনৰ বৰ্ধিত গতিৰ জৰিয়তেহে সম্ভৱ হৈছে যি বৈষম্যৰ পৰা সম্পূৰ্ণৰূপে মুক্ত।

১৬. প্ৰাথমিক প্ৰয়োজনীয়তাবোৰ প্ৰদান কৰাৰ পিছত, এয়া নিশ্চিত কৰিব লাগে যাতে প্ৰতিজন নাগৰিকে সুখৰ অৱকাশ বিচাৰিবলৈ নিজৰ সামৰ্থ্য ব্যৱহাৰ কৰে আৰু তেওঁৰ ব্যক্তিগত গুণাগুণৰ সঠিক ব্যৱহাৰ কৰি নিজৰ ভাগ্য গঢ়ি তোলে। শিক্ষা হৈছে এই দিশত আগবাঢ়ি যোৱাৰ মুখ্য উপায়। মই বিশ্বাস কৰোঁ যে 'ৰাষ্ট্ৰীয় শিক্ষা নীতি' যুৱ ভাৰতীয়সকলৰ বাবে তেওঁলোকৰ ঐতিহ্যৰ সৈতে সংযোগ স্থাপন কৰাত আৰু একবিংশ শতিকাত আগবাঢ়ি যোৱাত যথেষ্ট সহায়ক হ'ব। তেওঁলোকৰ বিকাশশীল ভৱিষ্যতৰ বাবে উন্নত স্বাস্থ্য সেৱা অপৰিহাৰ্য। ক'ভিড বিশ্বব্যাপী মহামাৰীয়ে ৰাজহুৱা স্বাস্থ্যসেৱা আন্তঃগাঁথনিৰ অধিক উন্নতিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মই সুখী যে চৰকাৰে এই কামত সৰ্বাধিক অগ্ৰাধিকাৰ দিছে। শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সুবিধা লৈ আমাৰ দেশবাসী সক্ষম হ'ব পাৰে আৰু অৰ্থনৈতিক সংস্কাৰৰ সুবিধা লৈ তেওঁলোকৰ জীৱন গঢ়ি তোলাৰ সৰ্বশ্ৰেষ্ঠ পথ গ্ৰহণ কৰিব পাৰে। আমাৰ দেশখনে একবিংশ শতিকাক ভাৰতৰ শতিকা হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছে, সেয়া মোৰ দৃঢ় বিশ্বাস।

**মৰমৰ দেশবাসীসকল,**

১৭. মোৰ কাৰ্যকালৰ পাঁচ বছৰত মই মোৰ সামৰ্থ্যৰে মোৰ দায়বদ্ধতা পালন কৰিছো। ড° ৰাজেন্দ্ৰ প্ৰসাদ, ড° এছ ৰাধাকৃষ্ণণ আৰু ড° এ পি জে আব্দুল কালামৰ দৰে মহান ব্যক্তিত্বৰ উত্তৰাধিকাৰী হোৱাৰ সুবাদত মই যথেষ্ট সচেতন হৈ আছোঁ। যেতিয়া মই ৰাষ্ট্ৰপতি ভৱনত প্ৰৱেশ কৰিছিলো, মোৰ তেতিয়াৰ পূৰ্বসূৰী শ্ৰীপ্ৰণৱ মুখাৰ্জীয়েও মোক মোৰ কৰ্তব্যৰ বিষয়ে জ্ঞানসমৃদ্ধ পৰামৰ্শ দিছিল। অৱশ্যে যেতিয়াই মোৰ মনত কোনো ধৰণৰ সন্দেহৰ উদ্ৰেক হৈছিল, মই গান্ধীজীৰ পৰামৰ্শৰ মৌলিক মন্ত্ৰৰ আশ্ৰয় লৈছিলো। গান্ধীজীৰ পৰামৰ্শ অনুসৰি, সৰ্বশ্ৰেষ্ঠ নিৰ্দেশক নীতিটো আছিল যে আমি আটাইতকৈ দৰিদ্ৰ মানুহজনৰ মুখখন মনত ৰাখি নিজকে প্ৰশ্ন কৰা উচিত, আমি গ্ৰহণ কৰা পদক্ষেপটো সেই দৰিদ্ৰ লোকজনৰ বাবে সহায়ক হ'বনে? গান্ধীজীৰ নীতিসমূহৰ ওপৰত মোৰ অটল বিশ্বাসৰ কথা দোহাৰি মই আপোনালোক সকলোকে প্ৰতিদিনে, কেইমিনিটমানৰ বাবে গান্ধীজীৰ জীৱন আৰু শিক্ষাৰ বিষয়ে চিন্তা কৰিবলৈ অনুৰোধ কৰিম।

**মৰমৰ দেশবাসীসকল,**

১৮. আমাৰ সকলোৱে বাবে মাতৃৰ দৰে পূজ্য প্ৰকৃতিও গভীৰ বেদনাৰ মাজেৰে অতিক্ৰম কৰি আছে। জলবায়ু পৰিৱৰ্তনৰ সংকটে আমাৰ পৃথিৱীৰ ভৱিষ্যতৰ বাবে এক গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে। আমি আমাৰ সন্তানৰ বাবে আমাৰ পৰিৱেশ, আমাৰ ভূমি, বায়ু আৰু পানী সুৰক্ষিত কৰিব লাগিব। আমাৰ দৈনন্দিন ৰুটিনত আৰু দৈনন্দিন সামগ্ৰী ব্যৱহাৰ কৰোঁতে আমাৰ গছ, নদী, সাগৰ আৰু পৰ্বতৰ লগতে আন সকলো জীৱ-জন্তুৰ সুৰক্ষাৰ বাবে অতি সাৱধান হোৱাটো প্ৰয়োজন। এজন প্ৰথম নাগৰিক হিচাপে যদি মোৰ দেশবাসীক এটা পৰামৰ্শ দিব লগা হয়, তেন্তে মই সেইটোৱেই পৰামৰ্শ দিম।

১৯. মোৰ বক্তব্যৰ সামৰণি মাৰি মই পুনৰ এবাৰ সকলো দেশবাসীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ভাৰত মাতৃক অভিবাদন জনাই মই আপোনালোক সকলোৱে এক উজ্জ্বল ভৱিষ্যতৰ কামনা কৰিছোঁ।

ধন্যবাদ,

**জয় হিন্দ**

## প্ৰথম পৃষ্ঠাৰ পৰা—

## জনজাতিৰ সবলীকৰণৰ

স্বাধীনতাৰ পাছত বেছি ভাগ চৰকাৰে আমাৰ জনজাতীয় গোষ্ঠীসমূহৰ উন্নয়ন আৰু সবলীকৰণৰ বাবে পৰ্যাপ্ত পদক্ষেপ গ্ৰহণ নকৰিলে। তেওঁলোকক ৰাষ্ট্ৰৰ মূলসুঁতিৰ সৈতে সংযোজিত কৰাৰ বাবে কদাপি কোনো পদক্ষেপ লোৱা নহ'ল। আনকি তেওঁলোকক পৰ্যাপ্ত ৰাজনৈতিক প্ৰতিনিধিত্বৰ পৰাও বঞ্চিত কৰি ৰখা হ'ল।

প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বতহে আমাৰ জনজাতীয় সমাজৰ আকাংক্ষা পূৰণৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰা হৈছিল। অটলজীৰ কাৰ্যকালত ১৯৯৯ চনত জনজাতীয় সমাজৰ সবলীকৰণ আৰু বিকাশৰ বাবে এটা সুকীয়া জনজাতি পৰিক্ৰমা মন্ত্ৰণালয় গঠন কৰা হৈছিল। তাৰ পিছতেই ২০০৩ চনত ৮৯সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে অনুসূচিত জনজাতিৰ বাবে ৰাষ্ট্ৰীয় আয়োগ গঠন কৰা হৈছিল। বাজপেয়ী ডাঙৰীয়াই আৰম্ভ কৰা জনজাতীয় সম্প্ৰদায়ৰ ৰূপান্তৰৰ প্ৰক্ৰিয়াটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধিক দৃঢ়তাৰে আৰু সংকল্পবদ্ধতাৰে আগুৱাই লৈ গৈছে।

'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস' নীতিৰ দ্বাৰা পৰিচালিত হৈ মোদী চৰকাৰে জনজাতীয় নাগৰিকসকলৰ প্ৰত্যাশা আৰু আকাংক্ষাসমূহ পূৰণৰ দিশত ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। জনজাতীয় লোকসকলৰ কল্যাণ আৰু অগ্ৰগতিৰ সৈতে জড়িত প্ৰকল্পসমূহৰ বাজেট আবণ্টন যোৱা ৮ বছৰত উল্লেখনীয়ভাৱে বৃদ্ধি কৰা হৈছে। জনজাতীয় উপ-যোজনা (Tribal Sub Plan)ৰ বাজেট ২০১৩-১৪ চনৰ ২১ হাজাৰ কোটি টকাৰ পৰা ২০২১-২২ চনত চাৰিগুণ বৃদ্ধি কৰি ৮৬ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে।

তাৰ ভিতৰত জলজীৱন মিছনৰ অধীনত জনজাতিসকলৰ ১.২৮ কোটি গৃহক নলীযোগে পানী যোগানৰ বাবে সামৰি লোৱাটো উল্লেখযোগ্য। আন কেতবোৰ বিশেষ পদক্ষেপ হৈছে জনজাতিসকলৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩৮ লাখ গৃহ, ১.৪৫ কোটি শৌচাগাৰ আৰু আয়ুষ্মান ভাৰতৰ অধীনত ৮২ লাখ হেল্থ কাৰ্ডৰ ব্যৱস্থা। একেদৰে জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষভাৱে গঢ় দিয়া একলব্য আদৰ্শ বিদ্যালয়ৰ বাজেট ২৭৮ কোটি টকাৰ পৰা ১,৪১৮ কোটি টকালৈ বৃদ্ধিকৰণৰ লগতে জনজাতীয় ছাত্ৰ বৃত্তিৰ পুঁজিৰ ধন ৯৭৮ কোটি টকাৰ পৰা ২,৫৪৬ কোটিলৈ বৃদ্ধি কৰাটো বিশেষভাৱে উল্লেখনীয়। উদ্যমিতা বিকাশৰ অংশ হিচাপে ৩২৭ কোটি টকা ব্যয়সাপেক্ষে ৩,১১০টা বন ধন বিকাশ কেন্দ্ৰ আৰু ৫৩ হাজাৰ বন ধন আত্মসহায়ক গোট স্থাপনেও এই দিশত অন্য এক মাত্ৰা প্ৰদান কৰিছে।

খনিজ সম্পদ খননৰ দ্বাৰা আটাইতকৈ বেছি প্ৰভাৱিত ক্ষেত্ৰবোৰেই হৈছে জনজাতীয় অঞ্চলবোৰ। অথচ এনে খননৰ দ্বাৰা হোৱা আৰ্থিক লাভ কেতিয়াও থলুৱা জনজাতীয় জনসাধাৰণৰ উন্নয়নৰ বাবে ব্যয় কৰা হোৱা নাছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত মোদী চৰকাৰে 'জিলা খনিজ নিধি' (District Mineral Fund) নামেৰে এটা পুঁজি নিৰ্মাণ কৰি খনন কাৰ্যৰ পৰা অৰ্জিত উপাৰ্জনৰ ৩০ শতাংশ পুঁজি জনজাতীয় অঞ্চলৰ উন্নয়নত ব্যয় কৰাৰ ব্যৱস্থা কৰে। এতিয়ালৈকে এই নিধিত ৫৭ হাজাৰ কোটি টকা জমা হৈছে আৰু বিভিন্ন উন্নয়নমূলক কামত এই পুঁজি ব্যৱহাৰ কৰা হৈছে। একেদৰে আমাৰ জনজাতীয় কাৰুশিল্পীসকলৰ দ্বাৰা নিৰ্মিত সামগ্ৰীৰ বিপণনৰ ব্যৱস্থা লোৱা ট্ৰাইফেড পৰিচালিত Tribes Indiaৰ বিপণীৰ সংখ্যা এতিয়া ২৯খনৰ পৰা ১১৬খনলৈ বৃদ্ধি কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনজাতীয়সকলৰ চহকী সংস্কৃতি আৰু পৰম্পৰাক ৰাষ্ট্ৰীয় মঞ্চত প্ৰতিষ্ঠা কৰাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে। জনজাতীয় কলা, সাহিত্য, পৰম্পৰাগত জ্ঞান আৰু দক্ষতাক বিভিন্ন পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। দেশৰ স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰা মহান জনজাতীয় নেতাসকলৰ মহৎ অৱদানক আলোকপাত কৰিবলৈ 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশ হিচাপে দেশব্যাপী ধাৰাবাহিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ভগৱান বীৰচা মুণ্ডাৰ জন্ম-জয়ন্তী অৰ্থাৎ ১৫ নৱেম্বৰৰ দিনটো এতিয়া সমগ্ৰ ৰাষ্ট্ৰই 'জনজাতীয় গৌৰৱ দিৱস' হিচাপে পালন কৰে। সমগ্ৰ দেশতে জনজাতীয় স্বাধীনতা সংগ্ৰামী সংগ্ৰহালয় নিৰ্মাণৰ বাবে মোদী চৰকাৰে ২০০ কোটি টকা ব্যয় সাপেক্ষ আঁচনি ৰূপায়ণ কৰিছে। নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰিবলৈ প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণত প্ৰায়ে মহান জনজাতীয় নেতাসকলৰ কথা উল্লেখ কৰি তেওঁলোকৰ অৱদানৰ বিষয়ে আলোকপাত কৰি আহিছে। এই সকলোবোৰে কেৱল ইয়াকেই প্ৰতীয়মান কৰিছে— কেনেকৈ জনজাতীয় সমাজৰ সন্মান আৰু সবলীকৰণৰ বাবে মোদী চৰকাৰে অক্লান্তভাৱে কাম কৰি আছে।

কাশ্মীৰৰ পৰা উত্তৰ-পূবলৈকে জনজাতীয়সকলৰ এটা বৃহৎ অংশই ভাৰতৰ গ্ৰাম্য মানচিত্ৰক চহকী কৰি ৰাখিছে। এই জনজাতীয় আৱেষ্টনীৰে পৰিপূৰ্ণ ৰাজ্যকেইখন হৈছে বিশেষকৈ ঝাৰখণ্ড, মধ্যপ্ৰদেশ, ছত্তিশগড়, ওড়িশা, ৰাজস্থান আৰু গুজৰাট। স্বাধীনতাৰ পিছত কংগ্ৰেছ দলে জনজাতীয়সকলক নিজৰ ভোট বেংক হিচাপে শোষণ কৰিছিল আৰু উত্তৰ-পূবকে ধৰি জনজাতীয় প্ৰধান বেল্টসমূহক আওকাণ কৰি আহিছিল। প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ লগে লগে নৰেন্দ্ৰ মোদীয়ে অতি আন্তৰিকতাৰে জনজাতীয় অঞ্চলসমূহৰ ৰূপান্তৰৰ কাম আৰম্ভ কৰে। জনজাতীয় প্ৰধান উত্তৰ-পূবৰ বৃদ্ধি আৰু বিকাশৰ বাবে তেওঁ 'এক্ট ইষ্ট নীতি' প্ৰণয়ন কৰে। বিগত ৮ বছৰত উত্তৰ-পূবৰ ৰাজ্যসমূহে ৰাষ্ট্ৰীয় মূলসুঁতিৰ সৈতে একত্ৰিত হৈ ভাৰতৰ বিকাশ আৰু প্ৰগতিৰ অংশীদাৰ হৈ পৰিছে।

দশক দশক ধৰি জনজাতীয় সম্প্ৰদায়ৰ বাবে বৃহত্তম প্ৰত্যাহ্বান হৈ দেখা দিছিল দৰিদ্ৰতা আৰু সামাজিক নিৰাপত্তাহীনতাই। এই ভয় আৰু অনিশ্চয়তাৰ পৰিৱেশত বাঁওপন্থী উগ্ৰপন্থাই জনজাতীয় বেষ্টনীত নিজৰ প্ৰভাৱ বিস্তাৰিত কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলত কেতবোৰ অঞ্চলৰ বিকাশ আৰু উন্নয়ন সম্পূৰ্ণৰূপে ব্যাহত হৈছিল। বাঁওপন্থী উগ্ৰবাদৰ প্ৰতি মোদী চৰকাৰৰ 'শূন্য সহনশীল' নীতিৰ বাবে এনে সন্ত্ৰাসবাদ এতিয়া প্ৰায় নিৰ্মূল হোৱাৰ পথত। আজি জনজাতীয় অঞ্চলসমূহত হিংসা আৰু অস্থিৰতাৰ ঠাই লৈছে উন্নয়ন আৰু শান্তিয়ে।

জনজাতীয় সমাজৰ আৰ্থ-সামাজিক বিকাশ আৰু সবলীকৰণ, তেওঁলোকৰ ৰাজনৈতিক প্ৰতিনিধিত্বক বিজেপিয়ে সদায়ে দলৰ মতাদৰ্শৰ এক অবিচ্ছেদ্য অংগৰূপে গ্ৰহণ কৰি আহিছে। আজি প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰতে দ্ৰৌপদী মুৰ্মু ডাঙৰীয়ানীক প্ৰথমগৰাকী জনজাতীয় মহিলা ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত কৰিছে। এয়া জনজাতীয় ভাই-ভনীসকলৰ সবলীকৰণৰ দিশত প্ৰধানমন্ত্ৰী মোদীৰ দৃঢ় প্ৰত্যয়ৰ এক উজ্জ্বল নিদৰ্শন।

## অসমৰ বিদ্যুৎ অবৈধভাৱে

মৈইৰাকুছি গাঁওৰ ট্ৰেন্সফাৰ্মাৰৰ পৰা মেঘালয় ৰাজ্যৰ পশ্চিম গাৰো পাহাৰ জিলাৰ নামা বুঢ়ীৰঝাৰ গাঁৱত বিদ্যুৎ যোগান ধৰিছে বুলি সাংবাদিকৰ কেমেৰাৰ সন্মুখত মন্তব্য প্ৰকাশ কৰে স্থানীয় ৰাইজে। লগতে মোটা অংকৰ ধনৰ বিনিময়ত বিদ্যুৎ যোগান ধৰিছে বুলিও কেমেৰাৰ আগত ভাষ্য প্ৰদান কৰে স্থানীয় লোকসকলে। অতি সোনকালে বিদ্যুৎ বিভাগে তদন্ত কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দাবী জনাইছে স্থানীয় ৰাইজে। কাণসাৰ দিব নে লক্ষীপুৰ বিদ্যুৎ উপ-সংমণ্ডলৰ বিষয়াসকলে সেৱা হ'ব পৰৱৰ্তী সময়ত লক্ষণীয়।

## ৰাজধানী দিল্লী আহি পালেহি

মাংকী পক্স। দিল্লীত এজন লোক মাংকী পক্সত সংক্ৰমিত হোৱাৰ পিছত মুঠ ৰোগীৰ সংখ্যা ৪জনলৈ বৃদ্ধি পাইছে। দিল্লীত হোৱা সংক্ৰমণৰ ঘটনাটো দেশৰ চতুৰ্থটো সংক্ৰমণৰ ঘটনা। ভাৰতৰ কেৰালাত প্ৰথমে মাংকী পক্স ধৰা পৰিছিল। কেৰালাত আৰৱ আমিৰাতৰ পৰা ভ্ৰমণ কৰি অহা এজন ব্যক্তিৰ গাত ধৰা পৰিছিল সংক্ৰমণ। তাৎপৰ্যপূৰ্ণভাৱে, ৰাজধানী দিল্লীত যিজন ব্যক্তিৰ শৰীৰত মাংকী পক্সৰ ভাইৰাছ ধৰা পৰিছে তেওঁৰ কোনো শেহতীয়া বিদেশ ভ্ৰমণৰ ইতিহাস নাই। ৩১ বছৰীয়া ৰোগীজনক লগে লগে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এইটো ভাৰতৰ চতুৰ্থটো মাংকী পক্স সংক্ৰমণৰ ঘটনা। ইয়াৰ পূৰ্বে তিনিওটা সংক্ৰমণৰ ঘটনা কেৰালাত ধৰা পৰিছিল। শনিবাৰে বিশ্ব স্বাস্থ্য সংস্থাই মাংকী পক্সক 'বিশ্ব স্বাস্থ্য জৰুৰীকালীন অৱস্থা' বুলি ঘোষণা কৰে। তথ্য অনুসৰি, বিশ্বৰ ৭৫খন দেশত ১৭,০০০ লোক মাংকী পক্সত আক্ৰান্ত হোৱাৰ খবৰ পোৱা গৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মুৰব্বী টেড্ৰোছ অধানম ঘেব্ৰিয়াচাছে কয় যে মাংকী পক্স ইতিমধ্যে আহিবলগীয়া দিনবোৰত আতংক হিচাপে বৃহৎ আকাৰ ধাৰণ কৰিবলৈ আগবাঢ়িছে। ৰাষ্ট্ৰসংঘৰ স্বাস্থ্য সংস্থাটোৱেও এই বিষয়ে উদ্বেগ প্ৰকাশ কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ দক্ষিণ-পূব এছিয়াৰ মুৰব্বী পুনম ক্ষেত্ৰপাল সিঙে কয় যে ইতিমধ্যে যিবোৰ জনগোষ্ঠী মাংকী পক্স বা এনে ৰোগৰ দ্বাৰা আক্ৰান্ত তাত পৰিকল্পিতভাৱে নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰিলে নিয়ন্ত্ৰণত ৰাখিব পৰা যাব। বিশ্বৰ বিভিন্ন দেশত অত্যন্ত সংক্ৰামক মাংকী পক্স দ্ৰুতগতিত বিয়পিছে। কেইদিনমান পূৰ্বে বিশ্ব স্বাস্থ্য সংস্থাই সতৰ্ক কৰি দিছিল যে এতিয়াই সাৱধান নহ'লে মাংকী পক্সে কৰ'নাৰ দৰে এক ভয়ংকৰ ৰূপ ল'ব পাৰে। ইয়াকে লৈ বিশ্ব স্বাস্থ্য সংস্থাই এইবাৰ জৰুৰীকালীন অৱস্থা (Global Health Emergency) ঘোষণা কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ হৈ সংগঠনটোৰ মুৰব্বী টেড্ৰোছ অধানম ঘেব্ৰিয়াচাছে কয়, 'মাংকী পক্সে' সমগ্ৰ বিশ্বতে উদ্বেগ বৃদ্ধি কৰিছে। এইবাৰ ইয়াক লৈ স্বাস্থ্য ক্ষেত্ৰত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হ'ল।' এতিয়ালৈকে বিশ্বৰ ৭৫খন দেশত ১৬,০০০ লোক এই ৰোগত আক্ৰান্ত হৈছে। পাঁচজন লোকৰ মৃত্যু হৈছে। মৃত্যুৰ সংখ্যা কম যদিও মাংকী পক্সৰ সংক্ৰমণ ক্ষমতাই আশংকা বৃদ্ধি কৰিছে। মাংকী পক্স ভাইৰাছত আক্ৰান্ত লোকৰ লক্ষণবোৰৰ ভিতৰত আছে জ্বৰ, মূৰৰ বিষ, পিঠি আৰু ডিঙিত বিষ, খজুৱতি, অৱসাদ আৰু গোটেই শৰীৰত দাগ। প্ৰথমতে চিকিৎসকসকলে এই ৰোগটো 'ড্ৰপলেট'ৰ জৰিয়তে বিয়পা বুলি ভাবিছিল। তেনে ক্ষেত্ৰত, শ্বাসনলী, ঘা, নাক, মুখ বা চকুৰ মাজেৰে এজন ব্যক্তিৰ শৰীৰত মাংকী পক্স ভাইৰাছ প্ৰৱেশ কৰে। অৱশ্যে এতিয়া চিকিৎসকসকলে ধাৰণা কৰে যে ভাইৰাছটো যৌন সম্পৰ্কৰ জৰিয়তেও বিয়পিব পাৰে।

## ভাৰতৰ নীৰজ চোপ্ৰাৰ ৰূপ

ৰূপৰ পদক লাভ কৰি আন এক গৌৰৱময় সফলতা লাভ কৰিছে। চোপ্ৰাই আজি বিশ্ব এথলীট চেম্পিয়নশ্বিপত ৮৮.১৩ মিটাৰ জেভলিন দলিয়াই ৰূপৰ পদক অৰ্জন কৰে। উল্লেখ্য, যোৱা ১৯ বছৰৰ অপেক্ষাৰ পাছত বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতীয় এথলিটে পদক লাভ কৰি বলৈ সক্ষম হ'ল। আজি নীৰজে তেওঁৰ চতুৰ্থ থ্ৰ'ত ৰূপৰ পদক নিশ্চিত কৰি অনন্য সফলতা লাভ কৰে। প্ৰতিযোগিতাত গ্ৰানাডাৰ এণ্ডাৰচন পিটাৰ্ছে ৯০.৫৪ মিটাৰ থ্ৰ'ৰে স্বৰ্ণ জয় কৰিছে। আনহাতে, চেক তাৰকা জাকুবে ৮০.০৯ মিটাৰ থ্ৰ'ৰে ব্ৰঞ্জ লাভ কৰিছে। খেল আৰম্ভ হোৱাত নীৰজ চোপ্ৰাই প্ৰথম থ্ৰ'টো ফাউল কৰিছিল। দ্বিতীয় আৰু তৃতীয় থ্ৰ' ক্ৰমান্বয়ে ৮২.৩৯ মিটাৰ আৰু ৮৬.৩৭ মিটাৰত গৈছিল। চতুৰ্থ থ্ৰ'ত ভাৰতীয় জেভলিন তাৰকাগৰাকীয়ে ৰূপৰ পদক নিশ্চিত কৰিবলৈ সক্ষম হয়। তেওঁ ৮৮.১৩ মিটাৰ দূৰত্বলৈ জেভলিন দলিয়াই এই পদক লাভ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ২০০৩ত ভাৰতৰ হৈ শেষবাৰৰ বাবে লং জাম্পাৰ অঞ্জু ববি জৰ্জে মেলবৰ্ণত অনুষ্ঠিত বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক জিকিছিল। ভাৰতীয় খেলুৱৈ হিচাপে প্ৰথমবাৰৰ বাবে ৬.৭০ মিটাৰ জঁপিয়াই তেওঁ উক্ত প্ৰতিযোগিতাত পদক অৰ্জন কৰিছিল। তাৰ পিছত ১৯ বছৰ ধৰি আন কোনো ভাৰতীয় খেলুৱৈয়ে উক্ত প্ৰতিযোগিতাত পদকৰ মুখ দেখা নাছিল। এইবাৰ সেই স্থবিৰতা ভংগ কৰিলে নিৰজে। ইফালে, পুত্ৰই ৰূপ জয় কৰাৰ পিছতে আনন্দিত হৈ পৰা নিৰজৰ মাতৃ সৰোজ দেৱীয়ে কয়— 'কঠোৰ পৰিশ্ৰমৰ ফল লাভ কৰিছে। মই জানিছিলো যে তেওঁ পদক জয় কৰিব।' ইফালে, নীৰজক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় আইন মন্ত্ৰী কিৰেন ৰিজিজু, ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰে অভিনন্দন জনাইছে।

## অসমীয়া সাহিত্যত 'বহুৰূপী'ৰ

উত্তোলনৰ পাছতেই পাৰ চৰাই, বেলুন উৰুৱা আৰু গছপুলি ৰোপণ কাৰ্যসূচীত ৭৫ বছৰ বয়সীয়া সাহিত্যিকগৰাকীৰ লগতে উপস্থিত থাকে চুলুং আৰক্ষী টহলদাৰী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল দেৱনাথ। কলিয়াবৰৰ চুলুঙৰ গ্ৰীন আছিয়ানা পেলেচত আয়োজিত ওপজা দিনত জনপ্ৰিয় উপন্যাস 'জুলু'ৰ বেটুপাত অংকিত কেক কাটি বিভিন্নজনৰ শুভেচ্ছা গ্ৰহণ কৰে জনপ্ৰিয় সাহিত্যিকগৰাকীয়ে। ওপজা দিনত অতীত সুঁৱৰি স্মৃতিকাতৰ হৈ পৰে জীৱনৰ ৭৫টা বৰ্ষ অতিক্ৰম কৰি বৰ্ণিল অভিজ্ঞতা অৰ্জন কৰা সাহিত্যিকগৰাকী। বিভিন্নজনৰ উমাল আদৰণি, শুভেচ্ছা গ্ৰহণ কৰি আহ্লাদিত হৈ পৰা ৰঞ্জু হাজৰিকাই ভাষণ প্ৰসংগত কয়— ১৫ বছৰ বয়সৰ পৰা ৭৫ বছৰ বয়সলৈকে নিৰবচ্ছিন্নভাৱে ৬০ বছৰ ধৰি সৃষ্টি-সাধনত ব্ৰতী হৈ আজি এনে মধুৰ সন্ধিক্ষণত এনেদৰে আহি উপস্থিত হ'ম বুলি ভবাই নাছিলো। লগতে তেওঁ তেওঁৰ সৃষ্টিৰাজিক লৈ পৃথকে পৃথকে চাৰিখনকৈ সাহিত্য সংকলন প্ৰকাশ হোৱাটো গৌৰৱৰ বিষয় বুলি মন্তব্য কৰে। দিনজোৱা অনুষ্ঠানত ৰঞ্জু হাজৰিকাই জীৱনৰ ৭৫টা বছৰ অতিক্ৰম কৰি অসমীয়া পাঠক ৰাইজৰ অভূতপূৰ্ব সমাদৰ লাভ অতন্ত্য সুখী অনুভৱ কৰা লগতে অনাগত দিনত সাহিত্য সৃষ্টি কৰি যোৱাৰ লক্ষ্যৰ বিষয়ে অৱগত কৰে। লগতে কলিয়াবৰত পিতৃগৃহ সোণাৰি গাঁৱৰ পঢ়া কালৰ স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানত অধ্যাপক ড° দিলীপ বৰা, ড° চাৰু চহৰীয়া নাথকে ধৰি ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ভাষণ প্ৰসংগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ বৰাই ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাৰ সৃষ্টি-কৰ্মৰাজি আলোকপাত কৰি কয়— ৰহস্য সাহিত্যৰ উচিত মূল্যায়ন আজিও হৈ উঠা নাই। মাথোঁ কিতাপ লিখিয়েই জীৱন নিৰ্বাহ কৰাটো কিমান কঠিন সেয়া সহজেই অনুমেয়। ৰঞ্জুদা ভাৰতবৰ্ষৰ ভিতৰতে একমাত্ৰ ব্যক্তি, যিগৰাকী ব্যক্তিয়ে ৭৫০খন কিতাপ লিখি উলিয়াবলৈ সক্ষম হৈছে। তথাপি সাহিত্যৰ ক্ষেত্ৰখনত তেখেতক একাষৰীয়াকৈ থোৱা যেন অনুভৱ হয়। বিভিন্ন বঁটা লাভ অথবা সাহিত্য সভাৰ সভাপতি হোৱাটো ডাঙৰ কথা নহয় বৰঞ্চ মানুহৰ অন্তৰত স্থান পোৱাটোহে ডাঙৰ কথা। চিত্ৰকল্প নিৰ্মাণ, কাহিনী নিৰ্মাণৰ দক্ষতা, শব্দৰ খেলা যাদুৰে ৰঞ্জুদাই অসমৰ জনসাধাৰণৰ আত্মাত যিধৰণে নিগাজী স্থান দখল কৰিলে সেয়া অতুলনীয়। লগতে তেওঁ ৰঞ্জু হাজৰিকাৰ ৰচনাসম্ভাৰৰ বিষয়ে একাডেমিক গৱেষণাৰ প্ৰয়োজন আছে বুলি সদৰী কৰে। সভাত তেজপুৰ মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা অসম লেখিকা সমাৰোহৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথে ৰহস্য সাহিত্যিকগৰাকীৰ ৰচনা সৃষ্টিৰাজি আলোকপাত কৰি কয়— তেখেতৰ সাহিত্যত বিশাল ব্যক্তিত্ব, সততা, স্বাধীনতা আদি বিভিন্ন দিশ বিচাৰি পোৱা যায়। প্ৰকৃততে বিশ্ববিদ্যালয়- মহাবিদ্যালয়সমূহত তেওঁৰ ৰচনা,সৃষ্টিৰাজি গৱেষণা হ'লেহে তেখেতৰ প্ৰতি উচিত মূল্যায়ন কৰা হ'ব বুলি মন্তব্য কৰে। লগতে তেওঁ ৰঞ্জু হাজৰিকা শীৰ্ষক এখন অভিনন্দন গ্ৰন্থ প্ৰকাশৰো গুৰুত্ব প্ৰদান কৰে। ৭৫০খনতকৈয়ো অধিক অসমীয়া গ্ৰন্থ ৰচনাৰ এক বৰ্ণিল ইতিহাসৰ স্বাক্ষৰ বহনকাৰী ৰহস্য সাহিত্যিকগৰাকীৰ ২৪ জুলাইত জন্ম দিৱসৰ আজিৰ অনুষ্ঠানতে ইতিপূৰ্বে অনুষ্ঠিত সদৌ অসম ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সংগীত ক্ষেত্ৰত দীক্ষু শৰ্মা, প্ৰিয়ংকা ভৰালী, সাহিত্য ক্ষেত্ৰত নিতুল চাংমাই, লেখক-সাহিত্যিক মাধুৰ্যমণ্ডিত বৰুৱা, ভাস্কৰ্য শিল্পী মঞ্জিত বৰুৱা, অভিনয়ৰ ক্ষেত্ৰত কেনী বসুমতাৰী, মনিকাঞ্চন কোঁৱৰ আৰু শিশুশিল্পী নয়নমণি মুৰাক প্ৰদান কৰা হয় ৰঞ্জু হাজৰিকা বৰেণ্য বঁটা। অসমৰ সংগীত জগতৰ সৰ্বাধিক জনপ্ৰিয় গায়ক জুবিন গাৰ্গ আৰু তেওঁৰ পত্নী গৰিমা গাৰ্গ অনুষ্ঠানত উপস্থিত থকাৰ কথা আছিল যদিও অসুস্থতাৰ বাবে উপস্থিত থাকিব নোৱাৰিলে। অসমৰ প্ৰতিগৰাকী পাঠকৰ মনত ঠাই লোৱা সাহিত্যিকগৰাকীৰ জন্ম দিৱসত আয়োজক গ্ৰীন আছিয়ানা ৰেলফেয়াৰ ফাউণ্ডেচনৰ সঞ্চালক ড° কিশোৰ হাজৰিকাই সভাৰ প্ৰাৰম্ভতে সাহিত্যিকগৰাকীৰ পৰিচয় দাঙি ধৰি কয় যে, বঁটা-বাহন বা অসমীয়া সাহিত্য অনুষ্ঠান বা অন্যান্য সাহিত্যিক-বুদ্ধিজীৱীয়ে ৰঞ্জু হাজৰিকাই ৰচনা কৰা কল্প-বিজ্ঞান আৰু ৰহস্য সাহিত্যক স্বীকৃতি দিব নুখুজিলেও অসমীয়া পাঠক সমাজে ৰঞ্জু হাজৰিকাৰ সাহিত্য সৃষ্টিক উচিত মৰ্যাদা দিছে। সভাৰখনৰ আঁত ধৰে ফাউণ্ডেচনৰ আনগৰাকী সঞ্চালক স্নিগ্ধাজ্যোতি গোস্বামীয়ে। সভাত বিশ্বনাথ চাৰিআলি তথা কলিয়াবৰৰ কুশলীসকলে বৰগীত, সত্ৰীয়া নৃত্য, ঝুমুইৰ নৃত্য, নেপালী নৃত্য তথা গীত পৰিৱেশন কৰি অভ্যাগতসকলক আপ্লুত কৰে। দুপৰীয়া ৰঞ্জু হাজৰিকাৰ দ্বাৰা ৰচিত গ্ৰন্থ, তেওঁ লিখা কলম আদি সংগৃহীত বস্তুৰ প্ৰদৰ্শনীৰ মুকলি কৰাৰ পাছতে বন্তি প্ৰজ্বলনেৰে মঞ্চ মুকলি কৰে কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃণ্ময় দাসে। উল্লেখ্য, ৰঞ্জু হাজৰিকা নামেৰে অসমীয়া সাহিত্য জগতত খ্যাতি লাভ কৰা অবিসম্বাদী সাহিত্যিকগৰাকীৰ প্ৰকৃত নাম কুমুদ চন্দ্ৰ হাজৰিকা। বৰ্তমানৰ বিশ্বনাথ জিলাৰ মোনাবাৰী চাহ বাগিচাত ১৯৪৭ চনৰ আজিৰ তাৰিখতে জন্মগ্ৰহণ কৰা হাজৰিকাই শৈশৱকাল কলিয়াবৰত পাৰ কৰে। মূলতঃ ভৌতিক আৰু থ্ৰিলাৰ কাহিনীৰ বাবে জনাজাত হাজৰিকাই কল্পবিজ্ঞান, সামাজিক, শিশু সাহিত্য, অভিযানমূলক, জ্যোতিষ আদি বিষয়তো বহু গ্ৰন্থ লিখি উলিয়াইছে। ১৯৭৩ চনত প্ৰথম উপন্যাস প্ৰকাশ কৰাৰে পৰা বৰ্তমানলৈ তেখেতৰ প্ৰায় ৭৫০খন গ্ৰন্থ প্ৰকাশ পাইছে। ৰঞ্জু হাজৰিকাই লাভ কৰা উল্লেখযোগ্য বঁটা তথা সন্মানসমূহৰ ভিতৰত ৰহস্য সম্ৰাট (২০০৮), প্ৰেৰণা বঁটা (২০০৮), সাহিত্য বঁটা (২০১১), অসম চৰকাৰৰ সাহিত্যিক পেন্সন (২০২১) আদিয়েই প্ৰধান।

### মঞ্চত 'পাহি মেলি অহা ৰঙৰ' 'সেউজীয়া গাড়ী'ত উঠি তাহানিৰ সেউজীয়া সোণালী শৈশৱলৈ উভতাই নিলে এদল শিশুৱে

### কলিয়াবৰত গৰমৰ বন্ধত এদল কণ কণ শিশুৰ নাট মঞ্চস্থৰে হাটবৰত যৱনিকা পৰিল শিশু নাট কৰ্মশালাৰ

দুবছৰীয়া ক'ভিড পৰিস্থিতিৰ অন্তত এইবেলি কলিয়াবৰৰ অন্যতম পুৰণি কলা-সাংস্কৃতিক অনুষ্ঠান হাটবৰ কেন্দ্ৰীয় নাট্য সমাজে ধাৰাবাহিকতা ৰক্ষা কৰি আয়োজন কৰা শিশু নাট কৰ্মশালাৰ সামৰণী অনুষ্ঠানত এদল শিশুৰ নাট্যাভিনয়ত মুগ্ধ হ'ল দৰ্শক। কলিয়াবৰৰ ভিন্ন স্থানৰ মুঠ ৫৪গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা তথা কলিয়াবৰৰ কেইবাগৰাকীও অভিজ্ঞ প্ৰশিক্ষকে এই কৰ্মশালাত নাটকৰ 'অ আ-ক খ'ৰ জ্ঞান দিছিল কণ কণ শিশুসকলক। ৫ জুলাইৰ পৰা অনুষ্ঠিত হোৱা শিশু নাট কৰ্মশালাত বিশিষ্ট নাট্যকাৰ ভূপেন্দ্ৰনাথ হাজৰিকাৰ লগতে স্থানীয় উদীয়মান প্ৰশিক্ষিত নাট্যকৰ্মী প্ৰাঞ্জল মহন্ত, সঞ্জীৱ শইকীয়া, ঝুনাকংকন ভূএঞা, পল্লৱপ্ৰাণ গোস্বমী, ৰূপজ্যোতি গোস্বামীসহ ভালেকেইগৰাকী প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰে। শনিবাৰে নিশা নাট কৰ্মশালাৰ সামৰণী অনুষ্ঠানত কৰ্মশালাৰ শিশুসকলৰ দ্বাৰা তিনিখন নাট মঞ্চায়নেৰে এই শিশুনাট কৰ্মশালাৰ অন্ত পৰে। অন্তিম দিনা শনিবাৰে নিশা নাটকৰ কৰ্মশালাৰ অন্তত শিশুসকলে মঞ্চস্থ কৰে তিনিখনকৈ নাটক— অভং ৰজাৰ জ্ঞান লাভ, ৰচনা-পৰিচালনা পল্লৱপ্ৰাণ গোস্বামী, ৰং আহে পাহি মেলি, পৰিচালনা ঝুনাকংকন ভূএঞা আৰু সেউজীয়া গাড়ী পৰিচালনা প্ৰাঞ্জল মহন্ত। উল্লেখ্য যে, শিশুৰ আনুষ্ঠানিক শিক্ষাৰ লগতে মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনো আজিৰ প্ৰতিযোগিতামূলক জগতত অতিকৈ প্ৰয়োজন। সেই উদ্দেশ্যে আজিৰ শিশুসকলক পঢ়া-শুনাৰ লগতে শাৰীৰিক আৰু মানসিক উৎকৰ্ষৰ বাবে অভিভাৱকসকলে ক্ৰীড়াৰ লগতে পৰিৱেশ্য কলাসমূহতো পাকৈত কৰি তুলিব বিচাৰে। বিদ্যালয়ৰ গতানুগতিক জীৱনৰ পৰা মুক্ত হৈ এমহীয়া গৰমৰ বন্ধতে শিশুসকলে এনে ধৰণৰ শিক্ষা গ্ৰহণৰ সুবিধা লাভ কৰে। এইক্ষেত্ৰত শিশুৰ ব্যক্তিত্ব গঠনত শিশুনাট কৰ্মশালাসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। বিগত সময়ছোৱাত বিদ্যালয়ৰ গৰমৰ বন্ধৰ সময়তে কলিয়াবৰৰ কেইবাটাও সাংস্কৃতিক অনুষ্ঠানে শিশুনাট কৰ্মশালা আয়োজন কৰি আহিছে। কলিয়াবৰৰ অন্যতম পুৰণি কলা-সাংস্কৃতিক অনুষ্ঠান হাটবৰ নাট্য সমাজে আয়োজন কৰা শিশু নাটৰ মঞ্চায়নে প্ৰেক্ষাগৃহত উপস্থিত থকা দৰ্শকক মুগ্ধ কৰাৰ লগতে অভিভাৱক তথা জ্যেষ্ঠসকলক পুনৰ শৈশৱলৈ ওভতাই নিয়ে। বৰ্তমানৰ শিশুসকলে তাহানিৰ জ্যেষ্ঠসকলে লাভ কৰা সেউজীয়া শৈশৱৰ সোণালী দিনবোৰ ঘূৰাই দিবলৈ কৰা আকুল আহ্বানে মূক কৰি তোলে জ্যেষ্ঠ দৰ্শকসকলক।

## ঘগ্ৰাপাৰৰ থানাৰ সন্মুখত

ৰয় উপস্থিত হৈ শিশুটি উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ আহে। ইতিমধ্যে ঘগ্ৰাপাৰ আৰক্ষীয়ে ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত শিশুটিক ভৰ্তি কৰায়। প্ৰাথমিক চিকিৎসা কৰাৰ পিছত ডাক্তৰে বৰ্তমানে শিশুটি সম্পূৰ্ণ সুস্থ আছে বুলি জনায়। নিষ্পাপ শিশুটি ঘগ্ৰাপাৰ থানাৰ সন্মুখত কোনো দুৰ্বৃত্তই অপহৰণ কৰি পেলাই থৈ গ'ল নে কোনো পাষণ পিতৃ-মাতৃয়ে কিহৰ বাবে এনেদৰে পেলাই থৈ গ'ল সেয়া সম্প্ৰতি ৰহস্যৰ আৱৰ্তত আছে। ইতিমধ্যে ঘগ্ৰাপাৰ আৰক্ষীয়ে শিশুটিক থানাতে ৰাখি ঘটনা সন্দৰ্ভত অভিযান অব্যাহত ৰাখিছে বুলি ঘগ্ৰাপাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দন ডেকাই জানিবলৈ দিয়ে। আনহাতে, এই ঘটনা সংঘটিত হোৱা কিছু ঘণ্টাৰ পিছতে দেৰ শিশুটিৰ পৰিচয় উদ্ধাৰ হয়। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ চৈয়দ আলী চৰৰ অপহৃত শিশুটোৱেই আছিল ঘগ্ৰাপাৰত উদ্ধাৰ হোৱা দেৰ শিশুটো। উদ্ধাৰ হোৱা শিশুটোৰ পিতৃ-মাতৃয়ে নলবাৰী চিভিল হাস্পতাললৈ আহি চিনাক্ত কৰে শিশুটিক।

## যুদ্ধক্ষেত্ৰ এলেকাত ৰাইজে

ৰণক্ষেত্ৰত এটি স্মৃতিসৌধ নিৰ্মাণৰ বাবে এক বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰে। আজি কামৰূপ জিলাৰ দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঞ্চায়ত দুখনৰ গাঁও প্ৰধান, পঞ্চায়তৰ সভাপতিৰ লগতে দদৰা, দলিবাৰী, আজ্ঞাঠুৰী, শিঙিমাৰী, বৰগাঁও, কেতেকীঝাৰ আৰু বঙলাগড় অঞ্চলৰ বিশিষ্ট নাগৰিকৰ উপস্থিতিত হোৱা এক বিৰাট ৰাজহুৱা সভাত সৰ্বসন্মতিক্ৰমে এই সিদ্ধান্ত লয়। দলিবাৰী গাঁৱৰ জ্যেষ্ঠ নাগৰিক অমৃত চন্দ্ৰ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত উক্ত ৰাজহুৱা সভাত ভাষণ দি শৰাইঘাট জাৰ্ণেলিষ্ট ফৰামৰ সম্পাদক মধুসূদন মেধিয়ে কয় যে আলাবৈ পাহাৰৰ সমীপত ৰামসিংহৰ নেতৃত্বত অহা মোগল সেনাই কোঠ পাতিছিল যদিও প্ৰকৃত যুদ্ধখন আলাবৈ পাহাৰৰ দক্ষিণে থকা দলিবাৰী পথাৰক কেন্দ্ৰ কৰি বৃহৎ সমতল ভূমিত সংঘটিত হৈছিল। অৰ্থাৎ দদৰা, দলিবাৰী, শিঙিমাৰী, আজ্ঞাঠুৰী, বৰগাঁও, বঙলাগড়, কেতেকীঝাৰকে ধৰি তেতিয়াৰ ব্ৰহ্মপুত্ৰৰ পাৰলৈকে এই যুদ্ধক্ষেত্ৰ বিস্তৃত হৈ আছিল। তেওঁ কয় যে অসমীয়া সৈন্যই যি ঠাইত আত্মবলিদান দিছিল, তাতেই আলাবৈ ৰণৰ স্মৃতিসৌধ নিৰ্মাণ কৰাটো নীতিগত কথা। তেওঁ আৰু কয় যে আলাবৈ ৰণৰ ইতিহাস বিকৃত নকৰিবলৈ হ'লে আলাবৈ পাহাৰৰ দক্ষিণ ফালৰ এই উল্লিখিত এলেকাতেই স্মৃতিসৌধ নিৰ্মাণ কৰিব লাগিব। সভাত ভাষণ দি বিশিষ্ট কবি-লেখক শংকৰ শইকীয়াই কয় যে আলাবৈ ৰণ ক'ত হৈছিল তাক প্ৰায় সকলোবোৰ অসম বুৰঞ্জীতেই স্পষ্টকৈ উল্লেখ আছে। গতিকে আলাবৈ পাহাৰৰ দাঁতিত আলাবৈ ৰণৰ কিবা স্মাৰক স্থাপন কৰাক লৈ বিৰোধিতা নকৰিও এটা কথা ক'ব লাগিব যে ৰণত নিহত অসমীয়া সেনাৰ শ্ৰদ্ধাঞ্জলি সৌধ আলাবৈ পাহাৰৰ দক্ষিণে থকা অঞ্চলত স্থাপন কৰাটোহে ইতিহাসসন্মত। নহ'লে আলাবৈ ৰণৰ ইতিহাস বিকৃত হ'ব বুলিও তেওঁ সকীয়াই দিয়ে। সভাত ভাষণ দি শৰাইঘাট জাৰ্ণেলিষ্ট ফৰামৰ সভাপতি পৰেশ বৈশ্যই কয় যে আলাবৈ ৰণ আছিল দিল্লীৰ বাদশ্বাহৰ সাম্ৰাজ্যবাদী আগ্ৰাসনৰ বিৰুদ্ধে অসমীয়াৰ দেশ ৰক্ষাৰ যুঁজ। এই যুঁজত পৰাজয়ৰ শিক্ষাই আছিল ঐতিহাসিক শৰাইঘাটৰ ৰণৰ সফলতাৰ শক্তি। এনে এখন ৰণত যি দহ হাজাৰ অসমীয়া বীৰে আত্মবলিদান দিলে তেওঁলোকক অসমীয়াই সদায় শ্ৰদ্ধাৰে সোঁৱৰণ কৰা উচিত। সভাত 'আলাবৈ ৰণক্ষেত্ৰ আঞ্চলিক সংৰক্ষণ সমিতি' নামৰ এটি সংগঠনৰ জন্ম দি অমৃত চন্দ্ৰ বৈশ্যক সভাপতি আৰু মাণিক দাসক সম্পাদক হিচাপে লৈ এখন ৫১জনীয়া সমিতি গঠন কৰা হয়। এই সমিতিয়ে অহা ৫ আগষ্টত আলাবৈ ৰণৰ শ্বহীদৰ স্মৃতিচাৰণ অনুষ্ঠান ৰণক্ষেত্ৰত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লয় আৰু সেইদিনাই প্ৰস্তাৱিত স্মৃতিসৌধৰ আধাৰশিলা স্থাপন কৰিবলৈ সিদ্ধান্ত লয়। সভাই এই আধাৰশিলা বৰগাঁও-কেতেকীঝাৰ অঞ্চলৰ এঠাইত সদ্যহতে স্থাপন কৰি অচিৰেই ইয়াৰ নিকটৱৰ্তী এলেকাত স্থায়ী সৌধ নিৰ্মাণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব। সমিতিয়ে আঞ্চলিক ৰাইজৰ এই সিদ্ধান্তৰ কথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰিবলৈ তেওঁৰ সাক্ষাৎ বিচাৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আজিৰ সভাই বিষয়টোত ভাৰতীয় ইতিহাস সংকলন সমিতিৰ অসম শাখাৰ লগতো আলোচনা কৰি এক মাৰ্গ দৰ্শন বিচাৰিবলৈ সিদ্ধান্ত লয়। আজিৰ সভাস্থলীতেই উপস্থিত ৰাইজে আলাবৈ ৰণৰ স্মৃতিসৌধ নিৰ্মাণৰ বাবে মুক্তহস্তে দান-বৰঙণি দি নিজৰ সদিচ্ছা প্ৰকাশ কৰে। সভাই শৰাইঘাট জাৰ্ণেলিষ্ট ফৰামক সদায় মাৰ্গ দৰ্শনকাৰী আৰু অন্যতম পৃষ্ঠপোষক সংগঠন হিচাপে লৈ এই কামত অগ্ৰসৰ হ'ব বুলি সিদ্ধান্ত লয়। আজিৰ সভাত আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে মাণিক দাসে। সভাত সমাজকৰ্মী সুবোধ শইকীয়া, ডাঃ দেৱেন্দ্ৰ কলিতা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে ভাষণ দিয়ে।

## অধ্যক্ষকবিহীন মহাবিদ্যালয়

উপনীত হৈছে। বিশেষ সূত্ৰে জানিব পৰা মতে চলিত বৰ্ষৰ মে'ৰ পৰা কাৰ্যকৰী হোৱাকৈ ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ জ্যেষ্ঠ সহযোগী অধ্যাপক বীৰেন চন্দ্ৰ কোঁৱৰক মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বভাৰ অৰ্পণ কৰাৰ পাছত মহাবিদ্যালয়খনৰে আন এগৰাকী সহযোগী অধ্যাপকে নিজকে সেই পদৰ যোগ্য বুলি দাবী তুলি আদালতৰ দ্বাৰস্থ হৈছে । উল্লেখ্য যে ২০১৪ চনত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শৰৎ বড়াৰ মৃত্যুৰ পিছৰ পৰাই বৰ্তমানলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষই কাৰ্যনিৰ্বাহ কৰি আহিছে। যোৱা ৩০ এপ্ৰিলত ভাৰপ্ৰাপ্ত অধ্যক্ষ দেৱ কুমাৰ চুতীয়াই অৱসৰ গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে সংশ্লিষ্ট ঊৰ্ধ্বতন বিভাগৰ নীতি অনুসৰি জ্যেষ্ঠতাৰ ভিত্তিত সমাজশাস্ত্ৰ বিভাগৰ সহযোগী অধ্যাপক বীৰেন চন্দ্ৰ কোঁৱৰক ভাৰপ্ৰাপ্ত অধ্যক্ষৰ যোগ্য ব্যক্তি হিচাপে বাছনি কৰি উচ্চ শিক্ষা বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰে আৰু সেই মৰ্মে উচ্চ শিক্ষা বিভাগে অধ্যাপক বীৰেন চন্দ্ৰ কোঁৱৰক ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰে। বিভাগীয় নিৰ্দেশনা পাই বীৰেন চন্দ্ৰ কোঁৱৰে মহাবিদ্যালয়ৰ কাম-কাজ আৰম্ভ কৰোঁতেই মহাবিদ্যালখনৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক খগেন কছাৰীয়ে বীৰেন চন্দ্ৰ কোঁৱৰতকৈ তেওঁহে জ্যেষ্ঠ বুলি দাবী কৰে আৰু তেওঁক অন্যায়ভাৱে জ্যেষ্ঠতাৰ তালিকাৰ পৰা বঞ্চিত কৰা হৈছে বুলি অভিযোগ কৰি মহাবিদ্যালয়ৰ পৰিচালানা সমিতি, সহযোগী অধ্যাপক বীৰেন চন্দ্ৰ কোঁৱৰ, অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালক আৰু আয়ুক্ত সচিবৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত গোচৰ তৰে। অধ্যাপক কছাৰীৰ গোচৰৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে ১০ জুনত p(c)/3856/2022 নম্বৰৰ এক নিৰ্দেশনাযোগে ন্যায়ালয়ে পৰৱৰ্তী আদেশ নিদিয়া পৰ্যন্ত 'ভাৰপ্ৰাপ্ত অধ্যক্ষৰ নিয়োগ' বিষয়টো স্থগিতকৰণৰ নিৰ্দেশ দিয়ে আৰু ছসপ্তাহৰ ভিতৰত ইয়াৰ যথোপযুক্ত কাৰণ দেখুৱাবলৈ ন্যায়ালয়ে আদেশ জাৰি কৰিছে। যাৰ ফলত মহাবিদ্যালয়খন সম্প্ৰতি মুৰব্বীহীন হৈ পৰিছে আৰু চৰম অৰাজকতাৰ দিশে গতি কৰাৰ অভিযোগ উত্থাপন হৈছে । সম্প্ৰতি অধ্যক্ষ পদক লৈ দুই অধ্যাপকৰ যুঁজখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজতো ব্যাপক প্ৰভাৱ পেলোৱাৰ অভিযোগ উত্থাপন হৈছে। মহাবিদ্যালয়খন 'অধ্যক্ষহীন' হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অধ্যাপক-অধ্যাপিকাসকলো যথেষ্ট বিপাঙত পৰিছে বুলি জানিব পৰা গৈছে। বিশেষকৈ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ আৰু স্নাতক মহলাৰ প্ৰথম বৰ্ষৰ নামভৰ্তি, স্নাতক মহলাৰ দ্বিতীয়, চতুৰ্থ আৰু ষষ্ঠ যান্মাসিকৰ পৰীক্ষা অনুষ্ঠিত কৰা, আগন্তুক ২০২৩ বৰ্ষৰ 'নাক'ৰ দ্বাৰা হ'বলগীয়া তৃতীয় পৰ্যায়ৰ মূল্যায়নৰ উপৰি মহাবিদ্যালয় পৰিচালনা সম্পৰ্কীয় কাম-কাজত স্থবিৰতা আহি পৰিছে। প্ৰাপ্ত তথ্য মতে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বপ্ৰাপ্ত বীৰেন চন্দ্ৰ কোঁৱৰ হ'ল সমাজশাস্ত্ৰ বিভাগৰ সহযোগী অধ্যাপক । তেওঁৰ জন্ম ২১-০৯-১৯৬৩ । ধেমাজি বাণিজ্য মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰে ২০-০৩-১৯৮৯ চনত। আনহাতে, আনগৰাকী অধ্যক্ষ পদৰ বাবে দাবীদাৰ খগেন কছাৰী হ'ল অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক। তেওঁৰ জন্ম ৩১-১২-১৯৬৫ চনত। খগেন কছাৰীয়ে ২৩-১০-১৯৮৮ চনত মহাবিদ্যালয়খনত অধ্যাপক হিচাপে যোগদান কৰে যদিও পূৰ্ণ পৰ্যায়ৰ (full fledged) অধ্যাপক হিচাপে নিযুক্তি দিয়া নাছিল। (নিযুক্তি পত্ৰত উল্লেখ আছে) । অৱশ্যে ২২-০২-১৯৯০ চনত মহাবিদ্যালয় কৰ্তৃপক্ষই পূৰ্বৰ চৰ্ত অনুসৰি খগেন কছাৰীক পূৰ্ণপৰ্যায়ৰ অধ্যাপক হিচাপে নিযুক্তি দিয়ে। অৰ্থাৎ বয়স আৰু নিযুক্তি দুয়ো ফালৰ পৰাই অধ্যাপক খগেন কছাৰী বীৰেন চন্দ্ৰ কোঁৱৰতকৈ কনিষ্ঠ বুলি মহাবিদ্যালয় পৰিচালনা সমিতিয়ে নিশ্চিত কৰিছে। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° কমল গগৈয়ে জনোৱা মতে সংশ্লিষ্ট বিভাগৰ সকলো গাইড লাইন মানি বীৰেন চন্দ্ৰ কোঁৱৰক ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰা হৈছে। অধ্যক্ষ বাছনিৰ ক্ষেত্ৰত নিয়মীয়াভাৱে লাভ কৰা প্ৰথম নিযুক্তি-পত্ৰ, জন্মৰ তাৰিখৰ ওপৰত ভিত্তি কৰাৰ উপৰি কলেজৰ ডেফিচিট গ্ৰাণ্ট-ইন-এইডৰ ওপৰত ভিত্তিত, অসম চৰকাৰৰ College Provincialisation Rule 2010 ভিত্তিত আৰু মহামান্য উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত মহাবিদ্যালয়খনৰ জ্যেষ্ঠ সহযোগী অধ্যাপক বীৰেন চন্দ্ৰ কোঁৱৰক অধ্যক্ষৰ ভাৰ অৰ্পণ কৰা হৈছে বুলি সভাপতি ড° গগৈয়ে জানিবলৈ দিয়ে। এই সন্দৰ্ভত আন কোনো অনিয়ম সংঘটিত হোৱা নাই বুলি দাবী কৰে। উল্লেখ্য যে ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ অধ্যক্ষ শৰৎ বড়াৰ মৃত্যুৰ পাছত সেই পদ পূৰণৰ বাবে বিভাগীয় নীতি-নিৰ্দেশনাৰে সাক্ষাৎকাৰৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে সেই মহাবিদ্যালয়ৰে এগৰাকী অধ্যাপকে আৱেদন কৰে যদিও তেওঁ সাক্ষাৎকাৰলৈ আমন্ত্ৰণ নোপোৱাত আদালতৰ দ্বাৰস্থ হয় আৰু তেতিয়াৰ পৰাই মহাবিদ্যালয়খন ভাৰপ্ৰাপ্ত অধ্যক্ষৰে পৰিচালনা কৰি আহিছে। এইবাৰো অধ্যক্ষ পদৰ বাবে আন এগৰাকী অধ্যাপকে আদালতৰ দ্বাৰস্থ হোৱাত বিষয়টো চৰ্চালৈ আহিছে আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশক লৈ সচেতন সমাজ চিন্তিত হৈ পৰিছে।

## প্ৰসূতিৰ পৰা উৎকোচ লৈ

হয় এটি শিশু। পিছত কৰ্তব্যৰ দায়িত্বত থকা ক্ষোমা ৰাণী দে' নামৰ নাৰ্ছ গৰাকীয়ে প্ৰসূতিগৰাকীৰ সন্তান প্ৰসৱ কৰোৱাৰ বিনিময়ত প্ৰসূতিগৰাকীৰ অবিভাৱকৰ পৰা ধন দাবী কৰে। উপায়ান্তৰ হৈ অতি দৰিদ্ৰ প্ৰসূতিগৰাকীৰ অভিভাৱকে নিজৰ লগত থকা ২৮০ টকা নাৰ্ছগৰাকীক দিবলৈ বাধ্য হয়। উল্লেখ্য যে তামাৰহাট প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জি এন এম ক্ষোমা ৰাণী দে'ৰ বিৰুদ্ধে দীৰ্ঘদিনৰ পৰা প্ৰসূতিৰ পৰা ধন দাবী কৰা আৰু কৰ্তব্যত অৱহেলা কৰাৰ অভিযোগ উত্থাপন কৰি স্থানীয় ৰাইজে ধুবুৰী জিলাৰ উপায়ুক্ত অভিযোগ দাখিল কৰিছে। উক্ত অভিযোগৰ ভিত্তিত ধুবুৰী জিলাৰ উপায়ুক্তগৰাকীয়ে তামাৰহাট স্বাস্থ্য কেন্দ্ৰৰ ধন দাবী কৰা নাৰ্ছ ক্ষোমা ৰাণী দে'ৰ বিৰুদ্ধে তামাৰহাট থানাত এখন এজাহাৰ দিবলৈ চিকিৎসালয়খনৰ দায়িত্বত থকা চিকিৎসকজনক নিৰ্দেশ দিয়ে আৰু চিকিৎসকগৰাকীয়ে নাৰ্ছগৰাকীৰ বিৰুদ্ধে কালি তামাৰহাট থানাত এখন এজাহাৰৰ দাখিল কৰে । তামাৰহাট আৰক্ষীয়ে উক্ত এজাহাৰৰ ভিত্তিত আজি নাৰ্ছগৰাকীক আটক কৰি ভাৰতীয় দণ্ডবিধিৰ ১৬৬- বি/৩৮৪/৩৩৭/৩০৭ ধাৰত ৩৭/২২ নম্বৰৰ গোচৰ ৰুজু কৰি ধুবুৰী জে'ল হাজোতলৈ লৈ প্ৰেৰণ কৰে।

## নায়কৰ ঘৰত কেন্দ্ৰীয়

পৰিয়ালৰ লোকক ১৩ লাখ ৩৩ হাজাৰ ৩৪ টকা দিয়া প্ৰতিশ্ৰুতি প্ৰদান কৰে। এইক্ষেত্ৰত বাগিচা কৰ্তৃপক্ষক কঠোৰ নিৰ্দেশ দিয়া বুলি জনায়। তদুপৰি মইনা নায়কৰ পৰিয়ালৰ এজনক বাগিচাখনত স্থায়ী শ্ৰমিক হিচাপে নিযুক্তি দিয়া আৰু মইনা নায়ক সম্পূৰ্ণ সুস্থ হৈ আহিলে মইনা নায়কক স্থায়ী শ্ৰমিক হিচাপে নিযুক্ত দিবলৈ বাগিচা কৰ্তৃপক্ষক নিৰ্দেশ দিয়া বুলি জনায়। মইনা নায়কৰ দুৰ্ঘটনাটোৰ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৰুত্ব প্ৰদান কৰিছে বুলি কয়। উল্লেখ্য যে, যোৱা ১৯ জুলাইত ডিব্ৰুগড় জিলাৰ মৰাণ বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা লক্ষ্মী টী কোম্পানীৰ অধীনস্থ লেপেটকটা চাহ বাগিচাৰ ফেক্টৰীত সংঘটিত হোৱা ভয়াৱহ ঘটনাটোত মইনা নায়ক কৰ্মৰত অৱস্থাত চিটিচি (CTC) মেচিনত সোমাই গৈছিল। যাৰ বাবে অতি সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। বাগিচাৰ চিটিচি মেচিনত মহিলা শ্ৰমিকৰ কাম কৰাৰ অনুমতি নাই যদিও মইনা নায়কক বাগিচাৰ চিটিচি মেচিনত কাম কৰোৱাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া হোৱা পাছতো বাগিচাৰ ভয়ংকৰ দুৰ্ঘটনা সন্দৰ্ভত বৰ্তমানলৈকে কোনো তদন্ত হোৱা নাই। ইতিমধ্যে বাগিচা কৰ্তৃপক্ষই দুৰ্ঘটনা সংঘটিত হোৱা চিটিচি মেচিন খুলি পেলোৱাৰ লগতে সমগ্ৰ তথ্য প্ৰমাণ নোহোৱা কৰা পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা পাছত গাফিলতি কৰা ফেক্টৰী কৰ্তৃপক্ষৰ বিৰুদ্ধে কেনে ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

## পুনৰ চলিব ১০০ বছৰ পুৰণি

ৰে'লখন তিনি বছৰ আগতে বন্ধ হৈ গৈছিল। ৰে'লখন বৰ্তমান মুঠ পাঁচটা ষ্টেচনৰ ভিতৰত কেৱল দুটা ষ্টেচন- মাথেৰণ আৰু আমান লজৰ মাজতহে চলি আছে। নেৰাল আৰু আমান লজৰ মাজত জুম্মাপট্টী আৰু ৱাটাৰ পাইপ নামৰ দুটা ষ্টেচন আছে। ৰে'ল বিভাগৰ বিষয়াসকলে কয় যে কেন্দ্ৰীয় ৰে'লৱেই (চিআৰ) ট্ৰেক নৱীকৰণ আৰু অন্যান্য সম্পৰ্কীয় কাম হাতত লৈছে, এই কাম এই বছৰৰ শেষৰ ফালে শেষ হ'ব বুলি আশা কৰা হৈছে। নেৰাল-মাথেৰান লাইনটো ১৯০৭ চনত পীৰভোইসকলৰ এটা পাৰিবাৰিক উদ্যোগ হিচাপে নিৰ্মাণ কৰা হৈছিল আৰু এতিয়া ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংগঠনৰ (ইউনেস্কো) অস্থায়ী বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত ই অন্তৰ্ভুক্ত হৈছে। এই পুতলা ৰে'লখন পৰ্যটকসকলৰ মাজত, বিশেষকৈ শিশুসকলৰ মাজত অতি জনপ্ৰিয় আছিল। এই ৰে'লেৰে ৰায়গড় জিলাত অৱস্থিত মাথেৰণৰ পাহাৰীয়া এলেকাৰ সৌন্দৰ্য উপভোগ কৰিব পৰা যায়। যাত্ৰী কঢ়িয়াই নিয়াৰ উপৰি ৰে'লখনে স্থানীয় লোকসকলক অত্যাৱশ্যকীয় সামগ্ৰী আৰু অন্যান্য বস্তু কঢ়িয়াই নিয়াত সহায় কৰিছিল। মেথেৰান পাহাৰীয়া কেন্দ্ৰটো সাগৰপৃষ্ঠৰ পৰা প্ৰায় ২,৬০০ ফুট উচ্চতাত অৱস্থিত।

## পালে জামিন, আকৌ গ্ৰেপ্তাৰ

থানাত ৰুজু হোৱা গোচৰত আদালতে জামিন দিলে যদিও আজি নগাঁও বিশেষ কাৰাগাৰৰ পৰা আন এটা গোচৰত প্ৰৱঞ্চক ৰাণাক গ্ৰেপ্তাৰ কৰে মাজুলী আৰক্ষীয়ে। বিতৰ্কিত এছ আই জোনমণি ৰাভাই ভাৱী স্বামী প্ৰৱঞ্চক ৰাণা প'গাগৰ বিৰুদ্ধে দিয়া এজাহাৰৰ ভিত্তিত ৫২৭/২২ নম্বৰত গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰিছিল নগাঁও আৰক্ষীয়ে।

## সাহিত্য সভাৰ অধিৱেশন

সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই। পতাকা উত্তোলন কৰাৰ পিছত সভাপতি ড° কুলধৰ শইকীয়াই কয় যে, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাখন ঐতিহাসিক শিৱসাগৰত হোৱাতো এক শুভলক্ষণ। অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত মই যিকেইটা বিষয়ত গুৰুত্ব দিছিলো সেই বিষয়সমূহ কাৰ্যকৰী কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছো। অসম সাহিত্য সভাৰ যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ পুথিভঁৰালত বহু পুৰণি মূল্যৱান গ্ৰন্থ আছে। তেনেদৰে উজনি অসমৰ জিলাসমূহত বহু বৰেণ্য ব্যক্তিৰ গ্ৰন্থ এতিয়াও অ-সংৰক্ষিত অৱস্থাত আছে। ডিজিটেল পদ্ধতি নোহোৱাৰ বাবে এনে বহু গ্ৰন্থ জহি-খহি গৈছে। সেয়েহে এমট্ৰন কোম্পানীৰ সৈতে আলোচনা কৰি অসম সাহিত্য সভাৰ যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত এটা গ্ৰন্থ ডিজিটেল চেণ্টাৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। যোৰহাটৰ এই ডিজিটেল চেণ্টাৰ উজনি অসমৰ বিভিন্ন জিলাৰ পুৰণি গ্ৰন্থসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰিব। শিৱসাগৰকে ধৰি উজনি অসমৰ পুৰণি গ্ৰন্থসমূহ ডিজিটেলাইজ কৰি ডিজিটেল কোষত সংৰক্ষণ কৰা হ'ব বুলি ড° কুলধৰ শইকীয়াই মন্তব্য কৰে। স্মৃতি তৰ্পণ কৰি অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে কয় যে, অসমৰ জাতীয় জীৱনক উদ্বুদ্ধ কৰা অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানটিৰ প্ৰতি নৱ-প্ৰজন্মক আকৰ্ষিত কৰিবৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছো। অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠানটি জগত সভালৈ আগুৱাই নিয়াৰ বাবে আমি দিন-ৰাতি একাকাৰ কৰি নিজ কৰ্ম কৰি গৈছোঁ। আমি কোনো পদৰ বাবে লালায়িত নহয়। কেৱল সভাপতিয়ে এককভাৱে সভাৰ সকলো কাম কৰিব নোৱাৰে। সভাপতিৰ নেতৃত্বত সভাৰ সকলো বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহকে একত্ৰিতভাৱে সভাক আগুৱাই নিব লাগিব। সাহিত্য সভাৰ এগৰাকী সাধাৰণ কৰ্মী হিচাপে আজীৱন অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বাবে সেৱা আগবঢ়াই যাম বুলি মৃণালিনী দেৱীয়ে মন্তব্য কৰে। ইয়াৰ পিছতেই পুৱা ১০.৩০ বজাত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ উদ্বোধনী সভাখন অনুষ্ঠিত হয়। এই উদ্বোধনী সভাত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া, উপ-সভানেত্ৰী মৃণালিনী দেৱী, প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈ, পৌৰপতি মৃণালী কোঁৱৰ, অ' এন জি চিৰ মহাপ্ৰবন্ধক অজিত কুমাৰ সিং আৰু উপ-মহাপ্ৰবন্ধক যোগেশ ভাটিয়াক আদৰণী সমিতিৰ লগতে বহু শাখা সাহিত্য সভাই সম্বৰ্ধনা জ্ঞাপন কৰে। শিৱসাগৰ জিলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক সন্তোষ কুমাৰ দত্তই আঁত ধৰা এই অনুষ্ঠানত বুৰঞ্জীবিদ দিলীপ কুমাৰ বুঢ়াগোহাঁইৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে। আদৰণী সমিতিৰ সভাপতি তপন কুমাৰ গগৈৰ অনুপস্থিতিত তেওঁৰ লিখিত ভাষণ প্ৰদান কৰে শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈয়ে। কাৰ্যনিৰ্বাহক সভাখন উদ্বোধন কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুনে কয় যে, অবিভক্ত শিৱসাগৰ জিলাৰ পৰা ১৮গৰাকীকৈ কৃতী সন্তানে অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰিছে। এইসকল সভাপতিৰ সাহিত্য সাধনা আৰু কৃতী আমাৰ গৌৰৱৰ উৎস। কিন্তু বিগত কেইটামান বৰ্ষত সাহিত্য সভাৰ সভাপতি নিৰ্বাচন প্ৰক্ৰিয়াক লৈ সংবাদ মাধ্যমত যথেষ্ট বাদ-বিবাদ আৰু অপবাদ প্ৰচাৰ হৈছে। এনে এটা বৃহত্তম জাতীয় অনুষ্ঠান সুদীৰ্ঘকাল সজীৱ কৰি ৰখাতো অতি কঠিন কাম। সভাই স্বাৱলম্বী হ'বলৈ জাতীয় ন্যাস গঠন কৰিছে যদিও ন্যাসৰ গচ্ছিত সুদেৰে সভাখন পৰিচালিত কৰাটো কঠিন হ'ব। তদুপৰি অসম সাহিত্য সভাৰ বছৰেকীয়া অধিৱেশন ৪-৫ দিনীয়াকৈ পাতিলেই সাহিত্যৰ বিকাশ নহয়। অযথা অৰ্থব্যয় আৰু কৰ্মীসকলৰে অপাৰ কষ্ট হয়। সাহিত্যৰ বিকাশৰ পৰিৱৰ্তে ই এক উৎসৱতহে পৰিণত হৈছে। সভাই নিজাকৈ সাহিত্য উৎপাদন কৰিব নোৱাৰে। কিন্তু সাহিত্যৰ অনুষ্ঠান হিচাপে সাহিত্যৰ সাধক, সাহিত্যিকক অনুপ্ৰেৰণা যোগাব পাৰে। দৃষ্টিৰ আঁৰত থকা লেখকসকলক অনুপ্ৰেৰণা যোগাব পাৰিলেহে চিৰ চেনেহী ভাষা জননীৰ উদ্দেশ্য সফল হ'ব বুলি নাহেন্দ্ৰ পাদুনে মন্তব্য কৰে। উদ্বোধনী অনুষ্ঠানত কাৰ্যনিৰ্বাহক উপলক্ষে জীৱমণি নাথৰ সম্পাদনাত প্ৰকাশিত স্মাৰক গ্ৰন্থ উন্মোচন কৰে সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। এই সভাতেই শইকীয়াই মুহি নাথৰ প্ৰবন্ধ সৌৰভ, গিৰীশ সন্দিকৈৰ গ্ৰন্থ দৰগাহ উন্মোচন কৰে। উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাজসজ্জাৰে কিশোৰ-কিশোৰীসকলে চিৰ চেনেহী মোৰ ভাষা জননী গীতটি পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## কলিয়াবৰৰ মহকুমা আৰক্ষী

পৰা বৃহৎ পৰিমাণৰ গৰু মেঘালয় সীমান্তলৈ সৰবৰাহ কৰাৰ এক খবৰ লাভ কৰে। ইয়াৰে তিনিখন ট্ৰাক কলিয়াবৰ পাৰ হৈ নিৰ্বিঘ্নে বৰঘাট আৰক্ষী চকীৰ সন্মুখৰে পাৰ হৈ যায়। কিন্তু কলিয়াবৰ আৰক্ষীয়ে কণ্টেইনাৰ ট্ৰাকখন খেদি খেদি কলিয়াবৰৰ বৰুৱাচুকত জব্দ কৰিবলৈ সক্ষম হয় যদিও ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনে সেই স্থানৰ পৰা পলায়ন কৰে। কলিয়াবৰ আৰক্ষীয়ে খবৰ লাভ কৰাৰ লগে লগে তৎপৰতাৰে অভিযান চলোৱাৰ বিপৰীতে নগাঁও আৰক্ষীৰ নিৰ্লিপ্ততাৰ সুযোগ লৈ এএছ-০৪ বি চি-০২১১, এএছ-০৪ বি চি-০২০১ আৰু এন এল-০১ এ চি-৬৯৬৩ নম্বৰৰ ট্ৰাককেইখনে পলায়ন কৰিবলৈ সক্ষম হয়। উল্লেখ্য, বিগত সময়ছোৱাত যোৰহাটৰ সমীপৱৰ্তী বিভিন্ন অঞ্চলৰ পৰা মেঘালয়ৰ ভাৰত-বাংলা সীমান্তলৈ সৰবৰাহৰ বাবে অহা বহু চোৰাং পশুধন কলিয়াবৰ আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হৈছে। কেৱল কলিয়াবৰৰ বাগৰি আৰক্ষীয়েই বিগত তিনি মাহত উজনি অসমৰ পৰা অহা ৬৪১টা চোৰাং গৰু, ৩৬খন বাহন জব্দ কৰাৰ লগতে চোৰাং গৰু সৰবৰাহৰ লগত জড়িত ৫০জন লোকক আটক কৰিবলৈ সক্ষম হৈছে। ইয়াৰে অধিকাংশই যোৰহাট হৈ নামনি অসমলৈ অহাৰ পথত কলিয়াবৰ আৰক্ষীয়ে জব্দ কৰিছে। পিছে এইক্ষেত্ৰত যোৰহাট আৰক্ষী বাৰে বাৰে কিয় বিফল হৈছে তাক লৈয়ো ৰাইজৰ মাজত প্ৰশ্নৰ সৃষ্টি হৈছে। বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে চোৰাং গৰু সৰবাহকাৰীৰ বিৰুদ্ধে অসম আৰক্ষীক কঠোৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়াৰ পিছতে অসমৰ বিভিন্ন জিলাৰ আৰক্ষী অধীক্ষকসকলে চোৰাং গৰু সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱা দেখা গৈছে। আনকি ধুবুৰী আৰক্ষীৰ গুলীত নিহত হৈছে কেইবাটাও গো-মাফিয়া। কিন্তু ইয়াৰ উলোটা প্ৰতিচ্ছবি দেখিবলৈ পোৱা গৈছে যোৰহাট আৰক্ষীৰ ক্ষেত্ৰত। খবৰ অনুসৰি যোৰহাট চহৰৰ সমীপৱৰ্তী বিভিন্ন অঞ্চলৰ পৰা সৰু সৰু বাহনত চোৰাংভাৱে গৰু লৈ অনা হয় যোৰহাট আৰু দেৰগাঁৱৰ মাজৰ এক বিশেষ ঠাইলৈ। এই ঠাইৰ পৰাই মেঘালয় সীমান্তলৈ ট্ৰাকত অবৈধভাৱে সৰবৰাহ কৰা হয় গৰু। উজনি অসমৰ প্ৰধান চহৰ হিচাপে পৰিচিত যোৰহাট হঠাৎ কেনেকৈ চোৰাং গৰু সৰবৰাহকাৰীৰ ঘাটিলৈ পৰিণত হ'ল তাক লৈ এতিয়া সকলো চিন্তিত হৈ পৰিছে।

### ধনশিৰী নদীৰ বক্ষৰ পৰা বঙ্গোপ সাগৰৰ তীৰলৈ

# বঙ্গোপ সাগৰৰ তীৰত নদী আৰু নাৰীৰ উদ্যোগত কবিতাৰ মজলিচ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৪ জুলাই ঃ** দীঘাৰ সমুদ্ৰ তীৰত 'নদী আৰু নাৰী'ৰ উদ্যোগত কবিতাৰ মজলিচ নামেৰে এক মনোজ্ঞ কবিতা পাঠৰ এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ধনশিৰি নদীৰ বক্ষত ২০১৮ চনৰ ২০ জানুৱাৰীত জন্ম হোৱা জাৰ্মানীৰ কহিনুৰ ৱৰ্ল্ড বুক অৱ ৰেকৰ্ডছৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত জনপ্ৰিয় কাব্যিক বৌদ্ধিক তথা মানৱদৰদী অনুষ্ঠান 'নদী আৰু নাৰী'ৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে এটি আটকধুনীয়া কাব্যানুষ্ঠান ২৩ জুলাইত পশ্চিমবঙ্গৰ দীঘাৰ বঙ্গোপসাগৰৰ তীৰত অনুষ্ঠিত হয়। প্ৰতিষ্ঠাপক ৰুণাল্ডো টাইডে আঁত ধৰা এই অনুষ্ঠানৰ শুভ উদ্বোধন কৰে কবি ইকবাল হুছেইন খানে। দীঘাৰ সমুদ্ৰৰ তীৰত অনুষ্ঠানত অতি মনোগ্ৰাহীকৈ কবিতা পাঠ কৰে বিজয়া বৰা, প্ৰণীতা শৰ্মা, মামণি বড়া, বিতোপন শইকীয়া, ৰিতুপৰ্ণা গগৈ, ৰেজিনা পাৰবিন, ৰিজুমণি দেৱী, দীপক ফুকন, শশাংক শেখৰ বৰুৱা আৰু কেন্দ্ৰীয় কাব্য সম্পাদিকা ৰিভাৰ দীপিকা ফুকনে। ধনশিৰী নদীৰ বক্ষৰ পৰা দীঘাৰ সমুদ্ৰৰ তীৰলৈ অসমীয়া কবিতাৰ এই বৰ্ণিল যাত্ৰাত কাব্যপ্ৰেমীসকলে শলাগ লয়।

# চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ২৪ জুলাই ঃ** সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীক বিগত বৰ্ষবোৰৰ দৰে এইবাৰো চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাই এক বিশেষ আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ যোগেদি অভিনন্দন জ্ঞাপন কৰে। বৃহত্তৰ চাবুৱা অঞ্চলৰ কে'বাখনো শিক্ষানুষ্ঠানৰ পৰা ৭৫ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ উচ্চ মাধ্যমিকৰ তথা মেট্ৰিকৰ ৮০ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ ৭০গৰাকী মুঠ ১৫০গৰাকী কীৰ্তিমানক এই অভিনন্দন জ্ঞাপন কৰে। আজি চাবুৱা নগৰস্থিত মনোৰঞ্জন বৰুৱা নাট্যমন্দিৰত চাবুৱা আছুৰ সম্পাদক প্ৰণৱজ্যোতি দত্তই আঁত ধৰা-উদ্দেশ্য ব্যাখ্যা কৰা আৰু সন্থাৰ সভাপতি মৃদুপৱন গগৈয়ে সঞ্চালনা কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কৃতী ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ সম্বৰ্ধনা-পত্ৰ আৰু একোটাকৈ ফুলাম জাপিৰে সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট লেখক ডাঃ সৌৰভ বুঢ়াগোহাঁই, সদৌ অসম ছাত্ৰ সন্থাৰ সম্পাদক শংকৰজ্যোতি বৰুৱা, সাংস্কৃতিক সম্পাদক তচেন ডেকা, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্ত, সম্পাদক অৰনী কুমাৰ গগৈ, উপ-সভাপতি প্ৰণৱ শইকীয়া, সহকাৰী সম্পাদক দীপজ্যোতি দিহিঙ্গীয়া, প্ৰাক্তন ছাত্ৰ নেতা বিনোদ দিহিঙ্গীয়া, অসম সেনাৰ ডিব্ৰুগড় জিলাৰ মুখ্য আহ্বায়ক তথা চাবুৱা আছুৰ প্ৰাক্তন সভাপতি ৰূপম দত্ত, অসম বিদ্যাপীঠৰ অধ্যক্ষ নিপেন গোহাঁই, মনোজ সিং, দীপজ্যোতি গগৈ, জগজীৱন গগৈকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অধ্যক্ষ নৃপেন গোহাঁয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদানৰ পিছতে নিৰ্দিষ্ট বক্তাৰ ভাষণত সদৌ অসম ছাত্ৰ সন্থাৰ সম্পাদক শংকৰজ্যোতি বৰুৱাই কয় যে কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলে মনত উদ্যম ৰাখি, দুচকুত অযুত হেঁপাহ বান্ধি লৈ আগবাঢ়ি গ'লে ঈপ্সিত লক্ষ্যত উপনীত হ'ব পাৰিব। অবিৰত কষ্ট সাধনাৰ জৰিয়তে ব্যক্তিগত জীৱনত উৎকৰ্ষ সাধন কৰাৰ লগতে অনাগত সময়ত কিছু সমাজিক দায়বদ্ধতাৰে আপোন সমাজ, দেশ তথা জাতিটোক জিলিকাই তুলিব পৰা দায়িত্বও পালন কৰিব লাগিব। সম্পাদকগৰাকীয়ে এটা দীঘলীয়া অনুপ্ৰেৰণামূলক বক্তব্যৰ পাছতে বিশিষ্ট লেখক ডাঃ সৌৰভ বুঢ়াগোহাঁয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সাৰগৰ্ভ বক্তব্য প্ৰদান কৰে। চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক আব্বাছ আহমেদে আদৰণী ভাষণ দিয়া অনুষ্ঠানটিত ডিব্ৰুগড় জিলাৰ সম্পাদক অৰনী গগৈয়ে ছাত্ৰ সন্থাৰ দৃষ্টিভংগীৰ বিষয়ে অৱগত কৰে।



## দৰং জিলা সংস্কৃত শিক্ষক সমিতিৰ নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২৪ জুলাই ঃ** দৰং জিলাৰ ঐতিহ্যপূৰ্ণ মঙলদৈ সংস্কৃত বিদ্যালয়ত আজি দৰং জিলা সংস্কৃত শিক্ষক সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। জিলা সমিতিৰ সভাপতি মথুৰাপ্ৰসাদ শৰ্মা শাস্ত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত আগন্তুক দিনত সংস্কৃত শিক্ষকসকলৰ মাজত কৰ্মশালা অনুষ্ঠিত কৰা, সংস্কৃত দিৱস (শ্ৰাৱণী পূৰ্ণিমা) উদ্‌যাপন আদি বিভিন্ন কাৰ্যসূচী গৃহীত হয়। উল্লেখ্য যে সভাখনত পুৰণি সমিতিখন ভংগ কৰি এখন নতুন সমিতি গঠন কৰা হয়। সেইমৰ্মে মঙলদৈ সংস্কৃত বিদ্যালয়ৰ প্ৰধান অধ্যাপক বসন্ত কুমাৰ শৰ্মাক সভাপতি, শান্তিপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংস্কৃত শিক্ষক গৌতম শৰ্মা আৰু মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংস্কৃত শিক্ষক সৰ্বানন্দ দেৱশৰ্মাক উপ-সভাপতি, পৰীক্ষিত নাৰায়ণ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংস্কৃত শিক্ষক যুগব্ৰত শৰ্মাক সম্পাদক, কুলশিক ৰাজঘাট হাইস্কুলৰ সংস্কৃত শিক্ষক ধনমণি শৰ্মাক সহকাৰী সম্পাদক হিচাপে লৈ ১৫জনীয়া এখন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

## দুধনৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে 'মহাবিদ্যালয় সংগীত'ৰ ৰেকৰ্ডিং সম্পন্ন

### ৪ আগষ্টত শুভাৰম্ভ ঘটিব সোণালী জয়ন্তী বৰ্ষৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২৪ জুলাই ঃ** বৃহত্তৰ দুধনৈ অঞ্চলৰ ৰাইজৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলস্বৰূপে ১৯৭২ চনত দুধনৈৰ বুকুত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হিচাপে গঢ় লৈ উঠা দুধনৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষটিক উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ অহা ৪ আগষ্টৰ পৰা সোণালী জয়ন্তীৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। উল্লেখযোগ্য যে সিদিনাখনেই দুধনৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ দিনটোৰ পৰাই ৰূপায়ণ কৰা হ'ব সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচী। সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সৈতে সংগতি ৰাখি গঠন কৰা উদ্‌যাপন সমিতিৰ লগতে ১৪খন উপ-সমিতিয়ে শুভাৰম্ভ কাৰ্যসূচীৰ বাবে ব্যাপক প্ৰস্তুতি চলাই আছে। ইপিনে, সোণালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি দুধনৈ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সংগীত'ৰ ৰেকৰ্ডিং ২২ জুলাইত সম্পন্ন কৰা হৈছে বুলি জানিবলৈ দিয়ে সাংস্কৃতিক উপ-সমিতিৰ সম্পাদক তথা দুধনৈ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক হৰগোবিন্দ ডেকাই। গীতটি ৰচনা কৰিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, গৱেষক ড° বিৰিঞ্চি কুমাৰ মেধিয়ে। গীতৰ সুৰ দুধনৈ মহাবিদ্যালয়ৰ অধ্যাপক হৰগোবিন্দ ডেকাৰ। সহযোগ কৰিছে সাংস্কৃতিক উপ-সমিতিৰ সভাপতি তথা বিশিষ্ট শিল্পী গোপী ৰাভাই। জানিব পৰা মতে মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰিব লগা গীত-নৃত্যৰ বাবে আখৰা চলি আছে। আজি সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ কাৰ্যসূচীৰ প্ৰস্তুতি সম্পৰ্কে উদ্‌যাপন সমিতিৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যকৰী সভা মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। উদ্‌যাপন সমিতিৰ সভাপতি তথা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বিস্তৃত বাখ্যা আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভাই। সভাত উপ-সমিতিসমূহে প্ৰস্তুতি সম্পৰ্কে খতিয়ান দাঙি ধৰে। অহা ৪ আগষ্টত ৫০ খন পতাকা উত্তোলনেৰে সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব।



## লাহোৱাল সমষ্টিৰ মদাৰখাটত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সাত দিনীয়া শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৪ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত মদাৰখাটৰ মদাৰখাট বালিকা বিদ্যালয়ত ডিব্ৰুগড় জিলা ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰাথমিক শিক্ষা বৰ্গৰ সাতদিনীয়া কাৰ্যসূচীৰে আধ্যাত্মিক শৈক্ষিক, মানসিক বিকাশৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে শিবিৰ যোৱা ১৬-২৪ জুলাইলৈকে অনুষ্ঠিত হৈ যায় সম্পূৰ্ণ নিজৰ গাঁঠিৰ ধন খৰচ কৰি ডিব্ৰুগড় জিলাৰ সাতোটা সমষ্টিৰ যুৱকসকলে অংশগ্ৰহণ কৰে। উক্ত শিবিৰত ডিব্ৰুগড় সাতোটা সমষ্টিৰ ১২০গৰাকী যুৱকে প্ৰশিক্ষণ গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰচাৰক দীপাঙ্কৰ গগৈয়ে অংশগ্ৰহণ কৰা সাত দিনীয়া শিবিৰটোৰ পৰিচালনা আৰু ব্যৱস্থা গ্ৰহণ কৰে সমাজকৰ্মী হৰেন উদয় শৰ্মাই। উল্লেখ্য যে উক্ত শিবিৰ চলি থকা সময়ত লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকা, লাহোৱালৰ প্ৰাক্তন বিধায়ক তথা অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, বিজেপিৰ ৰাজ্যিক উপ-সভাপতি অজয় কোঁৱৰ, অসম গেছ কোম্পানীৰ অধ্যক্ষ ইন্দ্ৰ গগৈ, চাহ উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ সুশীল তাছা প্ৰমুখ্যে জ্যেষ্ঠ বিজেপি নেতা আৰু কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে। ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ মদাৰখাট অঞ্চলত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সাত দিনীয়া আয়োজিত শিবিৰৰ জৰিয়তে আগন্তুক পঞ্চায়ত নিৰ্বাচনত বিজেপি দলৰ সাংগঠনিক স্থিতি শক্তিশালী আৰু দলীয় ভেটি মজবুত কৰাত যথেষ্ট প্ৰভাৱ পৰিব বুলি আশা কৰিছে।

# হালোৱাগাঁৱত বিহুনাচ আৰু ঢোলবাদন কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৪ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ সমীপৱৰ্তী হালোৱাগাঁৱৰ ভেৰভেৰী মজলীয়া আৰু প্ৰাক প্ৰাথমিক বিদ্যালয়ত আজি গ্ৰীষ্মকালীন এক বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা অনুষ্ঠিত হৈ যায়। কৰ্মশালাৰ সামৰণি উপলক্ষে আজি বিদ্যালয়খনত এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। শিল্পী ৰাজু শইকীয়াই তেওঁৰ কেইগৰাকীমান সহযোগী লগত লৈ প্ৰশিক্ষণ প্ৰদান কৰা কৰ্মশালাটোৰ আজি সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে তেওঁলোকৰ কৰ্মশালা কেইদিনত লাভ কৰা প্ৰশিক্ষণৰ জৰিয়তে বিহুৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। সামৰণী অনুষ্ঠান উপলক্ষে বিদ্যালয় চৌহদত এক মুকলি সভা অনুষ্ঠিত হয়। পুৰণিগুদামৰ সাংস্কৃতিক কৰ্মী কুলপ্ৰদীপ দাসৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখনত বিশিষ্ট অতিথি তথা সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধক চামগুৰি ৰাজহ চক্ৰ বিষয়া ৰিপনজ্যোতি নাথ উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি কয় যে পঢ়া-শুনাৰ মাজতে আমি আমাৰ সংস্কৃতি জীয়াই ৰাখিব লাগিব। একাগ্ৰতা থাকিলে সকলো কামতে সফল হ'ব পাৰি বুলি উল্লেখ কৰি তেওঁ আমি আমাৰ সংস্কৃতি জীয়াই ৰাখিবলৈ নতুন প্ৰজন্ম আগবাঢ়ি আহিব লাগিব বুলি উল্লেখ কৰে। মুকলি সভাত পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰণৱ বৰঠাকুৰ, পুৰণিগুদাম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজিত সোণোৱাল, বিহু বিশেষজ্ঞ হৰেন নাথ, অনুপ বৰুৱা, পুৰণিগুদাম প্ৰেছ ক্লাবৰ সভাপতি তপন কটকী, বিদ্যালয়খনৰ প্ৰধান শিক্ষক অসীম ভূঞা, প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী ৰেণু হাজৰিকা, সমাজকৰ্মী অৰুণ শইকীয়া, উপেন্দ্ৰ নাথ শইকীয়া, অকণ শইকীয়া, সাংবাদিক জয়ন্ত বৰা, নিপুল বৰা, ভাৰ্গৱ হাজৰিকা, নয়নমণি বৰা, বিভূতি বৰা, বৰুণজ্যোতি নেওগ উপস্থিত থাকে। সভাৰ মাজে মাজে প্ৰশিক্ষাৰ্থীসকলে বিহু নৃত্য, ঢোল বাদন আদি প্ৰদৰ্শন কৰে। অনুষ্ঠানটোত স্থানীয় বহু লোক উপস্থিত থাকে।



## বোকাজানত আৰক্ষীৰ হাতত নিৰ্যাতিত অটোচালক পাপু বসুমতাৰীক বিনাচৰ্তে মুক্তি দিয়াৰ দাবীত সৰৱ গোলাঘাট জিলা নিখিল বড়ো ছাত্ৰ সন্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৪ জুলাই ঃ** যোৱা ১৭ জুলাইত বোকাজানত আৰক্ষীয়ে পাপু বসুমতাৰী নামৰ এজন অটোচালকক বিনা কাৰণত গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰা কাৰ্যত তীব্ৰ প্ৰতিবাদ জনাইছে নিখিল বড়ো ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিয়ে। আজি মেৰাপানীৰ তেলিশালস্থিত ছাত্ৰ সংগঠনটোৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদ মেল সম্বোধন কৰি সভাপতি নীলেশ্বৰ বসুমতাৰীয়ে কয় য়ে চুঙাজানৰ পাপু বসুমতাৰী অতি দৰিদ্ৰ পৰিয়ালৰ যুৱক । তেওঁ অটো চলাই পৰিয়াল পোহপাল দি আহিছে। যোৱা ১৭ জুলাইত পাপুৱে অটো চলাই গৈ থকা পথত বোকাজানত গোলাঘাট আৰক্ষীৰ কনিষ্টবল ৰাম কুমাৰ নাথ আৰু গৃহৰক্ষী জোৱান গুণীন গগৈয়ে বিনা কাৰণত বেয়াকৈ মাৰপিট কৰি আহত কৰে আৰু পিছত আৰক্ষীয়ে পাপু বসুমতাৰীক জে'ললৈ প্ৰেৰণ কৰে। আৰক্ষীৰ এনে বৰ্বৰতাক তীব্ৰ প্ৰতিবাদ জনোৱাৰ লগতে বিনাচৰ্তে মুক্তি দিবলৈ আৰক্ষী প্ৰশাসনক সংগঠনটোৰ তৰফৰ পৰা দাবী জনাই। আনহাতে উক্ত মাৰপিটৰ ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত সৰ্বত্ৰ প্ৰচাৰ হোৱাত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত আৰক্ষী প্ৰশাসনৰ উৰ্ধ্বতন কৰ্তৃপক্ষই কৰ্তব্যৰত আৰক্ষী দুজনক শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰে। উৰ্ধ্বতন আৰক্ষী বিষয়াৰ এনে কাৰ্যত নিখিল বড়ো ছাত্ৰ সন্থাই আদৰণি জনাইছে । লগতে নিৰ্দোষী পাপু বসুমতাৰীকো বিনাচৰ্তে মুক্তি দিবলৈ প্ৰশাসনক দাবী জনায়। তদুপৰি সংবাদ মেলত সংগঠনটোৰ সম্পাদক প্ৰদীপ বসুমতাৰীয়ে স্পষ্টভাৱে জনায় যে যদিহে বিনাচৰ্তে পাপু বসুমতাৰীক জে'লৰ পৰা মুক্তি নিদিয়ে তেতিয়া নিখিল বড়ো ছাত্ৰ সন্থাই আগন্তুক সময়ত প্ৰশাসনৰ বিৰুদ্ধে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়াই দিয়ে।

### শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰত কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান

# এখন সুস্থ সমাজ গঢ়িবলৈ ছাত্ৰ-ছাত্ৰীক উৎকৃষ্ট মানৱ সম্পদ হিচাপে গঢ়ি তুলিব লাগিব ঃ পৰিচালনা সমিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৪ জুলাই ঃ** গোলাঘাট জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ সৌজন্যত শনিবাৰে আঠখেলীয়া অঞ্চলৰ ৮০জন মেধা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সদ্য ঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীক আজি আঠখেলীয়া নামঘৰ পৰিচালনা কৰ্ণধাৰ সমিতিৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰে। সেই উপলক্ষে আঠখেলীয়া নামঘৰ চৌহদত আয়োজিত এখন সভাত কৰ্ণধাৰ সমিতিৰ সভাপতি টংকেশ্বৰ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাত আঠখেলীয়া সমল কেন্দ্ৰৰ সমন্বয়ক গিৰীন্দ্ৰ বৰা, আঠখেলীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তুলসী হাজৰিকা, কাকডোঙা হাইস্কুলৰ বিজ্ঞান শিক্ষক হৰেন বৰা, আঠখেলীয়া উৰণ পখী ভৱনৰ সঞ্চালক জীতেন বৰা, আঠখেলীয়া হাইস্কুলৰ প্ৰধান শিক্ষক বিশ্ব বিনোদ বৰা, আঠখেলীয়া জাতীয় বিদ্যালয়ৰ সঞ্চালক মনোজ শইকীয়া, অসম গ্ৰামীণ বিকাশ বেংক শালিকীহাট শাখাৰ অশোক শইকীয়াৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তিৰ লগতে আঠখেলীয়া কৰ্ণধাৰ সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। এই অভিনন্দন অনুষ্ঠানত আঠখেলীয়া নামঘৰৰ প্ৰাক্তন সভাপতি অসীম বৰা, আঠখেলীয়া কৰ্ণধাৰ সমিতিৰ সম্পাদক হৰেন বৰাই আঁত ধৰা অনুষ্ঠানত অঞ্চলটোৰ প্ৰায় ৮০জন কীৰ্তি ছাত্ৰ-ছাত্ৰীক অভিনন্দন-পত্ৰ, এখন ফুলাম গামোচা আৰু এখন ডায়েৰীয়ে অভিনন্দন জ্ঞাপন কৰে। আঠখেলীয়া নামঘৰৰ তৰফৰ পৰা প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই সম্বৰ্দ্ধনা অনুষ্ঠানৰ জৰিয়তে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক বৌদ্ধিক দিশত উৎসাহিত কৰিব বুলি উল্লেখ কৰে অসীম বৰাই।

## নগাঁৱত বানত ক্ষতিগ্ৰস্ত হোৱা কৃষকক উন্নত জাতৰ কঠীয়া বিতৰণ বিধায়ক ৰূপক শৰ্মাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৪ জুলাই ঃ** শেহতীয়া দুটাকে বানে অন্য জিলাৰ লগতে নগাঁও জিলাতো বিস্তৰ ক্ষতি সাধন কৰিছে। বানৰ ফলত প্ৰায় ১৯০০০ হেক্টৰ খেতি-বাতি বিনষ্ট হয়। বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কৃষক সকলক কিছু পৰিমাণে হলেও সকাহ দিয়াৰ বাবে অসম চৰকাৰৰ কৃষি বিভাগে শালিধানৰ সমূহীয়া কঠিয়াতলীৰ বঞ্জ্যৱস্থা গ্ৰহণ কৰিছে কৰিছে। এই উদ্দেশ্যেই নগাঁও জিলাতো ৯০ হেক্টৰ মাটিত জিলাখনৰ ১৮টা স্থানত বাহাদুৰ চাব-১ আৰু বীনা ধান ১০ নামৰ দুটা উচ্চ উৎপাদনক্ষম জাতৰ শলিধানৰ সমূহীয়া কঠীয়াতলী ধান সিঁচা হৈছিল। উক্ত কঠীয়াতলীৰ পৰা উৎপাদন হোৱা শালিধানৰ কঠীয়াৰ বিতৰণৰ আজি নগাঁও সদৰ সমষ্টিত শুভাৰম্ভ কৰে বিধায়ক ৰূপক শৰ্মাই। আজি নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত ডাকৰঘাট গাঁৱৰ প্ৰায় ১৪গৰাকী কৃষকৰ মাজত বাহাদুৰ চাব-১ ধানৰ কঠীয়া বিতৰণ কৰা হয়। বিধায়ক ৰূপক শৰ্মাই কৃষকসকলক কঠীয়া বিতৰণ কৰি ন উদ্যমৰে কৃষকসকলক পুনৰ কৃষিকাৰ্যত মনোনিৱেশ কৰিবৰ বাবে আহ্বান জনায়। অনুষ্ঠানত উপস্থিত থকা জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই কয় যে জিলাখনৰ কামপুৰ আৰু ৰহা অঞ্চলৰ কৃষকসকলৰ মাজতো পৰ্যায়ক্ৰমে এই বিনামূলীয়া কঠীয়া বিতৰণৰ ব্যৱস্থা কৰা হ'ব। এই কাৰ্যসূচীত উপস্থিত থাকে মহকুমা কৃষি বিষয়া ৰঞ্জনপ্ৰসাদ ডেকা, এপাৰ্টৰ জিলা উদ্যান শস্য সমন্বয়ক পংকজ হাজৰিকা, পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰা, ডাকৰঘাটৰ প্ৰগতিশীল কৃষক পলাশ প্ৰকাশ শইকীয়া প্ৰমুখ্যে কৃষকসকল।



# বাৰ্তাজীৱী সংঘৰ বঙাইগাঁও জিলা সমিতিৰ সমূহীয়া পদত্যাগ

### ৰাজ্যিক সমিতিৰ কেইজনমান বিষয়াৰ ভুল নীতি আৰু অসাংবিধানিক নীতিৰ বাবে পদত্যাগ কৰাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ২৪ জুলাইঃ** অসম বাৰ্তাজীৱী সংঘৰ বঙাইগাঁও জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি-সম্পাদকে প্ৰেছ বিজ্ঞপ্তিযোগে জানিব দিয়া মতে অসম বাৰ্তাজীৱী সংঘৰ কেন্দ্ৰীয় সমিতিৰ একাংশ নেতাৰ কৰ্ম-কাণ্ডত অতিষ্ঠ হৈ বাৰ্তাজীৱী সংঘৰ বঙাইগাঁও জিলা সমিতিৰ অধিকাংশ সদস্যই সমূহীয়াভাৱে পদত্যাগ কৰা বুলি ঘোষণা কৰিলোঁ। উল্লেখ্য থাকে যে ক'ভিড-১৯ ৰ বাবে বঙাইগাঁও জিলা সমিতিৰ অধিৱেশন অনুষ্ঠিত কৰিব পৰা নাছিল। অলপতে অধিৱেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় যদিও এমাহৰ অধিক কাল বৰষুণৰ লগতে বানপানীৰ বাবে অধিৱেশন অনুষ্ঠিত কৰা সম্ভৱ হোৱা নাই। অসুবিধাৰ সুযোগত কেন্দ্ৰীয় সমিতিত নতুনকৈ নিৰ্বাচিত হোৱা একাংশ নেতাই সুপৰিকল্পিতভাৱে ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ নিমিত্তে বঙাইগাঁও জিলা সমিতি ভংগ কৰা দেখুৱাই আহ্বায়ক সমিতি গঠন কৰে। আহ্বায়ক সমিতিৰ পাঁচজন সদস্যৰ চাৰিজনেই জিলা সমিতিৰ সদস্য নহয়। সংগঠনৰ কেইজনমান ব্যক্তিয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে কিশোৰ কুমাৰ দাস, অশোক ৰায়, ৰফিকুল ইছলাম, হিতেশ্বৰ মেধিৰ নাম আহ্বায়ক হিচাপে দি ২৪ জুলাইত বঙাইগাঁৱত জিলাত এখন সভা অনুষ্ঠিত কৰি পূৰ্বৰ ১৪জনকৈ বোনাফাইড সদস্যৰ ভিতৰত ১২জনকে অন্ধকাৰত ৰাখি সভা অনুষ্ঠিত কৰে। যোৱা ২২ জুলাইত বঙাইগাঁও জিলা বাৰ্তাজীৱী সংঘৰ বালাৰচৰত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাৰ তিনি নং প্ৰস্তাৱ মূলে বাৰ্তাজীৱী সংঘৰ বঙাইগাঁও জিলা সমিতিৰ পদত্যাগ কৰা সদস্যসকল ক্ৰমে—ৰফিকুল ইছলাম, ৰফিক আলম, মকিবুল ইছলাম, ইয়াকুব আলী, কৃষ্ণানন্দ মেধি, আজিজ উদ্দিন, মোনোৱাৰ হুছাইন, টিংকু চন্দ্ৰ দাস, আব্দুল কৰিম আকন্দ, শ্বহিদুল ইছলাম, ইমদাদুল হক, মফিদুল ইছলাম (মাণিকপুৰ), ইমৰান হুছেইন, মফিদুল ইছলাম (কোকিলা), জেহেৰুল ইছলাম, কুৰবান আলী আহমেদ, ইয়াছিন আলী, আজিজুল হক, আবুল কালাম আজাদ আৰু মনছেৰ আলী।



# বটদ্ৰৱা প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত সত্ৰীয়া নৃত্য কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২৪ জুলাই ঃ** গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত বটদ্ৰৱা প্ৰেছ ক্লাবৰ উদ্যোগত ১৫দিনীয়া কাৰ্যসূচীৰে বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত সত্ৰীয়া নৃত্য কৰ্মশালাৰ আজি সামৰণি পৰে। বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানটিত মুখ্য অতিথি ৰূপে উপস্থিত থাকি বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি তথা তথা শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্তই গুৰুজনাৰ জন্মস্থানত নৱপ্ৰজন্মই কৰা কৃষ্ণ নাম বন্দন-শ্ৰৱণ-কীৰ্তনৰ বাবে যি সুন্দৰ পৰিৱেশ বিৰাজ কৰিছে তাক প্ৰশংসা কৰে। বটদ্ৰৱা প্ৰেছ ক্লাবৰ সম্পাদক কন্দৰ্প কুমাৰ কলিতাই আঁত ধৰা অনুষ্ঠানটিত নিমন্ত্ৰিত অতিথি ৰূপে উপস্থিত থাকি চলচ্চিত্ৰ, মঞ্চৰ জনপ্ৰিয় অভিনেতা, তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সদস্য ৰাজীৱ বৰঠাকুৰ আৰু ডিমৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মোহিনী মোহন ডেকাই 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰল প্ৰতিভাৰ চৰ্চা কৰি, শংকৰদেৱক আমি ভগৱান ৰূপে নহয় এজন মানৱ হিচাপে অধ্যয়ন আৰু চৰ্চা কৰিলে গুৰুজনা বিশ্বত উজ্জ্বলি উঠিব, কাৰণ তেওঁৰ দৰে প্ৰতিভা বিশ্বত বিৰল' বুলি মন্তব্য কৰে। জুৰীয়া মহাবিদ্যালয়ৰ অধ্যাপিকা ড° প্ৰাঞ্জুমণি শইকীয়া আৰু কণ্ঠশিল্পী দীপান্বিতা গোস্বামীকে আদি কৰি কে'বাগৰাকী ব্যক্তিয়ে ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, হেমেন দাস, ভাস্কৰজ্যোতি মেধি, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সদস্য বিপিন বৰা, দিপুল শইকীয়া, হীৰেন নাথ, ধনিয়াভেটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল ইছলাম, বৰদোৱা ইন্ধন এজেন্সীৰ পৰিচালক তুৰ্য জ্যোতি গায়ন, প্ৰশিক্ষক লক্ষ্যজিৎ শইকীয়া, শিল্পী উপেন শইকীয়া, মুন ভূঞা, ৰাজীৱ মহন্ত, জগন্নাথ কলিতা, পূজা শইকীয়া, নিতুমণি দেৱী, বটদ্ৰৱা প্ৰেছ ক্লাবৰ সভাপতি পদুম কলিতা, কাৰ্যকৰী সভাপতি মাণিক বৰা, দিব্যজ্যোতি বৰুৱাকে আদি কৰি পাঁচ শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সামৰণী অনুষ্ঠানটিৰ শেষৰ ফালে প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে বৰগীত, মাটিৰ আখৰা, কৃষ্ণ নৃত্য, নাদুভংগী, চালি নাচ, গীতৰ নাচ আদি বিভিন্ন সত্ৰীয়া নৃত্যৰ অনুষ্ঠান পৰিৱেশন কৰে।

## সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণৰে উজলিল হাজোৰ মডাৰ্ন ইংলিছ মিডিয়াম হাইস্কুল

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৪ জুলাইঃ** সদ্যঘোষিতচিবিএছই হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১০০% উত্তীৰ্ণৰে সুনাম কঢ়িয়াই আনিলে হাজোৰ বিষ্ণুপুৰস্থিত ব্যক্তিগত মাধ্যমৰ অগ্ৰণী শৈক্ষিক প্ৰতিষ্ঠান মডাৰ্ন ইংলিছ মিডিয়াম হাইস্কুলে। সৰ্বমুঠ ৪৭গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হোৱা পৰীক্ষাত আটাইকেইগৰাকীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। যাৰ বাবে শনিবাৰে এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হৈছে আৰু কৃতী ছাত্ৰ-ছাত্ৰীবৃন্দক প্ৰেৰণা জনোৱাৰ উদ্দেশ্যে সম্বৰ্ধনা জ্ঞাপন হৈছে। জানিব পৰা মতে মুঠ ৪৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৪৩গৰাকীয়ে প্ৰথম বিভাগত, ৪ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। অৱশ্যে মডাৰ্ন ইংলিছ মিডিয়াম হাইস্কুলে পূৰ্বৰ পৰাই শৈক্ষিক নৱজাগৰণ সৃষ্টিত এক গুৰুত্বপূৰ্ণ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে বুলি উল্লেখ হৈছে সচেতন মহলত।

# উন্নয়নৰ শ্মশানযাত্ৰা বৰঝাৰ গাঁও পঞ্চায়তত

## ■ কেৱল নাম-ফলক আঁৰিয়েই লাখ লাখ টকা হৰলুকী চৰকাৰী আঁচনিৰ ধন
## ■ কুম্ভকৰ্ণ নিদ্ৰাত খণ্ড উন্নয়ন বিষয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ২৪ জুলাই ঃ** অসম চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ জ্ঞাতসাৰেই ব্যাপক দুৰ্নীতি সংঘটিত হৈছে দৰঙৰ বেছিমাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়তসমূহত। খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়টোৰ কাৰ্যবাহী অভিযন্তা, কনিষ্ঠ অভিযন্তা, এক্ৰিডেটেড ইঞ্জিনীয়াৰ, গ্ৰাম ৰোজগাৰ সহায়কৰ সহযোগত বেছিমাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰঝাৰ গাঁও পঞ্চায়তত জনপ্ৰতিনিধিয়ে চলাইছে ব্যাপক দুৰ্নীতি। গাঁৱলীয়া বাট-পথসমূহ সুচল কৰাৰ বাবে চৰকাৰে লাখ লাখ টকা আবন্টন দিছে যদিও খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীয়ে আঁচনি পৰিদৰ্শন নকৰাকৈয়ে বিলত চহী কৰি মোকলাই দিয়ে লাখ লাখ টকা। গাঁও পঞ্চায়তকেইখনৰ দায়িত্বত থকা এক্ৰিডেডেট ইঞ্জিনীয়াৰ, গ্ৰাম ৰোজগাৰ সহায়কৰ নেতৃত্বত ঠিকাদাৰৰূপী জনপ্ৰতিনিধিয়ে চলাই আছে এনেধৰণৰ ব্যাপক দুৰ্নীতি। গাঁও পঞ্চায়তকেইখনত ৰূপায়ণ হোৱা আঁচনিসমূহত কেৱল নাম-ফলক আঁৰিয়েই গ্ৰাম ৰোজগাৰ সহায়ক আৰু এক্ৰিডেডেট ইঞ্জিনীয়াৰৰ হাতত বিলে প্ৰতি মোটা অংকৰ কমিচন দি অনুমোদন কৰাই লয় বিলসমূহ। যাৰ বিনিময়ত গাঁও পঞ্চায়তসমূহত বগাহাতীত পৰিণত হৈছে চৰকাৰী আঁচনিৰ কাম-কাজ। চৰকাৰে দিয়া আবন্টিত ধনেৰে ঠিকাদাৰৰূপী জনপ্ৰতিনিধিয়ে চৰকাৰী নিয়ম-নীতিক জলাঞ্জলি দি লুণ্ঠন চলাইছে গাঁও পঞ্চায়তখনত। গাঁও পঞ্চায়তকেইখনৰ দুৰ্নীতিগ্ৰস্ত জিআৰএছ, আৰু কনিষ্ঠ অভিযন্তাৰ সহযোগত ঠিকাদাৰৰূপী জনপ্ৰতিনিধিয়ে কমিছনৰ লাভালাভত চৰকাৰী নিয়ম-নীতিক জলাঞ্জলি দি অধিকাংশ ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হৈছে। উক্ত গাঁও পঞ্চায়তকেইখনত বৃহৎ পৰিমাণৰ দুৰ্নীতি সংঘটিত হোৱাৰ পাছতো কুম্ভকৰ্ণ নিদ্ৰাত আছে বেছিমাৰী খণ্ড উন্নয়ন বিষয়াগৰাকীৰ লগতে বিভাগীয় কৰ্তৃপক্ষই। আঁচনিৰ কমিছনৰ ধন সোমাই নেকি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰীৰ পকেটত। নহ'লে কিহৰ স্বাৰ্থত খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰীয়ে চকু মুদি বিলত চহী কৰে? তাক লৈ ৰাইজৰ মাজত প্ৰশ্ন উদয় হৈছে। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা কোৱা বিজেপি নেতৃত্বাধীন হিমন্ত বিশ্বৰ চৰকাৰক বেছিমাৰী উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ অন্তৰ্গত গাঁও পঞ্চায়তসমূহত চলি থকা ব্যাপক দুৰ্নীতি বন্ধ কৰিবলৈ দাবী জনাইছে স্থানীয় ৰাইজে।



# কাকপথাৰ প্ৰেছ ক্লাবৰ আতিথ্যত সাংবাদিক সতীৰ্থৰ কীৰ্তিমান সন্তানলৈ সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৪ জুলাই ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক আজি তিনিচুকীয়া জিলাৰ সাংবাদিক সন্থাৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উদ্যোগত কাকপথাৰ প্ৰেছ ক্লাবৰ আতিথ্যত সাংবাদিক সতীৰ্থৰ কীৰ্তিমান সন্তানলৈ বিশেষ সম্বৰ্ধনা অনুষ্ঠানটি কাকপথাৰ আঞ্চলিক সাংস্কৃতিক সংঘ পেক্ষাগৃহত আয়োজন কৰা হয়। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ অন্তৰ্গত ক্ৰমে তিনিচুকীয়া, মাৰ্ঘেৰিটা, কাকপথাৰ, ডিগবৈ, ডুমডুমা, জাগুন প্ৰেছ ক্লাবৰ সাংবাদিকসকলৰ মুঠ ১০গৰাকীৰ কৃতী শিক্ষাৰ্থীলৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে উদ্দেশ্য ব্যাখ্যা কৰি কয় যে 'সহযুদ্ধৰে হ'ব যুদ্ধ সহজ' প্ৰতিজনে প্ৰতিজনৰ সুখে-দুখে সমভাগী হ'বলৈ আহ্বান জনায়। প্ৰতিগৰাকী সাংবাদিকৰ কীৰ্তিমান সন্তানসকলক জিলা সাংবাদিক সন্থাৰ তৰফৰ পৰা যথাসাধ্য সহায়-সহযোগিতা আগবঢ়াই যাব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। উক্ত বিশেষ সম্বৰ্ধনা অনুষ্ঠানত জিলা সভাপতিৰ লগতে কেইবাগৰাকীও প্ৰাক্তন সভাপতি, সম্পাদক উপস্থিত থাকে।



# শিমলীতোলাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা আমছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা নগৰবেৰা, ২৪ জুলাই ঃ** গোৱালপাৰা জিলাৰ নৱাগত শিমলীতোলা আঞ্চলিক বজাৰ প্ৰাংগণত কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৱে নৱাগত শিমলীতোলা অঞ্চলিক সমিতিৰ সহযোগত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। উক্ত সভাত বৃহত্তৰ অঞ্চলৰ ৩৭গৰাকী উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ আৰু এখন কিতাপেৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বিভূতিভূষণ পাণ্ডাই কয় যে গুণগত শিক্ষাৰ জৰিয়তেহে এখন সমাজৰ সামগ্ৰিক উন্নয়ন সম্ভৱ হয়। সভাত উপস্থিত থাকি আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি হাছিৰ আহমেদ আৰু গোৱালপাৰা জিলা সমিতিৰ সভাপতি আনিমুল হক চৌধুৰীয়ে শৈক্ষিক ক্ষেত্ৰখনত দ্ৰুত অগ্ৰগতিৰ বাবে 'ঘৰে ঘৰে শিক্ষা তেতিয়াহে ৰক্ষা' আমছুৰ শৈক্ষিক শ্ল'গানক সাৰথি কৰি ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু ৰাইজক আগবাঢ়ি যাবলৈ আহ্বান জনায়। উক্ত সভাত মাটিয়া খণ্ড উন্নয়ন বিষয়া ৰবেন কুমাৰ বৰ্মন, গোৱালপাৰা জিলা আমছুৰ উপ-সভাপতি ইমদাদ হুছেইন, সাহানুৰ ৰহমান, প্ৰচাৰ সম্পাদক সাহানুৰ ইছলাম, সাংগঠনিক সম্পাদক আতোৱাৰ ৰহমান, নৱাগত শিমলীতোলা বজাৰ পৰিচালনা কমিটীৰ সভাপতি-সম্পাদক ক্ৰমে আলতাপ হুছেইন আৰু হানিফ উদ্দিন আহমেদ উপস্থিত থাকে। নৱাগত শিমলীতোলা আঞ্চলিক সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সভাপতি ইমান আলী মীৰৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত বৃহত্তৰ আঞ্চলৰ শিক্ষক সমাজ, মুৰব্বীসহিতে পাঁচ শতাধিক লোক উপস্থিত থাকে।

# ধুবুৰী নগৰ কমিটীৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

## দিৱস অধিকাৰীক সভাপতি-বিপুল প্ৰসাদক সাধাৰণ সম্পাদক ৰূপে লৈ ১৭জনীয়া নগৰ কমিটী গঠন




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৪ জুলাই ঃ** ধুবুৰীৰ সত্যনাৰায়ণ ঠাকুৰবাৰী ভৱনত অনুষ্ঠিত হোৱা সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ ধুবুৰী নগৰ কমিটীৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈ যায়। সেই উপলক্ষে অনুষ্ঠিত এখন বিশেষ সভাত দিৱস অধিকাৰীক সভাপতি আৰু বিপুল প্ৰসাদক সাধাৰণ সম্পাদক ৰূপে লৈ সংগঠনটোৰ ১৭জনীয়া ধুবুৰী নগৰ কমিটী এখন গঠন কৰা হয়। উল্লেখ্যে যে ধুবুৰীৰ ঠাকুৰবাৰী প্ৰাংগণত সীমান্ত চেতনা মঞ্চৰ পতাকা উত্তোলনেৰে আজিৰ এই এদিনীয়া বাৰ্ষিক অধিৱেশনখনৰ শুভাৰম্ভ ঘটে। ভাৰত মাতা পূজন আৰু সাংগঠনিক গীত পৰিৱেশনৰ পিছত আৰম্ভ হোৱা মূল সভাখনৰ আঁত ধৰে সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ ধুবুৰী নগৰ সমিতিৰ বিদায়ী সভাপতি উদয়ন চক্ৰৱৰ্তীয়ে। সভাখনত উপস্থিত থকা সংগঠনটোৰ কাৰ্যকৰ্তাসকলৰ পৰিচয়পৰ্ব অনুষ্ঠানৰ পিছত আজিৰ সেই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰা কৰা হয়। ধুবুৰী নগৰ কমিটীৰ বিগত কাৰ্যকালত অনুষ্ঠিত কাৰ্যসূচীসমূহৰ সবিশেষ জনোৱাৰ পিছত সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ সভানেত্ৰী ড° প্ৰতিমা নিয়োগীয়ে সংগঠনটোৰ উদ্দেশ্য আৰু লক্ষ্যৰ ওপৰত আলোকপাত কৰি এক চমু ভাষণ দিয়ে। ইয়াৰ পিছত সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ ধুবুৰী জিলা সমিতিয়ে নীৰিক্ষকৰূপে দায়িত্ব দিয়া অনুৰাগ নাহাটাৰ সঞ্চালনাত সভাখনত উপস্থিত থকা সকলোৱে সৰ্বসন্মতিক্ৰমে সংগঠনটোৰ ১৭জনীয়া ধুবুৰী নগৰ কমিটীখন গঠন কৰা হয়। উল্লেখ্য যে আজিৰ এই সভাখনত উপস্থিত থকা সীমান্ত চেতনা মঞ্চৰ ৰাষ্ট্ৰীয় সহঃ সংযোজক প্ৰদীপণে সংগঠনটোৰ ধুবুৰী নগৰ কমিটীৰ নৱনিৰ্বাচিত কাৰ্যকৰ্তাসকলক শুভেচ্ছা জ্ঞাপন কৰে আৰু তেওঁলোকক আত্মনিয়োগৰ সমান্তৰালকৈ দায়বদ্ধতাৰে নিজৰ নিজৰ কৰ্তব্য পালন কৰাৰ বাবে আহ্বান জনায়। সংগঠনটোৰ ধুবুৰী নগৰ কমিটীৰ সাধাৰণ সম্পাদক বিপুল প্ৰসাদৰ শলাগৰ শৰাইৰ পিছত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে আজিৰ এই বাৰ্ষিক অধিৱেশনখনৰ অন্ত পৰে। আজিৰ এই কাৰ্যসূচীত সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ ধুবুৰী জিলা সমিতিৰ নৱনিৰ্বাচিত সভাপতি হেমন্ত কুমাৰ ৰায়, সাধাৰণ সম্পাদক বিশ্বজিত ৰায়কে ধৰি সংগঠনটোৰ জিলা আৰু ধুবুৰী নগৰ কমিটীৰ কাৰ্যকৰ্তা-সদস্যসকল উপস্থিত আছিল।

# বকোত জিলমিল ডান্স এণ্ড এক্টিং ফ্লোৰৰ উদ্যোগত নৃত্য কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৪ জুলাই ঃ** কৃষ্টিৰ সৃষ্টিৰে সংস্কৃতি গঢ়ি তোলাৰ লক্ষ্যৰে যোৱা ১৩ জুলাইৰ পৰা কামৰূপ জিলাৰ কলেজ অৱ এডুকেচন, বকোত ৭ দিনীয়াকৈ নৃত্যৰ কৰ্মশালা আয়োজন কৰা হৈছিল। বকোৰ আধুনিক সাংস্কৃতিক অনুষ্ঠান জিলমিল ডান্স এণ্ড এক্টিং ফ্লোৰৰ উদ্যোগত লগতে কলেজ অৱ এডুকেচন আৰু বকো আঞ্চলিক যুৱক সংঘৰ সহযোগত আয়োজন কৰা হৈছিল কৰ্মশালাখন। উল্লেখ্য যে বকোৰ বিভিন্ন অঞ্চলৰ লগতে গোৱালপাৰা জিলাৰ উপৰিও ভিন্ন প্ৰান্তৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে নৃত্য প্ৰশিক্ষণ কৰ্মশালাত অংশগ্ৰহণ কৰে বুলি জানিব দিয়ে কৰ্মশালাৰ উদ্যোক্তা জিলমিল ডান্স এণ্ড এক্টিং ফ্লোৰৰ অধ্যক্ষ মনোজ দাসে। ইফালে, আজি আনুষ্ঠানিকভাৱে আয়োজন কৰা হয় কৰ্মশালাৰ সামৰণী অনুষ্ঠান। অনুষ্ঠানত জ্যেষ্ঠ অনাতাঁৰ শিল্পী প্ৰবীণ ৰাভা, বকোৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাস, বিশিষ্ট শিক্ষাবিদ তথা বি এড কলেজৰ সচিব প্ৰধান ড° গণেশ্বৰ চহৰীয়া, সাংস্কৃতিক কৰ্মী হৰমোহন ৰাভা, যুৱ সমাজ কৰ্মী তথা শিল্পী হিৰণ্য নাথকে ধৰি বহুসংখ্যক বিশিষ্ট শিল্পী উপস্থিত থাকে। অনুষ্ঠানত বকো আঞ্চলিক যুৱক সংঘৰ সভাপতি জ্যোতিপ্ৰসাদ দাস আৰু বিষয়ববীয়াসকল, কলেজ অৱ এডুকেচন বকোৰ কৰ্মীসকলে সহযোগ আগবঢ়ায়। অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰে।





# শিমলীতোলাত আমছুৰ শপত

**দৈনন্দিন বাৰ্তাৰ সেৱা নগৰবেৰা, ২৪ জুলাই ঃ** ইকবাল হুছেইন নেতৃত্বাধীন সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ গোৱালপাৰা জিলা সমিতিৰ অন্তৰ্গত নৱাগত শিমলীতোলা আঞ্চলিক সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ নতুনকৈ গঠন হোৱা সমিতিখনৰ আজি শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। অঞ্চলটোৰ নৱাগত শিমলীতোলা বজাৰ প্ৰাংগণত ৰূপায়ণ হোৱা এই অনুষ্ঠানত আমছুৰ নৱগঠিত আঞ্চলিক সমিতিখনৰ বিষয়ববীয়াসকলক শপতবাক্য পাঠ কৰোৱায় আমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক মাণিক আলী আহমেদে। কিছুদিন পূৰ্বে গোৱালপাৰা জিলা সমিতিৰ সভাপতি ৰফিকুল খানৰ নেতৃত্বত অনুষ্ঠিত আঞ্চলিক সমিতিখনৰ অধিৱেশনত ছফিকুল ইছলামক সভাপতি আৰু মহিবুল ইছলামক সাধাৰণ সম্পাদক হিচাপে লৈ মুঠ ৩১জনীয়া সদস্যৰে এখন পূৰ্ণাংগ আঞ্চলিক সমিতি গঠন কৰা হৈছিল। আজি গোৱালপাৰা জিলা সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সভাপতি ৰফিকুল খানৰ সভাপতিত্ব অনুষ্ঠিত উক্ত শপত গ্ৰহণ অনুষ্ঠানত আমছুৰ সাধাৰণ সম্পাদক মাণিক আলী আহমেদ, সহকাৰী সাধাৰণ সম্পাদক ফিৰাজুল হক, শিমলীতোলা বজাৰ পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক, শিমলীতোলা হাইস্কুল, বাঘমাৰা হাইস্কুলৰ প্ৰধান শিক্ষকদ্বয়ৰ লগতে অঞ্চলটোৰ বিভিন্ন গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# বকতাৰ জ্যোতি সংগীত সৃষ্টিশীল নৃত্য কৰ্মশালাৰ সফল সামৰণী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৪ জুলাই ঃ** বকতাৰ হলগুৰি জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ১৮ জুলাইৰ পৰা অনুষ্ঠিত হৈ থকা ছদিনীয়া গ্ৰীষ্মকালীন জ্যোতি সংগীত আৰু সৃষ্টিশীল নৃত্যৰ কৰ্মশালাখনি ২৩ জুলাইত সামৰণি পৰে। সামৰণী অনুষ্ঠান উদ্বোধন কৰি পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ শিৱসাগৰ জিলা সভাপতি ভৱ মহনে কয়- সংগীত আৰু নৃত্যৰ কৰ্মশালাখনিৰ যোগেৰে ছাত্ৰ-ছাত্ৰীসকল নিশ্চয় উপকৃত হৈছে আৰু ভৱিষ্যৎ সময়ত তেওঁলোক জীৱন বাটত আগুৱাই যাবলৈ সক্ষম হ'ব। শৈক্ষিক উন্নয়ন পৰামৰ্শদাতা সমিতিৰ যুটীয়া সম্পাদক উমেশ মহনে আঁত ধৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক যোগেন ফুকন আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক গোপাল গগৈয়ে বিদ্যালয়ৰ গীষ্মকালীন বন্ধৰ সময়ত কৰ্মশালাখনৰ যোগেদি শিক্ষাৰ্থীসকল উপকৃত হৈছে বুলি বক্তব্য ৰাখে। অনুষ্ঠানত সংগীত আৰু নৃত্যৰ প্ৰশিক্ষক ধৰ্ম ফুকন, টংকেশ্বৰ বৰগোহাঁই আৰু তবলাবাদক প্ৰতীম নাথক সম্বৰ্ধনা জনায়। ছাত্ৰ-ছাত্ৰীসকলে জ্যোতি সংগীত আৰু সৃষ্টিশীল নৃত্য প্ৰদৰ্শনেৰে অনুষ্ঠানটো জীপাল কৰি তোলে। শেষত ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি গজেন্দ্ৰ ফুকন, শৈক্ষিক উন্নয়ন পৰামৰ্শদাতা সমিতিৰ সভাপতি অতুল ফুকনে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক ঊষাধৰ ফুকন, লীলা বৰুৱা, শিক্ষক ৰেৱকান্ত ফুকন, চন্দ্ৰিকা মহন, বদন বৰুৱা, অমৃত চুতীয়া, কৰবী বৰুৱা, বিকাশ বৰুৱা, মনোৰঞ্জন বৰুৱা তথা ভালেসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।



# নগৰবেৰাত কলিতা জনগোষ্ঠীৰ হেকৰা-যোগীপাৰা আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা নগৰবেৰা, ২৪ জুলাই ঃ** দক্ষিণ কামৰূপ জিলাৰ অন্তৰ্গত হেকৰা-যোগীপাৰা গাঁও পঞ্চায়তৰ মালিবাৰী সত্ৰত আজি কলিতা জনগোষ্ঠীৰ এক বিশেষ সভা অনুষ্ঠিত হয়। কলিতা জনগোষ্ঠীৰ দক্ষিণ কামৰূপ জিলাৰ হিচাপ পৰীক্ষক তথা নগৰবেৰা আঞ্চলিকৰ উপদেষ্টা হৰকুমাৰ কলিতাৰ পৌৰোহিত্যত আয়োজিত আজিৰ সভাত পঞ্চায়তখনৰ পাঁচখনকৈ গাঁও ক্ৰমে-যোগীপাৰা, হেকৰা, মন্দিৰা মালিবাৰী আৰু দলাগাঁৱক মিলাই হেকৰা-যোগীপাৰা আঞ্চলিক সমিতিখন গঠন কৰা হয়। সভাত উপস্থিত থাকি কলিতা জনগোষ্ঠী সন্মিলনৰ সম্পাদক বিষ্ণুৰাম পাটগিৰিয়ে ৰাজনৈতিক অধিকাৰ বিচাৰি বিধানসভাত কলিতা জনগোষ্ঠীৰ ৩০খনকৈ আসন সংৰক্ষণ কৰা আৰু স্বায়ত্তশাসিত পৰিষদৰ দাবী উত্থাপন কৰে। আজিৰ সভাত দীনাৰাম বৈশ্যক সভাপতি, ঘনকান্ত কলিতাক কাৰ্যকৰী সভাপতি আৰু বাবুল কলিতাক সম্পাদক হিচাপে লৈ হেকৰা-যোগীপাৰা আঞ্চলিক সমিতিখন গঠন কৰা হয়।

# পুৰণিগুদামত যুৱ-ছাত্ৰ পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৪ জুলাই ঃ** শেহতীয়াকৈ বানপানীৰ পৰা সাময়িকভাৱে সকাহ পোৱাৰ সময়তেই পূৰ্বৰ নিৰ্ধাৰিত সময়সূচীৰ সালসলনি কৰি অসমৰ অৰাজনৈতিক সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ একবিশতিতম্ দ্বি-বাৰ্ষিক অধিৱেশনখন পুৰণিগুদাম আঞ্চলিক সমিতিৰ আমন্ত্ৰণমৰ্মে অহা ৩১ জুলাই দেওবাৰে পুৰণিগুদামস্থিত ঐতিহ্যমণ্ডিত বাপুজী ভৱন আৰু পুথিভঁৰালৰ খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে আয়োজনৰ ব্যাপক প্ৰস্তুতি প্ৰস্তুতি চলোৱা হৈছে। পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া আৰু সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই এক বিবৃতিযোগে জনায় যে নগাঁও জিলা সমিতিৰ একবিশতিতম্ দ্বি-বাৰ্ষিক অধিৱেশনৰ কাৰ্যসূচী অনুযায়ী পুৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পতাকা উত্তোলন কৰিব জিলা সমিতিৰ সভাপতি দীপমণি বড়াই। শ্বহীদ তৰ্পণ কৰিব সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই। সতীৰ্থ স্মৰণ কাৰ্যসূচী সমাপন কৰিব কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰদীপ শইকীয়াই। লগতে পুৰণিগুদামত জন্মগ্ৰহণ কৰা অসমৰ পুৰোধা ব্যক্তিসকলৰ কৰ্মৰাজি তথা অৱদানক সুঁৱৰিব কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক প্ৰবীণ চন্দ্ৰ দাসে। পৰিৱেশৰ লগত সংগতি ৰাখি অধিৱেশনখনি স্মৃতি চিহ্নস্বৰূপে বাপুজী ভৱন চৌহদত বৃক্ষৰোপণ কৰিব বাপুজী ভৱন আৰু পুথিভঁৰাল পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকাই। নগাঁৱৰ বিভিন্ন প্ৰান্তত অৱস্থিত আঞ্চলিক সমিতিসমূহৰ হাজাৰৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিনিধি সভাখন উদ্বোধন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণাপ্ৰতাপ বৰুৱাই। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা পৰিষদৰ পৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব পুলক বৰা। দুখনকৈ বৈঠকেৰে সমাপন হ'বলগীয়া প্ৰতিনিধি সভাৰ অন্তত ২০২২-২৪ বৰ্ষৰ বাবে নগাঁও জিলা সমিতি গঠনৰ উদ্দেশ্যে বিষয়বাছনি সভা অনুষ্ঠিত হ'ব। সন্ধিয়া কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰা হ'ব। প্ৰজ্বলন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য মুকুট চন্দ্ৰ বৰাই। নিশা আমন্ত্ৰিত শিল্পী তথা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষুৰ লগতে উদীয়মান শিল্পী পাৰ্থজ্যোতি শইকীয়া, সপ্তৰ্ষি বৰা আৰু দিগন্ত নাথে গীত পৰিৱেশন কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিব অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে। অনুষ্ঠানটি সফল ৰূপায়ণৰ বাবে সমূহ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া, সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়া আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি ফণীন্দ্ৰ নাথ গায়ন, কাৰ্যকৰী সভাপতি ৰাছিফ আলম, সাধাৰণ সম্পাদক প্ৰাণকৃষ্ণ ডেকায়ে।

# বকোৰ ১নং বৰুৱা পথাৰৰ গৰুমাৰা শান্তিপুৰ ৰাজহুৱা কবৰস্থানৰ শুভ উদ্বোধনী অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৪ জুলাই ঃ** কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত ১নং বৰুৱা পথাৰৰ গৰুমাৰা শান্তিপুৰ গাঁৱত আজি ইছলামধৰ্মী লোকসকলৰ পৱিত্ৰ কবৰস্থান এখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কবৰস্থানখন উদ্ধোধন কৰে বৰুৱাগাঁও গাঁও পঞ্চায়তৰ সভাপতি আক্ৰাম হুছেইনে। কবৰস্থান উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে গাঁৱৰ জেষ্ঠ সমাজকৰ্মী ক্ৰমে—আলহাজ অমৰ আলী, মজিল হক, হজৰত আলী, আয়নাল হক, আঞ্চলিক পঞ্চায়তৰ সদস্য হজৰত আলী, নুৰুল হক গাঁওবুঢ়া, ছপিয়াৰ ৰহমান, দিলদাৰ হুছেইন, বদিৰায় ৰহমান, চুলতান মামুদ, হুকুম আলী, চুমুৰ আলী, আব্দুল মজিদৰ উপৰিও ১নং বৰুৱা পথাৰৰ ৰাইজ গয়ৰহ। ইফালে, কবৰস্থান পৰিচালনা সমিতিৰ সভাপতি ইনছাৰ আলী আৰু সম্পাদক আজমল হকে জনোৱা মতে বৃহত্তৰ অঞ্চলটোৰ ইছলামধৰ্মী লোকসকলৰ পৱিত্ৰ কবৰস্থানখন আধুনিক ৰূপত নিৰ্মাণ কৰি উলিওৱা হৈছে আৰু ইয়াক ব্যৱহাৰোপযোগী কৰি গঢ়ি তোলা হৈছে।



# কলকাতাৰ ৰাষ্ট্ৰীয় কবি সন্মিলনত অজয় বৰুৱাৰ গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৪ জুলাই ঃ** বিশিষ্ট কবি, প্ৰবন্ধকাৰ, নিবন্ধকাৰ, গল্পকাৰ, সমাজ সংগঠক, 'কাব্যসূৰ্য' বঁটাপ্ৰাপ্ত কৃতী শিক্ষক অজয় বৰুৱাৰ দুখন গ্ৰন্থ আজি কলিকতাৰ ৰবীন্দ্ৰ তীৰ্থত উন্মোচন হয়। 'আজিৰ কবিতা' আৰু দিল্লীৰ পৰা প্ৰকাশিত 'প্ৰজ্ঞা মেইল'ৰ সহযোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় কবি সন্মিলনত তেওঁৰ অষ্টম আৰু নৱম গ্ৰন্থ দুখন ক্ৰমে 'সুশোভিত জীৱনৰ অন্বেষণ' (ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ উপযোগী প্ৰবন্ধ সংকলন) আৰু 'সুঁৱৰিলে ভাল লগা সুগন্ধি অনুৰাগ' উন্মোচন কৰে বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য-সংস্কৃতিৰ গৱেষক, বিশিষ্ট সাহিত্যিক, সাহিত্যিক পেঞ্চনাৰ শ্ৰদ্ধাৰ দিল্ স্ লক্ষ্মীন্দ্ৰ সিংহদেৱ। সুঁৱৰিলে ভাল লগা সুগন্ধি অনুৰাগ কাব্যগ্ৰন্থখন অজয় বৰুৱাৰ দ্বিতীয় প্ৰকাশ। ৰাজ্যৰ শৈক্ষিক-সাহিত্য-সাংস্কৃতিক-সামাজিক ক্ষেত্ৰখনত বিভিন্ন দিশত বিশেষ বৰঙণি আগবঢ়াই অহা বিশিষ্ট কবিজনাৰ এখন শিশুৰ মানসিক উৎকৰ্ষ সাধন কৰিব পৰা জীৱন শিক্ষামূলক গ্ৰন্থ আৰু আনখন কাব্যগ্ৰন্থ। দৰঙৰ সু-সন্তান তথা ধুবুৰী জিলাৰ বিলাসীপাৰা প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত বাহিৰ শালমাৰা এমই মাদ্ৰাছাৰ সহঃ শিক্ষক, ২০২০ বৰ্ষত 'কাব্যসূৰ্য' বঁটাপ্ৰাপ্ত অজয় বৰুৱা ২০২১ বৰ্ষৰ প্ৰাগজ্যোতিষ 'শিক্ষা বাৰিধি' বঁটাৰ বাবে নিৰ্বাচিত হৈছে। সাহিত্য আৰু শিক্ষাক সমান্তৰালভাৱে আগবঢ়াই লৈ যোৱা বৰুৱাই ধুবুৰী জিলাৰ অতি দুৰ্গম চৰাঞ্চলত নানা প্ৰত্যাহ্বানৰ মাজেৰে শিক্ষা-সাহিত্য-সংস্কৃতিৰ দিশত ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিবলৈ সক্ষম হৈছে। দৰং জিলাৰ বানেইকুছি গাঁৱৰ ললিত বৰুৱা আৰু সুমিত্ৰা বৰুৱাৰ পুত্ৰ অজয় বৰুৱাক যোৱা ৫ ছেপ্টেম্বৰ ২০২১ত ধুবুৰী জিলাই কৃতী শিক্ষকৰ বঁটাও প্ৰদান কৰিছে। বৰুৱাদেৱে ইতিমধ্য মাতাল হোৱা জোখাৰে নিঃসংগ মই, সুঁৱৰিলে ভাল লগা সুগন্ধি অনুৰাগ, সোণালী সাঁকো তুমি জগতৰ গুৰু, সাঁকো আৰু মুকুতামালা (প্ৰথম খণ্ড), মুকুতামালা (দ্বিতীয় খণ্ড) নামৰ ছখনকৈ গ্ৰন্থ প্ৰকাশ কৰাৰ উপৰিও উন্নত মানৰ লেখাবোৰ অসমৰ আগশাৰীৰ প্ৰায়কেইখন ছপা-বাতৰি কাকত, আলোচনীত নিয়মিতভাৱে প্ৰকাশ হৈ থাকে। বহুকেইখন গ্ৰন্থ সম্পাদনা কৰা বৰুৱাই ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় কাকত-আলোচনীতো লেখা প্ৰকাশ কৰি ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়। এসময়ত অসমীয়া খবৰ, দৈনিক বাতৰি কাকত, সুপ্ৰভাত, সাপ্তাহিক নতুন প্ৰবাহ আদি বাতৰি কাকতত স্থানীয় সংবাদদাতা হিচাপে কাম কৰা বৰুৱাক ২০০৬ চনত গণ সচেতনা প্ৰকল্পৰ সাপ্তাহিক নতুন প্ৰবাহৰ পৰা 'উদীয়মান সাংবাদিকতাৰ বঁটা' প্ৰদান কৰিছিল। বহু ঠাইত শ্ৰেষ্ঠ কবিৰ সন্মান লাভ কৰা বৰুৱা 'আজিৰ কবিতা' নামৰ কাব্যালোচনী এখনৰ কাৰ্যকৰী সম্পাদক আৰু 'অন্তৰীপ' নামৰ এখন ই-মেগাজিনৰ বৰ্তমান সম্পাদকৰ দায়িত্বত। বিগত ৩২ বছৰে প্ৰকাশ হৈ অহা কবিতা আৰু কবিতা বিষয়ক পত্ৰিকা 'আজিৰ কবিতা' আৰু নতুন দিল্লীৰ 'প্ৰজ্ঞা মেইল'ৰ সহযোগত কলিকতাৰ ৰবীন্দ্ৰ তীৰ্থ (বিশ্ব বাংলা চৰানি, নিউ টাউন) অনুষ্ঠিত ৰাষ্ট্ৰীয় কবি সন্মিলনখনত প্ৰায় পোন্ধৰখন অসমীয়া, বাংলা আৰু ইংৰাজী গ্ৰন্থ উন্মোচন হোৱাৰ উপৰিও বহুকেইজন অসমীয়া. বাংলা কবিক বিভিন্ন বঁটাৰে সন্মানিত কৰে।



# অসম যুৱ অলিম্পিকৰ ফুটবলত ধেমাজি ফাইনেলত



**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া বাৰ্তা, গোগামুখ, ২৪ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত হৈ থকা অসম যুৱ অলিম্পিকৰ ফাইনেলত উপনীত হৈছে ধেমাজি জিলা ফুটবল দল। নিজৰ অপৰাজেয় গতি অক্ষুণ্ণ ৰাখি ধেমাজি জিলা দলে নাজিৰাক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ধেমাজি জিলা দলৰ হৈ একমাত্ৰ গ'লটো দিয়ে পৱিত্ৰ পাংগিঙে। ধেমাজি জিলা ফুটবল দলৰ প্ৰশিক্ষক গেৰেমছা দৈমাৰীৰ নিখুঁত প্ৰশিক্ষণত ধেমাজি জিলা দলে ইতিমধ্যে ১৭ বছৰ অনূৰ্ধ্বৰ সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হোৱাৰ পিছত অসম যুৱ অলিম্পিকত চেম্পিয়নৰ খিতাপ লাভ কৰিবলৈ মাথোঁ এখোজ দূৰত আছে। যুৱ অলিম্পিকত ধেমাজি ফুটবল দলৰ সাফল্যই ধেমাজিত আনন্দৰ লহৰ তুলিছে।

## যুৱ অলিম্পিকত হাজোৰ ৪গৰাকী কাৰাটে খেলুৱৈয়ে ৰচিলে অভিলেখ

# ছোনিয়া মালাকৰৰ দখলত ৰূপ

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া বাৰ্তা, হাজো, ২৪ জুলাই ঃ** অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰৰ প্ৰচেষ্টাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকৰ কাৰাটে শাখাত কামৰূপ জিলা দলৰ হৈ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৮গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। ইয়াৰে ছোৱালীৰ জুনিয়ৰ ৫৩ কেজিৰ তলৰ শাখাত বহ্নিমান কাৰাটে একাডেমীৰ ছোনিয়া মালাকৰে লাভ কৰে ৰূপৰ পদক, ল'ৰাৰ কেডেট ৫৭কেজি তলৰ শাখাত হীৰক দাসে ব্ৰঞ্জ, দমদমা কাৰাটে একাডেমীৰ ভাস্বতী মহন্তই ছোৱালীৰ জুনিয়ৰ ৫৯ কেজি ওজনৰ তলৰ শাখাত ব্ৰঞ্জ আৰু হিমাংশু ৰাজ পাটোৱাৰীয়ে ল'ৰাৰ জুনিয়ৰ কাটা আৰু জুনিয়ৰ ৬১ কেজি ওজনৰ তলৰ শাখাত দুটাকৈ ব্ৰঞ্জৰ পদক লাভ কৰি তীৰ্থনগৰী হাজোলৈ গৌৰৱ কঢ়িয়াই আনিছে। খেলুৱৈকেইগৰাকীৰ সফলতাত কামৰূপ জিলা কাৰাটে দলটোৰ প্ৰশিক্ষক হাজোৰ আন্তঃৰাষ্ট্ৰীয় পদকপ্ৰাপ্ত কাৰাটে খেলুৱৈ দীপাংকৰ মজুমদাৰ, খেলখনৰ টেকনিকেল অফিচিয়েল হিচাপে নিযুক্ত তথা ইউনিভাৰ্ছেল কাৰাটে ড' ফেডাৰেচন অব ইণ্ডিয়াৰ সাধাৰণ, সম্পাদক হাজোৰ সুসন্তান ছেনচেই মন্টু ওজা, কামৰূপ জিলা ক্ৰীড়া সন্থা, মহকুমা ক্ৰীড়া পৰিষদ, কামৰূপ জিলা কাৰাটে এছ'চিয়েচন, হাজো ক্ৰীড়া সন্থা, ধোপৰগুৰি সত্ৰ পৰিচালনা সমিতি, বহ্নিমান কাৰাটে একাডেমী, দমদমা কাৰাটে একাডেমী, হাজো কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, অসম ক্ৰীড়া যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মা আদিয়ে পদক বিজয়ী খেলুৱৈসকল আৰু দলটোৰ প্ৰশিক্ষকক শুভেচ্ছা জনায়।

## জে টি চি আইটা টেনিছত তানিয়া কুমাৰীৰ দ্বিমুকুট অৰ্জন

**গুৱাহাটী ২৪ জুলাই ঃ** যোৰহাট টেনিছ ক্লাবত অনুষ্ঠিত জে টি চি আইটা টেনিছ টুৰ্নামেন্টত অসমৰ তানিয়া কুমাৰীয়ে দ্বিমুকুট অৰ্জন কৰিছে। ১৬ বছৰ অনূৰ্ধ্ব শাখাত তানিয়া কুমাৰীয়ে ছোৱালীৰ ছিংগলছত ৬-৩, ৬-১ ছেটত আদ্ৰিকা ৰাজকুমাৰীক পৰাজিত কৰে। ইফালে, ডাবলছত তানিয়া কুমাৰী-আদ্ৰিকা ৰাজকুমাৰী যুটীয়ে অঞ্চিতা শুক্লা আৰু কৃতিকা কলিতাক ৬-১,৬-০ ছেটত পৰাজিত কৰে। আনহাতে, ল'ৰাৰ ১৬ বছৰ অনূৰ্ধ্ব শাখাত অন্তৰীক্ষ তামুলীয়ে শুভাশীষ ৰয়ক ৬-৩,৬-২ ত পৰাস্ত কৰে । ল'ৰাৰ ১৬ বছৰ অনূৰ্ধ্ব ডাবলছত পাৰ্থিৱ কলিতা আৰু ছান্দোগ্য পাঠকে অন্তৰীক্ষ তামুলী আৰু অক্লান্তজিত ফুকনক ৬-৩,৬-১ত পৰাজিত কৰি বিজয়ী হয়।

## আন্তঃক্লাব 'বি' ডিভিজন ফুটবল লীগ

**গুৱাহাটী ২৪ জুলাই ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত চলি থকা বিনুপ্ৰভা গগৈ মৰাণ আন্তঃক্লাব 'বি' ডিভিজন ফুটবল লীগৰ আজি অনুষ্ঠিত খেলত তিলৈজান চাহ বাগিচা আৰু খোৰাং ক'চিং চেণ্টাৰ জয়ী হৈছে। আজি অনুষ্ঠিত প্ৰথমখন খেলৰ তিলৈজান চাহ বাগিচাই শ'লগুৰি ৰূপালী যুৱ সংঘক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে । তিলৈজানৰ সুশীল সূতবংশী আৰু চন্দন ওৰাঙে গ'ল দুটা দিয়াৰ বিপৰীতে শ'লগুৰিৰ অভিজ্ঞান বৰুৱাই এটা গ'ল পৰিশোধ কৰে। আনহাতে, দ্বিতীয়খন খেলত খোৰাং ক'চিং চেণ্টাৰে খুমটাই ক্ৰীড়া সন্থাক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰিছে। খুমটাইৰ নিখিল গোৱালপাৰা গ'ল দিয়াৰ পাছত খোৰাঙৰ ৰোনাল্ড চাৰাছীয়ে সমতা স্থাপন কৰে। পুনৰ ৰোনাল্ড চাৰাছীয়ে গ'ল দি দলৰ বিজয় নিশ্চিত কৰে। খেল দুখন পৰিচালনা কৰে জুন বৰগোহাঁই, বিৰাজ নেৱাৰ, বিতোপন গগৈ, ভৰত চাওৱা আৰু শিক্ষাৰ চাংমায়ে।

## প্ৰাইজমানী স্কুল টুৰ্নামেণ্ট আয়োজন

**গুৱাহাটী, ২৪ জুলাই ঃ** শুৱালকুছি ক্ৰীড়া সন্থাই আয়োজন কৰিব লগা আসন্ন কে'বাখনো প্ৰতিযোগিতাৰ দিন নিৰ্ধাৰণ কৰিছে। সেই অনুসৰি ২৮ জুলাইত স্কুল পৰ্যায়ৰ ফুটবল প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ক্ৰীড়া সন্থাৰ উদ্যোগত সংগঠক খনীন বৈশ্যৰ সোঁৱৰণত শুৱালকুছি উন্নয়ন খণ্ড ভিত্তিত সাত আগষ্টত প্ৰাইজমানী স্কুল টুৰ্নামেণ্টৰ আয়োজন কৰিছে শুৱালকুছি ক্ৰীড়া সন্থাই। তদুপৰি তৰণীকান্ত মেধি সোঁৱৰণী আন্তঃক্লাব ফুটবল লীগ আঠ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। আনহাতে ন আগষ্টৰ পৰা কামৰূপ জিলা আন্তঃক্লাব ফুটবল লীগৰ আয়োজন কৰিছে। সবিশেষ জানিবৰ বাবে ৯১০১২৩৭৮৩১ বা ৯৮৬৪৭৯৬১৭৮, ৮৬৩৮২৩২৯১১ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## আন্তঃআৰক্ষী থানা ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী, ২৪ জুলাই ঃ** অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে চিৰাং জিলা আৰক্ষীয়ে চিৰাং জিলাত আয়োজন কৰিছে আন্তঃআৰক্ষী থানা ফুটবল প্ৰতিযোগিতা। জিলাখনৰ বিজনী চহৰস্থিত বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজি দ্বিতীয়খন ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। চিৰাং জিলাৰ আৰক্ষী অধীক্ষক প্ৰাণজিৎ বৰাই উদ্বোধন কৰা প্ৰতিযোগিতাখনিত অংশ লয় বিজনী আৰক্ষী থানা একাদশ বনাম পাণবাৰী আৰক্ষী থানা একাদশে। বিজনী আৰক্ষী থানা একাদশ দলে ৪-০ গ'লত জয়ী হৈ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। উল্লেখ্য যে শনিবাৰে কাজলগাঁৱত ঢালিগাঁও আৰক্ষী থানা একাদশ আৰু চিদলী আৰক্ষী থানা একাদশৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হয়।

## যোৰহাট এ ডিভিজন ফুটবলত ভিক্টোৰিয়াছ ক্লাব জয়ী

**গুৱাহাটী ২৪ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি এ গ্ৰুপৰ খেলত ভিক্টোৰিয়াছ ক্লাবে গোহাঁই টেকেলা ফুটবল ক্লাবক ১-০ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। এই জয়েৰে লীগৰ চাৰিখন খেলত অংশগ্ৰহণ কৰি তিনিখনত জয়ী এখনত ড্ৰ খেলি সৰ্বমুঠ ১০ পইন্ট সংগ্ৰহ কৰি ভক্টোৰিয়াছ ক্লাবে এ গ্ৰুপৰ দ্বিতীয়টো দল হিচাপে ছেমিফাইনেলত উপনীত হৈছে। মেচত ভিক্টোৰিয়াছ ক্লাবৰ হৈ একমাত্ৰ গ'লটো দিয়ে বসন্ত ভূঞাই। আজি খেল পৰিচালনা কৰে বিমান বুঢ়াগোহাঁয়ে। লাইনত পৱন পাঠক আৰু ৰাজীৱ শইকীয়াই। চতুৰ্থ ৰেফাৰী অনিল শইকীয়া। ২৫ জুলাই খেল ঃ কেন্দ্ৰীয় ক্লাব টীয়ক বনাম অল ষ্টাৰ ক্লাব।

## সদৌ অসম কালাৰিপায়াট্টু চেম্পিয়নশ্বিপলৈ দল ঘোষণা

**গুৱাহাটী, ২৪ জুলাই ঃ** গুৱাহাটীত ৩০ আৰু ৩১ জুলাইত অনুষ্ঠিত হ'ব লগীয়া দ্বিতীয় সদৌ অসম কালাৰিপায়াট্টু চেম্পিয়নশ্বিপলৈ যোৰহাট জিলাৰ দলটো ঘোষণা কৰা হৈছে। নিৰ্বাচিত খেলুৱৈসকল হ'ল ঃ ল'ৰাৰ শাখাত, আশিকুৰ ৰহমান, তুষাৰ গগৈ, হেমেন হাজৰিকা, মধু প্ৰিয়ম শইকীয়া, ঋষি বৰা, নৱজোতি গগৈ, শুভম মজুমদাৰ, ৰাগ ৰিতম হাজৰিকা, অংশু পাল, ৰাঘৱ তাঁতী, জিশান পাল। আনহাতে, ছোৱালীৰ শাখাত ঃ মাৰ্টিনা গগৈ, শ্ৰুতি দত্ত, প্ৰিয়াসী চুতীয়া, মধু শৰ্মা, পূজা চেত্ৰী, কৃষ্টিছায়া শইকীয়া, কৃষাগ্নী হাজৰিকা আৰু হৰ্ষিতা পি বৰুৱা। দলটোক নেতৃত্ব দিব যোৰহাট জিলা কালাৰিপায়াট্টু সন্থাৰ সাধাৰণ সম্পাদক তথা মুখ্য প্ৰশিক্ষক মৃণাল কুমাৰ শইকীয়া আৰু প্ৰশিক্ষক চিন্ময়ী ৰাজখোৱাই।



*গুৱাহাটীৰ টি আৰ পি ইনড'ৰ ষ্টেডিয়ামত চলি থকা অসম যুৱ অলিম্পিক-২০২২ৰ যোগ প্ৰতিযোগিতা প্ৰতিযোগীৰ, দেওবাৰে*

# যুৱ অলিম্পিকৰ পদক তালিকাৰ শীৰ্ষত গুৱাহাটী

**গুৱাহাটী, ২৪ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ ৰ আজি তৃতীয় দিনাৰ খেলৰ অন্তত গুৱাহাটী জিলাই সৰ্বাধিক পদক লাভ কৰি তালিকাৰ শীৰ্ষত আছে। উল্লেখ্য যে গুৱাহাটীৰ খেলুৱৈয়ে তৃতীয় দিনাৰ খেলৰ অন্তত ১৭টা সোণ, ২১টা ৰূপ আৰু ২৬টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, ১৩ টা সোণ, আঠটা ৰূপ আৰু ১৩ টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক তালিকাৰ দ্বিতীয় স্থানত আছে কামৰূপ জিলা। তৃতীয় স্থানত থকা তিনিচুকীয়া জিলাই নটা সোণ, চাৰিটা ৰূপ আৰু সমসংখ্যক ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। তাৰ পাছতে শীৰ্ষ ১০টা স্থানত থকা জিলাকেইখন হ'ল ক্ৰমে কাৰ্বি আংলং, যোৰহাট, নগাঁও, ডিব্ৰুগড়, ধেমাজি, চৰাইদেউ আৰু শিৱসাগৰ। উল্লেখ্য যে অসম অলিম্পিক সন্থাই অসম চৰকাৰৰ সহযোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা অসম যুৱ অলিম্পিকত মুঠ ৩২ বিধ খেল অন্তৰ্ভুক্ত কৰিছিল। আজি তৃতীয় দিনাৰ খেলৰ অন্তত প্ৰায় অৰ্ধেক সংখ্যক খেলৰ সফল সামৰণি পৰিছে। প্ৰথম দুদিনৰ অচলাৱস্থাৰ পাছত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰি অসম অলিম্পিক সন্থাই এতিয়া সুচল ৰূপত খেল আয়োজন কৰাৰ দিশত আগবাঢ়িছে। উল্লেখ্য যে আজি তৃতীয় দিনা সামৰণি পৰিছে কাবাদী, যোগাসন, ফেন্সিং, জুডো, বাস্কেট বল, নেটবল, খো-খো, চাইক্লিং, কাৰাটে, জিমনাষ্টিক, মহিলা হকীৰ। অৱশ্যে বৰযুণৰ বাবে দুই-এখন খেল বাকী আছে যি কাইলৈ পুৰা অনুষ্ঠিত হ'ব। উল্লেখ্য যে ৰাজ্যৰ যুৱ খেলুৱৈসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যে তথা নতুন প্ৰতিভা নিৰ্বাচন কৰি ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰক তৃণমূলৰ পৰা সুদৃঢ় কৰাৰ লক্ষ্যৰে অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম যুৱ অলিম্পিক।

**ছোৱালীৰ হকীত নগাঁও জিলাৰ সোণ**

অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ৰ মহিলা হকীৰ চেম্পিয়ন হৈছে নগাঁও জিলা দল। আজি ভেটাপাৰাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ফাইনেলত নগাঁও জিলা দলে সামগ্ৰিকভাবে ৫-৩ গ'লত পৰাস্ত কৰে ডিব্ৰুগড়ক। নিৰ্ধাৰিত সময়ত মেচখন ২-২ গ'লত ড্ৰ হোৱাৰ পাছত পেনাল্টি শ্বুটত নগাঁৱৰ ছোৱালী দলে ৩-১ গ'লত জয়লাভ কৰি চেম্পিয়ন হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ছেমিফাইনেলত তিনিচুকীয়াক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ডিব্ৰুগড় দলে ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে আনখন ছেমিফাইনেলত গুৱাহাটীক ২-০ গ'লত হৰুৱাই নগাঁও জিলা দলে ফাইনেলত স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে ভেটাপাৰাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মহিলা হকীৰ গ্ৰুপৰ খেলত গুৱাহাটীয়ে তেজপুৰক ২-০ গ'লত, তিনিচুকীয়াই হোজাইক ১-০ গ'লত, নগাঁও দলে হাইলাকান্দিক ১৪-০ গ'লত আৰু ডিব্ৰুগড়ে মৰিগাঁৱক ১১-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। আজি পদক প্ৰদান অনুষ্ঠানত উপস্থিত থাকে সাংসদ ভুৱনেশ্বৰ কলিতা, আৰক্ষী বিষয়া সুধাকৰ সিং, হকী ইণ্ডিয়াৰ কোষাধ্যক্ষ তপন দাস আদি। চলিত অসম যুৱ অলিম্পিক ২০২২ ৰ পুৰুষ হকীৰ খেল ২৬-২৭ জুলাইত ভেটাপাৰাৰ হকী ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

**কাবাদীত ল'ৰাত কামৰূপ, ছোৱালীত বাক্সা জিলা চেম্পিয়ন**

কামৰূপ আৰু বাক্সাই অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ ৰ ল'ৰা আৰু ছোৱালীৰ কাবাদীৰ চেম্পিয়ন হৈছে। উল্লেখ্য যে আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত আজি অনুষ্ঠিত হয় ল'ৰা আৰু ছোৱালীৰ কাবাদীৰ ফাইনেল মেচ। ল'ৰাৰ ফাইনেলত কামৰূপ জিলাই ৩৫-৩২ৰ ব্যৱধানত মৰিগাঁৱক পৰাস্ত কৰি সোণৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে ছেমিফাইনেলত কামৰূপে ৪৬-৩৬ৰ ব্যৱধানত গোৱালপাৰাক পৰাস্ত কৰাৰ বিপৰীতে মৰিগাঁও জিলাই ৪১-৩০ৰ ব্যৱধানত গুৱাহাটীক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ইফালে, ছোৱালীৰ ফাইনেলত বাক্সা জিলাই ৫৪-৪৫ ৰ ব্যৱধানত চিৰাং জিলা দলক পৰাস্ত কৰি সোণৰ পদক লাভ কৰে। ইয়াৰপূৰ্বে ছেমিফাইনেলত বাক্সাৰ ছোৱালীয়ে ৩৮-৩৬ৰ ব্যৱধানত কোকৰাঝাৰক পৰাস্ত কৰাৰ বিপৰীতে চিৰাং জিলাই ৫৬-৩০ৰ ব্যৱধানত তামুলপুৰক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।








# অসম ৰাজ্যিক টাইকোৱানড'ত বিশ্বনাথৰ ২টা সোণ ২টা ৰূপ আৰু ৭টা ব্ৰঞ্জৰ মেডেল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, চতিয়া, ২৪ জুলাই ঃ** সদৌ অসম টাইকোৱানড' সংস্থাৰ বাৰ্ষিক ৰাজ্যিক টাইকোৱানড' প্ৰতিযোগিতা যোৱা ১৭ জুলাই পৰা ২০ জুলাইলৈ বঙাইগাঁৱৰ অভয়াপুৰীত অনুষ্ঠিত হৈ যায়। অসমৰ বিভিন্ন জিলাৰ পৰা প্ৰায় ১২০০ৰো অধিক খেলুৱৈয়ে উক্ত প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। বিশ্বনাথ জিলা টাইকোৱানড' সংস্থাৰ সম্পাদক হৃদয়ানন্দ দাসে জনোৱা মতে ৩৭সংখ্যক অসম ৰাজ্যিক টাইকোৱানড' প্ৰতিযোগিতাখনিত বিশ্বনাথ জিলাৰ ১১জন খেলুৱৈয়ে দুৰ্দান্ত প্ৰদৰ্শনেৰে পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিশ্বনাথৰ ভূমিস্থা দাস আৰু হিমশিখা দাসে সোণৰ, প্ৰিয়দৰ্শিনী লামা আৰু নয়নী গগৈয়ে ৰূপৰ আৰু ঋষভ নাথ, আৰাধ্যা প্ৰিয়ম, অধিৰাজ হাজৰিকা, ঋষিকা কুৰ্মী, বৰ্ণিল ফুকন, ঋষভ নাথ আৰু সুদীপ্ত নয়ন বৰাই ব্ৰঞ্জৰ পদক লাভ কৰে। উক্ত প্ৰতিযোগিতাত জিলা দলটিৰ প্ৰশিক্ষকৰ দায়িত্বত আছিল দীনেশ শৰণীয়া আৰু পূজা ডেউৰী দাস আৰু মেনেজাৰৰ দায়িত্বত আছিল দীপশিখা দলে।

# মৰিয়নি ফুটবল লীগত হাতীপটি ৪-২ গ'লত জয়ী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, মৰিয়নি, ২৪ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগত হাতীপটি চাহ বাগিচাই আজিৰ খেলত জয়ী হৈ লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। আজি হাতীপটি দলে কাটনীবাৰী দলক ৪-২ গ'লৰ ব্যৱধানত পৰাজিত কৰে। খেলৰ ৩ মিনিটত হাতীপটি দলৰ অমিত তাঁতীয়ে এটা গল দিয়াৰ পিছত কাটনীবাৰী দলৰ অবিনাশ প্ৰজাই ২১ মিনিটত এটা গ'ল দি সমতা স্থাপন কৰে। দ্বিতীয় অৰ্ধৰ ৫২ মিনিটত হাতীপটি দলৰ অমিত তাঁতীয়ে এটা গ'ল দি নিজ দলক আগুৱাই ৰাখে। কিন্তু এই ব্যৱধান বেছি সময় নাথাকে। খেলৰ ৫৪ মিনিটত কাটনীবাৰী দলৰ অবিনাশ প্ৰজাই এটা গ'ল দি সমতা স্থাপন কৰে। ইয়াৰ পিছত হাতীপটি দলৰ হৈ ৰাজু মুণ্ডাই ৬৬ আৰু ৭৮ মিনিটত দুটা গ'ল কৰি হাতীপটি দলক জয়ৰ সোৱাদ দিয়ে। হাতীপটি দলৰ বিশাল গড়ে হালধীয়া কাৰ্ড পায়।

## জি এছ এৰ ১৩ অনূৰ্ধ্ব ফুটবল প্ৰতিযোগিতা

# উদয়ন কৃষ্টি সংঘ-নাৰেংগী ছেমিফাইনেলত

**গুৱাহাটী, ২৪ জুলাই ঃ** নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ বছৰ অনূৰ্ধ্ব ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজনৰ ছেমিফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে উদয়ন কৃষ্টি সংঘ আৰু নাৰেংগী এফচিচিয়ে। আজি অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত উদয়ন কৃষ্টি সংঘই পেগাছাছ এফচিক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি গ্ৰুপৰ বিজয়ী হিচাপে ছেমিফাইনেলত প্ৰৱেশ কৰে। আনহাতে, ডি গ্ৰুপৰে আন এখন খেলত চানমাৰি এফচিচিয়ে গুৱাহাটী ইয়ং ষ্টাৰ এফচিচিক ৩-১ গ'লত পৰাস্ত কৰে। আনহাতে, গ্ৰুপ চিৰ এখন খেলত নাৰেংগী এফচিচিয়ে আকাশ এফচিক ৫-০ গ'লত পৰাস্ত কৰি গ্ৰুপৰ বিজয়ী হিচাপে ছেমিফাইনেলত প্ৰৱেশ কৰে। নাৰেংগীৰ পৰাগ কুমাৰ শৰ্মাই হেট্ট্ৰিক অৰ্জন কৰে। এতিয়া অহা ২৮ জুলাইত নাৰেংগী এফচিচিয়ে গুৱাহাটী চিটী এফচিৰ বিৰুদ্ধে আৰু উদয়নে কাজিৰঙা এফচিৰ বিৰুদ্ধে ছেমিফাইনেলত অৱতীৰ্ণ হ'ব।

# মাজবাটত ১২তম্ ১৩ বছৰ অনূৰ্ধ্বৰ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলত বিজয় ডিমাকুছি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, মাজবাট, ২৪ জুলাই ঃ** ওদালগুৰি জিলাৰ মাজবাট ৰাজীৱ গান্ধী ক্ৰীড়া খেলপথাৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিৰ উদ্বোগত আৰু মাজবাট, ওৰাং, ৰৌতা, বৰছলা, বড়োবাজাৰ, নলোবাৰী, ওদালগুৰি, ছনাই কাজিয়ামাটি, বৰ্ণগাঁও, কবিৰআলি, কলাইগাঁও, ভকতপাৰা, মুদৈবাৰী, হৰিশিঙা, আম্বাগাঁও, পানেৰি, টংলা, ভেৰগাঁও, খৈৰাবাৰী, খাগৰাবাৰী, ডিমাকুছি আঞ্চলিক নিখিল বড়ো ছাত্ৰ সন্থাৰ সহযোগত ১২তম্ ১৩ বছৰ অনূৰ্ধ্বৰ ফুটবল প্ৰতিযোগিতাৰ খেলখন যোৱা ৯ জুলাইত খাগৰাবাৰী জনতা হাইস্কুল খেলপথাৰত শুভাৰম্ভ হোৱা ফুটবল খেলখন চাৰিটা জ'নত বিভক্ত কৰা হয়। আজিৰ ফাইনেল খেলখনত নিখিল বড়ো ছাত্ৰৰ কেন্দ্ৰীয় সভাপতি দীপেন বড়োৱে শান্তিৰ প্ৰতীক বগা ৰঙৰ পাৰ চৰাই আৰু বেলুন উৰুৱাই খেলখনত কণ কণ খেলুৱৈসকলক শুভেচ্ছা জনায়। আজিৰ ফাইনেল খেলখনত ডিমাকুছি ফুটবল দলে বৰ্ণগাঁও দলক ৩-২ গ'লত পৰাস্ত কৰি ডিমাকুছিয়ে চেম্পিয়ন হয়। এই কাৰ্যসূচীত উপস্থিত থাকে কাৰ্যবাহী সদস্য নীলোৎ স্বৰ্গিয়াৰী, নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক আনন্দ দৈমাৰী, সহঃ সম্পাদক দীনেশ বড়ো, খেল সম্পাদক গণেশ বসুমতাৰী, শিক্ষা সম্পাদক ৰমিও বসুমতাৰী, ওদালগুৰি জিলা এবছুৰ উপ-সভাপতি কৰ্নলিয়াছ দৈমাৰী, সাধাৰণ সম্পাদক নিঝুমছা বড়ো, সম্পাদক ৰাহুল ৰাজ দৈমাৰী, ধৰণী বড়ো, বাবুৰাম দৈমাৰী, সহঃ সম্পাদক বাবুল বড়ো, মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সুভাষ দে', শিক্ষক প্ৰফুল্ল দৈমাৰী, অৱসৰপ্ৰাপ্ত শিক্ষক ৰামকৰণ গোঁড়ৰ লগতে এবছুৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।




# সঞ্জীৱন সমাজ দলৰ সহজ জয়লাভ

**গুৱাহাটী, ২৪ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানী প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ সম্প্ৰতি আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। এই লীগৰ আজিৰ খেলত ডিফেণ্ডিং চেম্পিয়ন সঞ্জীৱন সমাজে উদয় সংঘক ৪-০ গ'লত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জনেৰে এইবাৰো খিতাপ লাভৰ আশা সজীৱ কৰি ৰাখিছে। খেলখনত সঞ্জীৱন সমাজৰ হৈ লক্ষ্যজ্যোতি দাস আৰু পৰিৱৰ্তিত খেলুৱৈ প্ৰজ্ঞানজ্যোতি গগৈয়ে ক্ৰমে দুটাকৈ গ'ল দিয়ে। এই পৰ্যন্ত সঞ্জীৱন সমাজে নিজৰ ছখন খেলৰ এখনত পৰাজয় আৰু পাঁচখনত জয়লাভৰে মুঠ ১৫ পইণ্ট সংগ্ৰহ কৰিছে। দলৰ এখন খেল খেলিবলৈ বাকী আছে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পাৰ্শ্বজ্যোতি দাসক সহায় কৰে শৈলেন ভূএগ, কৃষ্ণকান্ত দাস আৰু দিব্যজ্যোতি শৰ্মাই। খেলখনত সঞ্জীৱন সমাজৰ আশ্বীক ইকবাল ফৰিদ শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।



*গুৱাহাটীৰ জিটিচি অডিটৰিয়াম হলত অনুষ্ঠিত জিটিচি চেছ ফাউণ্ডেচনৰ টুৰ্নামেণ্টৰ দ্বাৰা আয়োজিত চেছ খেলৰ ছবি, দেওবাৰে*



*গুৱাহাটীৰ হোটেল লেণ্ডমাৰ্কত সংবাদ মেল সম্বোধন অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰৰ*

নগাঁও বিজেপিৰ সাংগঠনিক দুৰ্বলতাৰ সুযোগ লৈছে আম আদমী পাৰ্টীয়ে

# ৰহা, বড়মপুৰত আপৰ ব্যাপক সাংগঠনিক কুচকাৱাজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৪ জুলাই ঃ** যি সময়ত সমগ্ৰ দেশতে ভাৰতীয় জনতা পাৰ্টীয়ে সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে চেষ্টা চলাইছে সেই সময়ত বিজেপিৰ নগাঁও জিলা সমিতিৰ সাংগঠনিক দুৰ্বলতাৰ সুযোগ লৈ আম আদমী পাৰ্টীয়ে দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে ব্যাপক কুচকাৱাজ চলোৱা দেখা গৈছে। কংগ্ৰেছৰ দখলত থকা নগাঁও লোকসভা সমষ্টি পুনৰ উদ্ধাৰৰ স্বাৰ্থত বিজেপিৰ শীৰ্ষ নেতৃত্বই জিলা সভাপতি অভিজিৎ নাথক নগাঁও জিলা সমিতিক শক্তিশালী কৰাৰ বাবে নিৰ্দেশ দিছে যদিও কাৰ্যক্ষেত্ৰত পূৰ্বতকৈ দলটোৰ স্থিতি ৰহা আৰু বড়মপুৰ সমষ্টিত পিছপৰাহে পৰিলক্ষিত হৈছে। অৱশ্যে নগাঁও সদৰ সমষ্টিত বিধায়ক ৰূপক শৰ্মাৰ নেতৃত্বত দলটোৰ স্থিতি শক্তিশালী হোৱাৰ ফলতে সমষ্টিটোত আপে প্ৰভাৱ পেলাব পৰা নাই। ইয়াৰ বিপৰীতে বড়মপুৰ সমষ্টিত বিধায়ক জিতু গোস্বামীয়ে উন্নয়নমূলক কাম-কাজৰ বাবে যথেষ্ট পদক্ষেপ লৈছে যদিও জিলা সভাপতিগৰাকীৰ অদূৰদৰ্শিতাৰ বাবেই বৰ্তমান নৰৈ, কচুপিট, কন্দলী, পোতনি আদি অঞ্চলত আম আদমী পাৰ্টীয়ে ব্যাপক হাৰত সদস্যভৰ্তি অভিযান চলাইছে। একেদৰে ৰহা সমষ্টিতো শশীকান্ত দাসক লৈ যেন সুখী নহয় সমষ্টিটোৰ বিজেপিৰ কৰ্মকৰ্তাসকল। আনহাতে, ভিআইপি অনুষ্ঠানৰ বাহিৰে আন সময়ত দলীয় কৰ্মীৰ কাষত জিলা সভাপতিগৰাকী থিয় নোহোৱাৰ বাবেই ৰহাতো বিজেপিৰ কৰ্মীসকলৰ অসন্তুষ্টি দিনক দিনে বৃদ্ধি পাইছে। বিজেপিৰ দলীয় অসন্তুষ্টিৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে অসমত নতুনকৈ আত্মপ্ৰকাশ কৰা আম আদমী পাৰ্টীয়ে। আম আদমী পাৰ্টীয়ে ৰহা সমষ্টিৰ চাপৰমুখ, কচুৱা, ৰহা, ফুলগুৰি আদিত গোপনে সভা-সমিতিৰ আয়োজন কৰি দলটোৰ শক্তি বৃদ্ধি কৰাৰ চেষ্টা চলাইছে। আপে ৰহা সমষ্টিটো তীব্ৰতৰ কৰিছে সদস্যভৰ্তি অভিযান। ২৪ৰ লোকসভা নিৰ্বাচনৰ আগমুহূৰ্তত বিজেপিৰ নগাঁও জিলা সমিতিৰ অন্তৰ্গত সমষ্টি কেইটাত হঠাৎ সাংগঠনিক ভেটি দুৰ্বল হোৱা কাৰ্যই চিন্তিত কৰি তুলিছে দলটোৰ প্ৰবীণ কৰ্মীসকলক।

# বিটিআৰতো আৰম্ভ হ'ব মিছন বসুন্ধৰা

## বিটিআৰত ২০২৩ৰ ভিতৰত মাটিৰ সমস্যা সমাধানৰ লক্ষ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৪ জুলাই ঃ** বিটিআৰৰ বাহিৰত মিছন বসুন্ধৰাৰ জৰিয়তে সকলো ভূমিৰ জৰীপ চলি থকাৰ সময়তে বিটিআৰতো শীঘ্ৰে মিছন বসুন্ধৰাৰ দ্বাৰা ভূমিৰ অধিকাৰ আৰু জৰীপ কাৰ্য চলিব। ষষ্ঠ অনুসূচীভুক্ত বিটিআৰৰ ১৯টা ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভিতৰত থকা অজনজাতীয় লোকসকলৰ ক্ষেত্ৰত ভূমি আইনমতে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ভাৰত স্বাধীন হোৱাৰ সময়তে জনজাতীয় লোকৰ ভূমি সংৰক্ষণৰ কাৰণে বান্ধি দিয়া ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ বাহিৰৰ অৰ্থাৎ ২০০৩ চনৰ আগত বিটিআৰত বাস কৰা সকলো ভাৰতীয় নাগৰিকৰ মাজতে ভূমি কিনা-বেচা কৰিব পাৰিব। বাক্সা জিলাৰ বৰমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত ভূমি আৰু ৰাজহ বিভাগৰ এখন গুৰুত্বপূৰ্ণ সভাত অংশগ্ৰহণ কৰি বিটিচিৰ চীফ প্ৰমোদ বড়োৱে এইদৰে মন্তব্য কৰে। তেওঁ লগতে অনাগত দিনত বিটিআৰত মিছন বসুন্ধৰাৰ জৰিয়তে বিটিআৰৰ সকলো লোকৰে ভূমিৰ সমস্যা সমাধান হ'ব বুলিও মন্তব্য কৰে। ইফালে চৰকাৰী ভূমিত যিসকল ভাৰতীয় লোকে অবৈধভাৱে বেদখল কৰি আছে তেওঁলোককো ভূমি অধিকাৰ দিয়াৰ কথা চিন্তা কৰা বুলি উল্লেখ কৰে বিটিচি চীফ প্ৰমোদ বড়োৱে। ২০২৩ চনৰ ভিতৰত মাটিৰ সকলো সমস্যা সমাধান হ'ব বুলিও মত প্ৰকাশ কৰে বিটিচি প্ৰধানগৰাকীয়ে। আজিৰ সভাত বিটিআৰৰ কাৰ্যবাহী সদস্য, এমচিএলএ, বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

‘দৈনন্দিন বাৰ্তা’ৰ বাতৰিৰ প্ৰভাৱ

# কিশোৰৰ পৰিয়ালৰ খবৰ ল'লৈগে বিজিপি নেতা নুৰুল হুদাই



**দৈনন্দিন বাৰ্তাৰ সেৱা, মায়ং, ২৪ জুলাই ঃ** ১৪ জুলাইত মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বৰালিমাৰী গাঁও পঞ্চায়তৰ অধীনস্থ ‘হিন্দু জাপৰি ব্ৰহ্মপুত্ৰ নদীত পৰি সলিল সমাধি এজন কিশোৰৰ’ শীৰ্ষক বাতৰিটো প্ৰকাশ পাইছিল অসমীয়া বাতৰি কাকত দৈনন্দিন বাৰ্তাত। উক্ত বাতৰিত আমি উল্লেখ কৰিছিলোঁ যে মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ বৰালিমাৰী গাঁও পঞ্চায়তৰ অধীনস্থ বেতনি গাঁৱৰ বাসিন্দা মফিজুদ্দিন আহমদৰ একমাত্ৰ পুত্ৰ লগৰীয়াৰ লগত গা ধুব গৈ মহাবাহু ব্ৰহ্মপুত্ৰত মৃত্যুক সাবটি লয়। এই বাতৰিটো পঢ়ি লাহৰীঘাটৰ বিশিষ্ট বিজেপি নেতা তথা সম্ৰাট মচলাৰ উত্তৰাধিকাৰী নুৰুল হুদাই আজি মফিজুদ্দিন আহমদৰ বাসগৃহত উপস্থিত হৈ পৰিস্থিতিৰ বিষয়ে বুজ লোৱাৰ লগতে উক্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰা পৰিলক্ষিত হয়।

# বিজয়নগৰত অসম ৰাজ্যিক আশা ইউনিয়নৰ ৰাজ্যিক সন্মিলন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ২৪ জুলাই ঃ** দক্ষিণ কামৰূপ বিজয়নগৰত ২৩-২৪ জুলাইত অনুষ্ঠিত ‘অসম ৰাজ্যিক আশা ইউনিয়ন’ৰ দ্বিতীয় ৰাজ্যিক সন্মিলনখনিৰ আজি সামৰণি পৰে। সন্মিলনৰ আৰম্ভণিতে ইউনিয়নৰ পতাকা উত্তোলন কৰে ইউনিয়নৰ সভানেত্ৰী টুটুমণি লাহন আৰু চিআইটিইউৰ পতাকা উত্তোলন কৰে চিআইটিইউৰ দক্ষিণ কামৰূপ জিলাৰ সভাপতি মদন তালুকদাৰে। সন্মিলনৰ বাবে গঠিত হোৱা অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঃ দেৱেশ্বৰ দাসে আদৰণী ভাষণ ৰখাৰ পিছতে সন্মিলনৰ উদ্বোধনী ভাষণ ৰাখে সৰ্বভাৰতীয় আশাকৰ্মী সমন্বয়ৰক্ষী সমিতিৰ নেত্ৰী তথা চিআইটিইউৰ হাৰিয়ানা ৰাজ্যিক সমিতিৰ সভানেত্ৰী কমৰেড সুৰেখাই মুখ্য বক্তা হিচাপে বক্তব্য প্ৰদান কৰে। সন্মিলনত সম্পাদকীয় প্ৰতিবেদন উত্থাপন কৰে ইউনিয়নৰ সাধাৰণ সম্পাদিকা ননী লিকচন ফুকন আৰু কোষাধ্যক্ষৰ প্ৰতিবেদন উত্থাপন কৰে ইনাজ বেগমে। অসমৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ দুয়ো উপত্যকাৰ সমূহ জিলাৰ পৰা অহা প্ৰতিনিধিসকলে প্ৰতিবেদনৰ ওপৰত আলোচনা কৰে আৰু প্ৰতিবেদন সৰ্বসন্মতিক্ৰমে গৃহীত হয়। সন্মিলনে অসমৰ বান-খহনীয়া প্ৰতিৰোধৰ দাবীত, ঔষধকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে, ভাৰতীয় শ্ৰম সন্মিলনৰ ৪৫সংখ্যক অধিৱেশনত অনুমোদন হোৱা বিষয়সমূহ কাৰ্যকৰী কৰাৰ দাবীত, শ্ৰমজীৱী মহিলাৰ বাবে সু-ব্যৱস্থা আৰু সুৰক্ষাৰ দাবীত প্ৰস্তাৱ গ্ৰহণ কৰে। সন্মিলনে মমতা তালুকদাৰক সভানেত্ৰী, ননী লিকচন ফুকনক সাধাৰণ সম্পাদিকা আৰু স্বপ্না দেৱীক কোষাধ্যক্ষ হিচাপে লৈ ৩২জনীয়া ৰাজ্যিক কমিটী গঠন কৰি দিয়ে। সন্মিলনে আগন্তুক ১৬ৰ পৰা ১৮ ছেপ্টেম্বৰলৈ আশা কৰ্মীসকলৰ সৰ্বভাৰতীয় সমন্বয়ৰক্ষী কমিটীৰ হাৰিয়ানাত হ'বলগীয়া সৰ্বভাৰতীয় সন্মিলনলৈ সাতজনীয়া প্ৰতিনিধি নিৰ্বাচন কৰে। সন্মিলন উপলক্ষে প্ৰকাশিত স্মৰণিকাখনি উন্মোচন কৰে সেনাবাহিনীৰ প্ৰাক্তন কেপ্টেইন ডাঃ গিৰীশ চন্দ্ৰ বৰুৱাই। ২৪ জুলাইৰ আবেলি বাটৰহাটত টুটুমণি লাহন আৰু মমতা তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আশা কৰ্মী, ৰন্ধন কৰ্মী, অংগনৱাড়ী কৰ্মী-সহায়িকা, নিৰ্মাণ শ্ৰমিককে ধৰি স্থানীয় সৰু-সৰু শিল্প-কাৰখানাৰ শ্ৰমিকে এই মুকলি সভাত যোগ দিয়ে। মুকলি সভাত বক্তব্য ৰাখে কেন্দ্ৰীয় নেত্ৰী কমৰেড সুৰেখা, চিআইটিইউৰ ৰাজ্যিক সাধাৰণ সম্পাদক তপন শৰ্মা আৰু চিআইটিইউৰ জিলা সম্পাদক হিতেশ দাসে। মুকলি সভাৰ আগতে এক বৰ্ণাঢ্য শোভাযাত্ৰাও অনুষ্ঠিত হয়।



*গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰ প্ৰেক্ষাগৃহত সুৰৰ দেউলৰ সহযোগত ভি কে আই চিৰ উদ্যোগত আয়োজিত কথকনৃত্যৰ অনুষ্ঠানত সুনীতা কৌশিক, দেৱৰাতি চৌধুৰী আৰু সুকন্যা বৰাৰ নৃত্য প্ৰদৰ্শন, শনিবাৰে*

# আদিবাসী ছেংগেল অভিযানৰ প্ৰশিক্ষণ শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৪ জুলাই ঃ** আদিবাসী ছেংগেল অভিযান, অসম আৰু বিটিআৰ মাণ্ডলিক আদিবাসী ছেংগেল অভিযানৰ অন্তৰ্গত তামুলপুৰ জিলা সমিতিৰ উদ্যোগত নাগ্ৰীজুলি ব্লকৰ অন্তৰ্গত ১নং কুসুমজুলি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ছেংগেল কৰ্মী, ছেংগেল মাঝি আৰু সেনাসকলৰ বাবে কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ‘প্ৰশিক্ষণ শিবিৰ’ অনুষ্ঠিত হয়। শনিবাৰে সন্ধিয়া ৮ বজাত বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে তামুলপুৰ জিলা আদিবাসী ছেংগেল অভিযানৰ সভাপতি চিউদল মুৰ্মুৱে। অসম ৰাজ্যিক আদিবাসী ছেংগেল অভিযানৰ উপ-সভাপতি বাজুন টুডুৰ সভাপতিত্বত আজি অনুষ্ঠিত সামৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে আদিবাসী ছেংগেল অভিযানৰ অসম ৰাজ্যিকৰ সাধাৰণ সম্পাদক ডানিয়েল হেম্ব্ৰম। আদিবাসী ছেংগেল অভিযানৰ অসম ৰাজ্যিক সমিতিৰ উপ-সভাপতি সোহন হেম্ব্ৰম, বিটিআৰৰ মাণ্ডলিক সভাপতি শুনিৰাম মুৰ্মু, পশ্চিমবঙ্গ ৰাজ্যিক সমিতিৰ চাৰনা ধৰ্ম মাণ্ডৱা সভাপতি ৰবি মাৰ্ডী উপস্থিত থকা সভাত তামুলপুৰ জিলাৰ তামুলপুৰ ব্লক, নাগ্ৰীজুলি ব্লকৰ ছেংগেল কৰ্মীৰ লগত বিভিন্ন গাঁও সমাজৰ মুৰব্বী, পুৰুষ-মহিলা উপস্থিত থাকে। সভাত আদিবাসী ছেংগেল অভিযানৰ লক্ষ্য, উদ্দেশ্যসমূহ, আদিবাসী গাঁও সমাজৰ পৰা মদ্যপান, অন্ধবিশ্বাস, ডাইনীৰ নামত হত্যা হিংসা, মূল্যৱান ভোট বিক্ৰী, কুসংস্কাৰ আদি বন্ধ কৰা আদি বিভিন্ন বিষয়ৰ আলোচনা কৰা হয়।

# তিৱা ছাত্ৰ সন্থাৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৪ জুলাই ঃ** ‘শিক্ষকসকলে দেশৰ ভৱিষ্যৎ মানৱ সম্পদ গঢ়াত প্ৰধান ভূমিকা পালন কৰিব লাগিব।’ - এই মন্তব্য মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীৰ। আজি কঠীয়াতলী আঞ্চলিক তিৱা ছাত্ৰ সন্থাৰ দ্বাৰা আয়োজিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা কাৰ্যসূচীত ভাগ লৈ বিধায়কগৰাকীয়ে এনেদৰে কয়। লগতে কঠীয়াতলী আঞ্চলিক তিৱা ছাত্ৰ সন্থাই দায়বদ্ধতাৰে শিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ বাবে ধন্যবাদ জনায়। জ্যেষ্ঠ নাগৰিক ভূপেশ দাৰফাঙৰ সভাপতিত্বত আয়োজন কৰা অভিনন্দন অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে কঠীয়াতলী আঞ্চলিক তিৱা ছাত্ৰ সন্থাৰ সভাপতি দীপাংকৰ পাটৰে। অনুষ্ঠানত তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ পাটৰে ভাষণ প্ৰসংগত কয় যে ভাষা-সংস্কৃতি জীয়াই থাকিলেহে তিৱা জাতি জীয়াই থাকিব। এই ক্ষেত্ৰত কঠীয়াতলী আঞ্চলিক তিৱা ছাত্ৰ সন্থাই প্ৰশংসনীয় ভূমিকা পালন কৰি অহাৰ বাবে ধন্যবাদ জনায়। তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈয়ে শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱাৰ লগতে আশিস প্ৰদান কৰে আৰু এনে কাৰ্যসূচীৰ দ্বাৰা শিক্ষাৰ্থীসকলক উদগনি প্ৰদান কৰা বাবে কঠীয়াতলী আঞ্চলিক তিৱা ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাসকলৰ শলাগ লয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ জিতেন্দ্ৰনাথ হাজৰিকা, নিজ কামপুৰ গাঁও পঞ্চায়তৰ সভাপতি নিৰঞ্জন বৰা, কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি ঘনকান্ত বৰা, নগাঁও জিলা তিৱা ছাত্ৰ সন্থাৰ সম্পাদক প্ৰশান্ত কোঁৱৰ, সদৌ তিৱা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক বাবুল হোকাই আৰু কে'বাজনো বক্তাই ভাষণ প্ৰদান কৰে। কঠীয়াতলী ৰাজহুৱা মঞ্চত অনুষ্ঠিত হোৱা অভিনন্দন অনুষ্ঠানত শিক্ষাৰ্থীসকলক তিৱা জাতীয় বস্ত্ৰ আৰনাই আৰু একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰে ৩০নং নামবৰ লালুং গাঁও সমষ্টিৰ সদস্য ইন্দ্ৰ বৰদলৈ, কঠীয়াতলী শংকৰদেৱ বিদ্যা নিকেতনৰ সভাপতি ধৰ্মেশ্বৰ বৰা, উপ-সভাপতি ডিম্বেশ্বৰ ৰাজখোৱা, সম্পাদক অতুল চন্দ্ৰ কাকতি, জিলা তিৱা ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক ধৈৰ্য বৰদলৈ, কঠীয়াতলী আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি শশী বৰদলৈ, শিক্ষক শ্ৰীমন্ত পাটৰ, তিৱা সাহিত্যিক পৱিত্ৰ লাডুৰ, শিৱানী ডেকা, নিতু বৰাৰ লগতে বহু গণ্যমান্য লোক উপস্থিত থাকে। সভাৰ শেষত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৫ম স্থানপ্ৰাপ্ত তথা শিক্ষক ৰবীন্দ্ৰ বৰাৰ সুপুত্ৰ প্ৰাচুৰ্য প্ৰতিম বৰায়ো তেওঁৰ অনুভৱ ব্যক্ত কৰে।

# হাজোৰ দিহিনা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সম্বৰ্ধনা


**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৪ জুলাই ঃ** হাজোৰ দিহিনা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰসংশনীয় পদক্ষেপ। স্বাস্থ্য কেন্দ্ৰটোত আজি অনুষ্ঠিত হৈ যায় এক সম্বৰ্ধনা সভা। স্বাস্থ্য কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া ডাঃ সোণচন্দ্ৰ মালাকাৰৰ আহ্বানমৰ্মে স্বাস্থ্য কেন্দ্ৰ উন্নয়ন সমিতিৰ সভাপতি তথা দিহিনা কৃষ্ণদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বিশ্ব গোস্বামীৰ সভাপতিত্বত দিনৰ এঘাৰ বজাত অনুষ্ঠিত সভাত অঞ্চলটোৰ বিশ গৰাকীকৈ উদীয়মান যুৱকক ফুলাম গামোচা আৰু লেখক মৃণাল কলিতাৰ ‘বকুল ফুলৰ দৰে’ শীৰ্ষক গ্ৰন্থৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে অঞ্চলটোৰ এই বিশগৰাকী উদীয়মান যুৱকে বিগত প্ৰলয়ংকৰী বানৰ পিছত স্বাস্থ্য কেন্দ্ৰটোৰ কদৰ্যময় পৰিৱেশ স্বইচ্ছাই পৰিষ্কাৰ কৰি এক স্বাস্থ্যৰ পৰিৱেশ গঢ়ি তুলিছিল। এই সম্বৰ্ধনা সভাত দিহিনা কৃষ্ণদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অপূৰ্ব দাস, দিহিনা গাঁও উন্নয়ন সমিতিৰ সভাপতি নৃপেন মজুমদাৰ, প্ৰবীণ তালুকদাৰ, কালিপ্ৰসাদ দাস, সোণেশ্বৰ ডেকা, অৱসৰী শিক্ষক ৰঙনাথ দাস আৰু জন্টি দাসকে ধৰি অঞ্চলটোৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



*লখিমপুৰৰ জাপিসজিয়াত সোণালী জয়ন্তী উদ্‌যাপনৰ দিনা ভাস্কৰজ্যোতি মইনা পাৰিজাত বিদ্যালয়ৰ শিশুৰ সমবেত সংগীত পৰিৱেশন, দেওবাৰে*

# নগাঁৱত কবি সন্মিলনত দুখন গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৪ জুলাই ঃ** সদৌ অসম কবি সন্মিলনৰ নগাঁও জিলা ৰঙাজিএঞা সদৰ শাখা কবি সন্মিলনৰ সভাপতি অশোকৰাম ভট্টাচাৰ্যৰ সভাপতিত্বত আজি নগাঁৱৰ কলংপাৰ বিদ্যাপীঠত এখনি কবি সন্মিলন অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সন্মিলনৰ সম্পাদিকা কবিতা বৰাই। সভাত বিশিষ্ট কবি কাৰুণ্য ভট্টাচাৰ্য, মদাৰজ্যোতি, দ্বিজেন্দ্ৰ নাথ হাজৰিকা, কাবেৰী বৰা, ৰাজু সমীৰণ, প্ৰদ্যুম্ন বৰা, নিৰ্মালি কলিতা, অজিতপ্ৰতিম দাস, মধু চৌধুৰী, পৱন শৰ্মা, চন্দ্ৰ বৰা, শশী কেওটকে ধৰি কে'বাগৰাকী কবিয়ে কবিতা পাঠেৰে অনুষ্ঠানটি উজ্জীৱিত কৰি তোলে। সভাত কবি অশোক ৰাম ভট্টাচাৰ্যৰ গ্ৰন্থ ‘কুঁৱলীৰ আৱৰণ ঠেলি’ উন্মোচন কৰে বিশিষ্ট গল্পকাৰ ভদ্ৰেশ্বৰ ৰাজখোৱাই আৰু লেখক কেশৱ চন্দ্ৰ বৰাৰ ‘কোচ ৰজা নৰনাৰায়ণ’ নামৰ বুৰঞ্জীমূলক গ্ৰন্থখন উন্মোচন কৰে সদৌ অসম কবি সন্মিলনৰ মুখপত্ৰ সম্পাদক, কবি মদাৰজ্যোতিয়ে। সভাত প্ৰসিদ্ধ গল্পকাৰ ভদ্ৰেশ্বৰ ৰাজখোৱা, প্ৰাক্তন অধ্যাপক দেৱকুমাৰ শইকীয়া, কোচ সন্মিলনীৰ নগাঁও জিলা সমিতিৰ সম্পাদক বিপিন বৰা, ‘নূপুৰ মামা’ খ্যাত বিশিষ্ট লেখক ত্ৰৈলোক্য ভট্টাচাৰ্য, শিল্পী আতিকুৰ ৰহমানকে ধৰি বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)
■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি